জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম


গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

RN-11989/65 । ৬১ বছৰ । ৪৫ সংখ্যা, ২ আহিন, শুকুৰবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 45। GUWAHATI, FRIDAY, SEPTEMBER 19, 2025 । পৃষ্ঠা ১৬ (Pages 16) । ৯.০০ টকা (Rs. 9.00)

ND24 newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

'দৈনিক অসম' সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৭০০২৩ ১৭০৪০

## 'দৈনিক অসম'ৰ এই যাত্ৰা অবিনাশী...



### প্ৰফুল্ল গোবিন্দ বৰুৱা

'দৈনিক অসম' কাকত আমাৰ পৰিয়ালটোৰ বাবে পৰিচয়ৰ সূচক। কেৱল আমাৰ পৰিয়ালটোৰ কাৰণেই নহয়, ই অসমীয়া ভাষা-সাহিত্য, অসমীয়া জাতীয় চেতনাৰো পৰিচয়সূচক বুলিও গুণীজনে বিভিন্ন সময়ত অভিহিত কৰিছে। ছটা দশকৰ পূৰ্বে এটা যুগমীয়া সপোনৰ ৰূপত আমাৰ পিতৃ ৰাধাগোবিন্দ বৰুৱাই এই কাকতখনক পোহৰৰ মুখ দেখুৱাইছিল। 'দৈনিক অসম'-এ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ দুটা দশক সম্পূৰ্ণ হোৱাৰ আগেয়ে অসমৰ এটা বিশেষ আৰ্থ-ৰাজনৈতিক পৰিস্থিতি, সুদীৰ্ঘ পৰিকল্পনাৰ ১১ পৃষ্ঠাত চাওক



প্ৰতিষ্ঠাপক সম্পাদক
কীৰ্ত্তিনাথ হাজৰিকা

## স্বকীয় গৰিমা আৰু মহত্ত্বৰে শক্তিশালীভাৱে অগ্ৰগামী হওক

### ডঃ নগেন শইকীয়া



অসম সাহিত্য সভাৰ লগত গভীৰভাৱে জড়িত, বয়সত মোৰ কনিষ্ঠ ভাতৃস্বৰূপ প্ৰয়াত থানেশ্বৰ বৰা সৰুতেই পিতৃৰ লগত নগাঁৱৰপৰা ডিব্ৰুগড় পালেহি ককাক, দেউতাক আৰু মাকৰ লগত। তাৰ পাছত ইয়াতেই তেওঁৰ স্কুলীয়া ৬ পৃষ্ঠাত চাওক

**হীৰক জয়ন্তীৰ প্ৰেৰণাৰে জাতি-ভাষা-সংস্কৃতিৰ স্বাৰ্থত কোনোদিনেই আপোচ নকৰাৰ সংকল্প**

# জাতীয় দায়বদ্ধতাৰ অনিৰুদ্ধ যাত্ৰা

জাতীয়তাবাদ আৰু জাতীয় দায়বদ্ধতাৰ মহৎ লক্ষ্য আগত লৈ ১৯৬৫ চনৰ ৪ আগষ্টত প্ৰকাশ পোৱা 'দৈনিক অসম'ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাৰ প্ৰথমটো পৃষ্ঠা।



দৈনিক অসম
Dainik Asam
ৰাষ্ট্ৰীয় সমাধান প্ৰয়োজনীয়
ওৱাৰ্টে-শাস্ত্ৰী আলোচনা
ইণ্ডিয়া কাৰ্বন লিমিটেড

■ শংকৰ লস্কৰ

আৰ্থাৰ ছুলজবাৰ্গ, জুনিয়ৰ (Arthur Sulzberg, Jr.) নামৰ প্ৰখ্যাত সাংবাদিক, চিন্তাবিদজনে কৈছিল—Newspapers cannot be defined by the second word— paper. They've got to be defined by the first word—news.

বাতৰি কাকতৰ কথা প্ৰকাশ কৰে বাতৰিয়ে। বাতৰিৰ সমাহাৰত জন্ম হয় এখন কাকতৰ। অৰ্থাৎ বাতৰি কাকতক পৃথকে সংজ্ঞায়িত কৰাৰ প্ৰয়োজন নাই। পৃথিৱীত প্ৰথম বাতৰি কাকত জন্ম হোৱাৰ দিনটোৰ পৰা আজিলৈকে বা অনন্তকাললৈ 'বাতৰি' শব্দটোৰ গুৰুত্ব থাকি যাব। কিয়নো, বাতৰি অবিহনে অচল হৈ পৰে পৃথিৱীখন। অসমত বাতৰি কাকতৰ গণমুখী যাত্ৰাৰ কথা ক'লে প্ৰথমেই সকলোৰে মুখত উচ্চাৰিত হয় এটাই নাম। ৬০ বছৰীয়া ঐতিহ্য, ৬০ বছৰীয়া দায়বদ্ধতা, ৬০ বছৰীয়া স্বাভিমান, ৬০ বছৰীয়া অভিজ্ঞতাৰে সমৃদ্ধ

এই কাকতখনেই হৈছে 'দৈনিক অসম'। আধুনিক অসমৰ অন্যতম খনিকৰ ৰাধাগোবিন্দ বৰুৱাৰ আলোকদৰ্শী চিন্তা, দূৰদৰ্শিতা আৰু জাতীয় দায়বদ্ধতাৰ চানেকি হিচাপে ১৯৬৫ চনৰ ৪ আগষ্টত জন্মলাভ কৰা কাকতখনে অসমৰ সংবাদপত্ৰৰ ইতিহাসৰ এটা প্ৰাণময় কিংবদন্তিত পৰিণত হৈছে। লুইতৰ বুকুৰে ৬ পৃষ্ঠাত চাওক



## দেউতাৰ হাতৰ কাকতখন আৰু এটা জাতীয় দায়িত্বৰ আহ্বান

### কিশোৰ বৰা



'আই তোক কিহেৰে পূজিমে
আই তোৰ চৰণে দুখানি,
আই অ' কিহেৰে পূজিমে তোক
আই অ' জীৱন দি পূজিমে তোক...'
— মুকুল বৰুৱা

মানুহৰ পৰিচয় গঢ়ে তেওঁৰ বোধ আৰু চেতনাই। মানুহৰ জীৱনৰ কৃতি আৰু কৃতিত্ব নিৰ্দ্ধাৰণ হয় সমাজৰ প্ৰতি তেওঁৰ দায়বদ্ধতা আৰু সাধ্যানুসৰি আগবঢ়োৱা অৱদানৰ ভেটিত। এনে বোধ-উপলব্ধি-চেতনাক গঢ় দিয়ে তেওঁ পাৰ কৰি অহা যাত্ৰাটোৰ প্ৰেৰণাই। কি পৰিৱেশৰপৰা তেওঁ ক'লৈ আহিছে আৰু তেওঁ সমাজৰ কোনখিনি স্থানত গৈ ৬ পৃষ্ঠাত চাওক

## 'দৈনিক অসম' আৰু অসম আন্দোলন

মানুহ সদায় অনুসন্ধিৎসু। নিজৰ চৌপাশৰ কথা, চিনাকিসকলৰ কথা জানিয়েই মানুহৰ এই অনুসন্ধিৎসা ক্ষান্ত নহয়। সেই পৰিধি চেৰাই গৈ মানুহে জানিবলৈ বিচাৰে ৰাজ্য বা দেশৰ পৰিসীমাও অতিক্ৰমি বিশ্বৰ আন প্ৰান্তৰ খবৰ, আন মানুহৰ খবৰ, ক'ত, কেনেকৈ আৰু কিদৰে ঘটিছে— সেয়া জানিবলৈ সদায় এটি উদগ্ৰীৱ মনৰ অধিকাৰী বাবেই খবৰৰ সম্ভেদ লোৱাৰ প্ৰচেষ্টাই সংবাদসেৱাৰ ধাৰণাৰ জন্ম দিছিল। সংবাদসেৱাই লিখিত ৰূপ লাভ কৰাৰ আগতে মৌখিক ৰূপত প্ৰচলিত বাৰ্তাই মানুহক আকৰ্ষিত কৰিছিল। ঘটনাৰ উমান লোৱাৰ এই উৎসুকতাৰ বাবেই কালক্ৰমত মানুহৰ উদ্যোগতে বাতৰি কাকতৰ জন্ম, যি আজিৰ গণতান্ত্ৰিক বিশ্বৰ এক তুলনাবিহীন শক্তি। ভাৰতীয় সংবাদপত্ৰৰ




ডঃ হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী

ইতিহাস বহু ঘটনাবহুল অধ্যায়ৰ সাক্ষী। স্বাধীনতাৰ বীজমন্ত্ৰৰে দীক্ষিত হৈ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় চেতনাৰ উন্মেষ ঘটোৱাৰ পৰা আৰম্ভ কৰি গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱা তথা পৰৱৰ্তী সময়ত গণতান্ত্ৰিক প্ৰমূল্যবোধ গভীৰলৈ শিপাই তোলাত ভাৰতীয় সংবাদ মাধ্যমে এক লেখত ল'বলগীয়া ভূমিকা গ্ৰহণ কৰি আহিছে। সেইদৰে অসমতো 'অৰুনোদই' সংবাদপত্ৰই অসমীয়া জাতিৰ ইতিহাসৰ বহু গুৰুত্বপূৰ্ণ দিশ পোহৰলৈ আনি জাতিটোক আধুনিক চেতনাৰে আগুৱাই নিয়াৰ মহৎ প্ৰয়াসৰ সূচনা কৰিছিল। সংগ্ৰাম আৰু উত্তৰণৰ গৌৰৱময় পৰম্পৰাৰে সমৃদ্ধ অসমৰ সংবাদপত্ৰৰ ইতিহাস অতি বৰ্ণিল , যি আজি স্বকীয়তা উদ্ভাসিত হৈ উঠিছে। ৬ পৃষ্ঠাত চাওক

## কাৰ্বি আংলঙৰ মাটিৰপৰা শুভেচ্ছাৰে...

### ৰংবং তেৰাং



মণিৰাম দেৱান পথেৰে গ'লেই দেখা পাওঁ— The Assam Tribune, অসম বাণী, দৈনিক অসম, এই ছাইনব'ৰ্ড তিনিখন ট্ৰিবিউন বিল্ডিংছৰ ওপৰত উজলি থকা। সেয়া দেখা পালেই, ক'ব নোৱাৰাকৈয়ে মোৰ মনটো নষ্টাল্‌জিক ভাব এটাই মেৰিয়াই ধৰেহি। শ্ৰদ্ধাৰ ৰাধাগোবিন্দ বৰুৱাৰ পৃষ্ঠপোষকতাত ১৯৬৫ চনৰ ৪ আগষ্টত জন্মলাভ কৰা 'দৈনিক ৬ পৃষ্ঠাত চাওক

## বৰ্ণিল ঐতিহ্যৰ নতুন প্ৰভাতৰ প্ৰাকক্ষণ

### সৰ্বানন্দ সোণোৱাল

কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী

'দৈনিক অসম'ৰ ৬১ বছৰ সম্পূৰ্ণ হোৱাটো আমাৰ ৰাজ্যখনৰ সংবাদ ইতিহাসত এক উল্লেখযোগ্য মাইলৰ খুঁটি। এই অনন্য সাফল্য উদ্‌যাপনৰ জৰিয়তে আমি কেৱল অসমৰ অন্যতম আগশাৰীৰ বাতৰি কাকতখনৰ প্ৰতি সন্মান প্ৰকাশ কৰাই নহয়, ছয় দশকৰো অধিক সময় ধৰি 'দৈনিক অসম'-এ অসমীয়া জাতীয় চেতনা আৰু সাংস্কৃতিক পৰিচয়ক নিৰৱচ্ছিন্ন প্ৰচেষ্টাৰে অটুট ৰখাৰ বাবে কৃতজ্ঞতা জনাইছোঁ। ৬ পৃষ্ঠাত চাওক







## সময়ৰ আহ্বান আৰু 'দৈনিক অসম'


### য়েছে দৰজে ঠেংচি



আমি অতীজৰে পৰা পঢ়ি অহা ভালেমান বাতৰি কাকতৰ প্ৰকাশ, প্ৰচলন বন্ধ হৈ যোৱাৰ উপক্ৰম ঘটিল। বহু হৈ পৰিল অধুনালুপ্ত। সংবাদ মাধ্যম আনকি মানুহৰ পঢ়াৰ অভ্যাস তথা মাধ্যম সলনি হৈ ডিজিটেল ৰূপ লোৱাৰ সময়ত ছপা আখৰৰ ভৱিষ্যতক লৈ প্ৰশ্নবোধকৰ সৃষ্টি হোৱাটোও সকলোৰে বিদিত। তেনে এক পৰস্থিতিতো 'দৈনিক অসম' কাকতে অনিৰুদ্ধ যাত্ৰা অব্যাহত ১১ পৃষ্ঠাত চাওক

GST হ্ৰাস হ'ল।
দাম কমিল।
অতুলনীয় ৰেহাই।
এতিয়াই বুক কৰক
আৰু দুৰ্গা পূজাৰ
সময়ত ঘৰলৈ লৈ আনক
প্ৰিয় Hyundai গাড়ীখন।*
*T&C apply.
Turn to Back Page HYUNDAI

## বৈশিষ্ট্যপূৰ্ণ সমাজ চেতনাৰ নিদৰ্শন দাঙি ধৰক



### কনকসেন ডেকা

অসমৰ সংবাদপত্ৰৰ প্ৰবাদ পুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ সপোনৰ 'দৈনিক অসম' এইবাৰ নতুন নেতৃত্বত নৱ-ৰূপত প্ৰকাশ পাব বুলি জানিব পাৰি আনন্দিত হৈছোঁ। এই প্ৰচেষ্টাৰ স'তে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ শুভেচ্ছা জ্ঞাপন কৰিছোঁ। সম্প্ৰতি বিভিন্ন দিশেৰে ছপা মাধ্যম প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে বুলি এচামে ১১ পৃষ্ঠাত চাওক

## অগ্ৰগামী যাত্ৰাৰ সুদৃঢ় পণ 'দৈনিক অসম'

### ইমৰান শ্বাহ



'দৈনিক অসম'ৰ সৈতে আমাৰ সম্পৰ্ক অতি পুৰণি। এই কাকতখনেই আমাৰ পঠন অভ্যাস আৰু তাৰ পাছত সাহিত্যৰ সৈতে সম্পৰ্ক গঢ় দিয়াতো বিশেষ ভূমিকা লৈছিল। কিছুদিন আগেয়ে ষাঠি বছৰ পূৰ্ণ কৰি কাকতখনে আমাৰ কাৰণে অতুলনীয় উৎসাহ আৰু প্ৰেৰণাৰ বাৰ্তা কঢ়িয়াই আনিছিল। এই কাকতখনে যোৱা ষাঠি বছৰে অসমীয়া জাতি, ভাষাক কেন্দ্ৰ কৰি বিভিন্ন বিষয়ত যিদৰে সেৱা আগবঢ়াই আহিছে সেয়া প্ৰশংসনীয়। কাকতখনে ৬০ বছৰীয়া পৰিক্ৰমা পূৰ কৰি অনন্য পৰিপক্কতা অৰ্জন কৰিলে ১১ পৃষ্ঠাত চাওক


## এই প্ৰয়াস সাফল্যমণ্ডিত হওক

### ডঃ পীতাম্বৰ দেৱ গোস্বামী



অসমৰ সমাজ, সংস্কৃতি তথা ধৰ্মীয় ক্ষেত্ৰখনৰ সকলো দিশৰ বাৰ্তাবাহী মুখ্য কাকত হৈছে 'দৈনিক অসম'। 'দৈনিক অসম'-এ কেৱল অসমৰ কথাকেই ৬ পৃষ্ঠাত চাওক

## কাঁহুদী





— দাম বাঢ়িছে যেতিয়া আলু এটা আৰু পিঁয়াজ এটা আনিলেই হ'ল— দুদিন চলি যাব!

## 'দৈনিক অসম' আশাৰ ভাষা, ভাষাটোৰো আশা

### ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য

'দৈনিক অসম' অসমৰ খিলঞ্জীয়া মানুহৰ আশাৰ ভাষা আৰু ভাষাটোৰো আশা। অসমৰ জাতীয় জীৱনক আগুৱাই নিয়াৰ ক্ষেত্ৰত 'দৈনিক অসম'-এ সদায়ে বিবেকৰ ভূমিকা গ্ৰহণ কৰি আহিছে। অসম আৰু অসমৰ খিলঞ্জীয়া মানুহে যেতিয়াই সংকটৰ সন্মুখীন হৈছে, সেই সময়ত 'দৈনিক অসম'-এ অসমৰ খিলঞ্জীয়া মানুহক বাটৰ সন্ধান দিছে। সমস্যা সমাধানৰ উপায় দিছে। অসমলৈ অহা ভাষাৰ সংকট, মাধ্যম আন্দোলন, খাদ্য আন্দোলন, তেল শোধনাগাৰ আন্দোলন আৰু বিশেষকৈ অসম আন্দোলনৰ সময়ত আৰু শেহতীয়াকৈ কা আন্দোলনলৈকে 'দৈনিক অসম'-এ কেৱল কাকতৰে দায়িত্ব পালন নকৰি জাতীয় দায়িত্ব পালন কৰিছে। অসম আন্দোলনৰ সময়ত 'দৈনিক অসম'ৰ একো একোটা বাতৰিয়ে সমাজ-জীৱনক উদ্বুদ্ধ কৰিছিল। জাতিটোক ঐক্যবদ্ধ কৰিছিল। অসমত বসবাস কৰা জাতি, জনজাতি বান্ধি ৰাখি জাতীয় জীৱনক শক্তিশালীভাৱে আগুৱাই নিয়াৰ দায়িত্ব পালন কৰিছিল। 'দৈনিক অসম'ৰ সম্পাদকীয়ই জাতীয় জীৱনক বাটৰ সন্ধান দিছিল। 'দৈনিক অসম'ৰ কাঁহুদী আৰু সময়ৰ শৰে একো একোটা শক্তিশালী বাৰ্তা দিছিল। প্ৰতিটো পৃষ্ঠাতেই সাহিত্য, সংস্কৃতি, আনকি অকণিৰ বৌদ্ধিক বিকাশৰ সকলো বিষয়েৰে পৰিপূৰ্ণ আছিল আৰু শেষৰ খেলৰ পৃষ্ঠাটো এটা বিশেষ পৃষ্ঠা আছিল। সেই সময়ৰ সম্পাদক ১১ পৃষ্ঠাত চাওক



## 'দৈনিক অসম' এটা আৱেগ, এটা বিশ্বাসযোগ্য কণ্ঠ

### ডঃ ৰীতা চৌধুৰী



'দি আছাম ট্ৰিবিউন' পৰিয়ালৰ 'গৰীয়সী'ৰ সম্পাদক হিচাপে আৰু ব্যক্তিগতভাৱে আজিৰপৰা আৰম্ভ হোৱা 'দৈনিক অসম'ৰ এই নতুন অধ্যায়ৰ বাবে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। জন্মৰ সময়ৰপৰা অসমৰ জাতীয় চেতনা ৬ পৃষ্ঠাত চাওক

# ‘দৈনিক অসম’ৰ স্বৰ্ণিল যাত্ৰা অব্যাহত থাকক



তৰেণ বড়ো

১৯৭২ চনৰ কথাই মনত অলপ ৰিঙিয়াই থাকে। কোকৰাঝাৰ কলেজত পঢ়ি থাকোঁতে এখন লজিঙত ভাড়া কৰি আছিলোঁ। ঘৰৰ মালিকজন গ্ৰেজুৱেট শিক্ষক আছিল। তেখেতে সদায় আবেলি পৰত দোকানৰ পৰা বাতৰি কাকত এখন লৈ আহে। গধূলি পঢ়াৰ পিছত মোক পঢ়িবলৈ ধমত দি আহে। আৰু কয়— বহুতো কথা জানিবৰ বাবে বাতৰি কাকতখন পঢ়িব লাগে। ময়ো বৰ ভাল পাইছিলোঁ আৰু খুব ইচ্ছাও আছিল। প্ৰথম পৃষ্ঠাৰ পৰা শেষলৈ পঢ়িছিলোঁ। চাওঁ যে বাতৰি কাকতখনৰ নাম ‘দৈনিক অসম’ গুৱাহাটীৰ পৰা প্ৰকাশিত। সেইদিনাৰ পৰাই মই এই কাকতখন পঢ়িবলৈ এৰা নাই আজিলৈকে।

আমি সকলোৰে বিদিত যে ‘দৈনিক অসম’ ১৯৬৫ চনৰ আগষ্ট মাহৰ পৰা কীৰ্ত্তিনাথ হাজৰিকাৰ সম্পাদনাত গুৱাহাটীৰ পৰা প্ৰকাশ হৈ আহিছে। অসমপ্ৰেমী সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাই প্ৰতিষ্ঠা কৰা এই কাকতখন অতি পুৰণা ছপা মাধ্যম। এই কাকতখনে বিগত পাঁচ/ছয় দশক জুৰি অবিৰতভাৱে প্ৰকাশ পাই আহিছে। কাকতখনে অসমৰ জাতীয় জীৱনৰ দিক্-দৰ্শনত বলিষ্ঠ ভূমিকা পালন কৰি আহিছে। সঁচা কথা ক’বলৈ গ’লে অসমীয়া ভাষাৰ সাংবাদিকতাক এক গতিশীল অৱস্থালৈ নিয়াত ‘দৈনিক অসম’ৰ অৱদান অপৰিসীম। ‘দৈনিক অসম’ৰ বাতৰি সম্পাদনা ৰীতিৰ আধাৰ হ’ল জনগণৰ পক্ষত থকাটো। যাৰ ফলত পঢ়ুৱৈ সমাজৰ সকলো স্তৰৰ মানুহে সহজে আঁকোৱালি ল’বলৈ ইচ্ছা কৰে। আমি জানো ‘দৈনিক অসম’ৰ লগতে ট্ৰিবিউন গোষ্ঠীৰ ইংৰাজী বাতৰি কাকতৰ পিছত বহুতো বাতৰি কাকত প্ৰকাশ হৈছে।

পঢ়ুৱৈ সমাজে ক’ব বিচাৰে যে ‘দৈনিক অসম’ৰ মালিকগোষ্ঠীৰ অসম প্ৰেম আৰু জাতীয় গণতান্ত্ৰিক দৃষ্টিভংগী আৰু অভিজ্ঞতাপুষ্ট আৰু বৃত্তিগত উৎকৰ্ষতা থকা হেতু ইয়াৰ বাতৰি পৰিৱেশন সুস্থ আৰু নিৰ্ভীক।

এই কাকতে অসমৰ জ্বলন্ত সমস্যা যেনে— শিক্ষাৰ মাধ্যম আন্দোলন, অসম আন্দোলন, অসমৰ উগ্ৰপন্থী সমস্যা, বিদেশী অনুপ্ৰৱেশৰ সমস্যা, বড়ো আন্দোলন, গোষ্ঠীগত সংঘৰ্ষ, ব্যাপক ভ্ৰষ্টাচাৰ, দুৰ্নীতি আৰু নাগৰিকপঞ্জীৰ ৰচনা সম্বন্ধে সময়ে সময়ে বলিষ্ঠভাৱে প্ৰকাশ কৰি জনমত গঠন কৰিবলৈ সক্ষম হৈছে।

কোৱা বাহুল্য যে বৰ্তমান সময়ত কিছু ছপা মাধ্যম, বৈদ্যুতিন মাধ্যম আৰু ফেচবুক আদিৰ দৰে মাধ্যমসমূহে এক বিভ্ৰান্তিকৰ বাতৰি পৰিৱেশনৰ জৰিয়তে ৰাইজক ক্ষতিগ্ৰস্ত কৰা দেখিবলৈ পোৱা গৈছে। এচাম সংবাদ-পত্ৰই নিজে বিচাৰকৰ ভূমিকা লৈ তথ্যপ্ৰমাণ নথকাকৈয়ে বাতৰি পৰিৱেশন কৰিবলৈ অপচেষ্টা চলোৱা দেখিবলৈ পাইছোঁ। ই সমাজৰ বাবে এক ক্ষতিকাৰক আৰু ই শুভলক্ষণ নহয়। ইয়াৰ দ্বাৰা জনগণৰ আত্মবিশ্বাস আৰু ঐক্য-সংহতি বিনষ্ট কৰে। কিন্তু ক’বলৈ গ’লে যোৱা ৬০ টা বছৰত ‘দৈনিক অসম’ সত্যনিষ্ঠ সাংবাদিকতাৰ পৰা কক্ষচ্যুত হোৱা দেখিবলৈ পোৱা নাই, ফলত ইয়াক সকলো শ্ৰেণীৰ লোকে আঁকোৱালি লৈছে। এইক্ষেত্ৰত ‘দৈনিক অসম’-এ নিজ ধৰ্ম বজাই ৰাখিবলৈ সক্ষম হৈছে। সংবাদ-পত্ৰসমূহ যিহেতু এক শক্তিশালী গণ মাধ্যম গতিকে ইয়াৰ প্ৰচাৰ সততাৰ আধাৰত ৰাজনৈতিক মেৰপাকত ভোল নগৈ বাতৰি পৰিৱেশন কৰা উচিত।

আন এটা উল্লেখনীয় বিষয় হ’ল বাতৰি কাকতখনৰ ভাষাৰ শুদ্ধতা, বিজ্ঞানভিত্তিক লেখা (Technich of Writing), defamation আৰু Contempt of courtৰ পৰা আঁতৰি থাকি বাতৰি পৰিৱেশন কৰা, শীৰ্ষক বিষয়ত আলোচনা কৰা ইত্যাদি।

বিশেষকৈ কাকতখনত চিকিৎসা, নাৰী, শিশু সংক্ৰান্তীয় নিবন্ধসমূহ প্ৰকাশ কৰি পাঠকসকলক পঢ়াৰ সুযোগ দিব লাগে। এই ক্ষেত্ৰত সাহিত্য, সংস্কৃতি, অৰ্থনৈতিক, ক্ৰীড়া, আইন, শিক্ষা আদি বিষয়ক আলোচনাৰো অতি প্ৰয়োজনীয়তা আছে। অৱশ্যে অসম বিষয়ক কথাটোত অকল গুৰুত্ব আৰোপ নকৰি কাকতখন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো কিছু ধাৰাবাহিকতা প্ৰকাশ থাকিব লাগে। ৰাজ্যিক তথা দেশ-বিদেশৰ প্ৰায় সকলোবোৰ সাম্প্ৰতিক ঘটনাপ্ৰৱাহৰ বিষয়ে কাকতখনে আলোকপাত কৰিব লাগে।

বৰ্তমানৰ যুগৰ লগত খাপ খোৱাকৈ প্ৰতিযোগিতাৰ দিশত আগবাঢ়িবলৈ আধুনিক প্ৰযুক্তি প্ৰয়োগৰ জৰিয়তে কাকতে সকলো ধাৰাবাহিক আলোকপাত কৰিব লাগে।

নৱ-প্ৰজন্ম তথা গাঁৱলীয়া লোকৰ সমস্যাৰাজি সঠিকভাৱে বিশ্লেষণ কৰি প্ৰগতিৰ বাতাৱৰণ সৃষ্টি কৰাৰ বাবে কাকতে চেষ্টা চলোৱা উচিত। সঁচাকৈয়ে ‘দৈনিক অসম’ এক ব্যতিক্ৰমী সংবাদ-পত্ৰ আৰু ই ৬০ বছৰ অসমৰ ছপা মাধ্যমৰ গৌৰৱোজ্জ্বল অধ্যায়। ‘দৈনিক অসম’ৰ যাত্ৰা সফল হওক, অবিৰত যাত্ৰা অব্যাহত থাকক।

আন্তৰিক শুভেচ্ছা জনাইছোঁ আৰু কাকতখনৰ দীৰ্ঘায়ু কামনা কৰিছোঁ।

নিৰ্বাচন আয়োগক চোৰৰ ৰক্ষক আখ্যা

# পুনৰ ভোট চুৰিৰ অভিযোগ ৰাহুলৰ

**নতুন দিল্লী, ১৮ ছেপ্টেম্বৰ ঃ** নিৰ্বাচন আয়োগৰ বিৰুদ্ধে কৰ্ণাটকৰ মহাদেৱপুৰ বিধানসভা সমষ্টিৰ ভোট চুৰিৰ গুৰুতৰ অভিযোগ উত্থাপন কৰাৰ এমাহৰ পাছত বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি পুনৰ ৰাজ্যখনৰ আন এটা সমষ্টিত ভোট চুৰিৰ অভিযোগ উত্থাপন কৰিছে। আজি কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত এই অভিযোগ উত্থাপন কৰি গান্ধীয়ে কয় যে ছফটৱেৰ ব্যৱহাৰ কৰি আলাণ্ড সমষ্টিটোৰ পৰা পৰিকল্পিতভাৱে ৬,০১৮গৰাকী ভোটাৰৰ নাম কৰ্তন কৰা হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক তীব্ৰ সমালোচনা কৰি গান্ধীয়ে কয় যে কুমাৰে ভোট চোৰসকলক সুৰক্ষা দি আছে। তেওঁ কয় যে এসপ্তাহৰ ভিতৰত কৰ্ণাটকৰ চি আই ডিক সকলো তথ্য নিৰ্বাচন আয়োগে দাখিল কৰিব লাগে। গান্ধীয়ে কয় যে চিআইডিয়ে ১৮মাহত ১৮খন পত্ৰ আয়োগলৈ প্ৰেৰণ কৰি ডেষ্টিনেচন আই পি, ডিভাইচ প’ৰ্ট আৰু অ’টিপি ট্ৰেইল বিচৰাৰ পাছতো আয়োগে কোনো উত্তৰ দিয়া নাই। আলাণ্ড সমষ্টিত কংগ্ৰেছৰ প্ৰভাৱ থকা শীৰ্ষ ১০ টা বুথক এইদৰে কৰ্তনৰ লক্ষ্য কৰি লোৱা হৈছিল। তাৰে আঠটাতে কংগ্ৰেছ পৰাস্ত হৈছিল। গান্ধীয়ে দাবী কৰে যে প্ৰতিটো বুথৰ পৰা প্ৰথম নাম বাছনি কৰি এটা স্বয়ংক্ৰিয় ব্যৱস্থাৰে নাম কৰ্তন কৰা হৈছিল। আৰু ইয়াৰ বাবে ৰাজ্যৰ বাহিৰৰ ম’বাইল নম্বৰ ব্যৱহাৰ কৰা হৈছিল। এগৰাকী বুথ পৰ্যায়ৰে বিষয়াই নিজৰ আত্মীয়ৰ নাম কৰ্তন হোৱাটো আৱিষ্কাৰ কৰাৰ পাছত ঘটনাক্ৰমে এই জালিয়াতিৰ কথা পোহৰলৈ আহিছিল বুলি তেওঁ কয়। ইয়াৰ প্ৰমাণ হিচাপে গান্ধীয়ে কৰ্ণাটকৰ বাসিন্দা সূৰ্যকান্তক সংবাদ মাধ্যমৰ সন্মুখলৈ আনে। সূৰ্যকান্তই কয় যে তেওঁৰ পৰিচয় ব্যৱহাৰ কৰি ১৪মিনিটত ১২ গৰাকী ভোটাৰৰ নাম কৰ্তন কৰা হৈছিল। একেদৰে ‘নাগৰাজ নাম ব্যৱহাৰ কৰি নাম কৰ্তনৰ বাবে দুখন ফৰ্ম ৭ ফৰ্ম পূৰ কৰি ৩৬ছেকেণ্ডত দাখিল কৰা হৈছিল বুলিও পত্নীয়ে কয়। ভোটাৰ তালিকাৰ পৰা দলিত, আদিবাসী, সংখ্যালঘু আৰু অ’বিচি সম্প্ৰদায়ৰ ভোটাৰৰ নাম ইচ্ছাকৃতভাৱে কৰ্তন কৰা হৈছিল বুলি তেওঁ কয়। নিৰ্বাচন আয়োগৰ ভিতৰৰ পৰাই এইধৰণৰ জালিয়াতিৰ খবৰ অহা বুলি গান্ধীয়ে দাবী কৰে। ইপিনে, গান্ধীৰ এই অভিযোগ অশুদ্ধ আৰু ভিত্তিহীন বুলি খণ্ডন কৰিছে নিৰ্বাচন আয়োগে। এক বিবৃতিত আয়োগে কয় যে কোনো নাগৰিকে অনলাইনযোগে ভোট কৰ্তন কৰিব নোৱাৰে। এয়া গান্ধীৰ ভ্ৰান্ত ধাৰণা।

**GOVERNMENT OF ASSAM**
**OFFICE OF THE CHIEF ENGINEER, PWD (ROADS),**
**ASSAM, CHANDMARI, GUWAHATI -03**

No. CE/MAINT/SOPDG/01/2025-26/28

**PRESS NOTICE RE-INVITING TENDER**

The Chief Engineer, PWD (Roads), Assam, Chandmari, Guwahati-3 re-invites bid on behalf of Governor of Assam for **7 (Seven)** packages for Construction/ Reconstruction/ Improvement of Roads & CD works [including for 4 (four) years Routine Maintenance of MMPPNA Works] under SOPD-G for the year 2025-26 in Dhubri, Barpeta, Goalpara, Bajali & Nalbari Districts of Assam amounting to Rs.14.41 Crore (approx.) including GST etc. from approved & eligible Contractors registered with PWRD, Assam.

Details may be seen from **20-09-2025 to 04-10-2025** at website www.assamtenders.gov.in. Amendment /Addendum to the SBD, if any, and further notifications shall appear in this website and also at the office of the undersigned during office hours. The contractor/bidder must be registered with the Electronic Tendering System (ETS) of PWRD, Assam website **www.assamtenders.gov.in.**

Scheme is not yet sanctioned by the competent authority. In the event of non-sanction of the scheme, the bid may be cancelled and no claim what so ever on this account shall be entertained from the bidders.

Note: - N.I.T Value is inclusive of GST (12%), Labour cess (1%) etc.

**Chief Engineer, PWD (Roads)**
**Assam, Chandmari, Guwahati-3**

DIPR /C/DA/244/19-Sep-25

**AFFIDAVIT**

By an affidavit before the Notary Public, Guwahati that I, Rakhi Pegu, hereby declare that Rakhi Pegu and Rokhi Pegu is one and same person having single identity, i.e. myself, and Dipali Doley Pegu and Dipali Pegu is one and the same person having single identity, i.e. my wife.

**PUBLIC NOTICE**

I, Smti Ranjumoni Saikia, D/o Dwizendra Nath Saikia, K.K. Baruah Road, Jarajan, P.O. & P.S. & Dist. : Jorhat, Assam-785001, have changed my name from Ranjumoni Bordoloi to Ranjumoni Saikia vide affidavit before the Notary Public at Jorhat. Dated 11/09/2025
DA/PN/02

I, Sri Keshab Thakuria, S/o-Late Tulsi Ram Koch declare by affidavit before notary public kamrup, dated 11/09/25 that my father's actual name is Tulsi Ram Koch. But in land record of Dag No. 67, patta No.06, village Majpara, Mouza- Bholagaon, Palashbari Circle, Kamrup, Assam, my father's name has been recorded as Dhaneswar Thakuria and in some documents as Tulsi instead of Tulsi Ram Koch. Hence Tulsi Ram Koch, Dhaneswar Thakuria and Tulsi is same person.
DA/PN/01

I, Anita Baruah, W/o Hridoy Ranjan Baruah, D/o Late Balbir Singh Bawa, resident of Jagadamba Apartment, Mother Teresa Road, Monalisa Path, Zoo Road, P.O.Zoo Road, Guwahati-781024, in the district of Kamrup Metro, Assam have changed my name from Anita Kumari Bawa to Anita Baruah by an affidavit Sl. No. 21913, Sworn before the Notary Public Kamrup (M) at Guwahati, Dated 18/09/2025 that Anita Baruah and Anita Kumari Bawa is one and same person having the same identity.
DA/PN/04

মই, আব্দুল মালেক মিঞা, পিতা-মৃত ইছমাইল হুছেইন। গাঁও ঃ ৰূপাকুছি, পোঃ কাদং, থানা ও জিলা বৰপেটাৰ স্থায়ী বাসিন্দা। যোৱা ১৫/০৯/২০২৫ তাৰিখে নটাৰী শপতনামাৰ জৰিয়তে মোৰ নাম আব্দুল মালেক মিঞাৰ পৰা আব্দুল মালিকলৈ পৰিৱৰ্তন কৰিছোঁ। গতিকে, বৰ্তমানৰ পৰা মোৰ নামটো আব্দুল মালেক মিঞাৰ পৰিৱৰ্তে আব্দুল মালিক বুলি জনা যাব।
DA/PN/03

**PUBLIC NOTICE**

মই, দিকদৰ্শনা দত্ত, বয়স প্ৰায় ২২ বছৰ, বিমল দত্ত আৰু নম্ৰতা দত্তৰ কন্যা, মোৰ নাম দিকদৰ্শনা দত্তৰ পৰা দৃষ্টিয়া দত্তলৈ পৰিৱৰ্তন কৰিছোঁ। এই পৰিৱৰ্তনটি মই গুৱাহাটীস্থিত কামৰূপ (মহানগৰ)ৰ মান্যবৰ ন্যায়িক দণ্ডাধীশ প্ৰথম শ্ৰেণীৰ, সন্মুখত ১০ ছেপ্টেম্বৰ ২০২৫ তাৰিখে শপত লৈ কৰা শপতপত্ৰ অনুসৰি, ই-ষ্টাম্প প্ৰমাণপত্ৰ নং IN-AS83744652284375Xৰ অধীনত কৰিছোঁ। সেয়ে, এতিয়াৰে পৰা মই সকলো চৰকাৰী আৰু আইনগত কামৰ বাবে দৃষ্টিয়া দত্ত নামেৰে পৰিচিত হ’ম।
DA/PN/.../1

# ধূপধৰাত দীৰ্ঘদিনে পৰিত্যক্ত দুটাকৈ অৰ্ধনিৰ্মিত কাৰ্যালয়

**দৈনিক অসমৰ প্ৰতিনিধি**
**ধূপধৰা, ১৮ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে অভিলাষী আঁচনি ঘোষণা কৰি থকাৰ সময়তে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিও বহু চৰকাৰী কাৰ্যালয় অৰ্ধনিৰ্মিত অৱস্থাত আছে। তেনে এটা উদাহৰণ পোৱা গৈছে গোৱালপাৰা জিলাৰ পূব প্ৰান্তৰ ধূপধৰা অঞ্চলত। এই অঞ্চলৰ এটা প্ৰান্তত আজিও সম্পূৰ্ণ নহ’ল কাৰ্যালয়। প্ৰাপ্ত তথ্য মতে ৰংজুলি ব্লকৰ তথা ধূপধৰাৰ সমীপৰ চাপলাইৰ এটা উপ-স্বাস্থ্য কেন্দ্ৰ আজি প্ৰায় ৯টা বছৰে অৰ্ধনিৰ্মিত অৱস্থাত আছে। তথ্য মতে পূৰ্বে ঠিকাদাৰে নিৰ্মাণকাৰ্য সম্পূৰ্ণ নকৰি পেলাই থয়। ইপিনে উক্ত কেন্দ্ৰটোৰ কাষতে পুনৰ এটা নতুন কেন্দ্ৰ নিৰ্মাণ কৰে বিভাগে। অকল এয়াই নহয়, স্বাস্থ্য কেন্দ্ৰটোৰ কিছু নিলগত আন এটা পৰিত্যক্ত অৰ্ধনিৰ্মিত সমবায় গৃহ আছে। জানিব পৰা মতে এই গৃহটোও বছৰ বছৰ ধৰি পৰিত্যক্ত অৱস্থাত আছে। তথ্য অনুসৰি অঞ্চলটোৰ মহিলাসকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্য আৰু লক্ষ্যৰে নিৰ্মাণ কৰিবলৈ লোৱা হৈছিল বোৱা-কটা সমবায় গৃহটো। উল্লেখ্য যে অগপ চৰকাৰৰ দিনতে ঠিকাদাৰে ইয়াৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰিছিল যদিও কোনো অজ্ঞাত কাৰণত গৃহটো অৰ্ধঃনিৰ্মিত কৰি পেলাই থয়। ফলত সম্প্ৰতি গৃহ দুটা জহি-খহি গৈ বন-জংঘলে আৱৰি ধৰিছে।

সোঁৱৰণ



**সাবিত্ৰী বালা তালুকদাৰ**
জন্ম ঃ ১৫-০৫-১৯৪০ ইং
মৃত্যু ঃ ১৮-০৯-২০১৫ ইং

মা, তোমাৰ পবিত্ৰ মৃত্যু বাৰ্ষিকীত আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। তুমি য’তে আছা, শান্তিত থাকা।

**ড° জেউতি তালুকদাৰ**
টিহু, ওৱাৰ্ড নং-২

# তৰ্ক প্ৰতিযোগিতাত মাজুলীৰ সুপ্ৰতিমৰ কৃতিত্ব

**দৈনিক অসমৰ প্ৰতিনিধি**
**মাজুলী, ১৮ ছেপ্টেম্বৰ ঃ** বিশ্ব অ’জন দিৱস উপলক্ষে ১৬ ছেপ্টেম্বৰত যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহে আয়োজন কৰা তৰ্ক প্ৰতিযোগিতাত অসমৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰি গৌৰৱ কঢ়িয়াই আনিলে মাজুলীৰ চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ সুপ্ৰতিম শইকীয়াই। মেধাৱী ছাত্ৰ সুপ্ৰতিম শইকীয়াই আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি আহিছে। মাজুলীৰ উৰিয়ামপাৰা নিৱাসী দুলাল শইকীয়া আৰু মাইনু শইকীয়াৰ পুত্ৰ সুপ্ৰতিম শইকীয়াই চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ বিজ্ঞান শাখাৰ ছাত্ৰ। প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰা ছাত্ৰ সুপ্ৰতিম শইকীয়াক যোৰহাট তাৰকা গৃহৰ কিউৰেটৰ বিমান বৰুৱাই নগদ সাত হাজাৰ টকাৰ পুৰস্কাৰ আৰু প্ৰমাণ-পত্ৰ প্ৰদান কৰে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ মাজুলী আৰু উজনি মাজুলী ব্লকৰ সমন্বয়কদ্বয়ে ছাত্ৰজনৰ সাফল্যৰ বাবে শুভেচ্ছা জনায়। একেদৰে সুপ্ৰতিমে অধ্যয়ন কৰি থকা বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মিণ্টুমণি দুৱৰীয়াকে মুখ্য কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলেও সুপ্ৰতিমক অভিনন্দন জ্ঞাপন কৰে।

**PUBLIC NOTICE**

Notice is hereby given that Shri Gaurav Sovasaria, S/o of Binod Sovasaria, aged about 36 years, resident of Aastha Apartment, A.M. Road, Suhagpur, Arya Hospital, Rehabari, Kamrup Metro, Assam - 781008, and Shri Anjan Sarma has been inducted as new partners in the following partnership firms wef Thursday, 14th August, 2025:

**1.Novo Computing (PAN: AAQFN5019C)**
**2.Red Bee Inc (PAN: ABEFR3893H)**
**3.Accelerating Engineers (PAN: ABYFA8488M)**

All the above-mentioned firms shall continue to carry on its business under the same name and style by the continuing partner(s). The old partner(s) of the firms have retired and relinquished their duties effective 14-Aug-2025.

Pursuant to induction in the capacity of Managing Partner, the said Shri Gaurav Sovasaria will henceforth be taking up the entire management, operations, and affairs of the above-mentioned firms shall be solely responsible and liable for any acts, deeds, liabilities, debts, obligations, or claims of the said firms.

Please also be noted the change in registered office/ postal address for your records: M/s Novo Computing, Office No. D205, 2nd Floor, Subham Buildwell, R.G. Baruah Road, Guwahati, Assam-781005.

The public at large, customers, suppliers, banks, and government authorities are hereby informed and intimated accordingly. Necessary intimation is being / will be given to the Registrar of Firms and other statutory authorities to record the change as applicable.

Sd/-
(Gaurav Sovasaria)
Place: Guwahati, Assam
Date: 19th September, 2025
Mobile: 9678610774
Email: sovasaria.gaurav@gmail.com

**NOTICE INVITING QUOTATION**

Sealed quotation in prescribe form enclosing IPO of Rs. 10.00 (Rupees Ten) only is invited from the Bank/LICI/ individual/firm/companies or any other Commercial Organisation interested to carry on their business at 1st floor 2nd floor measuring an area 6674.00 Sq.ft (Each floor) at Handloom Trade Centre building, Dibrugarh, Chowkidingee, ASTC station campus.

Details related to quotation may be obtained from the office of the undersigned during office hours from **20/09/2025 to 03/10/2025 up to 12.00 AM.** Last date for submission of quotation is 03/10/2025 up to 5.00 PM. Interested parties may **visit ASTC website astc.assam.gov.in**

**Sd/-**
**Managing Director**
**Assam State Transport Corporation**

DIPR/CF/DA/1999/19-Sep-25

**SHORT NOTICE INVITING QUOTATION**

Sealed Quotations are hereby invited from Govt. registered Firms & Suppliers dealing with different Agricultural inputs & materials affixing Rs. 8.25 court fees for supply of the aforesaid items to District Agriculture Officer, Lakhimpur under the scheme Community Development programme (CDP). The request for quotation can be submitted to District Agriculture Office, Lakhimpur from 24.09.2025 during the office hours up to 4.00 pm. The last date of submission of quotation is 01.10.2025 up to 4.00 pm and bids will be opened on the same day at 4.30 pm.

| Sl No. | Name of the items/ Particulars of Goods | Rate per | Specification |
|---|---|---|---|
| 1. | Marigold cuttings | cutting | Var: Hajo Local<br>The cuttings should be disease free, healthy, soft wood cuttings preferably 5 to 6 inch length |

**District Agriculture officer**
**Lakhimpur**

DIPR/C/DA/243/19-Sep-25

**PRESS NOTICE FOR BID**

Chief Engineer, Water Resources Department, Guwahati, on behalf of Government of Assam invites Open Competitive Bidding Tender for the following services.

| Sl. No. of packages | RFQ NO. | Brief description of Works | Approx. amount in Lakhs (incl of GST) (Rs.) | Earnest Money/Bid Security in Lakh (Rs.) |
|---|---|---|---|---|
| 1 | WRD(HIU)/ADMIN/TENDERS/33/2025/EQ-LA | Supply and installation of Laptops for HIU, WRD under AIRBMP | 8.17 | NIL |

Details may be seen at website- ***http/assamtenders.gov.in***

Bidders from India should, however, be registered with the Government of India or other State Governments/ Government of India, or State/ Central Government Undertakings. Bidders from India, who are not registered as above, on the date of bidding, can also participate provided they get themselves registered by the time of contract signing, if they become successful bidders.

**Chief Engineer**
**Water Resources Department**
**AWC, Basistha, Guwahati-29**

DIPR/C/DA/242/19-Sep-25

**কাঠৰ বিক্ৰীৰ বাবে তৃতীয়বাৰ জাননী**

ইয়াৰ দ্বাৰা সমূহ ৰাইজক জনোৱা যায় যে ধুবুৰী বন সংমণ্ডলৰ অধীনত থকা বিভাগীয় বাজেয়াপ্ত কাঠৰ বিক্ৰীৰ বাবে (তৃতীয়বাৰ) তলত দিয়া ধৰণে online website www.assamforestonline.in ত নিবিদা আহ্বান কৰা হৈছে আৰু এই নিবিদা বন সংমণ্ডল প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ online website www.assamforestonline.in ত গ্ৰহণ কৰা হ’ব।

উপৰোক্ত সংক্ৰান্তত বিতং তথ্য সম্বলিত বিক্ৰীৰ জাননী (Sale Notice) উপৰোক্ত online website ত উপলব্ধ কৰিব পাৰিব বা ধুবুৰী বন সংমণ্ডল প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ পৰা কৰ্মৰত দিনত সংগ্ৰহ কৰিব পাৰিব।

**Schedule of online tender:-**

| | | |
|---|---|---|
| NIT Release Date | 25/09/2025 | 5.00 PM |
| Document start Date | 25/09/2025 | 5.00 PM |
| Document end Date | 15/10/2025 | 11.00 PM |
| EMD participation fee start date | 25/09/2025 | 5.00 PM |
| EMD participation fee end date | 15/10/2025 | 11.00 PM |
| Bid start date | 25/09/2025 | 5.00 PM |
| Bid end date | 15/10/2025 | 11.00 PM |
| Technical Bid start date | 25/09/2025 | 5.00 PM |
| Technical Bid end date | 15/10/2025 | 11.00 PM |
| Financial Bid start date | 25/09/2025 | 5.00 PM |
| Financial Bid end date | 15/10/2025 | 11.00 PM |
| Technical evaluation date | 16/10/2025 | 11.00 AM |
| Price evaluation date | 17/10/2025 | 11.00 AM |

**বন সংমণ্ডল প্ৰাধিকাৰী**
**ধুবুৰী বন সংমণ্ডল**

DIPR/C/DA/239/19-Sep-25

ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থাৰ শৈক্ষিক বক্তৃতা অনুষ্ঠানত চন্দনা গোস্বামী

# ইতিবাচক অনুভূতিৰ চাৰিত্ৰিক গুণ আশাবাদ-কৃতজ্ঞতা-আত্মবিশ্বাস

**দৈনিক অসমৰ প্ৰতিনিধি**
**ডিব্ৰুগড়, ১৮ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থাই অলপতে এক শৈক্ষিক বক্তৃতা অনুষ্ঠিত কৰে। ১৬ ছেপ্টেম্বৰত বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ভৱনত অনুষ্ঠিত এই বক্তৃতানুষ্ঠানৰ আদৰণী ভাষণ দিয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থাৰ সভাপতি ডঃ ডেভিড কাৰ্ডঙে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ জিতেন হাজৰিকাই উদ্বোধনী ভাষণত শিক্ষক সন্থাই ধাৰাবাহিকভাৱে বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰি অহা কাৰ্যৰ শলাগ লৈ বিষয়টোৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। অনুষ্ঠানত শৈক্ষিক বক্তৃতা প্ৰদান কৰে অসম দক্ষতা বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ব্যৱস্থাপনা বিভাগৰ বিভাগীয় প্ৰধান আৰু পূৰ্বৰ তেজপুৰ বিশ্ববিদ্যালয়ৰ স্কুল অব্ মেনেজমেণ্ট ছায়েন্সৰ গুৰু আৰু IQAC-ৰ সঞ্চালক, অধ্যাপিকা চন্দনা গোস্বামীয়ে। ‘জীৱন ব্যৱস্থাপনা ঃ নিজক বুজাৰপৰা আৰম্ভণি’ শীৰ্ষক বক্তৃতা প্ৰদান কৰি গোস্বামীয়ে আত্মচেতনাৰ লগে লগে মানসিক আৰু অনুভূতিজনিত সুস্থতাৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰি কয়— দৈনিক এটা মানৱ মস্তিষ্কই প্ৰায় ৬০০০ চিন্তা উদ্ভৱ কৰে, যাৰ কিছুমান ইতিবাচক আৰু কিছুমান নেতিবাচক। এই চিন্তাবোৰেই মানুহৰ দৈনন্দিন সিদ্ধান্ত, আচৰণ আৰু অনুভূতিৰ মূল উৎস। ইতিবাচক অনুভূতিৰ চাৰিত্ৰিক গুণ হ’ল আশাবাদ, কৃতজ্ঞতা আৰু আত্মবিশ্বাস আৰু নেতিবাচক অনুভূতিৰ উৎস হ’ল ভয়, সন্দেহ আৰু আত্ম-অবিশ্বাস। তেওঁ লগতে কয়— ‘ইম’চনেল ইণ্টেলিজেন্স’ থকা মানুহে নিজৰ লগতে আনৰো অনুভূতি বুজিব পাৰে আৰু সেই অনুসৰি সঠিক পদক্ষেপ ল’ব পাৰে। গোস্বামীয়ে লগতে কয় যে আত্ম-উপলব্ধি, ইতিবাচক যোগাযোগ আৰু নৈতিক আচৰণেৰে প্ৰকৃত অৰ্থত মানুহে অন্যক প্ৰভাৱিত কৰিব পাৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষক সংস্থাৰ সম্পাদক ডঃ বৰুণ দে’ই শলাগ জ্ঞাপন কৰা অনুষ্ঠানটোৰ আঁত ধৰে ডঃ কুহেলি দাসে।

**MISSING PERSONS**




The above is the photographs are of Maina Begum (28 yrs) and her minor girl (3 yrs) was reported missing from their house from about 6:30 PM of 17/09/2025. This refers to Dibrugarh PS GDE No 31 dt 17.09.25 & MMR No 68/25

**The Descriptive roll of Maina Begum.**

(a) Complexion - Swarthy.
(b) Age - 28 yrs
(c) Built - Medium
(d) Height - 5 ft 4 inch
(e) Cloths - Green nighty

All out efforts may be taken to trace out the missing persons at the earliest and result thereof may be intimated to the EO SI Manash Borah M/No 7002028174 for further necessary action.

**Sr. Superintendent of Police,**
**Dibrugarh, Assam.**

DIPR/D/DA/241/19-Sep-25

**PRESS NOTICE**

The Executive Engineer, P.W.D, Dispur and Dimoria Territorial Building Division, Dispur, Guwahati-6 on behalf of the Governor of Assam invites bids for the following work having experience of similar nature of work from APWD(Bldg.) registered Class-I (A/B/C)& Class-II contractors. Details of the bids may be seen at e-procurement portal website: www.assamtenders.gov.in and also in the office of the undersigned during office hours. The bidders must be enrolled in www.assamtenders.gov.in for participating in the bidding process.

| Sl. No | Name of work | Approx. Value of Work (Rs.) |
|---|---|---|
| 1. | Modification of Office chamber for Commissioner of Police (Guwahati ) at North East Regional Institute of Parliamentary Studies Training and Research (NERIPSTER) Building, Jawahar Nagar, Guwahati-22 | Rs.18,89,620/- |

Note:-
1. Any modification of tender may be seen in the portal www.assamtenders.gov.in.
2. The prospective bidder must visit the work site before submission of tender. The bidders have to submit evidence of site visit in the form of a certificate along with geo-tagged photograph duly certified by the concerned Executive Engineer, P.W.D.

**Sd/-**
**Executive Engineer, P.W.D.**
**Dispur & Dimoria Territorial Bldg.**
**Division Dispur, Guwahati-6**

DIPR/C/DA/240/19-Sep-25

৬১ বছৰ । ৪৫ সংখ্যা, ২ আহিন, শুকুৰবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 45। GUWAHATI, FRIDAY, SEPTEMBER 19, 2025 

জনজাতিকৰণৰ দাবীত মৰাণ জনগণৰ অৰ্থনৈতিক অৱৰোধে অতিক্ৰম কৰিলে চতুৰ্থ দিন

# আন্দোলন অব্যাহত ৰখাৰ হুংকাৰ মৰাণ ছাত্ৰ সন্থাৰ

তিনিচুকীয়াত আবদ্ধ সহস্ৰাধিক মালবাহী বাহন, পেট্ৰ'ল-ডিজেলৰ তীব্ৰ নাটনি ■ ২৩ ছেপ্টেম্বৰত বৈঠকলৈ আমন্ত্ৰণ মুখ্যমন্ত্ৰীৰ



দৈনিক অসমৰ প্ৰতিনিধি
**তিনিচুকীয়া, ১৮ ছেপ্টেম্বৰ ঃ** মৰাণ জনগণে আন্দোলন কৰি কৰি এতিয়া ধৈৰ্যৰ সীমা অতিক্ৰম কৰিছে, ধৈৰ্যৰ সীমা ছিঙি গৈছে বাবে হাজাৰ হাজাৰ মৰাণ জনগণে ৰাজপথলৈ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছে। মৰাণ জনগণৰ আন্দোলনে তীব্ৰ ৰূপ লৈছে, আন্দোলন ইয়াতকৈ তীব্ৰ ৰূপত গঢ়ি উঠাৰ দিশে এতিয়া গতি কৰিছে।' —এই মন্তব্য সদৌ মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা ন-বিজেপি বিৰিঞ্চি নেওগৰ। তিনিচুকীয়া জিলাত সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত মৰাণ জনগোষ্ঠীৰ কেউটা ভাতৃ-ভগ্নী সংগঠনৰ সহযোগত তালাপ, কাকপথাৰ, মাৰ্ঘেৰিটা আৰু তিনিচুকীয়াত ২০ সহস্ৰাধিক মৰাণ জনগণে জোঁৰ লৈ ১১ পৃষ্ঠাত চাওক

## বিয়াৰ প্ৰলোভন এ চি এছ বিষয়াৰ পলায়ন

দৈনিক অসমৰ প্ৰতিনিধি
**ধুবুৰী**, ১৮ ছেপ্টেম্বৰ ঃ ৰাজহ চক্ৰ বিষয়া নূপুৰ বৰাৰ দুৰ্নীতিয়ে ৰাজ্যজুৰি তোলপাৰ লগাই থকাৰ সময়তে এইবাৰ ভাৰত-বাংলাদেশ সীমান্তৰ সীমামূৰীয়া দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ মানকাচৰৰ ৰাজহ চক্ৰ বিষয়া পাৰ্থ প্ৰতিম বৰ্মনৰ কৰ্ম-কাণ্ডই ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ধুবুৰীৰ ৰাজহ চক্ৰ বিষয়া হিচাপে দীৰ্ঘ দিন কাম কৰাৰ পাছতে কিছুদিন পূৰ্বে মানকাচৰৰ ১১ পৃষ্ঠাত চাওক

**SUMMON**
**IN THE COURT OF CIVIL JUDGE (Jr. DIV.) NO. 4 : KAMRUP (M) AT GUWAHATI**
**MONEY SUIT NO. 366/2023**
**UCO BANK**
-Versus-..........*Plaintiff*
**M/S Sewali Store & Another**
........*Defendants*
To,
M/S Sewali Store
Represented by its Proprietor, Sewali Das, Bye Lane No.9, Dr. Zakir Hussain Path, Sarumataria, Guwahati-781036, Dist-Kamrup(M), Assam.
2. Sewali Das
Proprietor of M/S Sewali Store
R/O- House No.943, Bye Lane No.9, Gokul Path, Dr. Zakir Hussain Path, Sarumataria,Guwahati-781036, Dist-Kamrup (M), Assam.
Whereas the above named plaintiff has instituted above noted money suit against the defendants for realization of Rs. 1,53,235.96 (Rupees One Lakh Fifty Three Thousand Two Hundred Thirty Five and Ninety Six Paise) only along with interest, cost and other reliefs. You are hereby summoned to appear in persons or through lawyer in my court at 10.30 O'Clock in the forenoon on 20th September, 2025 and file Written Statement, if any.
Take notice that. In default of your appearances on the day before mentioned, that the suit will be heard and determined in your absence.
Given under my hand and seal of the Court on this the 21st day of August, 2025 at Guwahati.
**By order**
**Civil Judge (Jr. Div.) No. 4.**
**Kamrup (M) Guwahati.**

মৃত্যু হৈছে দুজনৰ

## গোলাঘাটত প্ৰলয়ৰ সৃষ্টি কৰিছে নীপকো সৃষ্ট বানে

৫টা ৰাজহচক্ৰৰ ১২২খন গাঁও প্ৰভাৱিত, ক্ষতিগ্ৰস্ত ২৪,৫৮৮



'দৈনিক অসম'ৰ প্ৰতিনিধি
**গোলাঘাট, ১৮ ছেপ্টেম্বৰ ঃ** নগালেণ্ডত অবিৰত বৰষুণৰ ফলত আৰু নীপকোৱে দৈয়াং হাইড্ৰ' ইলেক্ট্ৰিক প্ৰকল্পৰ পানী এৰি দিয়াৰ বাবে ধনশিৰি আৰু দৈয়াং নদীসহ ইয়াৰ উপনদীসমূহৰ জলস্তৰ ব্যাপকভাৱে বৃদ্ধি পোৱাৰ ফলত নৈ-পৰীয়া কৃষকসকল সীমাহীন বিলাই বিপত্তিৰ সন্মুখীন হৈছে। ইয়াৰ লগতে গোলাঘাট জিলাৰ কেইবাটাও অঞ্চলত বান পৰিস্থিতিয়ে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। ১৭ ছেপ্টেম্বৰৰ সন্ধিয়া ৬ বজালৈকে, গোলাঘাট জিলাৰ গোলাঘাট, খুমটাই, মৰঙী, সৰুপথাৰ আৰু বোকাখাত-মুঠ ৫টা ৰাজহ চক্ৰ বানৰ কবলত পৰিছে। বাতৰি লিখা পৰ্যন্ত ১২২খন গাঁও প্ৰভাৱিত হৈছে আৰু ১১ পৃষ্ঠাত চাওক

২২ ছেপ্টেম্বৰত জোঁৰ সমদল

## এইবাৰ ৫০ হেজাৰ মটকে কঁপাব ৰাজপথ

দৈনিক অসমৰ প্ৰতিনিধি
**চাবুৱা, ১৮ ছেপ্টেম্বৰ ঃ** মৰাণ জনগোষ্ঠীৰ পাছত এইবাৰ ৰাজপথ কঁপাব মটক জনগোষ্ঠীয়ে। জনজাতিকৰণৰ দাবীত ২২ ছেপ্টেম্বৰত ৫০ হেজাৰ মটক জনগোষ্ঠীৰ লোকে কঁপাব ডিকম-লাহোৱালৰ আকাশ-বতাহ। জিলাখনৰ বিভিন্ন প্ৰান্তৰপৰা ৫০ হেজাৰ পুৰুষ-মহিলাই একত্ৰিত হৈ জোঁৰ সমদল উলিয়াই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিব ডিকম ইকৰাতলী আৰু লাহোৱালত। আজি সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি অজয় গগৈয়ে লাহোৱালত সংবাদ মাধ্যমৰ আগত কয় যে ১০ দিনৰ পূৰ্বৰপৰাই ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তত মটক জনগোষ্ঠীৰ লোকৰ ঘৰে ঘৰে গৈ প্ৰচাৰ চলাইছে সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ কৰ্মকৰ্তাই। তেওঁ কয় যে মটক জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীৰে ১৯৪০ চনতেই প্ৰতিষ্ঠা লাভ কৰিছিল সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে। সুদীৰ্ঘ ৮৫ বছৰ ধৰি কোনো এখন চৰকাৰে জনজাতিকৰণ নকৰিলে। বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰ শাসনলৈ অহাৰ পূৰ্বেই মটক জনগোষ্ঠীৰ লগতে ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিম বুলি প্ৰতিশ্ৰুতি দিছিল। শাসনলৈ আহিলে ছমাহৰ ভিতৰত মটক জনগোষ্ঠীৰ লগতে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু এই মিত্ৰজোঁটৰ চৰকাৰ শাসনৰ গাদীত বহা ১০ বছৰ অতিক্ৰম কৰাৰ পাছতো আজিপৰ্যন্ত জনজাতিকৰণ নহ'ল। চৰকাৰৰ লগত বহু আলোচনা কৰাৰ পাছতো গুৰুত্ব নিদিলে চৰকাৰে। অজয় গগৈয়ে কয়, 'সহজ-সৰল মটক জনগোষ্ঠীৰ লোকসকলক ঠগি আহিছে বিজেপি চৰকাৰে। তেওঁলোকে আমাক ভুৱা প্ৰতিশ্ৰুতি দিছিল। সেইবাবে এতিয়া মিছা প্ৰতিশ্ৰুতি শুনি হাত সাবটি বহি নাথাকে মটক জনগোষ্ঠীৰ লোকসকলে। এই প্ৰবঞ্চনাৰ উত্তৰ অহা ২০২৬ত দিয়া হ'ব চৰকাৰক। ইয়াৰ আৰম্ভণি হিচাপে অহা ২২ ছেপ্টেম্বৰত ডিকম-লাহোৱালৰ আকাশ-বতাহ কঁপাব ৫০ হেজাৰ লোকে। ডিব্ৰুগড়ৰ বিভিন্ন প্ৰান্তৰপৰা প্ৰতিবাদকাৰীসকল আহিব পৰাকৈ বাছৰ ব্যৱস্থা কৰা হ'ব বুলিও গগৈয়ে প্ৰকাশ কৰে। ডিকমৰ ইকৰাতলী খেলপথাৰত লোক একত্ৰিত হৈ সন্ধিয়া ৬ বজাত লাহোৱাললৈকে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে জোঁৰ সমদল উলিওৱা হ'ব বুলি জানিবলৈ দিয়ে গগৈয়ে।

## শিক্ষাবিদ হৰেণ ভূঞাৰ স্মৃতিচাৰণ সভা সম্পন্ন

**দৈনিক অসমৰ বাতৰি, গৌৰীসাগৰ, ১৮ ছেপ্টেম্বৰ ঃ** দিখৌমুখ ৰত্ন, বঁটা প্ৰাপক দিখৌমুখ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ বিশিষ্ট শিক্ষাবিদ হৰেণ ভূঞাৰ আজি আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি ৰাজহুৱা স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। ৰাজহুৱা স্মৃতিচাৰণ সভাত দিখৌমুখৰ সুসন্তান বিশিষ্ট গান্ধীবাদী নেতা তথা শান্তি সাধনা আশ্ৰম গুৱাহাটীৰ কুলপতি হেমভাই উপস্থিত থাকি ভাষণ প্ৰদান কৰি কয় যে দিখৌমুখৰ শৈক্ষিক উত্তৰণৰ বাবে নিজৰ জীৱনৰ সৰ্বোচ্চ উজাৰি দি হৰেণ ভূঞাই যি আদৰ্শ দাঙি ধৰিলে সেই আদৰ্শ প্ৰতিজন দিখৌমুখীয়াৰ সিৰাই সিৰাই প্ৰৱাহিত হৈ থাকিব। উল্লেখযোগ্য যে আশীৰ দশকতে দিখৌমুখ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি বৰ্তমান অৱস্থালৈ উত্তৰণ ঘটাই নিজৰ ব্যক্তিগত জীৱনৰ সৰ্বোচ্চ উজাৰি দি নিজেই এটা অনুষ্ঠানলৈ পৰ্যৱেশিত হোৱা হৰেণ ভূঞাৰ যোৱা ৮ ছেপ্টেম্বৰত দেহাৱসান ঘটিছিল। দিখৌমুখ গোৱাল গায়েন গাঁৱৰ নিজা বাসভৱনত আয়োজিত আদ্য শ্ৰাদ্ধৰ লগত সংগতি ৰাখি আয়োজন কৰা স্মৃতিচাৰণ সভাখনত শিক্ষক সমাজকৰ্মী বুবুল দত্তই আঁত ধৰা লগতে বৃহত্তৰ গৌৰীসাগৰ দিখৌমুখ অঞ্চলৰ শতাধিক দল সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিৎ কুমাৰ বৰুৱাই উদ্বোধনী ব্যক্তব্য দাঙি ধৰি অহা ১২ অক্টোবৰত দিখৌমুখ মহাবিদ্যালয়ত হ'ব লগা ৰাজহুৱা স্মৃতিচাৰণ সভাত মহাবিদ্যালয়ৰ প্ৰাঙ্গণত হৰেণ ভূঞাৰ এটি প্ৰতিমূৰ্তি নিৰ্মাণৰ শুভাৰম্ভ কৰাৰ লগতে মহাবিদ্যালয়ৰ পুথিভঁৰালটি হৰেণ ভূঞাৰ নামেৰে নামকৰণ কৰা হ'ব বুলি ঘোষণা কৰে। আজিৰ স্মৃতিচাৰণ সভাত বহু সংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে উপস্থিত থকা শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ ৰজনীকান্ত দত্ত, আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকা, শিৱসাগৰৰ জেষ্ঠ চিকিৎসক সমাজকৰ্মী ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতীয়া, খনামুখ অঞ্চলৰ বিশিষ্ট ব্যক্তি ৰবীন হাজৰিকাকে ধৰি বহুকেইজন ব্যক্তিয়ে হৰেণ ভূঞাই সমাজ জীৱনলৈ আগবঢ়ায় যোৱা অনবদ্য অৱদানৰ ওপৰত আলোকপাত কৰে।

প্ৰধানমন্ত্ৰীৰ জন্মদিনত ডিব্ৰুগড়ত আৰম্ভ 'সুস্থ নাৰী-সবল পৰিয়াল অভিযান'

## সুস্থ-সবল ভাৰত গঢ়াৰ বাবে মোডীৰ নিৰন্তৰ প্ৰচেষ্টাক এক নতুন গতি দিব ঃ সোণোৱাল



দৈনিক অসমৰ প্ৰতিনিধি
**ডিব্ৰুগড়, ১৮ ছেপ্টেম্বৰ ঃ** 'সুস্থ নাৰী-সবল পৰিয়াল অভিযান-এ এখন সুস্থ-সবল ভাৰত গঢ়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নিৰন্তৰ প্ৰচেষ্টাক এক নতুন গতি দিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্মদিনৰ লগত সংগতি ৰাখি কালি ডিব্ৰুগড়ত অনুষ্ঠিত এক অনুষ্ঠানত উপস্থিত থাকি এই মন্তব্য কৰে কেন্দ্ৰীয় জাহাজ, বন্দৰ তথা জলপৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। প্ৰধানমন্ত্ৰী মোডীয়ে ৭৫সংখ্যক জন্মদিনত সমগ্ৰ ভাৰতবৰ্ষৰ মহিলা আৰু শিশুসকলৰ বাবে গুণগত স্বাস্থ্যসেৱা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে মধ্যপ্ৰদেশৰপৰা 'সুস্থ নাৰী-সবল পৰিয়াল ১১ পৃষ্ঠাত চাওক

**HDFC BANK**
এইচ ডি এফ চি বেংক লিমিটেড
খানাপাৰা শাখাঃ১ মহলা, স্বাগতা এনিভিছন, কৃষি কাৰ্যালয়ৰ বিপৰীতে, জি এছ ৰোড, ছয়মাইল, গুৱাহাটী- ৭৮১০২২
দূৰভাষ: ০৩৬১-৭১০১৮০০, চিআইএন L65920MH1994PLC080618
ৱেবছাইট: www.hdfcbank.com
**ডিমাণ্ড নটিচ**

যিহেতু সন্মোদিত স্বাক্ষৰকাৰীজন, এই ক্ষেত্ৰত **এইচডিএফচি বেংক লিমিটেডৰ** (পূৰ্বৰ এইচডিএফচি লিমিটেড, যি মাননীয় এনচিএলটি-মুম্বাইৰ ১৭ মাৰ্চ ২০২৩ তাৰিখৰ আদেশ অনুসৰি অনুমোদিত একত্ৰিকৰণৰ ফলত এইচডিএফচি বেংক লিমিটেডৰ সৈতে একত্ৰিত হৈছিল)(**এইচডিএফচি**) অনুমোদিত বিষয়া হিচাপে, ২০০২ চনৰ 'চিকিউৰিটাইজেচন আৰু আৰ্থিক সম্পত্তি পুনৰ্গঠন আৰু ছিকিউৰিটি ইণ্টাৰেষ্ট প্ৰয়োগ আইন'ৰ অধীনত আৰু ধাৰা ১৩ (১২) অনুসৰি, ২০০২ চনৰ 'ছিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) নিয়মাৱলী'ৰ নিয়ম ৩ ৰ অনুসৰি প্ৰদত্ত ক্ষমতাৰ বলত, ধাৰা ১৩ (২)ৰ অধীনত দাবী নোটিশ জাৰী কৰিছে, তলত উল্লিখিত ঋণগ্ৰাহকসকল/আইনী উত্তৰাধিকাৰীসকল/আইনী প্ৰতিনিধিসকলক নিজ নিজ দাবী নোটিশত উল্লেখ কৰা মুঠ ধনৰাশি সংশ্লিষ্ট নোটিশ জাৰী হোৱাৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ অনুৰোধ জনাই। সন্মোদিত স্বাক্ষৰকাৰীয়ে, এই দাবী নোটিশসমূহক সংশ্লিষ্ট ঋণগ্ৰাহকসকল/আইনী উত্তৰাধিকাৰীসকল/আইনী প্ৰতিনিধিসকলৰ শেহতীয়া জনা ঠিকনাত অৱস্থিত স্থানত প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিছে। উল্লেখিত নোটিশসমূহৰ প্ৰতিলিপি সন্মোদিত স্বাক্ষৰকাৰীৰ ওচৰত উপলব্ধ আছে আৰু ঋণগ্ৰাহকসকল/আইনী উত্তৰাধিকাৰীসকল/আইনী প্ৰতিনিধিসকলয়ে ইচ্ছা কৰিলে কাৰ্যালয়ৰ সাধাৰণ কৰ্মৰত দিনত সাধাৰণ কাৰ্যালয় সময়ত সন্মোদিত স্বাক্ষৰকাৰীৰ পৰা তদনুৰূপ প্ৰতিলিপি সংগ্ৰহ কৰিব পাৰিব।
উপৰোক্ত বিষয়ৰ প্ৰসংগত, উক্ত ঋণগ্ৰাহকসকল/আইনী উত্তৰাধিকাৰীসকল/আইনী প্ৰতিনিধিসকলক পুনৰ এবাৰ এই জাননীৰ জৰিয়তে জনোৱা হৈছে যে, এই জাননী প্ৰকাশিত হোৱাৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত, তলত নিজ নিজ নামৰ সন্মুখত উল্লেখিত ধনৰাশি এইচডিএফচিলৈ পৰিশোধ কৰিব লাগে, যাৰ সৈতে দাবী জাননীসমূহত বৰ্ণিত অনুসৰি বছৰি ১৮ শতাংশ হাৰত সলনি সূদো অন্তৰ্ভুক্ত হব, আৰু যি সূদ গণনা কৰা হ'ব তলত উল্লেখ কৰা ধৰণে সংশ্লিষ্ট তাৰিখৰ পৰা পৰিশোধ/আদায় সম্পন্ন হোৱা তাৰিখলৈকে। এই দাবী ঋণ চুক্তি আৰু উক্ত ঋণগ্ৰাহকসকলে সম্পাদিত অন্য নথি/লিখনী (যদি থাকে) অনুসৰি পঢ়িব লাগিব। উক্ত ঋণৰ সঠিক পৰিশোধৰ সুৰক্ষাৰ বাবে তলত উল্লেখিত সুৰক্ষিত সম্পত্তিসমূহ সংশ্লিষ্ট ঋণগ্ৰাহকসকলে এইচডিএফচিৰ প্ৰতি বন্ধকী দিছে।
ঋণগ্ৰাহকসকল/আইনী উত্তৰাধিকাৰীসকল/আইনী প্ৰতিনিধিসকলৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে যে, উক্ত আইনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮) অনুসৰি সুৰক্ষিত সম্পত্তি উদ্ধাৰ কৰিবলৈ সময় সীমা উপলব্ধ আছে-

| ক্ৰমিক নং | ঋণগ্ৰাহকসকল/আইনী উত্তৰাধিকাৰীসকল/আইনী প্ৰতিনিধিসকলৰ নাম | বাকী থকা ধনৰ পৰিমাণ | দাবী জাননীৰ দিন | নিৰাপদ সম্পত্তি(সমূহ)/স্থাৱৰ সম্পত্তিসমূহৰ বিৱৰণ |
|---|---|---|---|---|
| (ক) | (খ) | (গ) | (ঘ) | (ঙ) |
| (১) | শ্ৰী বিজন চক্ৰৱৰ্তী<br>শ্ৰীমতী অপৰাজিতা চক্ৰৱৰ্তী | ৪,০১,৮৯৮/-<br>৩১-জুলাই-২৫ তাৰিখ অনুসৰি | ০৪-ছেপ্তেম্বৰ-২০২৫ | ১৪৪০ বৰ্গফুট জোখৰ মাটিত থকা বেড ৰুম, ড্ৰয়িং/ডাইনিং, পাকঘৰ, বাথ/প্ৰাইভি আৰু বাৰাণ্ডাৰে গঠিত সেই সকলোবোৰ আৱাসিক বাংলো উক্ত গৃহ নিৰ্মাণ প্ৰকল্পটোৰ ভিতৰত স্কীম প্লট নংচি-১ যিটো সাধাৰণতে লাৱিকা গ্ৰীণ হেমলেট টাউনশ্বিপ নামেৰে জনাজাত সেই সকলোবোৰ টুকুৰা আৰু এটা এলেকাৰ ওপৰত অৱস্থিত ৬৪বি.০০ কে১৮এল।কম বেছি পৰিমাণে পৰি থকা বা অসম ৰাজ্যৰ ৰাজহ গাঁও বংগোৱা, মৌজা চয়নী, উপ-পঞ্জীয়ন কাৰ্যালয় গুৱাহাটী, জিলা কামৰূপত অৱস্থিত বা তলতবিশেষভাৱে উল্লেখ কৰা হৈছে ঃ |

| ক্ৰমিক নং | দাগ নং | কেপি পট্টা নং | মাটিৰ সীমা |
|---|---|---|---|
| ০১ | ১১৩ | ২৩৮ | ০৩বি.০৩কে. ০৬ এল. |
| ০২ | ১১৪ | ১২১ | ০৩বি.০১কে. ০১ এল. |
| ০৩ | ১১৫ | ১৯৫ | ০৩বি.০৩কে. ০৬ এল. |
| ০৪ | ১১৭ | ১১৬ | ০৪বি.০১কে. ১৭ এল. |
| ০৫ | ১১৮ | ১৪৯ | ০৩বি.০২কে. ০৪ এল. |
| ০৬ | ২৭১ | ২৯৭ | ০২বি.০কে. ০৬ এল. |
| ০৭ | ২৭২ | ২৪ | ০১বি.০৩কে. ১৪ এল. |
| ০৮ | ২৮১ | ২৮০ | ০৫বি.০৪কে. ১৪ এল. |
| ০৯ | ২৮৩ | ৪৯ | ০৩বি.০৪কে. ০৬ এল. |
| ১০ | ১৪৯৪ | ১৩২ | ০০বি.০৩কে. ১৪ এল. |
| ১১ | ২৯০ | ১০৫ | ০২বি.০৩কে. ১৬ এল. |
| ১২ | ২৮৯ | ১৩১ | ০৫বি.০১কে. ০৮ এল. |
| ১৩ | ২৮০ | ৭৮ | ০১বি.০১কে. ১৪ এল. |
| ১৪ | ১১৬ আৰু ২৭৬ | ১৮৮ | ০৩বি.০৩কে. ১৪ এল. |
| ১৫ | ২৭৫ | ১৭০ | ০২বি.০১কে. ১৫ এল. |
| ১৬ | ২৭৭ | ১৯৬ | ০৪বি.০১কে. ০০ এল. |
| ১৭ | ২৭৪ | ১৪৯ | ০৫বি.০২কে. ০২ এল. |
| ১৮ | ২৭৮ | ১৭২ | ০২বি.০২কে. ১৩ এল. |
| ১৯ | ২৮০ | ৭৮ | ০৪বি.০০কে. ১৩ এল. |

বৰ্তমান বা ভৱিষ্যতে বাংলো আৰুঙ্গবা হাউছিং কমপ্লেক্সত গঠিত সাধাৰণ অঞ্চল আৰু অংশৰ ওপৰত অন্যান্য সকলো অধিকাৰৰ সৈতে একেলগে।


| ক্ৰমিক নং | ঋণগ্ৰাহকসকল/আইনী উত্তৰাধিকাৰীসকল/আইনী প্ৰতিনিধিসকলৰ নাম | বাকী থকা ধনৰ পৰিমাণ | দাবী জাননীৰ দিন | নিৰাপদ সম্পত্তি(সমূহ)/স্থাৱৰ সম্পত্তিসমূহৰ বিৱৰণ |
|---|---|---|---|---|
| (২) | শ্ৰী ৰিন্টু কাকতি | ২৪,৬৩,২২২/-<br>৩১-জুলাই-২৫ তাৰিখ অনুসৰি | ০৮-ছেপ্তেম্বৰ-২০২৫ | সকলো যে ১ কঠা আৰু ১/৪ লেচা জোখৰ মাটিৰ ওপৰত অৱস্থিত এটা অসম প্ৰকাৰৰ ঘৰ ডাগ নং-৫৮, পট্টা নং-৩০, মৌজা - নাটমগাঁও কিছামাট, জিলা। -নগাঁও, পি.এছ.ঃ নগাঁও, অসম যাৰ সীমাৰেখা, উত্তৰঃ পথ আৰু গোলোক নেওগ, দক্ষিণঃ আনন্দ শইকীয়া (বি শইকীয়া) আৰু প্ৰায় ৮ ফুট বহল এটা বাই লেন, পূবঃ শ্ৰী লংকেশ্বৰ শৰ্মা পূজাৰী, পশ্চিমঃ প্ৰয়াত গোলাপ বৰা ভূঞা, উক্ত মাটিত বৰ্তমান আৰু ভৱিষ্যতত হোৱা সকলো নিৰ্মাণ অন্তৰ্ভুক্ত। |
| (৩) | শ্ৰী মুৰাৰী দাস | ১২,২১,২৯৫/-<br>৩১-জুলাই-২৫ তাৰিখ অনুসৰি | ০৪-ছেপ্তেম্বৰ-২০২৫ | ১ কঠা ৫ লেচা বা ৩.৩৫ মাপৰ এটা মাটিৰ টুকুৰা, যি ডাগ নং-২৮১, পট্টা নং—৭ ত অন্তৰ্ভুক্ত, গাঁও-ভিতৰসূটি, মৌজা—ভৈৰৱপদ, জিলাঃ শোণিতপুৰ, থানা—তেজপুৰ, তেজপুৰ উপ-পঞ্জীকৰণ কাৰ্যালয়ৰ অধীনত অৱস্থিত। উক্ত মাটি উত্তৰে ছুলতান মহম্মদ আৰু জানানুদ্দিনেৰে সীমিত, দক্ষিণে কাশীনাথেৰে সীমিত, পূবতে জনৈক দত্তইৰে সীমিত আৰু পশ্চিমে ছুলতান আৰু জানানুদ্দিনেৰে সীমিত। উক্ত মাটিত বৰ্তমান আৰু ভৱিষ্যতত হোৱা সকলো নিৰ্মাণ অন্তৰ্ভুক্ত |

সকলো প্ৰযোজ্য হাৰত হোৱা ধাৰ্য্য কৰা সুদ, আনুযঙ্গিক খৰচ, ব্যয়, মাচুল আদিও পৰিশোধৰ তাৰিখলৈকে বা হকপ্ৰাপ্তিৰ দিনলৈকে যোগ হ'ব।
যদি উল্লেখিত ঋণগ্ৰাহকে **এইচডিএফচি**-ক উল্লিখিত ধনৰাশি পৰিশোধ কৰিবলৈ ব্যৰ্থ হয়, তেন্তে **এইচডিএফচি** এ উল্লেখিত সুৰক্ষিত সম্পত্তি/অচল সম্পত্তি সমূহৰ বিৰুদ্ধে ধাৰা ১৩ (৪) অনুসৰি সংশ্লিষ্ট বিধিসমূহৰ অধীনত ঋণগ্ৰাহক/আইনানুগ উত্তৰাধিকাৰী/আইনানুগ প্ৰতিনিধিৰ সম্পূৰ্ণ পৰিণাম আৰু খৰচৰ দায়িত্ব থাকিব।
উল্লেখিত ঋণগ্ৰাহক/আইনানুগ উত্তৰাধিকাৰী/আইনানুগ প্ৰতিনিধি সকলে পূৰ্ব অনুমতি নল'ই উক্ত সুৰক্ষিত সম্পত্তি/অচল সম্পত্তি বিক্ৰী, ভাড়ালোৱা বা অন্য কোনো ধৰণে হস্তান্তৰ কৰিবলৈ সম্পূৰ্ণৰূপে নিষিদ্ধ। ধাৰা আৰু বিধিসমূহ ভংগ কৰা বা ভংগ কৰাত সহায় কৰা যে কোনো ব্যক্তি সংশ্লিষ্ট আইনৰ অধীনত কাৰাবাস আৰু/অথবা দণ্ডৰ বাবে দায়বদ্ধ হ'ব।

**তাৰিখঃ ১৯.০৯.২০২৫**
**স্থানঃ গুৱাহাটী**

এইচ ডি এফ চি বেংক লিমিটেডৰ হৈ
স্বাক্ষৰ/- অভিষেক আগৰৱাল
কৰ্তৃত্বপ্ৰাপ্ত বিষয়া

পঞ্জীয়নভুক্ত কাৰ্যালয়ঃ এইচ ডি এফ চি বেংক হাউচ, সেনাপতি বাপত মাৰ্গ, লোৱাৰ পাৰেল (পশ্চিম), মুম্বাই-৪০০০২০



HomeTown
The Art Of Better Living
Be Festive Ready.
Make room for new, with us.
UPTO 60% OFF
Modular Kitchens:
FLAT 25% OFF + EXTRA 10%*
Starting at ₹ 1.5 Lakh , EMI Available.
For bulk gifting Scan. Starting at ₹299/-
BRANDS AVAILABLE
SWAYAM GM BOROSIL ASHNAM ROSARA HOME IRIS
*T&C APPLY
FREE DELIVERY | FREE INSTALLATION | ASSURED QUALITY | UPTO 3 YEARS WARRANTY | NO COST EMI
HDFC BANK Save upto ₹8000
EASY TO BUY EASY TO PAY BAJAJ FINSERV
Guwahati - Surekha Square, Lachit Nagar. Ph.No. : 7003390094
Also at - Ahmedabad | Aurangabad | Bhubneshwar | Hyderabad | Kolkata | Lucknow | Nagpur | Nashik | Patna | Pune | Raipur | Siliguri | Vizag | Shop Online : www.hometown.in
Customer Service : 08069252525
FURNITURE | DECOR | FURNISHINGS | TABLEWARE | KITCHENWARE | MODULAR KITCHENS

## স ম্পা দ কী য়

২ আহিন, শুকুৰবাৰ, ১৯৪৭ শক

# যাত্ৰাপথৰ নতুন সংকল্প

**ম**হাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মহাপুৰুষ মাধৱদেৱ, আজান পীৰ, জ্যোতি, বিষ্ণু, ভূপেনৰ এক আৰু একতাৰ, সদ্ভাৱ আৰু সম্প্ৰীতিৰ অসমখনৰ জ্যোতিৰ বাটেৰেই আমাৰ যাত্ৰা। আৰু এই কথাকে যোৱা ছটা দশকে সোঁৱৰাই দি আহিছিল এখন বিশেষ বাতৰি কাকতে। 'দৈনিক অসম'। ১৯৬৫ চনৰ ৪ আগষ্টত প্ৰথম সংখ্যা প্ৰকাশৰ দিনাৰ পৰাই অসমৰ জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰা কাকতখনৰ ছয় দশকৰ যাত্ৰা সকলোৰে কাৰণে প্ৰেৰণা আৰু উদ্দীপনাৰ উৎস হোৱা উচিত নহয়নে? এই কাকতে যোৱা ছটা দশকে অসমীয়াৰ আশা-আকাংক্ষা ৰাইজৰ স্বাৰ্থত জাতীয় সংগ্ৰামবোৰক আগবঢ়াই নিয়াৰ দায়িত্বৰ পৰা কেতিয়াও আঁতৰি অহাতো নায়েই লগতে আন এটা মহৎ উদ্দেশ্যকো সদায়ে আগ কৰি ৰাখিছে। সেয়া হৈছে জাতীয় পৰিচয়ক উজ্জীৱিত কৰি ৰখা।

'দৈনিক অসম' প্ৰথম প্ৰকাশ হোৱাৰ সময়ৰপৰা বৰ্তমানলৈকে বহু সময় বাগৰিছে। লুইতৰ পানীও সাগৰ-নগৰ পাৰ হৈ মহাসাগৰত মিলি গৈছে। কিন্তু অসম আৰু অসমীয়াৰ সমস্যা, সংশয়, সংকটৰ স্বৰূপ কিন্তু সলনি হোৱা নাই। সকলো সমস্যাৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা পালন কৰিব পৰা ৰাজনৈতিক সদিচ্ছাৰ অভাৱত প্ৰায় সকলো সংগ্ৰামৰ সাফল্য হৈ পৰিছে সীমিত, আংশিক। এতিয়াও এইবোৰ প্ৰশ্নই প্ৰতিজন জাতিপ্ৰেমীৰ অন্তৰত খুন্দিয়াই আছে— খিলঞ্জীয়া অসমীয়া সুৰক্ষিত হৈছেনে? অসমীয়া অৰ্থনৈতিকভাৱে সবল হৈছেনে? বিদেশী অনুপ্ৰৱেশৰ বিৰুদ্ধে অসম আন্দোলনৰ জাগৰণৰ পৰা ২০১৯ চনৰ এন আৰ চি প্ৰস্তুতিলৈকে আমি দীৰ্ঘ পথ পাৰ কৰিছোঁ। তথাপি বিদেশী বিতাড়নৰ প্ৰশ্নৰ সমাধান হৈছেনে? ইয়াৰ উত্তৰ মুখ ফুটাই দিয়াৰ প্ৰয়োজন বোধহয় নাই। এনে একেবোৰ সমস্যাই যোৱা ছটা দশকে অসমীয়াৰ পৰিচয়, সংস্কৃতি আৰু আৰ্থ-ৰাজনৈতিক পৰিস্থিতিক প্ৰত্যাহ্বান জনাই আহিছে। এই কথা নিশ্চয় কাকো নতুনকৈ কোৱাৰ প্ৰয়োজন নাই যে অনুপ্ৰৱেশৰ সমস্যাৰ স্থায়ী সমাধান অবিহনে অসমৰ আত্মনিৰ্ভৰশীলতাৰ সপোন আধৰুৱা হৈ থাকিব। চৰকাৰে প্ৰতিজন বিদেশীক চিনাক্ত কৰি বিতাড়ন কৰাৰ প্ৰক্ৰিয়া জোৰদাৰ কৰিব লাগিব, যাতে অসমীয়াৰ জাতীয় পৰিচয় সুৰক্ষিত হয়। অৱশ্যে অতীতৰ আন্দোলনবোৰক কেৱল সমালোচনা কৰি থকাটোৱেই সমাধান নহয়। অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ সৈতে সংগতি ৰাখি সকলোৱে আগবাঢ়ি যোৱাৰ সময় আহি পৰিছে। ডিজিটেল যুগ আৰু বিশ্বায়নে অসমৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। এই সুযোগৰ সদ্ব্যৱহাৰ কৰিবলৈ আমি আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ দিশে আগবাঢ়ি যাবই লাগিব। আজিও অসমত ৩৫ লাখ নিবনুৱাই চৰকাৰী চাকৰি বিচাৰি হাবাথুৰি খাই আছে। কিন্তু চাকৰিমুখী আমাৰ যুৱ প্ৰজন্মক উদ্যমিতাৰ পথ দেখুওৱাটোও সমাজৰ নিৰ্ণায়ক স্থানত থকাসকলৰ বাবে জৰুৰী। উদ্যোগ, কৃষি-বিপণন, প্ৰযুক্তিৰ ব্যৱহাৰ, উদ্যোগ-ব্যৱসায়ৰ জৰিয়তে নিজৰ শক্তিৰে আগবঢ়াৰ পথ নিশ্চয় কোনোবাই ৰেখাংকিত কৰি দিয়াৰ প্ৰয়োজন আছে। স্বাধীনতাৰ পূৰ্বে অসম ভাৰতৰ অন্যতম ৰাজহ আদায়কাৰী ৰাজ্য আছিল। সেই গৌৰৱ ঘূৰাই আনিবলৈ নিজৰ উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰাৰ বিকল্প নাই। ৰাজ্যৰ ৰাজহ বিভাগৰ তথ্য অনুসৰি এতিয়া ৰাজ্যত প্ৰায় ১৬ লাখ বিঘা মাটি ছন পৰি আছে। নদী-উপনৈৰ পাৰৰ লগতে অন্যান্য অঞ্চলৰ এনে মাটি পুনৰুদ্ধাৰ কৰি কৃষি আৰু সৰু-বৰ উদ্যোগৰ জৰিয়তে কমেও ৩ লাখ লোকক আত্মনিৰ্ভৰশীল কৰাৰ সম্ভাৱনা আছে। বাঁহ উদ্যোগৰ দৰে ক্ষেত্ৰত ২৫ হাজাৰ যুৱক-যুৱতীক প্ৰত্যক্ষ সংস্থাপনৰ সুযোগ সৃষ্টি কৰিব পাৰি। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বিশ্বৰ প্ৰথমটো বাঁহ ব্যৱহৃত দ্বিতীয় স্তৰৰ বায়' ইথানল প্ৰকল্প উদ্বোধন কৰিছে। প্ৰায় ৫,০০০ কোটি টকা ব্যয়সাপেক্ষ প্ৰকল্পটোৰ জৰিয়তে বছৰি ৫০ কিলোটন ফুৱেল। গ্ৰেড ইথানল উৎপাদন হ'ব। ইয়াৰ বাবে বছৰি পাঁচ লাখ টন বাঁহ প্ৰয়োজন হ'ব। ভাৰত আৰু ভূটানৰ অৰ্থনৈতিক সমীক্ষাৰ তথ্য অনুসৰি উত্তৰ বংগৰ পৰা বছৰি ভূটানে ৮০ হাজাৰ মেট্ৰিক টন চাউল ক্ৰয় কৰে। অসমৰ খেতিয়কে ভূটানৰ বজাৰত প্ৰৱেশ কৰিব নোৱৰাৰ কোনো কাৰণ থাকিব নালাগে। লাগে মাথোঁ সদিচ্ছা আৰু সঠিক পৰিকল্পনা। ইয়াৰ মাজতে অসমে নতুন স্বনিৰ্ভৰ অৰ্থনৈতিক গতিপথৰ সন্ধান নোলোৱাকৈও অৱশ্যে থকা নাই। একেদৰে অসমৰ সম্প্ৰীতিৰ ঐতিহ্যকো সুৰক্ষিত কৰাৰ বাট মুকলি কৰিব শক্তিশালী অৰ্থনৈতিক ভেটিয়ে। অৰ্থনৈতিক স্বাধীনতাই স্বনিয়ন্ত্ৰণ আনি দিব আৰু একাংশৰ সাম্প্ৰদায়িক বিভাজনৰ ৰাজনীতি ব্যৰ্থ হৈ পৰিবলৈ বাধ্য হ'ব। ভাষা ৰক্ষাৰ, ভাষাৰ বিকাশৰ যাত্ৰাকো নতুন গতি দিয়াৰ প্ৰয়োজন নিঃসন্দেহে এতিয়াও আছে। ভাষাৰ বিশুদ্ধ চৰ্চা আৰু ব্যৱহাৰৰ বিস্তৃতিৰ জৰিয়তেহে গঢ় ল'ব শক্তিশালী ভাষিক জাতীয়তাবাদ। ভাৰতৰ ভাষাৰ ভেটিত গঢ় লোৱা ৰাজ্য এখনৰ পৰিচয় অটুট ৰাখিছে সেই ৰাজ্যৰ জনগণৰ ভাষাৰ প্ৰতি সজাগতা আৰু দায়বদ্ধতাই। অসমৰ পৰিচয়ক সুদৃঢ়, উজ্জীৱিত কৰি ৰখাৰ বাবে শক্তিশালী ভাষিক জাতীয়তাবাদ প্ৰতিষ্ঠাৰো কিন্তু বিকল্প নাই। জাতি, ভাষা, সংস্কৃতি, ঐক্য, সম্প্ৰীতিৰ বাবে সমাগত সময়ত অসমীয়াই নামিব খোজা প্ৰতিখন সংগ্ৰাম, প্ৰতিটো অভিযানতে পূৰ্বৰ গৰিমাৰে নতুন শক্তি আৰু উদ্যমেৰে অংশ ল'ব 'দৈনিক অসম'-এ। নতুন দিনৰ নতুন সূৰুযৰ নতুন আলোকে নতুন নিয়ৰক চুই যোৱাৰ দৰেই 'দৈনিক অসম'ৰ এই নতুন ৰূপে অসমৰ সমাজ জীৱনক চুই যাব অধিক আত্মীয়তা, উত্তাপ আৰু দায়বদ্ধতাৰে।

## অসমীয়া বাতৰি কাকত

# পৰম্পৰা, পৰিৱৰ্তন, প্ৰত্যাহ্বান আৰু প্ৰত্যাশা



অধ্যাপক ননীগোপাল মহন্ত

**অ**সমৰ বাতৰি কাকতৰ ইতিহাস কেৱল প্ৰেছৰ ইতিহাস নহয়; ই অসমীয়া সমাজখনে নিজকে বুজাৰ, নিজৰ ভাষাৰ হকে যুঁজাৰ আৰু নিজকে তুলি ধৰাৰ দীঘলীয়া, সমৃদ্ধ ইতিহাস। একে সময়তে ই স্থিতিস্থাপকতা, তাৎক্ষণিক উপস্থাপন আৰু অভিযোজনৰ মনোমোহা মিশ্ৰণ। অসমৰ সাংবাদিকতাই ঊনবিংশ শতিকাৰ 'অৰুনোদই' কাকতৰপৰা বৰ্তমানৰ ৱেব প'ৰ্টেললৈকে এক সুদীৰ্ঘ যাত্ৰা অতিক্ৰম কৰিছে। এই যাত্ৰাত অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক বাস্তৱতাৰ প্ৰতিফলন ঘটিছে।

আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে ১৮৪৬ চনত নাথান ব্ৰাউনৰ সম্পাদনাত শিৱসাগৰৰপৰা প্ৰকাশ কৰা অসমৰ প্ৰথমখন বাতৰি কাকত অৰুনোদই বাতৰিৰ লগতে সাহিত্য, সাধাৰণ জ্ঞান, বিজ্ঞান, ধৰ্ম, দৰ্শন আদি চৰ্চাৰ এখন সুন্দৰ মঞ্চত পৰিণত হৈছিল। 'অৰুনোদই' অসমীয়াত ছপা কৰা কাৰ্যই ইংৰাজ শাসকসকলে প্ৰান্তীয়কৃত কৰা অসমীয়া ভাষাক বৈধতা প্ৰদান কৰি কেন্দ্ৰস্থ হোৱাত সহায় কৰিলে। পৰৱৰ্তী দশকসমূহৰ অসমত ছপা সংস্কৃতিৰ সম্প্ৰসাৰণ ঘটিল।


দৈনিক অসম
DAINIK ASAM : Assamese Daily
বিশ্বৰ বিশেষজ্ঞৰ ভৱিষ্যদ্বাণী : ২০৩০ চনৰ ভিতৰত নোহোৱা কৰিব অধিকাংশ কৰ্মসংস্থা…
কৃত্ৰিম বুদ্ধিমত্তাই কাঢ়িব জীৱিকা…
নাজিৰাজুলি পৰিষদীয় সমষ্টিত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ
বি টি চি ত বিজেপি চৰকাৰ লাগিবই : ড° হিমন্ত বিশ্ব শৰ্মা
খুমটাই-মৰঙত বানৰ বিভীষিকা
প্লাৱিত শতাধিক গাঁও

ঊনবিংশ শতিকাৰ আসাম বিলাসিনী, আসাম মিহিৰ, আসাম বন্ধু, মৌ, জোনাকী, বিজুলী আদি আৰু বিংশ শতিকাৰ অসম বন্তি, ঊষা, বাঁহী, আলোচনী, চেতনা, অসমীয়া, অসম সেৱক আদি কাকত আলোচনীয়ে অসমীয়া ভাষা ৰক্ষা আৰু জাতি গঠনৰ আদৰ্শ দেখুৱাইছিল। এই কাকত-আলোচনীসমূহৰ এভাগে (যেনে আসাম বিলাসিনী, অসম সেৱক আদি কাকতে) প্ৰতি-ঔপনিৱেশিক ভাৰতীয় জাতীয়তাবাদী ভূমিকা পালন কৰিছিল আৰু আন এভাগে (আসাম বন্ধু, ঊষা, বাঁহী আদিয়ে) অসমীয়া উপ-জাতীয়তাবাদী মনোভাৱ প্ৰকট কৰিছিল। ধৰ্ম-নিৰপেক্ষতা আৰু বহুত্ববাদৰ প্ৰসাৰৰ ক্ষেত্ৰত আটাইবোৰ কাকতে গ্ৰহণ কৰিছিল শক্তিশালী ভূমিকা।

বিংশ শতিকাৰ মাজভাগলৈ বাতৰি কাকত বিচ্ছিন্ন বা অপেছাদাৰী প্ৰচেষ্টা হৈ নাথাকি প্ৰেছ-নেতৃত্বাধীন এটা উদ্যোগত পৰিণত হ'ল। ইয়াৰ ফলত অসমৰ চুকে-কোণে বিভিন্ন বাতৰি কাকতৰ শক্তিশালী তথা সমৃদ্ধিশালী প্ৰসাৰ ঘটে। অসমৰ প্ৰথমখন দৈনিক কাকত 'দৈনিক বাতৰি' (১৯৩৫) আৰু তাৰ পাছৰ 'দৈনিক অসমীয়া' (১৯৪৬), 'নতুন অসমীয়া' (১৯৪৯) আৰু 'দৈনিক অসম' (১৯৬৫) কাকতে অসমত আঞ্চলিক বাতৰি কাকতৰ ধাৰা শক্তিশালী কৰি তোলে। একেদৰে অসমৰ প্ৰথমখন ইংৰাজী দৈনিক কাকত 'দ্য আছাম ট্ৰিবিউন' (১৯৩৯) একাধাৰে ৰাজনৈতিক প্ৰতিবেদন, সাংস্কৃতিক ধাৰাভাষ্য আৰু প্ৰতি-ঔপনিৱেশিক কণ্ঠস্বৰত পৰিণত হয়। পাছলৈ 'দৈনিক জনমভূমি', 'দ্য ছেণ্টিনেল', 'দৈনিক অগ্ৰদূত', 'অসমীয়া প্ৰতিদিন', 'নিয়মীয়া বাৰ্তা' আদি কাকতে পূৰ্বৱৰ্তী কাকতসমূহৰ দৰে অসমীয়া সমাজৰ বৌদ্ধিক উৎকৰ্ষ সাধন কৰাৰ লগতে জনমত গঠন, ৰাজনৈতিক সক্ৰিয়তা আৰু সাংস্কৃতিক সমন্বয়ৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়ায়। এই সকলো বাতৰি কাকতে বাতৰিৰ উপৰি সম্পাদকীয় পৃষ্ঠাৰ লগতে সংস্কৃতি, সমাজ, স্বাস্থ্য, পৰিৱেশ, কেৰিয়াৰ, শিশু, মহিলা, চলচ্চিত্ৰ, ক্ৰীড়া আদি সম্পৰ্কীয় পৃষ্ঠা সংলগ্ন কৰি নিজকে সামাজিক জীৱনৰ বিশ্বস্ত প্ৰতিফলক আৰু বিকাশকামী পথ-প্ৰদৰ্শক হিচাপেও প্ৰতিষ্ঠা কৰিছে।

বিগত কিছুবছৰত তথ্য-প্ৰযুক্তি আৰু সামাজিক মাধ্যমৰ বহুল প্ৰসাৰ, কোভিড-১৯ মহামাৰী আদিৰ ফলত পৃথিৱীৰ আন আন ঠাইৰ দৰে অসমতো কাকত-আলোচনীৰ মুদ্ৰণ সংখ্যা হ্ৰাস পাইছে। তথাপি ছিৰিয়াছ অসমীয়া পঢ়ুৱৈসমাজে বাতৰি কাকত তথা ছপা মাধ্যমৰ সৈতে এতিয়াও এটা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰাখিছে। এই সম্পৰ্ক কেৱল বৌদ্ধিকভাৱে সীমাবদ্ধ হৈ নাথাকি সাংস্কৃতিক জীৱনযাত্ৰাৰ এটা অবিচ্ছেদ্য অংশত পৰিণত হৈছে। বৈদ্যুতিন মাধ্যমৰ সংবাদৰ প্ৰচলন বৃদ্ধি পাইছে যদিও গাম্ভীৰ্যপূৰ্ণ, বিশ্লেষিত আৰু সম্পূৰ্ণ তথ্যভিত্তিক বাতৰি প্ৰচাৰৰ ক্ষেত্ৰত অসমৰ ছপা মাধ্যম এতিয়াও কৰ্তৃত্বশীল হৈ ৰৈছে।

অসমৰ বাতৰি কাকতসমূহে পক্ষপাতমূলক আৰু প্ৰৰোচনামূলক বাতৰি পৰিহাৰ কৰি সকলো পক্ষকে সমানে সামাজিক গুৰুত্ব উপলব্ধি কৰাৰ সুযোগ দি আহিছে। সামাজিক কু-সংস্কাৰ, ভেদাভেদ, লৈংগিক অৱদমন আদি অৱগতি, শিক্ষা আৰু মনোৰঞ্জনৰ সহায়ত নিৰ্মূল কৰাৰ বাবে অসমৰ সংবাদ মাধ্যমে চেষ্টা কৰি আহিছে। অসমৰ সংবাদ মাধ্যমে নাৰীৰ অৱদমন বা অসুবিধাসমূহ প্ৰকট কৰি, নাৰীক সমতা আৰু অধিকাৰৰ প্ৰতি আগ্ৰহী কৰি তুলি আৰু নাৰীৰ বাবে এটা গণতান্ত্ৰিক পৰিৱেশৰ পোষকতা কৰি অহাটো লক্ষণীয়। অসমৰ বাতৰি কাকতসমূহত পূৰ্বতকৈ অধিক মহিলা কৰ্মচাৰী বা সাংবাদিক, সম্পাদক ইত্যাদি নিযুক্ত হৈছে। আজি অসমৰ কেইবাখনো কাকত-আলোচনী তথা কেইবাটাও বৈদ্যুতিন সংবাদ প্ৰতিষ্ঠানত মহিলাই উচ্চ পদত কাৰ্যনিৰ্বাহ কৰি আছে।

বিংশ শতিকাৰ শেষৰ ফালে অসমৰ বাতৰি কাকতসমূহৰ অক্ষৰ-বিন্যাস, প্ৰতিবেদনশৈলী, পেছাদাৰী পদ্ধতি আদিৰ আধুনিকীকৰণ সম্ভৱ হ'ল। তথাপি গাঁথনিগত সমস্যাৰে ভাৰাক্ৰান্ত হৈ ৰোৱা বাবে বহু বাতৰি কাকত কেৱল চৰকাৰী বিজ্ঞাপনৰ সহায়ত জীয়াই থাকিল, ফলত ৰাজনৈতিক প্ৰভাৱৰ সন্মুখীন হ'বলগীয়া হ'ল। কিছুসংখ্যক সাংবাদিকে ঘটনাৰ উপস্থাপনৰ পৰিৱৰ্তে পাৰ্শ্বৱৰ্তী চাঞ্চল্যকৰ দিশৰ প্ৰতি অধিক আগ্ৰহ প্ৰকাশ কৰিলে। ইয়াৰ ফলত একাংশ সাংবাদিকৰ বিশ্বাসযোগ্যতা কিছু হ্ৰাস পালে।

একবিংশ শতিকাৰ আৰম্ভণিতে বৈদ্যুতিন মাধ্যমৰ আগমনৰ ফলত সমগ্ৰ পৰিৱেশত এটা নাটকীয় পৰিৱৰ্তনে দেখা দিলে। এতিয়া প্ৰায় প্ৰতিখন অসমীয়া বাতৰি কাকতৰে সমান্তৰালভাৱে প্ৰকাশিত অনলাইন সংস্কৰণ আছে। ই-সংস্কৰণে কাকতসমূহৰ প্ৰচালন বৃদ্ধি কৰিছে, ৰাজহ সংগ্ৰহৰ পৰিমাণ বঢ়াইছে আৰু নৱ-প্ৰজন্মক পঠন-পৰম্পৰাৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিছে। পিছে বেছিভাগ কাকতৰে ই-সংস্কৰণ কেৱল পিডিএফ বা ছবিৰ ৰূপত ছপা সংস্কৰণৰ প্ৰতিলিপি। এই সংস্কৰণসমূহত সন্ধানযোগ্যতা বা ব্যৱহাৰ-অভিজ্ঞতাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া নহয়। খুব কম কাকতেহে ইউনিক'ড ফৰ্মেট গ্ৰহণ কৰি চাৰ্চ ইঞ্জিনত দৃশ্যমান হৈছে। আৱিষ্কাৰ ক্ষমতাই সকলো বুলি বিবেচিত এই কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত এনেদৰে সুবিধা গ্ৰহণত পলম কৰা বাবে অসমৰ বহু বাতৰি কাকতে বহু মূল্যৱান পঢ়ুৱৈ হেৰুৱাইছে। কিছুসংখ্যক কাকতৰ কৰ্তৃপক্ষ ৱেবছাইট, ম'বাইল এপ, সামাজিক মাধ্যম, ৱেব প'ৰ্টেল আদিত সক্ৰিয় হৈছে যদিও বিদ্যুৎ আৰু ইণ্টাৰনেট সংযোগ ভালদৰে নথকা অঞ্চলসমূহৰ অভ্যন্তৰলৈকে সোমাই পৰিবপৰা নাই। তেনে ঠাইত ছপা সংস্কৰণে এতিয়াও গণসংযোগৰ উৎকৃষ্ট মাধ্যম হিচাপে তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

টেলিভিছন চেনেল, ৱেব প'ৰ্টেল আদিয়ে বহু বেছি খৰতকীয়াকৈ বাতৰি পৰিৱেশন কৰে। তেনেদৰে সামাজিক মাধ্যমত তথ্য নিমিষতে প্ৰচাৰিত হয়। বিপৰীতে, বাতৰি কাকতসমূহ তথ্য পৰীক্ষণৰ প্ৰতি আগ্ৰহী, বিশ্লেষণাত্মক আৰু ধীৰ-স্থিৰ। ছপা মাধ্যমৰ এই গুণে তাক আজিও অধিক নিৰ্ভৰযোগ্য কৰি ৰাখিছে। ছপা মাধ্যমে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় লৈছে, কিন্তু ওলোটাই তাৰ চিকাৰ হৈ পৰা নাই। কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে ভুল তথ্য আৰু মিছা বাতৰি আকৰ্ষণীয়কৈ আৰু সহজতে প্ৰচাৰ কৰিব পাৰি। উৎসৰ অনুমতি অবিহনেও বাতৰি যোগান ধৰাৰ সুবিধা দি কৃত্ৰিম বুদ্ধিমত্তাই সাংবাদিকতাৰ নৈতিক স্খলন ঘটাৰ আশংকাৰো উদ্ৰেক কৰিছে। অসমৰ বাতৰি কাকতৰ সাংবাদিকসকলে এইক্ষেত্ৰত আজিপৰ্যন্ত সচেতনতা প্ৰদৰ্শন কৰাটো আনন্দৰ কথা।

উৰাবাতৰিৰ প্ৰসাৰ অসমৰ সংবাদ মাধ্যমসমূহৰ আন এটা সমস্যা। উৰাবাতৰি আগেয়েও আছিল, পিছে আজিকালি উৰাবাতৰি সামাজিক মাধ্যমৰ জৰিয়তে অতি দ্ৰুতগতিত প্ৰচাৰিত হয়। ই জনসমাজক বিভ্ৰান্ত কৰে আৰু সমাজত ধাৰ্মিক, আৰ্থ-সামাজিক তথা জাতিগত বিবাদৰ সৃষ্টি কৰে। উৰাবাতৰিৰ দৰে অতিৰঞ্জিত বাতৰিও সংবাদ মাধ্যমৰ বাবে এটা প্ৰত্যাহ্বান। পৰিৱৰ্তিত পৰিস্থিতিত বিক্ৰী বা প্ৰচালন বঢ়োৱাৰ উদ্দেশ্যে একাংশ বৈদ্যুতিন বা সামাজিক মাধ্যমৰ কিছুসংখ্যক সংবাদ প্ৰতিষ্ঠানে অতিৰঞ্জিত বা মচলাসনা বাতৰি প্ৰকাশ কৰিবলৈ লৈছে বা প্ৰয়োজন অবিহনে উত্তেজক বাতৰি পৰিৱেশন কৰিবলৈ লৈছে। এনেধৰণৰ বাতৰিয়ে এদিন সমগ্ৰ সংবাদ মাধ্যমৰে বিশ্বাসযোগ্যতা হ্ৰাস কৰিব। ই ধৰ্ম-নিৰপেক্ষতা আৰু বহুত্ববাদৰো পৰিপন্থী। এনে সংবাদ প্ৰতিষ্ঠানৰ অস্তিত্ব-সংকট চৰকাৰী বিজ্ঞাপন, ডাক-সাহায্য, ৰাজ-সাহায্য আদিৰ সহায়ত এনে সংবাদ প্ৰতিষ্ঠান পুনৰ উজ্জীৱিত হ'ব বুলি আশা কৰিব পাৰি। মন কৰিবলগীয়া যে বৈদ্যুতিন বা সামাজিক মাধ্যমৰ তুলনাত ছপা মাধ্যমৰ সাংবাদিকসকল বহু বেছি সত্যনিষ্ঠ আৰু তথ্যনিৰ্ভৰ। কোভিড-১৯ মহামাৰীৰ সময়ত 'দ্য আছাম ট্ৰিবিউন' কাকতৰ কৰ্মী সংস্থাই ভুৱা বাতৰি বিশ্বাস নকৰিবলৈ ৰাইজক জনোৱা আহ্বান এইক্ষেত্ৰত স্মৰণযোগ্য।

যোৱা কিছুবছৰত আন্তঃৰাষ্ট্ৰীয় বাতৰি যোগান শৃংখলৰ বৰ্দ্ধিত ব্যয়ে অসমৰ সৰু-বৰ সকলো সংবাদ প্ৰতিষ্ঠানৰ বাবে এটা প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। ভিতৰুৱা অঞ্চলত, বিশেষকৈ বানৰ কবলত পৰা ঠাইসমূহত কাকত বিতৰণ কৰাটো বা কাকত পঢ়াৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাটোও এটা প্ৰত্যাহ্বান। এইবোৰৰ ফলত বাতৰি কাকতসমূহে আঞ্চলিক ৰাজনীতি, স্থানীয় কেলেংকাৰী আৰু ষড়যন্ত্ৰ আদিত মনোযোগ দিছে, ফলত ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় বিষয় কিছুমান বাদ পৰি ৰৈছে। এইখিনি কথা মেককম্বছ আৰু ড'নাল্ড শ্ব'ই ১৯৭২ চনত আগবঢ়োৱা এজেণ্ডা নিৰ্দ্ধাৰণ তত্ত্বৰ আলোকত বিশ্লেষণ কৰি চাব পাৰি। অসমৰ সংবাদ মাধ্যমে ৰাজহুৱা এজেণ্ডা নিৰ্দ্ধাৰণ কৰিছিল ঠিকেই, কিন্তু প্ৰায়ে কিছুমান স্থানীয় উদ্বেগজনক পৰিস্থিতিত চকু ৰাখিছে আৰু বৃহত্তৰ গাঁথনিগত বিষয়সমূহ পৰিহাৰ কৰি চলিছে। এই প্ৰৱণতাই এচাম বিশ্ববিমুখ মানুহৰ সৃষ্টি কৰিছে। আনন্দৰ কথা যে অসমৰ অধিকাংশ সাংবাদিকে ৰাজ্যৰ চুকে-কোণে শুদ্ধ আৰু পাৰ্যমানে অধিক খবৰ প্ৰচাৰ কৰাৰ দায়িত্ব বহন কৰি আহিছে। অসমৰ সংবাদ মাধ্যমৰ বিপদসংকুল পৰিক্ৰমাত এইসকল সাংবাদিকৰ ত্যাগ আৰু অৱিহণা অসমৰ পঢ়ুৱৈ সমাজৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

অসমৰ সংবাদ মাধ্যমে এনেদৰে যুগৰ স'তে খোজ মিলাওঁতে নিজৰ গৰিমাময় ঐতিহ্য কেতিয়াও দুৰ্বল কৰি পেলোৱা নাই। নানা সীমাবদ্ধতা সত্ত্বেও ই আজিপৰ্যন্ত উত্তৰ-পূব ভাৰতৰ অন্যতম শক্তিশালী সাংস্কৃতিক প্ৰতিষ্ঠান। ই ভাষাৰ ৰক্ষক, বিতৰ্কৰ মঞ্চ আৰু জয় আৰু উদ্বেগৰ অভিলেখাগাৰ। বিশ্বাসৰ মূল্যবোধ অক্ষত ৰূপত ধৰি ৰাখিব পৰা পৰ্যন্ত ই অসমৰ জনজীৱনৰ কেন্দ্ৰত অৱস্থান কৰি থাকিব পাৰিব।


ছপা মাধ্যমক শক্তিশালী ৰূপত বৰ্তাই ৰখাৰ ক্ষেত্ৰত ৰাজ্যখনৰ বৰ্তমানৰ চৰকাৰখনৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। ২০২১-২২ চনৰপৰা আৰম্ভ কৰি বিগত চাৰিটা বিত্তীয় বৰ্ষলৈ মন কৰিলে দেখা যায় যে চৰকাৰখনে ছপা, ডিজিটেল আৰু অন্যান্য মাধ্যমত বিজ্ঞাপনৰ বাবদ মুঠ ৩৭২.৩৩ কোটি টকা ব্যয় কৰিছে। চৰকাৰখনৰ এই বৰ্দ্ধিত ব্যয় চৰকাৰখনে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক সংকটৰ গৰাহৰপৰা উদ্ধাৰ কৰাৰ বাবে চলোৱা আন্তৰিক প্ৰচেষ্টাৰ এটা উৎকৃষ্ট উদাহৰণ। প্ৰতিযোগিতা আৰু আৰ্থিক সংকটৰ সময়ত সৰু-বৰ আঞ্চলিক কাকতসমূহৰ প্ৰচলন বৰ্তাই ৰখাত বা বঢ়োৱাত চৰকাৰখনৰ অভূতপূৰ্ব প্ৰচেষ্টা বিশেষভাৱে সহায়ক হৈছে।

অসমৰ সংবাদ মাধ্যমে পৰম্পৰাক নতুনৰ সৈতে সংশ্লেষিত কৰিব পৰাৰ মাত্ৰাত তাৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে। ছপা কাগজখন বহু পৰিয়ালৰ পুৱাৰ সংগী হৈ থাকিব যদিও ইয়াৰ ৱেব সংস্কৰণ অধিক উন্নত পৰ্যায়ৰ হ'ব লাগিব। লিখিত সাক্ষাৎকাৰৰ তুলনাত তাৰ প'ডকাষ্ট সংস্কৰণ বেছি গ্ৰহণযোগ্য হ'ব, কিয়নো তাত মানুহে সাক্ষাৎকাৰটো বক্তাৰ নিজৰ কণ্ঠত শুনিব পাৰিব। একেদৰে ব্যাখ্যাকাৰী চুটি ভিডিঅ' বা ফটো সংযোজিত হ'লে সামাজিক বিষয় এটা অধিক গ্ৰহণযোগ্য হ'ব। লেখাসমূহ QR ক'ড স্কেন কৰি পঢ়িব পৰা হ'লে পটভূমিৰ প্ৰসংগ, অন্তৰালৰ কাহিনী আদি সহজতে দৃশ্যমান হ'ব। ছপা, বৈদ্যুতিন আৰু মাল্টিমিডিয়াৰ এই সহাৱস্থানে কথ্যক গভীৰ আৰু আকৰ্ষণীয় কৰি তোলাৰ লগতে কম বয়সীয়া পঢ়ুৱৈসকলকো আকৰ্ষণ কৰিব পাৰিব।

'আছাম ট্ৰিবিউন গোষ্ঠী'ৰ 'দৈনিক অসম' কাকতে এনে এটা যুগসন্ধিত এটা নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰিছে। 'দৈনিক অসম' অসমৰ সমাজ-জীৱনৰ এক ১১ পৃষ্ঠাত চাওক

> চৰকাৰ, সংবাদকৰ্মী, জনসাধাৰণ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে **শৈক্ষিক প্ৰতিষ্ঠানৰ একাত্ম প্ৰচেষ্টাত অসমৰ সংবাদ মাধ্যমে আগত দিনসমূহত তাৰ** গৌৰৱোজ্জ্বল জয়যাত্ৰা অব্যাহত ৰাখিব পাৰিব বুলি আমি দৃঢ় বিশ্বাসী।

# নতুন ৰূপ হওক নতুন পোহৰ



ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

**ন**তুনকৈ দায়িত্ব ল'লে নতুন কিবা এটা কৰিবলৈ মন যোৱাটো এক মানৱীয় তাড়না। সেয়েহে আশা কৰিব পাৰি যে নতুন পৰিকল্পনাৰে, নতুন তত্ত্বাৱধানেৰে 'দৈনিক অসম'ৰ এক নতুন ৰূপ পঢ়ুৱৈয়ে দেখা পাব। সেই ৰূপ কি হ'ব? ই ট্ৰিবিউন গোষ্ঠীয়ে ইমান দিনে কঢ়িওৱা ঐতিহ্যক সন্মান জনাই ভৱিষ্যতৰ দিশ নিৰ্ণয় কৰিব নে এক স্বতন্ত্ৰ দিশেৰে আগবাঢ়িব? তাৰ উত্তৰলৈ আমি কিছুদিন অপেক্ষা কৰিম। এই মুহূৰ্তত মাথোঁ এটাই আশা ৰাখিম যে অসমৰ স্বাৰ্থ, সুৰক্ষা আৰু উত্তৰণক ই সৰ্বোচ্চ গুৰুত্ব দিব। আমাৰ জীৱন কালত সামগ্ৰিকভাৱে সংবাদ জগতখনত কিছু পৰিৱৰ্তন দেখি দেখি কেতিয়াবা উচপিচ কৰিছোঁ, কেতিয়াবা অভ্যস্ত হৈ নিৰ্লিপ্ত হৈ পৰিছোঁ। মই ভাবোঁ সময়ৰ দাবী মানি সংবাদ গোষ্ঠীসমূহ সেৱাৰ পৰা ব্যৱসায়লৈ পৰিৱৰ্তনত বেয়া পাবলগীয়া একো নাই, মাথোঁ বেআইনী আৰু সমাজৰ ক্ষতিকৰ ব্যৱসায়ৰ আমি বিৰোধী। এখন অসমৰ অসমীয়া কাকত হিচাপে অসমৰ বাবে ক্ষতিকৰ সাংবাদিকতা 'দৈনিক অসম'ৰপৰা আমি আশা নকৰোঁ। সাধাৰণ মানুহক বিভ্ৰান্ত কৰিব পৰা, সমাজত অনাহকতে অস্থিৰতাৰ সৃষ্টি কৰা উচটনিমূলক সাংবাদিকতাৰপৰা 'দৈনিক অসম' নিশ্চয় বিৰত থাকিব, ব্যৱসায়িক বা ৰাজনৈতিক কাৰণতো সেই সস্তীয়া চাঞ্চল্যধৰ্মিতাৰ ওচৰত যেন 'দৈনিক অসম'-এ আত্মসমৰ্পণ নকৰে। কাকতৰপৰা নিৰপেক্ষতা আশা কৰা হয়। তথাপি তাত অকল সংবাদ থাকিব, ভিউজ থাকিব নোৱাৰিব আদি ধাৰণাত খামুচি থকাৰ দিন কাহানিবাই উকলিল। ভিউজেহে কাকত এখনক অনন্য মাত্ৰা প্ৰদান কৰে। সেয়েহে ভিউজ থাকক। ভিউজ দিয়াৰ সময়ত অসমবাসী আৰু অসমৰ সুৰক্ষা, অধিকাৰ আৰু প্ৰাপ্যক অগ্ৰাধিকাৰ দিয়ক। গুৰুত্বপূৰ্ণ বিষয়ত কাকত এখন সাধু-সন্ন্যাসীৰ দৰে নিৰপেক্ষ হৈ থাকিলে নহ'ব। কাকত এখনে যদি নিজৰ বিচাৰ-বুদ্ধিৰে ভাবে যে দেশ আৰু দহৰ মংগলৰ বাবে এটা পক্ষ লোৱাৰ দৰকাৰ, সজোৰে স্পষ্টভাৱে সেই পক্ষ লওক। তাকে লৈ সংকুচিত হোৱাৰ দৰকাৰ নাই। সেই স্থিতি চৰকাৰৰ পক্ষে গৈছে নে বিপক্ষে গৈছে, তাকে লৈ সংকুচিত হোৱাৰ দৰকাৰ নাই। সংবাদপত্ৰৰ পৰম্পৰাগত বিৰোধ-সমৰ্থনৰ ধাৰণাও সলনি হৈছে। সংবাদ পত্ৰৰ কৰ্তব্য দেশ আৰু জনগণৰ স্বাৰ্থত ক্ষমতাক প্ৰশ্ন কৰা। দলীয় ৰাজনীতিৰ খবৰে কাকতত অত্যধিক গুৰুত্ব লাভ কৰা এটা বাতাৱৰণ সৃষ্টি হোৱাৰ বাবে আমি ভাবি লওঁ যে ৰাজনৈতিক ক্ষমতায়েই একমাত্ৰ ক্ষমতা। অকল ৰাজনৈতি ক্ষমতায়েই নহয়, দেশ আৰু সমাজৰ ক্ষতি কৰিব পৰা সকলো ক্ষমতাকে প্ৰশ্ন কৰিব লাগিব সংবাদ পত্ৰই, সেয়া ৰাজনৈতিক হ'ব পাৰে, বৌদ্ধিক হ'ব পাৰে, ধৰ্মীয় হ'ব পাৰে, ব্যৱসায়িক হ'ব পাৰে, সংকীৰ্ণ স্বাৰ্থৰ বহিঃৰাষ্ট্ৰ প্ৰভাৱান্বিত গোটৰো হ'ব পাৰে। দেশ আৰু সমাজৰ বাবে যি ভাল তাৰ পক্ষত, যি বেয়া তাৰ বিৰোধত থকাটোহে কাকতৰপৰা সাধাৰণ পঢ়ুৱৈয়ে আশা কৰে। বিৰোধৰ বাবে বিৰোধ বা সমৰ্থনৰ বাবে সমৰ্থন— আজিৰ পঢ়ুৱৈৰ বাবে গ্ৰহণযোগ্য নহয়। আমি এয়াও আশা কৰিম যে দিনে দিনে হৃদয়হীন হৈ পৰা সমাজখনত এক সুস্থ মানৱীয় বাতাৱৰণ বৰ্তাই ৰাখি মানুহক মানুহ কৰি ৰখাৰ এক বাৰ্তাও কাকতত স্থান পোৱা সৃজনশীল লেখাৰে পঢ়ুৱৈলৈ সঞ্চাৰিত হওক। অন্ধকাৰাচ্ছন্ন বৰ্তমানৰ সংবাদ জগতত নতুন চিন্তা আৰু আকৰ্ষণীয় পৰিৱেশনেৰে সমাজৰ ৰক্ষকৰ ৰূপত 'দৈনিক অসম' নতুনকৈ উজলি উঠক, তাকেই আন্তৰিকতাৰে কামনা কৰিলোঁ। নতুন ৰূপ হওক সমাজৰ বাবে নতুন পোহৰ।

# আলোকমুখী যাত্ৰালৈ অফুৰন্ত শুভ কামনাৰে



শিৱপ্ৰসাদ মাৰাৰ

**অ**সমৰ জনপ্ৰিয় দৈনিক বাতৰি কাকত বুলি ক'লে যিকেইখন বাতৰি কাকতে ল'ৰালি কালত আমাক আকৰ্ষণ কৰিছিল, তাৰে 'দৈনিক অসম' অন্যতম। ১৯৬৫ চনত প্ৰথম প্ৰকাশ পাইছিল কাকতখন। সেই তাহানিৰপৰা এতিয়ালৈকে তিনিকুৰি বছৰ অতিক্ৰম কৰা দৈনিক কাকতখন আজিও নিজ গৰিমাৰে উজলি আছে। অসমৰ ভাষা, সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, সমাজ, ক্ৰীড়া ইত্যাদি ভিন্ন দিশত এক বিশেষ ভূমিকা পালন কৰি আহিছে 'দৈনিক অসম'-এ। অসমৰ সকলো শ্ৰেণীৰ লোকৰ মাজতেই 'দৈনিক অসম' সমানে সমাদৃত আৰু জনপ্ৰিয়। জাতীয়তাবাদী চেতনাৰে সময়ৰ সৈতে খোজ মিলাই 'দৈনিক অসম'-এ অসমৰ সমাজ-সংস্কৃতিক আগুৱাই লৈ যোৱাত যি অৱিহণা যোগাই আহিছে, তাক প্ৰতিজন অসমীয়াই অনুভৱ কৰিব পাৰিছে। সময়ৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই'দৈনিক অসম' কাকতখন নতুন ৰূপত, নতুন প্ৰত্যাশাৰে প্ৰকাশ হ'বলৈ গৈ আছে। আজিৰ ডিজিটেল মাধ্যমত, AI-ৰ যুগত মানুহ, সমাজ-সংস্কৃতি কোন দিশে যাবলৈ ধৰিছে, সেয়া সচেতন মহলৰ বাবে চিন্তাৰ বিষয় হৈ পৰিছে। এই ক্ষেত্ৰত কাকতখনৰ ১১ পৃষ্ঠাত চাওক

অসমৰ প্ৰথমখন দৈনিক বাতৰি কাকত 'দৈনিক বাতৰি' প্ৰকাশ পাইছিল ১৯৩৫ চনত। কাকতখনৰ প্ৰথম সম্পাদক আছিল বাগ্মীবৰ নীলমণি ফুকন।

# দৈনিক অসম



অৰ্জুন বঁটা বিজয়ী প্ৰথমগৰাকী অসমীয়া হৈছে ভোগেশ্বৰ বৰুৱা। ১৯৬৬ চনৰ বেংকক এছিয়াডত ৮০০ মিটাৰ দৌৰত স্বৰ্ণ পদক অৰ্জনেৰে তেওঁ অসমক গৌৰৱান্বিত কৰিছিল।

৬১ বছৰ । ৪৫ সংখ্যা, ২ আহিন, শুকুৰবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 45। GUWAHATI, FRIDAY, SEPTEMBER 19, 2025



## দৈনিক অসমে শতায়ু অতিক্ৰম কৰক

উপেন্দ্ৰ বৰকটকী



অসমত বিদেশী নাগৰিকৰ অনুপ্ৰৱেশৰ সমস্যা, শিক্ষাৰ মাধ্যম আন্দোলনকে ধৰি জাতীয় জীৱনৰ লগত সম্পৰ্ক থকা প্ৰত্যেকটো সমস্যাতে বলিষ্ঠ ভূমিকা লোৱা 'দৈনিক অসম' কাকতখনে অনাগত দিনতো জাতীয় দায়িত্ব পালন কৰি যাব বুলি আমাৰ দৃঢ় বিশ্বাস। ১৩ পৃষ্ঠাত চাওক



## ৬০ বছৰে শ্ল'গান হৈয়ে থাকিল বান সমস্যা সমাধানৰ বহু প্ৰতিশ্ৰুতি

# 'দৈনিক অসম'ৰ প্ৰস্তাৱনা সংখ্যাই সোঁৱৰাইছিল ভয়াৱহ ভৱিষ্যতৰ কথা

জিতেন্দ্ৰ কুমাৰ চৌধুৰী

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** 'অসমৰ বান-খহনীয়া সমস্যা ঃ ৰাষ্ট্ৰীয় সমাধান প্ৰয়োজন'— এটি বাতৰিৰ শিৰোনাম। ছয়টা দশক পুৰণি কথা সেয়া। বাতৰিটো প্ৰকাশিত হৈছিল 'দৈনিক অসম' কাকতৰ প্ৰস্তাৱনা সংখ্যাৰ প্ৰথম পৃষ্ঠাত। জাতীয় দায়বদ্ধতা আৰু চেতনাৰে আজিৰ পৰা ছয়টা দশকৰ আগতে আত্মপ্ৰকাশ কৰি বহু প্ৰত্যাহ্বানৰ মাজতো সুস্থ সাংবাদিকতাৰ ধাৰা অব্যাহত ৰখা 'দৈনিক অসম' প্ৰস্তাৱনা সংখ্যাৰ সেই বাতৰিৰ শিৰোনাম সময়ৰ হিচাপত হয়তো পুৰণি অথচ, বান-গৰাখহনীয়াই অসমৰ ১৩ পৃষ্ঠাত চাওক

### বানপানী আৰু অসম

- অসমৰ মুঠ মাটিৰ ৪০ শতাংশ বানপ্ৰৱণ এলেকা
- সমগ্ৰ ভাৰতৰ বানপ্ৰৱণ এলেকাৰ ৯.৪০ শতাংশ ভূমি অসমৰ
- দেশৰ বছৰি বানে যিমান ক্ষতি কৰে তাৰে ১০ শতাংশ ভূমি হৈছে অসমৰ
- বানত এতিয়ালৈকে ৫,০০০ গাঁও নিশ্চিহ্ন, ৪.২৭ লাখ হেক্টৰ মাটি পানীত জাহ গৈছে। দেশৰ আন ৰাজ্যত এনে ভয়াৱহ উদাহৰণ নাই।

## কেৱল জাতীয়তাবাদ নহয়, অৰ্থনৈতিক জাতীয়তাবাদেহে তুলি ধৰিব দেশ

# ৩ হেজাৰ কোটিৰ বজাৰে দেখুৱাইছে ৰেঙণি





### বিশ্বৰ ১৮খন দেশলৈ ৰপ্তানি অসমীয়া উদ্যোগীৰ জৈৱিক সামগ্ৰী ■ আদৰ্শ হ'ব পাৰে বেদব্ৰত-বিশ্বজিৎ-আকাশজ্যোতিৰ দৰে ব্যক্তিৰ উদ্যম, ইজৰাইলৰ উৎপাদন ব্যৱস্থা

মনোৰঞ্জন বড়ি

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** বছৰি প্ৰায় ৩০ হাজাৰ কোটি টকাৰ বিভিন্ন খাদ্যপণ্য আমদানি কৰি অসমে নিজৰ প্ৰয়োজন পূৰণ কৰি আহিলেও শেহতীয়াকৈ ৰাজ্যখনত থলুৱাভাৱে উৎপাদিত বহু সামগ্ৰীয়ে দেশে-বিদেশে অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জনে এক আশাব্যঞ্জক বতৰা কঢ়িয়াই আনিছে। অসমৰ একাংশ উদ্যোগী ব্যক্তিৰ প্ৰচেষ্টাত ৰাজ্যখনত উৎপাদন হোৱা আদা, লিচু, মাটিকঁঠাল, কাজি নেমু, ৰঙালাউ, জহাকে ধৰি বহু প্ৰকাৰৰ চাউল, অমিতা আদি সামগ্ৰীৰ চাহিদা বিদেশত বিশেষভাৱে বৃদ্ধি পাইছে। বিশেষকৈ ৰাজ্যখনৰ কেইবাবিধো সামগ্ৰীয়ে জি আই টেগ লাভ কৰাৰ পাছৰে পৰা মধ্যপ্ৰাচ্য আৰু পশ্চিমীয়া দেশসমূহলৈ ৰপ্তানিত যথেষ্ট সুবিধা হৈছে। অলপতে কেন্দ্ৰীয় কৃষি মন্ত্ৰালয়ে প্ৰকাশ কৰা এক তথ্য মতে চাহৰ পৰা সেউজীয়া শাক-পাচলি, দুগ্ধজাত সামগ্ৰী তথা কেতবোৰ ঔষধি সামগ্ৰীলৈকে ৰাজ্যত উৎপাদিত জৈৱিক সামগ্ৰী বিশ্বৰ ১৮খন দেশলৈ ৰপ্তানি হৈছে আৰু সমাদৰো লাভ ১৩ পৃষ্ঠাত চাওক

## এখন কাকত এটা প্ৰতিশ্ৰুতি

পাৰ্থ সাৰথি মহন্ত



বাতৰি কাকত কেৱল ছপা চিয়াঁহী নহয়, বাতৰি কাকত আস্থাৰ ছপা ৰূপ। বাতৰি কাকত কেৱল কালিৰ অভিলেখ নহয়, কাইলৈৰ বাবে কম্পাচ। প্ৰতিখন অসমীয়া ঘৰত কাকতখন কেৱল পঢ়াই নহয়, অনুভৱ কৰা হয়। পুৱাৰ চাহকাপৰ কাষত বাতৰি কাকতখন কোনো অচিনাকি মানুহ নহয়, দৈনন্দিন সংগী। কোলাহল ভৰা জগতখনত এই মানুহখিনিয়ে শব্দৰ শক্তিত বিশ্বাস কৰে। ইয়াৰ প্ৰতিটো শব্দই এক পৰিচয়ৰ টুকুৰা। কাৰণ আমাৰ কাৰণে অসমভূমি কেৱল ভূগোল নহয়, আমাৰ আৱেগ। অসমীয়া কেৱল যোগাযোগৰ ভাষা নহয়, আমাৰ সংস্কৃতি। বুৰঞ্জী কেৱল দস্তাৱেজ নহয়, আমাৰ ঐতিহ্য।

'দৈনিক অসম' সেয়েহে কেৱল এখন বাতৰি কাকত নহয়, 'দৈনিক অসম' এক অদম্য সামূহিক গৌৰৱ। ককা-আইতাৰ দিনৰে পৰা সতেজ হৈ থকা এটা স্মৃতি। কেৱল একেই হৈ থকাটোৱেই পৰম্পৰা নহয়— সঁচা হৈ থকাটো সৰ্বোচ্চ পৰম্পৰা। যেতিয়া আমি এই পৰম্পৰা ৰক্ষা কৰোঁ তেতিয়া আমি এটা জাতিৰ আত্মাৰ আত্মসন্মান অক্ষুণ্ণ ৰাখোঁ।

নামঘৰৰ প্ৰাৰ্থনা, বিহুগীতত, বিয়ানামত, নিচুকনি গীতত— এটাই ভাষা, যিটো অকল আমাৰ— অসমীয়া। অসমীয়াত অহা খবৰবোৰ এখন হৃদয় হৈ আহে আৰু হৃদয়খন যেন স্পন্দিত হৈ থাকে। আদৰ থাকে, যত্ন থাকে, আশা-প্ৰত্যাশা থাকে। খবৰবোৰ হৈ পৰে ভীষণ ব্যক্তিগত। আমাৰ গাঁওখনৰ, চহৰখনৰ নাম থাকে, সেই খবৰবোৰত আমাৰ ঋতুৰ ছন্দ থাকে। এই ১৩ পৃষ্ঠাত চাওক

## দৈনিক অসম ঐতিহ্যৰ বাটেৰে জাতীয় জীৱনৰ আলোকযাত্ৰা

লুৰীণজ্যোতি গগৈ



অসমৰ সংবাদ জগতত 'দৈনিক অসম' নামটো এটা ইতিহাস, এটা পৰিচয়। জাতীয় জীৱনক সমৃদ্ধ কৰা দৈনিক অসমে সুদীৰ্ঘ ছটা দশকজুৰি কেৱল সংবাদ পৰিৱেশনেই কৰা নাই, কৰি আহিছে ভাষা, সাহিত্য, সংস্কৃতি আৰু আঞ্চলিক চেতনা সংৰক্ষণৰ দৃঢ় পথ নিৰ্দেশন। এতিয়া এই ঐতিহ্যশালী সংবাদ গোষ্ঠীটোৱে আৰম্ভ কৰিবলৈ গৈছে এটা ১৩ পৃষ্ঠাত চাওক

### বি টি চিৰ দাওৱাগুৰিত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা

## বি টি চিত উন্নয়নৰ বাবে আবণ্টিত ধনৰ অপব্যৱহাৰ

দৈনিক অসমৰ প্ৰতিনিধি

**গোসাঁইগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** দিল্লীত বিজেপি চৰকাৰ, দিছপুৰত বিজেপি চৰকাৰ, এইবাৰ বি টি চিতো বিজেপিৰ চৰকাৰ হোৱাটো বিচাৰিছে বি টি চিবাসীয়ে। ইয়াৰ ৰাইজে ২০০৩ চনৰ পৰা ২০২০ চনলৈকে বি পি এফৰ শাসন দেখিলে, যোৱা পাঁচ বছৰ ইউ পি পি এলৰ শাসন দেখিলে। কিন্তু বি টি চিবাসী ৰাইজৰ সপোন পূৰণ কৰাত দুয়োটা আঞ্চলিক দলেই ব্যৰ্থ হৈছে। যাৰ বাবে আগন্তুক নিৰ্বাচনত বি টি চিত বিজেপিৰ চৰকাৰ গঠন কৰাৰ বাবে ৰাইজে মনস্থিৰ কৰিছে। আন সমষ্টিৰ দৰে কালি যমদুৱাৰ সমষ্টিত হোৱা বৃহৎ জনসমাগমে সেৱা প্ৰতীয়মান কৰিলে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত ১৩ পৃষ্ঠাত চাওক



### আক্ৰাছুৰ জোঁৰ সমদলত লাঠীচালনাৰ শাস্তি

## ধুবুৰীৰ এছ এছ পি লীনা দলেক বদলি

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক (এছ এছ পি) লীনা দলেক অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়লৈ বদলি কৰা হৈছে। পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত তেওঁ মুখ্য কাৰ্যালয়ত সংলগ্ন হৈ থাকিব। ১৩ পৃষ্ঠাত চাওক

### ৰাজ্যিক নিৰ্বাচন আয়ুক্তক স্মাৰকপত্ৰ

## বিজেপিৰ বিৰুদ্ধে প্ৰদেশ কংগ্ৰেছৰ এজাহাৰ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যিক বিজেপিৰ সামাজিক মাধ্যম বিভাগৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে প্ৰদেশ কংগ্ৰেছ কমিটিয়ে। কংগ্ৰেছৰ অভিযোগ অনুসৰি, বিজেপিৰ সামাজিক মাধ্যম বিভাগটোৱে সাম্প্ৰদায়িক বিষবাষ্প বিয়পাব পৰা কিছু ভিডিঅ' এ আইৰ সহায়ত প্ৰস্তুত কৰি কংগ্ৰেছৰ নেতা ৰাহুল গান্ধী আৰু গৌৰৱ গগৈক হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা চলাইছে। দিছপুৰ থানাত আজি দাখিল কৰা এখন এজাহাৰত উল্লেখ কৰা অনুসৰি, যোৱা ১২ আৰু ১৫ ছেপ্টেম্বৰৰ দুটা ভিডিঅ'ত বিৰোধী দলৰ নেতা ৰাহুল ১৩ পৃষ্ঠাত চাওক

### ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন





## সভাপতি, সাধাৰণ সম্পাদকসহ অধিকাংশ পদতে জয়ী আছু সমৰ্থিত প্ৰাৰ্থী

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ১৮ ছেপ্টেম্বৰ ঃ** উজনি অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সভাপতি আৰু সাধাৰণ সম্পাদকসহ বহুকেইটা গুৰুত্বপূৰ্ণ পদত আছু সমৰ্থিত প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। আজি অনুষ্ঠিত নিৰ্বাচনত আছুৰ সমৰ্থিত সভাপতি পদৰ প্ৰাৰ্থী আশিস ভূষণ গগৈ আৰু সাধাৰণ সম্পাদক পদৰ প্ৰাৰ্থী মাধুৰ্য বৰা নিৰ্বাচিত হৈছে। লাভ কৰা তথ্য অনুসৰি আছু সমৰ্থিত প্ৰাৰ্থী হিচাপে সাংস্কৃতিক সম্পাদক পদত ১৩ পৃষ্ঠাত চাওক

### টেঙাখাত কলেজতো উৰিল আছুৰ বিজয়ধ্বজ্জা

### উদ্বোধন কৰিব বহুকেইটা প্ৰকল্প

## ২২ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী অৰুণাচললৈ

**ৰান্দৰদেৱা, ১৮ ছেপ্টেম্বৰ ঃ** ২২ ছেপ্টেম্বৰৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ইটানগৰ ভ্ৰমণৰ বাবে নিৰাপত্তাৰ সকলো দিশৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। অৰুণাচলৰ ৰাজধানী চহৰখনত নিৰাপত্তা অধিক শক্তিশালী কৰা হৈছে। ভ্ৰমণৰ সময়ত মোডীয়ে ১৮৩০ কিলোমিটাৰ ১৩ পৃষ্ঠাত চাওক

## 'দৈনিক অসম'ৰ নতুন যাত্ৰাৰ প্ৰাক্মুহূৰ্তত একলম



অধ্যাপক জিতেন হাজৰিকা

অসমৰ এখন অন্যতম পুৰণি তথা জনপ্ৰিয় দৈনিক বাতৰি কাকত 'দৈনিক অসম'এ হীৰক জয়ন্তী বৰ্ষ অতিক্ৰম কৰি এক নতুন সাজেৰে উজ্জীৱিত হ'বলৈ আগবাঢ়িছে বুলি জানিবলৈ পাই আমি সুখী হৈছোঁ আৰু তাৰ বাবে কাকতখনৰ স্বত্বাধিকাৰী কাৰ্যবাহী সম্পাদকক প্ৰমুখ্য কৰি পৰিয়ালটোৰসমূহ সদস্যলৈ শুভেচ্ছা জ্ঞাপন কৰিছোঁ। বাতৰি কাকত জাতি এটাৰ মেৰুদণ্ড স্বৰূপ, যাৰ যোগেদি জাতি, ভাষা আৰু জনগণৰ মনোভাব প্ৰকাশিত হয়। সংবাদ পত্ৰ বা বাতৰি কাকতৰ গুণগত মানে জনগণৰ জীৱন ধাৰণৰ স্বৰূপ দাঙি ধৰে। বাতৰি কাকত এখনে জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰিবলৈ হ'লে স্বাভাৱিকতে কিছুমান চৰ্ত পূৰণ কৰিব লাগিব। যেনে—বাতৰি কাকত এখন প্ৰথমেই জনগণৰ মৌলিক আশা-আকাংক্ষাসমূহক প্ৰতিনিধিত্ব কৰিব পৰা ৰাজহুৱা কণ্ঠস্বৰূপ হ'ব লাগিব। সময়ানুৱৰ্তিতা, নিয়মানুৱৰ্তিতা, শৃংখলাবদ্ধতা আৰু সামাজিক দায়বদ্ধতাক সাৰথি হিচাপে লৈ সংবাদ গোষ্ঠী একোটাৰ সমূহ সদস্যৰ সেৱাৰ মনোভাৱেৰে কাম কৰি যোৱাৰ মানসিকতা থাকিলে বাতৰি কাকত এখন সচৰাচৰ গুণগত মানৰ হৈ উঠে। সাংবাদিকৰ সাংবাদিকতাৰ ফচল হিচাপে এখন বাতৰি কাকতৰ জন্ম হয়। বাতৰি কাকত এখনৰ গুণগত মান সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰে স্বত্বাধিকাৰ, সম্পাদক আৰু সংবাদিকসকলৰ ওপৰত। এইক্ষেত্ৰত স্বত্বাধিকাৰ আৰু সম্পাদকগৰাকীৰ সম্পূৰ্ণ নিৰপেক্ষ চৰিত্ৰ প্ৰতিফলিত হোৱাটো পাঠক সমাজে বাঞ্ছা কৰে।

সংবাদ জগতখনৰ লগত জনসাধাৰণৰ সু-সম্পৰ্ক থাকিলেহে এখন কাকত প্ৰভাৱশালী হৈ উঠিব পাৰে। কাকত এখনৰ উৎকৰ্ষ সাধনত মালিক বা স্বত্বাধিকাৰিয়েও অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। উৎকৰ্ষ ১১ পৃষ্ঠাত চাওক

## ঐতিহ্য আৰু নতুনৰ এই যাত্ৰা হওক অগ্ৰগামী...

ৰাজদ্বীপ বাইলুং বৰুৱা



অসমৰ সংবাদ জগতৰ আটাইতকৈ ঐতিহ্য বহনকাৰী, পুৰণি সংবাদ গোষ্ঠী The Assam Tribune গোষ্ঠীৰ পৰা প্ৰকাশিত অসম আৰু অসমীয়াৰ আৱেগ বিৰাজমান, অসমৰ সংবাদ মাধ্যমৰ বটবৃক্ষ স্বৰূপ 'দৈনিক অসম' কাকতখন শেহতীয়াভাৱে জাতীয়তাবাদী মানসিকতাৰে অসম আৰু অসমীয়াৰ বাবে সদাজাগ্ৰত হৈ থকা ডিব্ৰুগড়ৰ সন্তান কিশোৰ বৰালৈ হস্তান্তৰ হয়। এগৰাকী বিশিষ্ট অসমীয়া উদ্যোগী হিচাপে পৰিচিত কিশোৰ বৰাই ইতিমধ্যে ND24ৰ জৰিয়তে এক সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে। এতিয়াৰে পৰা তেওঁৰ নেতৃত্বতে 'দৈনিক অসম' কাকতখনো পৰিচালিত হ'ব। 'দৈনিক অসম' কাকতখন প্ৰথম প্ৰকাশ হৈছিল ১৯৬৫ চনৰ ৪ আগষ্টত। সিংহপুৰুষ প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাৰ একান্ত প্ৰচেষ্টাৰ ফলত জন্ম হোৱা এই কাকতখনৰ অসমৰ সমাজ-জীৱনলৈ অৱদান অতুলনীয়।

বৰ্তমান গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'দৈনিক অসম' কাকতখনে যোৱা ছটা দশকৰ এক দীঘলীয়া সময় অসমৰ জাতীয়তাবাদী ধাৰাটোক বৌদ্ধিকভাৱে বলিষ্ঠ নেতৃত্ব প্ৰদান কৰি আহিছে। অসমীয়া জাতীয় জীৱনৰ, খিলঞ্জীয়া জনগণৰ প্ৰতিটো সংকটতে 'দৈনিক অসম' কাকতখনে জাতিটোক ১৩ পৃষ্ঠাত চাওক

### বাংলাদেশলৈ ওভতনি যাত্ৰা

## ৰাজ্যত গ্ৰেপ্তাৰ দলে দলে ৰোহিঙীয়া

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** যি সময়ত অবৈধ নাগৰিকৰ প্ৰসংগই সমগ্ৰ ৰাজ্য উত্তাল কৰি ৰাখিছে, সেই সময়তে ৰাজ্যত গ্ৰেপ্তাৰ হৈছে দলে দলে ৰোহিঙীয়া। বিগত দুটা দিনত কাছাৰ জিলাত গ্ৰেপ্তাৰ কৰা হৈছে নাৰী, শিশুসহ ১৮জনকৈ বাংলাদেশী ৰোহিঙীয়া। লক্ষণীয়ভাৱে ৰোহিঙীয়া এই বৃহৎ দলটো বাংলাদেশলৈ ওভতাৰ পথতে গ্ৰেপ্তাৰ হয় কাছাৰৰ কাটিগড়াত। বুধবাৰে সন্ধিয়া কাটিগড়াৰ লাকিচাৰা অঞ্চলত স্থানীয় ১৩ পৃষ্ঠাত চাওক







### ভাৰতীয় অন্তৰ্দেশীয় জলপথ প্ৰাধিকৰণৰ উদ্যোগত 'বিস্তীৰ্ণ পাৰৰে' শীৰ্ষক কাৰ্যসূচী
### সুধাকণ্ঠৰ সমন্বয়ৰ সাংগীতিক পৰিক্ৰমা দেশবাসীৰ বুকুত প্ৰতিধ্বনিত হৈ ৰ'ব চিৰকাল ঃ সোণোৱাল

## যোগীঘোপাত ব্ৰহ্মপুত্ৰৰ পাৰত সুধাকণ্ঠৰ জন্ম শতবৰ্ষ উদ্‌যাপন

**যোগীঘোপা, ১৮ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দায়িত্বত থকা বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ অধীনস্থ ভাৰতীয় অন্তৰ্দেশীয় জলপথ প্ৰাধিকৰণৰ উদ্যোগত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষ উলহ-মালহেৰে উদযাপন কৰা হৈছে। ভাৰত ৰত্ন ভূপেন হাজৰিকাই মহাবাহু ব্ৰহ্মপুত্ৰ অৰ্থাৎ ৰাষ্ট্ৰীয় জলপথ-২ক কেন্দ্ৰ কৰি বহু অমৰ সৃষ্টিৰে মাজেৰে জাতি-জনগোষ্ঠীৰ মাজত শান্তি-সমন্বয়ৰ বীজ ৰোপণ কৰি থৈ গৈছে, সেয়েহে বৰলুইতৰ বুকুৰে ভূপেনদাৰ জন্মস্থান শদিয়াৰ পৰা এই ধুবুৰীৰ জলপথক সামৰি 'বিস্তীৰ্ণ পাৰৰে ঃ শদিয়াৰ পৰা ধুবুৰীলৈ এটি সংগীতময় যাত্ৰা' শীৰ্ষক অভিনৱ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। যোৱা ৮ ছেপ্টেম্বৰত তিনিচুকীয়া জিলাৰ পৰা সুধাকণ্ঠৰ জন্মবাৰ্ষিকীৰ দিনা এই জাহাজ যাত্ৰা আৰম্ভ হৈ গৈছে। ইতিমধ্যে তিনিচুকীয়াৰ গুইজান ঘাট, ডিব্ৰুগড়ৰ বগীবিল ঘাট, যোৰহাট, তেজপুৰৰ দেৱীসিং ঘাট, গুৱাহাটীৰ পাণ্ডু বন্দৰত এই জাহাজ যাত্ৰাক কেন্দ্ৰ কৰি বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈছিল। ইয়াৰে ভিতৰত গুৱাহাটীৰ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে উপস্থিত আছিল ভূপেন হাজৰিকাৰ পুত্ৰ তেজ হাজৰিকা আৰু পৰিয়ালবৰ্গ, ভাতৃ সমৰ হাজৰিকা আৰু পৰিয়ালবৰ্গ, ভাই-বোৱাৰী মনীষা হাজৰিকা প্ৰমুখ্যে বহু গণ্য-মান্য শিল্পী, সাহিত্যিক সমল। আজি যোগীঘোপাৰ আই ডব্লিউ টি জেটিত অনুষ্ঠিত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত ভাৰত ৰত্ন ডঃ ভূপেন হাজৰিকাক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে সৰ্বস্তৰৰ ৰাইজে। অনুষ্ঠানটি কুশান গান, গোৱালিনী, গোৱালপৰীয়া লোকগীত, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ গীত আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ পৰিৱেশনেৰে মুখৰিত হৈ পৰে। গৌতম কোঁৱৰ, মিণুন ধৰ আদি শিল্পীয়ে ভূপেনদাৰ গীতৰ শৰাই আগবঢ়ায়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভিডিঅ' বাৰ্তাত কয়, 'ভাৰত ৰত্ন, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাদেৱ ভাৰতী আইৰ এক সুযোগ্য সন্তান, যাৰ হৃদয়স্পৰ্শী কণ্ঠ আৰু অমূল্য সৃষ্টি সম্ভাৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ১৩ পৃষ্ঠাত চাওক

## কাৰ্বি আংলঙৰ

অসম' কাকতখনৰ বিষয়ে 'অসমীয়া-সাহিত্যৰ পূৰ্ণ-ইতিহাস' গ্ৰন্থৰ ৰচক ডঃ হৰিনাথ শৰ্মা দলৈয়ে এইদৰে প্ৰশংসা কৰিছে,— 'এতিয়ালৈকে এই কাকতখন খ্যাতি আৰু পাঠক গোষ্ঠীৰ বিশেষ সমাদৰৰ মাজেদি চলি আহিছে।' এই প্ৰসংগত, কাৰবি আংলঙৰ বিশিষ্ট সাহিত্যিক প্ৰয়াত লংকাম টেৰণলৈ মোৰ মনত পৰে। তেখেতে The Assam Tribune কাকতৰ লগতে 'দৈনিক অসম' কাকতখনকো বিশেষ ৰূপত সমাদৰ কৰি আহিছিল।কীৰ্ত্তিনাথ হাজৰিকাৰ সম্পাদনাৰে আৰম্ভ কৰা 'দৈনিক অসম' কাকতখনে 'হীৰক জয়ন্তী বৰ্ষ'ত খোজ দি উঠি নতুন গতি, শক্তিৰে অগ্ৰসৰ হ'বলৈ সাজু হোৱাৰ ক্ষণত কাৰবি আংলঙৰ মাটিৰ পৰাই আমাৰ আন্তৰিক শুভেচ্ছা আৰু লগতে অভিনন্দন জনাইছোঁ। কাকতখনৰ মূল মন্ত্ৰক আধাৰ কৰি, সম্পাদকে নিশ্চয় কাকতখনৰ উত্তৰণৰ বাবে দিক-নিৰ্ণয় কৰি যাব।

## 'দৈনিক অসম' এটা আৱেগ

আৰু মৰ্যাদাপূৰ্ণ সংবাদসেৱাৰ শক্তিশালী প্ৰতিনিধিৰূপে অসমৰ সচেতন পাঠকৰ হৃদয়ত বিশেষ স্থান লাভ কৰা 'দৈনিক অসম' কেৱল এখন বাতৰি কাকত নহয়, ই এক আৱেগ, এটা বিশ্বাসযোগ্য কণ্ঠ। কেইবাটাও যুগ ধৰি সমাজ জীৱনৰ আৰু বৌদ্ধিক চিন্তাৰ দিক্‌দৰ্শক বাতৰি কাকতবোৰৰ দৰে নিষ্ঠাৰে দায়িত্ব পালন কৰি অহা, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশত অৰিহণা যোগাই অহা 'দৈনিক অসম' কাকতে ব্যক্তিগত অধিকাৰৰ সীমা পাৰ কৰি এক অনুকৰণীয় জাতীয় ঐতিহ্যৰ ৰূপ লাভ কৰিছে। ইয়াৰ পৃষ্ঠাতেই একাধিক প্ৰজন্মৰ লেখকে বিচাৰি পাইছে জন্ম আৰু বিকাশৰ নিৰাপদ ভূমি, যাৰ মাজত ময়ো এজন। এইখন কাকততেই প্ৰকাশ পাইছিল মোৰ লেখক জীৱনৰ প্ৰথমখন ধাৰাবাহিক উপন্যাস 'মহাজীৱনৰ আধাৰশিলা'। মোৰ লেখক জীৱনে পাইছিল নতুন গতিশক্তি। এই গৌৰৱময় ঐতিহ্য এতিয়া উদ্যমী আৰু আধুনিক ধ্যান-ধাৰণাৰ বাহক, সম্ভাৱনাপূৰ্ণ ইলেক্ট্ৰনিক মাধ্যম ND24ৰ হাতত ন্যস্ত হোৱাৰ আমাৰ বাবে আৱেগিক, বিষাদপূৰ্ণ অথচ আশাৰে উজ্জ্বল এটা অভিনৱ মুহূৰ্ত। যুগ যুগ ধৰি সঞ্চিত হোৱা ঐতিহ্যৰ এই ধাৰা নতুনৰ স্পৰ্শ লাভ কৰি ND24ৰ দায়িত্বশীল নতুন নেতৃত্বত অধিক উজ্জ্বল আৰু গতিশীল হৈ পৰক এয়াই আমাৰ আশা। চিন্তা আৰু সাহিত্য জগতৰ সহযাত্ৰী হিচাপে আমি ট্ৰিবিউন পৰিয়ালে এই ক্ষণক আশা আৰু আনন্দৰ সৈতে আদৰণি জনাইছোঁ। আমাৰ দৃঢ় বিশ্বাস, ND24ৰ সুদক্ষ পৰিচালনাত 'দৈনিক অসম' আগৰ দৰে সত্যৰ পক্ষে দৃঢ় হৈ থাকিব আৰু অসমৰ ভাষা-সংস্কৃতি আৰু সামগ্ৰিক সমাজ জীৱনৰ পূৰ্বৰ দৰেই প্ৰহৰী আৰু পালক হৈ থাকিব।

এই নতুন পৰ্বত কাকতখনৰ লক্ষ্য আৰু ধ্বনি অধিক প্ৰভাৱশালীৰূপে জনমানসত প্ৰতিধ্বনিত হওক এয়াই আশা। 'দৈনিক অসম'ৰ এই নতুন যাত্ৰা মংগলময় হওক।

## এই প্ৰয়াস সাফল্যমণ্ডিত

নকয়, উত্তৰ-পূৰ্বাঞ্চলৰ কথা কয় আৰু ভাৰতীয় ইতিহাসৰ কথা কয়। 'দৈনিক অসম'ত প্ৰচাৰিত সমুদায় বাতৰি নিৰ্ভীক ভাবাপন্ন আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত। বিশেষকৈ মধ্য তথা নামনি অসমত 'দৈনিক অসম'ৰ প্ৰভাৱ অতুলনীয়। কাকতখন প্ৰাচীনত্ব আৰু ঐতিহ্যৰ দিশৰ পৰাও কাকতখনৰ স্থান একক আৰু অনন্য। কো যুগ ধৰি সমাজ-সংস্কৃতি ধৰি ৰখাত চেষ্টাৰ ত্ৰুটি নকৰা এই 'দৈনিক অসম'-এ এতিয়া আকৌ নতুন ৰূপত ভুমুকি মাৰিবলৈ লৈছে। আমি তাৰ কাৰণে আগতীয়াকৈ শুভেচ্ছা জনাইছোঁ, গোৱিন্দৰ চৰণত প্ৰাৰ্থনা জনাইছোঁ, এই যাত্ৰা সফল হওক, এই প্ৰয়াস সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত হওক।

## স্বকীয় গৰিমা আৰু মহত্ত্বৰে

শিক্ষা, ৰাজহুৱা জীৱন এই আটাইবিলাক গঢ় লৈ উঠিল। এই থানেশ্বৰ বৰাৰে একমাত্ৰ পুত্ৰ কিশোৰ বৰা, যাক আমি পৰিচিতবিলাকে 'বাবা' বুলি মাতোঁ। সেই বাবাই এতিয়া নিজৰ দক্ষতাৰে এগৰাকী নতুন ব্যৱসায়ীস্বৰূপে, বিশেষকৈ অসমৰ সংবাদ-সেৱাৰ জগতত গুৰুত্ব সহকাৰে কাম কৰিবলৈ আৰম্ভ কৰিছে। ইতিপূৰ্বে এটি সংবাদ-সেৱাৰ লগত গুৰুত্ব সহকাৰে জড়িত বৰাই এইবাৰ অসমৰ এখন গৰিমাময় তথা বিখ্যাত সংবাদ-পত্ৰৰ দায়িত্ব ল'বৰ বাবে আগবাঢ়ি আহিছে বুলি জানিব পাৰি মই তেওঁৰ যাত্ৰাৰ সফলতা কামনা কৰিছোঁ। অসমৰ এখন প্ৰাচীন সংবাদ-পত্ৰ 'দৈনিক অসম'ক নতুন গতি দিবৰ বাবে কিশোৰ বৰা, আমাৰ আপোন বাবাই দায়িত্ব গ্ৰহণ কৰিব খুজিছে বুলি জানিব পাৰি মই কিছু আশান্বিত হৈছোঁ। এতিয়ালৈকে তেওঁ যি কামতে হাত দিছে সফলতা লাভ কৰি আহিছে। প্ৰাথমিকভাৱে মই আশা কৰোঁ, যাত্ৰা পথত থাকিব পৰা সৰু সুৰা সকলো বাধা নিষেধ অতিক্ৰম কৰি তেওঁ স্বকীয় ৰীতি আৰু নীতিৰে আগবাঢ়ি যাব পাৰিব। এতেকে সৰু-ডাঙৰ বিভিন্ন বিষয় সম্পূৰ্ণ নিৰপেক্ষভাৱে চালি-জাৰি চাই আগবাঢ়িব পাৰিলে বৰাৰ দৰে এগৰাকী ডেকা ব্যৱসায়ীয়ে সময়ত কৃতিত্ব লাভ কৰিব। আশা কৰোঁ, যি ৰূপতেই নহওক এই 'দৈনিক অসম' কাকতখনি স্বকীয় গৰিমা আৰু মহত্বৰে শক্তিশালীভাৱে সফলতাৰে কাম কৰিবলৈ সক্ষম হওক। আমি আহিবলৈ ধৰা এই দিনবোৰ আগ্ৰহেৰে বাট চাই ৰ'ম আৰু এই ক্ষেত্ৰত তেওঁ সফলতা লাভ কৰিব বুলি মই বিশ্বাস কৰোঁ।

## বৰ্ণিল ঐতিহ্যৰ নতুন প্ৰভাতৰ প্ৰাকক্ষণ

**অসমীয়া নৱজাগৰণৰ এক ইতিহাস**

অসমৰ সংবাদ জগতৰ ইতিহাস আমাৰ ভাষিক আৰু সাংস্কৃতিক জাগৰণৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। ১৮৪৬ চনত 'অৰুণোদই'ৰ পথ প্ৰদৰ্শক প্ৰচেষ্টাৰপৰা আৰম্ভ কৰি অসমৰ সংবাদপত্ৰই অসমীয়া জাতিৰ নৱজাগৰণৰ গুৰুত্বপূৰ্ণ চালিকাশক্তি হিচাপে কাম কৰি আহিছে। ১৯৬৫ চনৰ ৪ আগষ্টত মহান দূৰদৰ্শী ব্যক্তিসত্তা ৰাধাগোবিন্দ বৰুৱাৰ নেতৃত্বত সূচনা হোৱা 'দৈনিক অসম' এই গৌৰৱময় পৰম্পৰাৰ এক গৌৰৱান্বিত উত্তৰাধিকাৰী। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাদেৱে সাংবাদিকতাক এক মিছনৰপৰা আমাৰ ৰাজ্যখনত এক বহনক্ষম উদ্যোগলৈ ৰূপান্তৰিত কৰিছিল। সত্যৰ প্ৰতি তেখেতৰ অটল প্ৰতিশ্ৰুতি আৰু দায়বদ্ধতাৰ শ্ৰেষ্ঠ প্ৰকাশ ঘটিছিল 'দৈনিক অসম'ৰ জৰিয়তে, যিয়ে অসমীয়া বাতৰি কাকত টিকি নাথাকিব বুলি প্ৰচলিত ধাৰণাটো আঁতৰাই দিছিল। আজি 'দৈনিক অসম' অসমৰ সৰ্বাধিক দিন ধৰি চলি থকা অসমীয়া দৈনিক বাতৰি কাকত হিচাপে জিলিকি থাকি অসমৰ জনগণৰ আস্থা-বিশ্বাসৰ এক শক্তিশালী নিদৰ্শন দাঙি ধৰিছে।

**অসমীয়াৰ পৰিচয় আৰু ধ্ৰুপদী ভাষা ঐতিহ্যৰ ৰক্ষক**

প্ৰতিষ্ঠাকালৰপৰা এই দীঘলীয়া সময়ছোৱাত 'দৈনিক অসম'-এ এখন বাতৰি কাকতৰ ভূমিকাৰ উপৰি আমাৰ ভাষিক ঐতিহ্যৰ এক দায়বদ্ধ ৰক্ষক হিচাপে কাম কৰি আহিছে। ঐতিহাসিক অসম আন্দোলনৰ সংগ্ৰামী মনোভাৱৰ দৰে 'দৈনিক অসম' জনগণৰ আশা-আকাংক্ষাৰ নিৰ্ভৰযোগ্য আৰু বলিষ্ঠ কণ্ঠস্বৰ হৈ পৰিছিল, জনমত গঢ়ি তুলিছিল আৰু আমাৰ মাতৃভূমিৰ সুৰক্ষা তথা অস্তিত্ব ৰক্ষাৰ বাবে আমাৰ সামূহিক সংকল্পক শক্তিশালী কৰিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্ব আৰু সদিচ্ছাৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰাৰ সিদ্ধান্তই এই উদ্‌যাপনত বিশেষ তাৎপৰ্য যোগ কৰিছে। পোন্ধৰ শতিকাৰো অধিক সময় ধৰি বিস্তৃত অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা এই ঐতিহাসিক স্বীকৃতিৰ সাফল্যই 'দৈনিক অসম'ৰ দৰে প্ৰতিষ্ঠানৰ অক্লান্ত প্ৰচেষ্টাক উদযাপন যোগাইছে আৰু আমাৰ চিৰ চেনেহী ভাষা জননী মাতৃভাষাৰ সুৰক্ষা, সংৰক্ষণ আৰু প্ৰচাৰ-প্ৰসাৰৰ কাম কৰিবলৈ উৎসাহিত কৰিছে। এই বাতৰি কাকতখন অসংখ্য লেখক, কবি আৰু বুদ্ধিজীৱীৰ বাবে এক গুৰুত্বপূৰ্ণ মঞ্চ হৈ পৰিছে। তেখেতসকলে 'দৈনিক অসম'ৰ জৰিয়তে আমাৰ ভাষিক-সাংস্কৃতিক দিশটোক সমৃদ্ধ কৰি তুলিছে।

**জনসচেতনতা আৰু গণতান্ত্ৰিক মূল্যবোধৰ ত্বৰান্বিতকৰণ**

ছয় দশক ধৰি 'দৈনিক অসম'-এ অসমীয়া পৰিয়ালসমূহৰ বৌদ্ধিক দিক্‌দৰ্শক হিচাপেও কাম কৰি আহিছে। ইয়াৰ স্তম্ভসমূহে পঢ়ুৱৈসকলক বৌদ্ধিক জাগৰণ আৰু দেশ-বিদেশৰ বিভিন্ন বতৰাৰে সমৃদ্ধ কৰিছে, নতুন প্ৰতিভাক পোহৰলৈ আনিছে আৰু ইয়াৰ সম্পাদকীয়সমূহে গণতান্ত্ৰিক নিৰ্ভীক আলোচনা-বিলোচনাক এক নতুন গতি দি আহিছে। এক নিৰ্ভীক জাগ্ৰত প্ৰহৰী হিচাপে 'দৈনিক অসম'-এ চৰকাৰক জনহিতকৰ কামৰ বাবে দায়বদ্ধ কৰি ৰাখিছে আৰু দুৰ্নীতি, পৰিৱেশ সুৰক্ষা, শিক্ষা আৰু বঞ্চিত সম্প্ৰদায়ৰ অধিকাৰৰ দৰে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি সচেতনতা বৃদ্ধি কৰিছে। স্বতন্ত্ৰ সাংবাদিকতাৰ প্ৰকৃত চেতনাক ধাৰণ কৰি কাকতখনে আমাৰ সমাজৰ মূল গাঁথনিক শক্তিশালী কৰিছে।

**বৰ্ণিল ঐতিহ্যৰ আঁত ধৰি এটা নতুন প্ৰভাত**

জনসেৱা আৰু সাংবাদিকতাৰ শ্ৰেষ্ঠত্বৰ এক অমূল্য ঐতিহ্য বহন কৰি অহা 'দৈনিক অসম'-এ নতুন স্বত্বাধিকাৰীৰ অধীনত এক নতুন যাত্ৰা আৰম্ভ কৰিছে। এই ৰূপান্তৰ এক পুনৰ জাগৰণ- ডিজিটেল যুগক আঁকোৱালি লৈ অসমীয়া ভাষা-সাহিত্য, সাংবাদিকতাৰ এক সুদৃঢ় ভেটি গঢ়ি তোলাৰ এয়া এক সোণালী সুযোগ।

নতুন নেতৃত্বই কেৱল 'দৈনিক অসম'ৰ মাধ্যমেৰে এখন বাতৰি কাকতেই নহয়, ইয়াৰ লাখ লাখ পাঠকৰ আশা-ভৰসাও উত্তৰাধিকাৰ হিচাপে লাভ কৰিছে। অসমীয়া জাতিৰ সচেতন আৰু শক্তিশালী কণ্ঠস্বৰ আৰু আমাৰ গণতান্ত্ৰিক প্ৰমূল্যবোধৰ জাগ্ৰত প্ৰহৰী হিচাপে কাকতখনৰ চিৰপৰিচিত ভূমিকা অব্যাহত ৰখাৰ ক্ষেত্ৰত নতুন নেতৃত্বই সুচাৰুৰূপে দায়িত্ব পালন কৰিব বুলি আমি আশাবাদী।

**ভৱিষ্যতৰ দিশে দৃষ্টিপাত**

আজি আমি এটা ডিজিটেল যুগত বাস কৰিছোঁ। আজিৰ দিনত বাতৰি কাকত এখন সুচাৰুৰূপে পৰিচালিত কৰাটো পঞ্চাশ বছৰ বা আনকি দহ বছৰ আগৰ দৰে সহজ কথা নহয়। দৃশ্যপট এতিয়া বহু সলনি হৈছে। এই ডিজিটেল জগতত খবৰ পুৱাৰ বাতৰি কাকতত নহয়, মধ্যৰাতিৰ টুইটতে ৰাইজে গম পায়। পাঠকে এতিয়া শিৰোনামৰ বাবে অপেক্ষা নকৰে—তেওঁলোকে তাৎক্ষণিক আপডেট আৰু মাল্টিমিডিয়া অভিজ্ঞতা আশা কৰে। স্মাৰ্টফোনত ৰিয়েল টাইমৰ সকলো খবৰ উপলভ্য হোৱাৰ লগে লগে কমসংখ্যক লোকেহে ছপা সংস্কৰণৰ ওপৰত নিৰ্ভৰ কৰে। বিশেষকৈ তৰুণ প্ৰজন্মই দ্ৰুত আৰু শ্বেয়াৰযোগ্য ডিজিটেল ফৰ্মেট পছন্দ কৰে। এই প্ৰত্যাহ্বানমূলক সময়ত ছপা মাধ্যমে জীয়াই থকাৰ বাবে সংগ্ৰাম কৰি আছে। তদুপৰি গুগল, ফেচবুকৰ দৰে ডিজিটেল প্লেটফৰ্ম আৰু এ আই-ৰ ফলত এতিয়া অনলাইন বিষয়বস্তুৰে বিজ্ঞাপনৰ বজাৰত আধিপত্য বিস্তাৰ কৰিছে, যাৰ ফলত বাতৰি কাকতসমূহে নিজৰ বিষয়বস্তুৰ মাধ্যমেৰে উপাৰ্জন কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। সেয়েহে বাতৰি কাকতসমূহে সততাৰ সৈতে আপোচ নকৰাকৈ নতুনত্বক আঁকোৱালি ল'ব লাগিব।

মই আশা কৰোঁ যে 'দৈনিক অসম'ৰ এই নতুন সংস্কৰণে দায়িত্বশীল সাংবাদিকতাৰ পথ-প্ৰদৰ্শক হিচাপে থিয় দিব, সংবাদ মাধ্যমৰ মূল্যবোধক অটুট ৰাখিব। মোৰ সম্পূৰ্ণ আস্থা আছে যে 'দৈনিক অসম'-এ সত্য আৰু নিষ্ঠাৰ এক প্ৰদীপ হৈ জিলিকি থাকিব। এয়া এনে এক যুগ, য'ত ভুল তথ্যই জ্ঞান আহৰণ আৰু সংবাদ মাধ্যমক ভেটিক বিপদাপন্ন কৰিছে। প্ৰামাণিক আৰু দায়িত্বশীল সাংবাদিকতাৰ ক্ষেত্ৰত সেয়ে 'দৈনিক অসম'ৰ ভূমিকা আগৰ তুলনাত অধিক গুৰুত্বপূৰ্ণ হৈ পৰিব। ছয় দশক ধৰি অসমৰ মহত্বপূৰ্ণ ঐতিহাসিক লিপিবদ্ধ কৰা এই বাতৰি কাকতখনে আমাৰ ৰাজ্যৰ ভৱিষ্যত গঢ় দিয়াত সুস্থ, সমালোচনাত্মক, বস্তুনিষ্ঠ, যোগাযোগ আৰু গুণগত সংবাদ সেৱাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আমি দৃঢ় বিশ্বাসী। এই শুভক্ষণত 'দৈনিক অসম'ৰ সম্পাদনা আৰু প্ৰকাশৰ সৈতে জড়িত সংশ্লিষ্ট সকলোকে, কৰ্মীসকল আৰু আদৰৰ পাঠকসকলক মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। এক নতুন অধ্যায়ত প্ৰৱেশ কৰা এই কাকতখনে অসম আৰু দেশৰ জনগণৰ বাবে আৰু বহু দশক ধৰি গুণগত আপোচহীন সেৱা আগবঢ়াই যাওক, তাৰ বাবে মোৰ আন্তৰিক শুভকামনা থাকিল।

## 'দৈনিক অসম' আৰু অসম আন্দোলন

প্ৰথম অসমীয়া দৈনিক বাতৰি কাকত 'দৈনিক বাতৰি' প্ৰকাশৰ তিনিটা দশকৰ পাছত সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ অন্যতম মানস পুত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল 'দৈনিক অসম'ও প্ৰতিষ্ঠাপক সম্পাদক কীৰ্ত্তিনাথ হাজৰিকাই দুই দশকৰো অধিকাকালজোৰা কাৰ্যকালত কাকতখনক যি স্বকীয় মৰ্যাদা আৰু বৈশিষ্ট্য প্ৰদান কৰিছিল পৰৱৰ্তী সময়ত সেয়া বৰ্তাই ৰাখি 'দৈনিক অসম'-এ পাঠকৰ হৃদয়ত স্থান লাভ কৰি আহিছে। অসম তথা অসমীয়াৰ প্ৰতি থকা গভীৰ দায়িত্ববোধ পালনেৰে 'দৈনিক অসম' অসমৰ জাতীয় জীৱনক প্ৰভাৱিত কৰিব পৰা প্ৰতিটো সমস্যাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। বিশেষকৈ অবাধ অনুপ্ৰৱেশৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থাই আৰম্ভ কৰা গণ আন্দোলনটোৰ গতিধাৰা নিৰ্ণয়ত কাকতখনে গ্ৰহণ কৰা ভূমিকা আছিল অতুলনীয় 'দৈনিক অসম'ৰ ভূমিকা এই আন্দোলনটোৰ প্ৰতি প্ৰবল জনমত গঢ়ি তোলাতে সীমাবদ্ধ নাছিল, ঐতিহাসিক এই আন্দোলনটোৰ সৈতে কালক্ৰমত জড়িত হৈ পৰিছিল গৰিষ্ঠসংখ্যক লোক, দল-সংগঠন। বিভিন্ন শ্ৰেণীৰ লোক ব্যাপকভাৱে জড়িত হৈ থকা আন্দোলন এটা প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্যৰ পৰা বিচ্যুত হৈ নপৰিবলৈ আৰু অহিংস কৰি ৰখাটো অতি কঠিন কাম। এই দিশতো কাকতখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

বয়সত সৰু আছিল যদিও ঐতিহাসিক অসম আন্দোলনৰ সৈতে ময়ো জড়িত হৈ পৰাৰ সৌভাগ্য হৈছিল। সেই সময়ত সদৌ অসম ছাত্ৰ সন্থাই এই আন্দোলন সম্বন্ধীয় বিভিন্ন প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ কৰিবলগীয়া হৈছিল। এই বিজ্ঞপ্তিসমূহ কাকতত প্ৰকাশৰ বাবে দিবলৈ কনিষ্ঠ হিচাপে দায়িত্ব ন্যস্ত হৈছিল মোৰ ওপৰত। ইয়াৰ সুবাদতে 'দৈনিক অসম'ৰ কাৰ্যালয়লৈ বহুবাৰ যোৱাৰ সুযোগ পাইছিলোঁ। কাকতখনৰ চানমাৰিত থকা কাৰ্যালয়লৈ গৈ সাক্ষাৎ লাভ কৰিছিলোঁ বিশিষ্ট সাংবাদিক তথা সম্পাদক কীৰ্ত্তি নাথ হাজৰিকাক। তেওঁৰ সংস্পৰ্শত লাভ কৰা বহু স্মৃতি আজিও মোৰ বাবে অম্লান হৈ আছে।

প্ৰযুক্তিৰ বিৱৰ্তনে আজি সংবাদ জগতখনকো গভীৰভাৱে প্ৰভাৱিত কৰিছে। বৈদ্যুতিক আৰু সামাজিক মাধ্যমৰ অভূতপূৰ্ব জনপ্ৰিয়তাৰ এই যুগত ছপা মাধ্যম বিশ্বজুৰি কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এই পৰিৱৰ্তনশীল সময়ত সংবাদপত্ৰ আৰু আলোচনীসমূহে যুগৰ সৈতে তাল মিলাই আগবাঢ়িবলৈ নিজকে গঢ় দিব পাৰিব লাগিব। অন্য মাধ্যমৰ আবেদন সীমিত। আৰ্থ-সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি যিবোৰ বিষয় সৰ্বসাধাৰণৰ সৈতে জড়িত, সেইসমূহৰ সৰল আৰু পুংখানুপুংখ বিশ্লেষণ বাতৰি কাকতৰ বাহিৰে অন্য মাধ্যমত সম্ভৱ নহয়। তদুপৰি শব্দৰ লিখিত ৰূপৰ স্থায়িত্ব আৰু আবেদন সৰ্বাধিক। সেয়ে আন মাধ্যমৰ জনপ্ৰিয়তাৰ মাজতো কাকত-আলোচনীসমূহে নিজৰ স্থান উদ্ভাৱনী কৌশলেৰে অক্ষুণ্ণ ৰাখিব পাৰে। আজিৰ যুগৰ পাঠকে কেৱল পঢ়িবৰ বাবে কাকত এখন হাতত তুলি নলয়। কিয়নো কেইঘণ্টামান আগতে ঘটি যোৱা ঘটনা এটাৰ বিষয়ে তেওঁ ইতিমধ্যে অৱগত হাতত থকা ম'বাইল ফোনটোৰেই আজি এজন ব্যক্তিক ঘটনা এটা ঘটাৰ খবৰ তৎমুহূৰ্ততে যোগান ধৰে সেয়ে আজিৰ যুগৰ পাঠকক কাকতসমূহে বাতৰি বা ঘটনা এটা সঠিক উপস্থাপনৰ লগতে নিৰপেক্ষ দৃষ্টিভংগীৰে কৰা বিশ্লেষণ দাঙি ধৰিব পাৰিব লাগিব। সমগ্ৰ দেশৰ লগতে অসমৰ জীৱনধাৰালৈও বিগত কেইটামান বছৰৰ ভিতৰতে অভূতপূৰ্ব পৰিৱৰ্তন নামি আহিছে। অসমত আজি ছেমিকণ্ডাক্টৰ চিপ নিৰ্মাণ হ'বলৈ ওলাইছে, যিটো মাত্ৰ কেইবছৰমান আগলৈকে অসমত অলীক যেন ধাৰণা কৰা হৈছিল। স্বাস্থ্য-চিকিৎসা পৰ্যটনৰ এক উন্নত পৰিকাঠামো আজি ৰাজ্যত গঢ় লৈ উঠিছে। নতুন গতি লাভ কৰিছে পৰ্যটন উদ্যোগে ইয়ে আতিথ্য খণ্ডৰ বিকাশতো এক নতুন শক্তি দিছে। জাপানৰ দৰে দেশে অসমৰ মানৱ সম্পদৰ সেৱা গ্ৰহণৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। এনে প্ৰেক্ষাপটত নৱবিকাশৰ এই আধুনিক পৰ্যায়সমূহ প্ৰতিফলিত কৰি বিকশিত ভাৰত আৰু বিকশিত অসমৰ যাত্ৰাৰ সৈতে সকলো স্তৰৰ লোকক জড়িত কৰাত সংবাদ মাধ্যমে গুৰুত্ব আৰোপ কৰিব লাগিব। সৰ্বোপৰি বাতৰি কাকতসমূহে বাহাল ৰাখিব পাৰিব লাগিব নিজৰ বিশ্বাসযোগ্যতা।

জাতিৰ প্ৰতি দায়বদ্ধ সেৱাত ৬১টা বছৰ উৎসৰ্গিত 'দৈনিক অসম' এতিয়া 'এন ডি ২৪'ৰ সৈতে নতুন যাত্ৰা আৰম্ভ কৰিব। আশা কৰোঁ, নিত্য-নতুন বিষয়বস্তুৰ সংযোজনেৰে পাঠকৰ অভিৰুচিত নতুন নতুন দিশ সংযোজন কৰাৰ বাবে কাকতখনে প্ৰচেষ্টা গ্ৰহণ কৰিব আৰু যুগৰ পৰিৱৰ্তন সাপেক্ষে নিজকে গঢ় দি পাঠকক মানসিক খোৰাক যোগাব পৰাকৈ সংবাদ পৰিৱেশন কৰি যাব 'দৈনিক অসম'ৰ এই ন-যাত্ৰালৈ মোৰ অযুত শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

## জাতীয় দায়বদ্ধতাৰ অনিৰুদ্ধ যাত্ৰা

যোৱা ছটা দশকত বাগৰি যোৱা প্ৰতিটোপাল পানীৰ খতিয়ান নিজৰ বুকুত সামৰি গৈ থকা কাকতখনে দেখিছে অসম আৰু অসমীয়াৰ সন্মুখলৈ অহা প্ৰতিটো সংকট, সংশয় আৰু প্ৰত্যাহ্বান। অসমৰ জনজীৱনৰ দাপোণস্বৰূপ হৈ পৰা দৈনিক অসমে প্ৰতিটো সংকট, সংশয় আৰু প্ৰত্যাহ্বানৰ সন্মুখত সাহসেৰে থিয় দি অসমীয়া জাতিক দেখুৱাই আহিছে সঠিক পথৰ সন্ধান। অসমৰ ভাষা আন্দোলন, মাধ্যম আন্দোলন, তেল শোধনাগাৰ আন্দোলন, অসম আন্দোলন আদিৰ দৰে স্পৰ্শকাতৰ সময়ত জাতিটোৱে যেতিয়াই সংকটৰ সন্মুখীন হৈছে, তেতিয়াই নিৰ্ভীক নিৰপেক্ষতাৰে সকলো বাধা নেওচি দৈনিক অসমে জাতিটোক আগুৱাই যোৱাৰ সাহস আৰু প্ৰেৰণা যোগাই আহিছে।

তীব্ৰ প্ৰত্যাহ্বানপ্ৰিয় আৰু আলোকদৰ্শী চিন্তা-চেতনা আৰু তুমুল জাতিপ্ৰেম বুকুত কঢ়িয়াই লৈ ফুৰা ৰাধাগোবিন্দ বৰুৱাই যি লক্ষ্য আৰু উদ্দেশ্য লৈ দৈনিক অসমৰ যাত্ৰা আৰম্ভ কৰিছিল, সেই যাত্ৰাক পূৰ্ণতা দিছিল কাকতখনৰ প্ৰথম সম্পাদক কীৰ্ত্তিনাথ হাজৰিকা আৰু তাৰ পাছৰ পৰ্যায়ত ভালেমান গুণী-জ্ঞানী, বিদ্বান সম্পাদকে। অৱধাৰিতভাৱেই ৰাধাগোবিন্দ বৰুৱাৰ এই আলোকমুখী ৰূপান্তৰকামী যাত্ৰাক পাছলৈ শক্তি যোগাইছিল তেওঁৰে সুযোগ্য সন্তান, পদ্মশ্ৰী সন্মানপ্ৰাপক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ দৰে বিৰল প্ৰতিভাধৰে। তেওঁৰ নেতৃত্বতে সুদীৰ্ঘ আৰু গৰিমাময় পৰিক্ৰমা পাৰ হৈ দৈনিক অসমে হীৰকৰঞ্জিত ইতিহাস সৃষ্টি কৰিবলৈ সক্ষম হ'ল আৰু এই যাত্ৰা যে অবিনাশী, তাকো প্ৰতিষ্ঠা কৰিলে অতি সবল আৰু দৃঢ়ভাৱে।

হীৰক জয়ন্তীৰ প্ৰেৰণাৰে উদ্বুদ্ধ আৰু আলোকিত দৈনিক অসম এতিয়া সাজু হৈছে অধিক গতিশীল আৰু শক্তিশালী ৰূপত। লক্ষ্য জাতি আৰু নিঃস্বাৰ্থ জাতীয়তাবাদ। আকৌ এই নতুনত্বসন্ধানীক অধিক শক্তিশালী আৰু অধিক দায়বদ্ধ অগ্ৰগামী যাত্ৰাক কান্ধ পাতি ধৰিছে আন এগৰাকী জাতিপ্ৰেমী অসমীয়াই। ৰাধাগোবিন্দ বৰুৱাৰ মানস সন্তান দৈনিক অসমৰ আলোকদৰ্শী যাত্ৰাক যিদৰে সময়ৰ আহ্বানত এসময়ত প্ৰফুল্ল গোবিন্দ বৰুৱাই কান্ধ পাতি ধৰিছিল, ঠিক একেদৰেই এতিয়া যাত্ৰাটোক সবল কৰি ৰাখিবলৈ কান্ধ পাতি দিছে স্বাভিমানী, জাতি-ভাষাপ্ৰেমেৰে উদ্বুদ্ধ, তৰুণ উদ্যোগী কিশোৰ বৰাই। লক্ষ্য অবিচল, গতিপথো একেটাই। জাতিৰ প্ৰয়োজনত, জাতিৰ হকে, জাতীয়তাৰ জ্যোতিৰে বহল বিশ্বলৈ যাত্ৰা। ইতিমধ্যেই এনডি-২৪ৰ দৰে এটা ছেটেলাইট সংবাদ প্ৰতিষ্ঠানক সফলতাৰে নেতৃত্ব দি জাতিৰ প্ৰতি থকা দায়বদ্ধতাক তেওঁ সজোৰে প্ৰতিপন্ন কৰিছে।

অবিচল নীতিনিষ্ঠতা আৰু জাতি-ভাষা-সংস্কৃতিৰ স্বাৰ্থত আপোচহীন মানসিকতাৰে অগ্ৰসৰ হোৱা এন ডি-২৪ অসমৰ সংবাদ জগতত এক ব্যতিক্ৰমী উপস্থিতি হিচাপে চিহ্নিত হৈছে। সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰতহে চামিল হ'বলৈ খোজা এইগৰাকী অসমীয়াই তেওঁৰ এই যাত্ৰাৰ সহযোগী কৰি লৈছে দৈনিক অসমক। কিশোৰ বৰাৰ নেতৃত্বত ঐতিহ্যৰ প্ৰেৰণা আৰু গৰিমাৰে নতুনৰ আহ্বানক আঁকোৰালি ল'বলৈ অগ্ৰসৰ হৈছে দৈনিক অসম।

দৈনিক অসমৰ প্ৰথমগৰাকী সম্পাদক কীৰ্ত্তিনাথ হাজৰিকাই কাকতখনৰ প্ৰথমটো সম্পাদকীয়ত লিখিছিল—'পোহৰে প্ৰাণ দিয়ে, প্ৰেৰণা দিয়ে, দিয়ে গতিপথৰ সংকেত।' দৈনিক অসমৰ প্ৰথম পুৰাটোৰ দৰেই এতিয়া হীৰক জয়ন্তীৰ পোহৰৰ প্ৰেৰণাৰে দৈনিক অসম সাজু হৈছে নতুন অধিক বিস্তৃত, দায়বদ্ধ আৰু গতিশীল যাত্ৰা এটাৰ বাবে। এই দুৰন্ত গতিশীল যাত্ৰাত দৈনিক অসমৰ লক্ষ্য কি হ'ব, তাৰ নিৰ্দেশনাও আছে কাকতখনৰ প্ৰথমটো সম্পাদকীয়তেই— 'নগালেণ্ডৰ প্ৰশ্ন— অনুপ্ৰৱেশকাৰীৰ প্ৰশ্ন আৰু তাৰ আনুষংগিকভাৱে গঢ় লোৱা ঘটনাচক্ৰ... ৰাইজৰ ভাত-কাপোৰৰ সমস্যা, চৰাদামৰ সমস্যা, দুৰ্নীতি, প্ৰশাসনীয় অব্যৱস্থা, ৰাজ্যৰ ঔদ্যোগিকীকৰণ, ভগনীয়াৰ সোঁত, বানপানী-খহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগ, লোক বিনিয়োগৰ প্ৰশ্ন আৰু নিবনুৱা সমস্যা আদিয়ে ইতিমধ্যে চিৰন্তন সমস্যাৰ দৰে আমাৰ সন্মুখত কৰাল মূৰ্তি ধৰি থিয় দি আছে আৰু এতিয়াৰ পৰিৱেশে এইবোৰৰ ভয়াৱহতা বঢ়াইছে।

এই সমস্যা-বহুল পটভূমিত আমি মাউখে উটিব লাগিব। সমূহ ৰাইজৰ সহায়-সহযোগিতাত এটা এটা গধুৰ দায়িত্ব বহন কৰি দেশ দহৰ সেৱা কৰাৰ সংকল্প লৈছোঁ।'

তাৎপৰ্যপূৰ্ণ কথা যে অসমৰ সমস্যাৰ ৰূপৰেখাও সলনি হোৱা নাই ছয় দশকে। একেদৰে সলনি হোৱা নাই দৈনিক অসমৰ লক্ষ্য আৰু উদ্দেশ্যও। অসমৰ জাতি, জনজাতি, জনগোষ্ঠী, ভাষা-ধৰ্মৰ লোকক লগত লৈ মাউখে উটি অসমৰ প্ৰতিটো সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ নতুন শক্তিৰে মাৰ বান্ধিছে প্ৰতিজন অসমপ্ৰেমীৰ আপোন কাকত দৈনিক অসমে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি, জাতীয় পৰিচয়, জাতীয় আৱেগৰ স্বৰূপ অটুট ৰাখি প্ৰতিজন অসমীয়াক লগত লৈ এটা শক্তিশালী জাতীয় অৰ্থনীতি, সমন্বয়-সম্প্ৰীতিৰ সমাজৰ লক্ষ্য সন্মুখত লৈ যুঁজলৈ ওলোৱা দৈনিক অসমে বিচাৰিছে জাতিৰ সাহস আৰু অনুপ্ৰেৰণা। হীৰক জয়ন্তীৰ প্ৰেৰণাৰে শতবৰ্ষীয় গৰিমাৰ পণেৰে জাতিৰ সৈতে, জাতিৰ হকে নতুন উদ্যমেৰে আৰম্ভ হৈছে ঐতিহ্যৰ নতুনত্বমুখী যাত্ৰা। এই যাত্ৰাত অসমবাসীৰ মৰম-স্নেহ আৰু আশীৰ্বাদেই হৈছে আমাৰ মূলধন।

ৰাইজৰ আশিস শিৰত লৈ ১৯৬৫ চনত আৰম্ভ হোৱা আলোকমুখী যাত্ৰাৰে দৈনিক অসমক অনাগত দিনত সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে গ্ৰহণযোগ্য কৰি তোলাটোৱেই হ'ব আমাৰ লক্ষ্য, সংকল্প আৰু উদ্দেশ্য। এই ক্ষেত্ৰত আমাৰ মূল চালিকা শক্তি হৈছে বিশ্বাসযোগ্যতা। কিয়নো, এখন কাকতৰ বাতৰিৰ বিশ্বাসযোগ্যতা অতি গুৰুত্বপূৰ্ণ। জনগণৰ লগতে দেশৰ বিকাশ আৰু প্ৰগতিৰ দিশত আগুৱাই নিব পৰা সত্যৰ ওপৰত প্ৰতিষ্ঠিত বাতৰি প্ৰতিগৰাকী লোকৰ বাবে কাম্য। এনে বাতৰিক সকলোৱে আন্তৰিকতাৰে গ্ৰহণ কৰে। এই ক্ষেত্ৰত 'দৈনিক অসম' কাকতে জন্মলগ্নৰেপৰা কাম কৰি আছে।

অসমৰ প্ৰতিক্ষণত সজাগ আৰু সুতীক্ষ্ণ দৃষ্টিৰে জনসাধাৰণৰ বাবে সত্যনিষ্ঠ বাতৰি পৰিৱেশন কৰি অহা 'দৈনিক অসম' আজি এক নতুন যুগত নৱপ্ৰত্যয়েৰে আগুৱাই যাবলৈ সংকল্প লৈছে। সাংবাদিকতাৰ পৱিত্ৰ মূলমন্ত্ৰৰে পৰিচালিত হৈ জাতিৰ স্বাৰ্থত উৎসৰ্গিত দৈনিক অসমক ন ন চিন্তাধাৰাৰে সমৃদ্ধ কৰাৰ লগতে ইয়াৰ গৰিমা অক্ষুণ্ণ ৰাখিবলৈ আমি অংগীকাৰবদ্ধ। অসমীয়াৰ হিয়াৰ আমঠু সুধাকণ্ঠ ভূপেনদাৰ জন্মশতবাৰ্ষিকী উদ্‌যাপনৰ সময়তে অসমীয়াৰ গৌৰৱৰ প্ৰতীক হৈ পৰা কাকতখনৰ সৌষ্ঠৱ বৃদ্ধিৰ বাবে লোৱা এই প্ৰয়াসৰ প্ৰতি অসমবাসীয়ে পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি আমি দৃঢ় বিশ্বাসী।

'নতুন নতুন সাহ, আহিল নতুন সাহ! আমাৰ বহল বুকুতে।' সুধাকণ্ঠৰ এই কালজয়ী গীতে জাতিক ভাল পোৱা প্ৰতিজন অসমীয়াকে প্ৰেৰণা যোগাই আহিছে।

সুধাকণ্ঠৰ এই গীতৰ আলমতে এতিয়া সমাজ, দেশৰ সেৱাত, অসম আৰু অসমীয়াৰ বাবে কাম কৰি যোৱাৰ প্ৰবল মানসিকতাৰ অধিকাৰী কিশোৰ বৰাৰ নেতৃত্বত এদল প্ৰতিশ্ৰুতিসম্পন্ন ৰণুৱাক লৈ 'দৈনিক অসম' আগবাঢ়ি যাব। সাংবাদিকতাৰ কণ্টকপূৰ্ণ পথৰ সকলো বাধা-বিঘিনি আঁতৰ কৰি দেশমাতৃৰ সেৱাত 'দৈনিক অসম' এতিয়া নৱজাগ্ৰত ৰূপত আগুৱাই যোৱাৰ বাবে সংকল্পবদ্ধ। 'দৈনিক অসম' কাকতখনৰ প্ৰতি জনসাধাৰণৰ আছে গভীৰ বিশ্বাস। সেয়ে ৰাইজৰ সহায়-সহযোগিতাত হীৰক জয়ন্তীৰ গৌৰৱ-ক্ষণত এটা গধুৰ দায়িত্ব কান্ধপাতি লৈ দেশ আৰু দহৰ সেৱা কৰাৰ সংকল্প লৈছোঁ। সংকল্প লৈছোঁ পূৰ্বৰ সুনাম অটুট ৰাখি গৰিমাৰে সমৃদ্ধ কৰি ৰখাৰ। 'দৈনিক অসম' কাকতখনে অসমৰ প্ৰতিটো ক্ষণত যিদৰে শক্তিশালী ভূমিকা গ্ৰহণ কৰি আহিছিল, এই ধাৰা কোনো দিনাই ম্লান পৰিবলৈ দিয়া নহ'ব। অসমবাসীৰ বিশ্বাসৰ কাকতখন সদাজাগ্ৰত হৈ থাকিব।

## দেউতাৰ হাতৰ কাকতখন আৰু এটা জাতীয় দায়িত্বৰ

উপনীত হোৱাৰ লক্ষ্য স্থিৰ কৰিছে, সেই কথাবোৰেই তেওঁৰ জীৱনক এটা স্বকীয় ৰূপ দিয়ে। আজি এটা বিশেষ দিনত নিজৰ স্বপ্নাভিলাষী, সমাজমুখী যাত্ৰাটোৰ কথা এবাৰ ভাবিবলৈ মন গৈছে। এটা মহৎ ঐতিহ্যৰ ভাৰ কান্ধত তুলি লোৱাৰ পাছত খন্তেক থমকি ৰৈ ঘূৰি চাবলৈ মন গৈছে জীৱন পৰিক্ৰমাৰ আদি বিন্দুটোলৈ। এটা ঐতিহ্যৰ ভাৰে, জাতীয় দায়িত্ব কান্ধ পাতি লোৱাৰ আহ্বানে মোক যিমান গৰ্বিত আৰু পুলকিত কৰিব খুজিছে, ঠিক তেনেকৈ ই কিছু পৰিমাণে শংকিত, সচকিত আৰু অধিক দায়বদ্ধও কৰি তোলা যেন বোধ হৈছে। মোৰ ধাৰণা হৈছে— মোৰ জীৱন পৰিক্ৰমাৰ আদি বিন্দুটোৰ সৈতে বান্ধোনটো কটকটীয়া কৰি ৰাখিব পাৰিলেই মোৰ সন্মুখৰ যাত্ৰা অধিক সুদৃঢ়, গতিশীল আৰু সমাজমুখী হ'ব।

সেয়া আছিল অসম আন্দোলনৰ ভৰপক সময়। বিদেশী বহিষ্কাৰৰ দাবী, খিলঞ্জীয়া অসমীয়াৰ স্বাৰ্থ সুৰক্ষাৰ প্ৰাণপণ সংগ্ৰামে ৰাজ্যত কঁপনি তুলিছে। দেশ, আনকি দেশৰ সীমাৰ সিপাৰতো এই সংগ্ৰামৰ অগ্নিস্ফুলিংগ বিস্তাৰিত হোৱাৰ উপক্ৰম ঘটিছে। সময় অস্থিৰ, মানুহৰ মন মৰণপণ সংগ্ৰামৰ দ্যুতিৰে আলোকিত, উত্তাল। এনে পৰিৱেশত আমাৰ ডিব্ৰুগড়ৰ ঘৰখন হৈ উঠিছে অসমীয়া জাতি ৰক্ষাৰ সংগ্ৰামৰ অভিকেন্দ্ৰস্বৰূপ। মোৰ দেউতা প্ৰয়াত থানেশ্বৰ বৰা আৰু মা সবিতা বৰাই ব্যক্তিগত স্বাৰ্থৰ পৰিধি পাৰ হৈ জাতিটোৰ বাবে নিজকে একপ্ৰকাৰ অৰ্পণ কৰিছিল হেলাৰঙে। দেউতাৰ সক্ৰিয় অংশগ্ৰহণ আৰু মাৰ আন্দোলনকাৰী ছাত্ৰ-যুৱকসকলৰ প্ৰতি নিৰ্ভেজাল স্নেহ আৰু প্ৰশ্ৰয়ে আমাৰ ঘৰখনক কৰি তুলিছে আন্দোলনকাৰীৰ অঘোষিত ভাতঘৰ। অহা আহিছে, যোৱা গৈছে। কোনোবাই আহি আত্মগোপন কৰিছে, কোনোবাই ৰণৰ নতুন কৌশল ৰচনা কৰিছে। পৰিস্থিতি আনকি এনে পৰ্যায় পাইছেগৈ যে দেউতাই জাতিৰ কাষত থিয় দি থকাৰ স্বাৰ্থত চাকৰি এৰি আন্দোলনৰ কণ্টকময় পথ বাছি লৈছে। আন্দোনকাৰীৰ কাষত স্নেহৰ ছায়া হৈ থাকিম বুলিয়েই এদিন চাকৰি এৰিছে শিক্ষয়িত্ৰী মায়েও। একেদৰে মোৰ বাইদেউ প্ৰয়াত প্লাৱনা বৰা গোস্বামীয়েও এটা জাতীয়তাবাদী মন লৈ সমাজৰ হিতৰ বাবে বিভিন্ন কামত আত্মনিয়োগ কৰিছিল। তেওঁ আনকি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদৰ ৰাজ্যিক সম্পাদিকাৰ দৰে গধুৰ দায়িত্ব কান্ধ পাতি লৈছিল আৰু সেই দায়িত্বত আত্মনিয়োগ কৰিছিল একাণপতীয়াকৈ। এনে এটা প্ৰবল জাতিপ্ৰেম, অসমীয়া প্ৰেমৰ উত্তাপৰ মাজতে গঢ় লৈছে মোৰ জীৱনৰ প্ৰথম সময়ছোৱাই।

কেৱল সেয়ে নহয়, আন্দোলন শাম কটাৰ পাছত যেতিয়া আঞ্চলিকতাবাদী দলে চৰকাৰ গঠন কৰিছে, তেতিয়াও মোৰ দেউতা হৈ পৰিছে নতুন অসম গঢ়াৰ স্বপ্নৰ অন্যতম ৰণুৱা। তাৰ পাছতে অৱধাৰিতভাৱে ভাষা ৰক্ষাৰ সংগ্ৰামৰ কথাও আহিছে। জাতি-ভাষাৰ বাবে নিজকে আগ কৰি থোৱা দেউতা জড়িত হৈ পৰিছে অসম সাহিত্য সভাৰ দৰে জাতীয় সংগঠনৰ সৈতে। এনে এটা পৰিৱেশৰ মাজেৰে কৈশোৰ পাৰ হৈ যৌৱনৰ আদি কালছোৱাতে আমি যেন জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে সজাগ হৈ উঠিছিলোঁ, জীৱনৰ মহত্তম লক্ষ্যৰ দিশে যাত্ৰা কৰাৰ পথ নিৰ্দেশনা লাভ কৰিছিলোঁ। অৱধাৰিতভাৱেই সদৌ অসম ছাত্ৰ সন্থাৰ দৰে সংগ্ৰামী সত্তাৰ সৈতে একাত্ম হৈ উঠাটো জীৱনৰ এটা উদ্দেশ্য হিচাপে গ্ৰহণ কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিলোঁ। দেউতাৰ নিস্বাৰ্থ পৃষ্ঠপোষকতাত ছাত্ৰ সন্থা, অসম সাহিত্য সভা, আন জাতীয় সংগঠনৰ ভাতঘৰ হিচাপে আমাৰ ঘৰখনৰ পৰিচয় সদায়ে অটুট আছিল। সেই সময়ত এনে উদাৰতা আৰু সমৰ্পিত মনোভাৱৰ মহত্ত্ব ভালদৰে উপলব্ধি কৰিছিলোঁ নে নাই নাজানো, কিন্তু আজি এই স্থানত থিয় দি, আজিৰ বিশেষ দিনটোত নিজৰ জীৱনৰ আদি অৱস্থাটোলৈ উভতি চাই ভাব হৈছে— সেই পৰিৱেশ, সেই শিক্ষা, সেই অভিজ্ঞতাই তাহানিতেই আমাৰ যাত্ৰাপথৰ নক্সা আঁকি দিছিল।

এতিয়া ভাবিছোঁ, দেউতাই যদিহে জাতিৰ স্বাৰ্থত, ভাষাৰ স্বাৰ্থত সেইখিনি ত্যাগ নকৰিলেহেঁতেন, মায়ে যদি সেইখিনি কষ্ট স্বীকাৰ নকৰিলেহেঁতেন, আমি সেই দিনতে ডঃ নগেন শইকীয়া, মহেন্দ্ৰ বৰা, কেশৱানন্দ দেৱগোস্বামী, নৰকান্ত বৰুৱা, লীলা গগৈ, প্ৰহ্লাদ কুমাৰ বৰুৱা, কবি ৰাম গগৈ, লক্ষ্যধৰ চৌধুৰী, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, ক্ষেত্ৰধৰ বৰগোহাঁই, সতীশ চৌধুৰী, প্ৰফুল্ল ভট্টাচাৰ্য, নিৰ্মল চক্ৰৱৰ্তী আদিৰ দৰে অলেখ মনীষীতুল্য বিদ্বানৰ সংস্পৰ্শলৈ নাহিলোঁহেঁতেন আৰু আমাৰ জীৱনৰ পথো হয়তো সলনি হৈ গ'লহেঁতেন। আমাৰ পৰিচয়ো হেৰাই গ'লহেঁতেন আন লক্ষজনৰ ভিৰৰ মাজত।

ডিব্ৰুগড়ৰপৰা গুৱাহাটীমুখী আমাৰ যাত্ৰাটোও এটা কঠিন প্ৰত্যাহ্বান আৰু কষ্টসাধ্য যাত্ৰা। কিন্তু মই বিশ্বাস কৰোঁ যে মা-দেউতাৰ আশিস, সমাজৰ গুণীজনৰ সদিচ্ছাৰ বলতে এই যাত্ৰাই লাহে লাহে সফলতাৰ শৃংগটো বগাবলৈ আৰম্ভ কৰিলে আৰু আমাক এটা স্থানত নি উপনীত কৰালে। জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য কিন্তু একেই থাকিল। একেই থাকিল জাতিৰ প্ৰতি নিস্বাৰ্থ প্ৰেম আৰু দায়বদ্ধতা। গতিকে স্বাভাৱিকতে এটা তাড়নাই মনক সদায়ে অস্থিৰ কৰি ৰাখিবলৈ আৰম্ভ কৰিলে। সমাজৰ হকে কিবা এটা কৰাৰ বাবে এটা বাটৰ সন্ধান আৰম্ভ হ'ল সচেতনভাৱে আৰু এই সন্ধানে আমাক সাংবাদিকতাৰ জগতখনৰ কাষ চপাই আনিলে। সাংবাদিকতাৰ অভিজ্ঞতা মোৰ শূন্য, সাংবাদিকতাৰ শিক্ষাও মই গ্ৰহণ কৰা নাই। গতিকে সাংবাদিকতাৰ কঠিন, দায়িত্বশীল বাটেৰে অগ্ৰসৰ হোৱাৰ বাবে আমাৰ পথ আছিল এটাই— এটা সংবাদ প্ৰতিষ্ঠান গঢ় দিয়া। তেনে চিন্তাক সাকাৰ কৰাৰ বাবেই আমি ২০১৯ চনত প্ৰথমে এটা নিউজ প'ৰ্টেলৰ পৰিকল্পনা কৰিলোঁ আৰু এবছৰৰ ভিতৰতে ২০২০ চনত প্ৰতিষ্ঠা হ'ল 'এন ডি-২৪'। এন ডি-২৪ৰ সমাজহিতকৰ সৰ্বোত্তম সন্ধানী যাত্ৰাৰ ছটা বছৰ সম্পূৰ্ণ হ'ল। কিন্তু তাৰ পাছত আমাৰ কাৰণে যি সৌভাগ্যই বাট চাই আছিল, সেয়া মোৰ কাৰণে এটা বিস্ময় বুলি ক'লেও ভুল কোৱা হয়তো নহ'ব।

অসম আন্দোলনৰ ভৰপক সময়ত অসমৰ সেই জাতীয় আন্দোলনটোক বাট দেখুৱাইছিল, নেতৃত্ব দিছিল, সাহস দিছিল এখন কাকতে— 'দৈনিক অসম'। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ মানস সন্তান 'দৈনিক অসম'ৰ স্বপ্নক কীৰ্ত্তিনাথ হাজৰিকাৰ দৰে ক্ষণজন্মা সাংবাদিক-সম্পাদকে সাকাৰ ৰূপ দিছিল। দেউতাৰ হাতত সেই কাকতখনৰ দায়বদ্ধ উপস্থিতি সদায়ে দেখি আহিছিলোঁ। কিন্তু জীৱনৰ এটা পৰিক্ৰমা পাৰ হৈ অহাৰ পাছত ছটা দশকৰ গৰিমা কঢ়িয়াই লৈ অহা কাকতখন যে আমাৰ কাষ চাপি আহিব, সেই কথা সেই সময়ত ধাৰণা কৰিব পৰা নাছিলোঁ। ছটা দশক দেশ-জাতি-ভাষাৰ সেৱাত উৎসৰ্গিত কাকতখনক এতিয়া সময়ৰ দুৰ্বাৰ গতিৰ সৈতে আগুৱাই নিবলৈ অলপ সহযোগিতাৰ প্ৰয়োজন হৈছিল। প্ৰয়োজন হৈছিল অলপ নতুন শক্তি আৰু এখন ভৰসাৰ কান্ধৰ। এনে এক উদ্দেশ্যৰেই 'আছাম ট্ৰিবিউন'ৰ কৰ্তৃপক্ষই যেতিয়া আমাৰ কাষলৈ এটা প্ৰস্তাৱ লৈ আহিছিল, তেতিয়া একপ্ৰকাৰ চমকিত হৈ পৰিছিলোঁ আৰু অলপ যেন বুকুৰ ভিতৰখন কঁপিও উঠিছিল। মনত পৰিছিল হাতত 'দৈনিক অসম' লৈ থকা দেউতাৰ ছবিখনলৈ। অসম আন্দোলনৰ সেই তোলপাৰ দিনবোৰত পোহৰৰ চাকিগছি হৈ সকলোকে বাট দেখুওৱা সাংবাদিকতাৰ সেই সোণালী ইতিহাসলৈ। সেই মহৎ ঐতিহ্যৰ প্ৰতি নতশিৰ হৈ, অলপ সংশয় আৰু পাৰ ভঙা উচ্ছ্বাস আৰু আস্থা লৈ আমি অগ্ৰসৰ হৈছিলোঁ 'দৈনিক অসম'ৰ সৈতে নতুন যাত্ৰা এটা কৰাৰ বাবে।

নানা চিন্তা-চৰ্চা, পৰিকল্পনা, সপোন, সংশয়, প্ৰত্যাহ্বানৰ মাজেৰেই ৬১ বছৰীয়া এটা পৰিক্ৰমাৰ সৈতে আমাৰ এটা আনুষ্ঠানিক সম্পৰ্ক গঢ় লৈ উঠিল; আৰু আজি আমাৰ তত্ত্বাৱধানত আমাৰ নতশিৰ প্ৰয়াসৰ মাজেৰে নতুন ৰূপত, নতুন গতিৰে যাত্ৰা আৰম্ভ হোৱা কাকতখনৰ প্ৰথম কপিটো আপোনালোকৰ হাতত পৰিল।

এই কথা ক'বলৈ সংকোচ নকৰোঁ যে মনত এতিয়াও সংশয় আছে, সন্মুখত নানা প্ৰত্যাহ্বান আছে, ঐতিহ্যৰ ভাৰ কঢ়িয়াই লৈ যোৱাৰ চাপ আছে। কিন্তু এই সকলোৰে ঊৰ্দ্ধত আছে আমাৰ অবিচল বিশ্বাস আৰু আস্থা। 'দৈনিক অসম' অসম আৰু অসমীয়াৰ প্ৰহৰী হৈ চিৰদিন সমুজ্জ্বল হৈ থাকিব— এই প্ৰত্যয়েৰে আমি আজি প্ৰতিজন অসমীয়াৰ, অসমীয়াপ্ৰেমীৰ কাষ চাপিব খুজিছোঁ আৰু এই নিশ্চয়তা নিৰ্ভেজাল অন্তৰেৰে দিব খুজিছোঁ যে 'দৈনিক অসম'ৰ ঐতিহ্য, 'দৈনিক অসম'ৰ উদ্দেশ্য, 'দৈনিক অসম'ৰ লক্ষ্য, জাতিপ্ৰেম, ভাষাৰ প্ৰতি দায়বদ্ধতা এচুলিমানো লৰচৰ নহয়। পূৰ্বৰ গৰিমা অক্ষুণ্ণ ৰাখি 'দৈনিক অসম' আগুৱাই যাব নতুন দিগন্ত অভিমুখে। জাতিটোৰ বাবে মহা মূল্যৱান কাকতখনৰ ভাৰ আমি কান্ধ পাতি লৈছোঁ জাতীয় দায়িত্বৰ আহ্বানক স্বীকাৰ কৰিয়েই। আমাৰ জীৱনৰ পৰিক্ৰমাৰ পৃষ্ঠভূমিয়ে সেই সাহস আমাক দিছে। সেই কাৰণে নতুন যাত্ৰাত 'দৈনিক অসম'-এ জাতিৰ সমস্যালৈ পিঠি নিদিয়ে, জাতিৰ স্বাৰ্থত আপোচ নকৰে আৰু জাতিৰ পক্ষতে পূৰ্বৰ দৰে অবিচল দৃঢ়তাৰে থিয় দি থাকিব। আজি এই শুভ দিনত সকলোৰে আশীৰ্বাদ, শুভেচ্ছা আমাৰ ভৱিষ্যতৰ বাটৰ মূল সাহস, প্ৰেৰণা আৰু সম্পদ হ'ব।

## ‘আবিলেক’ৰ উদ্যোগ
## সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠান

দৈনিক অসমৰ প্ৰতিনিধি
**উত্তৰ গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ ৰজাদুৱাৰৰ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম (আবিলেক)ৰ উদ্যোগতো সুধাকণ্ঠ ভাৰত ৰত্ন ডঃ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকী উদযাপন অনুষ্ঠানৰ আয়োজন কৰিছে। এক বছৰজোৰা কাৰ্যসূচীৰ অংশ হিচাপে আবিলেকে ১৯ ছেপ্টেম্বৰত দিনৰ ১০.৩০ বজাত এখনি সভাৰ আয়োজন ৰা হৈছে। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ডঃ তাৰিণীকান্ত হালৈয়ে ডঃ ভূপেন হাজৰিকাৰ কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰিব। এই অনুষ্ঠানতে শিল্পী ৰঞ্জিৎ মহন্তই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰিব। আবিলেকৰ কাৰ্যবাহী সমিতিৰ সভাপতি তাৰিণীকান্ত গোস্বামীয়ে সভাপতিত্ব কৰিবলগীয়া সভাত আদৰণী ভাষণ প্ৰদান কৰিব সঞ্চালক ডঃ সুদেষ্ণা ভট্টাচাৰ্যই।

## বৰঝাৰ বিমানবন্দৰত যাত্ৰী সেৱা দিৱস পালন

দৈনিক অসমৰ প্ৰতিনিধি
**জালুকবাৰী, ১৮ ছেপ্টেম্বৰ ঃ** লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত কালি উলহ মালহেৰে যাত্ৰী সেৱা দিৱস পালন কৰা হয়। বিমানবন্দৰত বিমান যাত্ৰীসকলে যাতে এটা সুচল যাত্ৰাৰ অভিজ্ঞতা লাভ কৰে, তাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ কৰ্তৃপক্ষই। যাত্ৰীসেৱা দিৱসৰ কালিৰ এই বিশেষ দিনটোত বিমানবন্দৰ কৰ্তৃপক্ষই বিমান যাত্ৰীসকলক ফুলৰ পুলিৰে আদৰণি জনোৱাৰ লগতে গছপুলি ৰোপণ, বিনামূলীয়া স্বাস্থ্যসেৱা, ৰংগোলি অংকন, নৃত্য-গীতেৰে মনোৰঞ্জন দিবলৈ প্ৰয়াস কৰে।

**দুদিনৰ ভিতৰত সমস্যাৰ সমাধান নহ’লে আন্দোলনৰ হুংকাৰ**

# পৰ্যটকৰ বাহন অৱৰোধেৰে টেক্সি চালকৰ প্ৰতিবাদ

দৈনিক অসমৰ প্ৰতিনিধি
**গুৱাহাটী/সোণাপুৰ, ১৮ ছেপ্টেম্বৰ ঃ** ৰাজনৈতিকভাৱে অসম আৰু মেঘালয়ৰ সম্পৰ্ক মুখ্যমন্ত্ৰী আৰু মন্ত্ৰী পৰ্যায়ত যিমানেই ঠিক হোৱা বুলি ঘোষণা নকৰক কিয়, প্ৰকৃততে যে ৰাজ্য দুখনৰ মাজত সম্পৰ্ক ঠিক নহয়, সেয়া শেহতীয়া কৰ্মকাণ্ডত প্ৰতিফলন হৈছে। নিজৰ মুনাফাৰ বাবে অসমৰ পৰা পৰ্যটক লৈ যোৱা বাহনক আদবাটতে যাত্ৰীক নমাই দি ঘূৰাই পঠিয়ায়। এই সমস্যাৰ বাবে দীৰ্ঘদিনৰে পৰা অসম টেক্সিচালক-মালিকসকলে অভিযোগ দি আহিছিল যদিও আজিকোপতি কোনো সমাধান নহ’ল। ফলত গুৱাহাটীৰ নিকটৱৰ্তী যোৱাবাটত আজি অসম চালক তথা মালিক সন্থাই মেঘালয়ৰ পৰা অহা সকলো যান-বাহন গুৱাহাটীত প্ৰৱেশ কৰাত বাধা দিয়াৰ লগতে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। দীৰ্ঘদিন ধৰি



একাংশ চালকে মেঘালয়ত হৈ অহা অসুবিধাৰ বাবে পুৱাৰে পৰা দুপৰীয়া পৰ্যন্ত প্ৰতিবাদ কৰে। দুয়োখন ৰাজ্যৰ পৰিবহন আৰু উচ্চপদস্থ বিষয়াৰ হস্তক্ষেপত আলোচনাত মিলিত হোৱাৰ পাছতে প্ৰতিবাদকাৰীসকল শান্ত হয়। আলোচনাকালত বিষয়টো নিষ্পত্তিৰ বাবে দুদিনৰ সময়সীমা লয়। ইফালে দুদিনৰ ভিতৰত যদি এই সমস্যা নিষ্পত্তি নহয়, তেন্তে পুনৰ জংগী আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে টুৰিষ্ট টেক্সিচালক সন্থাই। উল্লেখ্য যে মেঘালয়ৰ পঞ্জীয়নভুক্ত প্ৰতিখন বাণিজ্যিক বাহনৰ লগতে ব্যক্তিগতভাৱে ভাৰা মৰা সকলো বাহন অসমত প্ৰৱেশত বাধা দিয়ে প্ৰতিবাদকাৰীসকলে। অন্যটো বাদেই মেঘালয়ৰ জনপ্ৰতিনিধিৰ বাহনো ৰখাই দিয়ে একাংশ প্ৰতিবাদকাৰীয়ে। আজিৰ প্ৰতিবাদৰ ফলত যোৱাবাটত বহু সময় ধৰি যান-জঁটৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণহীন হোৱাত ঘটনাস্থলীত পূব কামৰূপ জিলাৰ উপ-আৰক্ষী আয়ুক্ত মৃণাল ডেকা, পৰিবহন বিষয়া গৌতম দাস, মহানগৰ আৰক্ষীৰ লগতে মেঘালয়ৰ পৰিবহন বিষয়া আৰু আৰক্ষীৰ উচ্চপদস্থ বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত টুৰিষ্ট ট্ৰেন্সপ’ৰ্ট এছ’চিয়েচন অৱ আছামৰ সভাপতি কৌশিক ভূঞা, সম্পাদক অনিৰ্বাণ গোস্বামী, টুৰিষ্ট টেক্সি ড্ৰাইভাৰ্ছ ইউনিয়ন, আছামৰ সভাপতি নয়ন তালুকদাৰ, সম্পাদক প্ৰাংকু সোণোৱাল, ছেভন ষ্টেট টুৰিষ্ট কেব অপাৰেটৰ ইউনিয়নৰ সভাপতি যাদৱ কুমাৰ ইংতি, সম্পাদক ইছমাইল আলীকে ধৰি প্ৰায় ১৮টা সংগঠনৰ বিষয়ববীয়া উপস্থিত আছিল।






*‘সীমান্ত সুৰক্ষা বাহিনী পত্নীৰ কল্যাণ সংস্থা’ৰ প্ৰতিষ্ঠা দিৱস উদযাপন*

**■ ৰত্ন ওজা সনাতন কলাপীঠৰ অভিনৱ পদক্ষেপে উপকৃত কৰিছে পাঠকক ■**

# ৫ হেজাৰ পুথিৰে গ্ৰন্থ আন্দোলন ‘কলাৰত্ন পুথিঘৰ’ৰ

**বৰগীত-হোলীগীত-বনগীত-লোকগীত-জিকিৰৰ অমূল্য পুথিও সংৰক্ষিত**


■ গোকুল তালুকদাৰ
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** ডিজিটেল মাধ্যমৰ ব্যাপক আগ্ৰাসনৰ লগে লগে গ্ৰন্থ অধ্যয়নৰ স্পৃহা হ্ৰাস পাই আহিছে যুৱ প্ৰজন্মৰ মাজত। গ্ৰন্থ অধ্যয়নৰ ক্ষেত্ৰত পাঠক সমাজৰ মাজত পুথিভঁৰালৰ গুৰুত্ব অপৰিসীম। কাৰণ বৰ্তমান সমাজ জীৱনত যিসকল পঢ়ুৱৈ অথবা পাঠকৰ গ্ৰন্থ ক্ৰয় কৰি অধ্যয়ন কৰাৰ সামৰ্থ্য নাই আৰু ঘৰত অধ্যয়নৰ পৰিৱেশ নাই, সেইসকল পাঠকৰ উপৰি গৱেষক ছাত্ৰসকলৰ বাবে পুথিভঁৰালৰ গুৰুত্ব যথেষ্ট প্ৰাসংগিক। তেনেদৰে অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিকাশ অথবা সংৰক্ষণৰ ক্ষেত্ৰতো পুথিভঁৰাল অপৰিহাৰ্য অংগ। হয়তো এনেবোৰ কাৰণতে অহৰহ নিজৰ মনত এটা সপোন পুহি ৰাখিছিল অসমীয়া ভাষা-সাহিত্য আৰু সাংস্কৃতিক জগতৰ বিশিষ্ট ব্যক্তি ৰত্ন ওজাই। অসমৰ আপুৰুগীয়া গ্ৰন্থসমূহৰ উপৰি নিজৰ গ্ৰন্থসমূহ সংৰক্ষণ কৰাৰ সপোন আছিল এইগৰাকী শিল্পী-সাহিত্যিকৰ। তেওঁৰ এনে সপোনক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যে মহানগৰীৰ বেলতলাৰ ৰত্ন ওজা সনাতন কলাপীঠৰ উদ্যোগত কলাপীঠৰ সঞ্চালক ৰমেন দাস আৰু সচিব মঞ্জুলা দাসৰ একক প্ৰচেষ্টাত তেওঁলোকৰ বাসগৃহতে ২০১৯ চনৰ ২২ ডিচেম্বৰত স্থাপন কৰা হৈছিল ‘কলাৰত্ন পুথিঘৰ’ নামেৰে এটি পুথিভঁৰাল। সেই সময়ত পুথিভঁৰালটো মুকলি কৰিছিল ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ সহযোগত মেঘালয়ৰ প্ৰাক্তন ৰাজ্যপাল ৰঞ্জিৎ শেখৰ মুছাহাৰীয়ে। যিটো পুথিভঁৰালত ৰত্ন ওজাৰ সৃষ্টিৰাজিৰ লগতে অসমৰ সাহিত্য-সাংস্কৃতিৰ মূল্যৱান তথা বহুতো আপুৰুগীয়া গ্ৰন্থ সংৰক্ষণ কৰি ৰাখিছে ৰত্ন ওজা সনাতন কলাপীঠে। এই



সন্দৰ্ভত কলাপীঠৰ সঞ্চালক ৰমেন দাসে ‘দৈনিক অসম’ক জনোৱা মতে, ‘কলাৰত্ন পুথিঘৰ’ত বৰ্তমান প্ৰথম বাতৰি কাকত ‘অৰুনোদই’, ভাৰত ৰত্ন ডঃ ভূপেন হাজৰিকাই সম্পাদনা কৰা ‘আমাৰ প্ৰতিনিধি’ নামৰ মাহেকীয়া আলোচনীখনৰ সংস্কৰণ ১৯৭১ চনৰ পৰা ১৯৭৯ চনলৈ সংগৃহীত কৰি ৰখা হৈছে । ৰত্ন ওজাৰ বিভিন্ন ধৰণৰ সৃষ্টিৰাজিৰ লগতে অসমৰ পৰম্পৰাগত গীত-মাতসমূহৰ ভিতৰত বৰগীত, হোলী গীত, বনগীত, লোকগীত, গোৱালপৰীয়া লোকগীত, জিকিৰ আৰু নাওখেলৰ উপৰি অসমৰ বিশিষ্ট শিল্পীসকলৰ গীতৰ পুথিসমূহ সংগৃহীত কৰি ৰখা হৈছে। তেনেদৰে শ্ৰীমদ্ভাগৱত, চিত্ৰ ভাগৱত, ভক্তি ৰত্নাকৰৰ উপৰি শংকৰদেৱ আৰু মাধৱদেৱৰ বিৰচিত অংকীয়া নাটকে ধৰি সকলো গ্ৰন্থ সংগ্ৰহ কৰি ৰখা হৈছে। তেনেদৰে ৰচনাৱলীসমূহৰ ভিতৰত ডঃ ভূপেন হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, চন্দ্ৰপ্ৰসাদ শইকীয়া, অম্বিকাগিৰী ৰায়চৌধুৰী, অতুল চন্দ্ৰ হাজৰিকা, প্ৰসন্নলাল চৌধুৰী, কীৰ্ত্তিনাথ হাজৰিকা, ৰাধা নাথ ফুকন, চৈয়দ আব্দুল মালিক, কনকসেন ডেকা, দুৰ্গেশ্বৰ বৰঠাকুৰ, হেমাংগ বিশ্বাস, শৰৎ চন্দ্ৰ শৰ্মা, নিৰ্মলপ্ৰভা বৰদলৈ আৰু মামণি ৰয়ছম গোস্বামীকে ধৰি বিশিষ্ট শিল্পী-সাহিত্যিকৰ ৰচনাৱলীসমূহ ৰখা হৈছে। ১৯০৪ চনৰ অসম বাণী কাকত, গুৱাহাটীৰ পুৰণি ইতিহাস থকা গ্ৰন্থ, ২০২০ চনত ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ সন্মান লাভ কৰা ৰমেন দাসৰ ২৯,৬১৯টা শব্দৰে মাত্ৰ এটি বাক্যত ৰচিত গুৰুজনাৰ জীৱন বৃত্তান্ত ‘গুৰু প্ৰণতি’ শীৰ্ষক গ্ৰন্থখনৰ উপৰি ইংৰাজী সাহিত্য, চিনেমা, নাটক, উপন্যাস, স্বাস্থ্য সম্পৰ্কীয় গ্ৰন্থ, অসমৰ তথ্য, গল্প, প্ৰবন্ধ, কবিতা, শিশুগ্ৰন্থ, জীৱনী, অভিনন্দন গ্ৰন্থ, শিল্পকলা, সংস্কৃতি। বিভিন্ন আলোচনী আদিকে ধৰি প্ৰায় ৫,০০০খন গ্ৰন্থ এই পুথিভঁৰালত ৰখা হৈছে। পুথিভঁৰালত গৱেষক শিক্ষাৰ্থীসকলৰ বাবে প্ৰয়োজনীয় বহু তথ্যসম্বলিত পুৰণি গ্ৰন্থ ৰখা হৈছে। এই পুথিভঁৰাললৈ বহুতো গৱেষক ছাত্ৰ-ছাত্ৰী তথ্য সংগ্ৰহ কৰিবলৈ অহাৰ উপৰিও প্ৰতি মাহৰ শনিবাৰ আৰু দেওবাৰে একাংশ শিক্ষাৰ্থীয়ে অধ্যয়ন কৰিবলৈ আহে। অৱশ্যে ২০২৪ বৰ্ষৰ পৰা পুথিভঁৰাললৈ গ্ৰন্থ বিচাৰি বা অধ্যয়ন কৰিবলৈ অহা পঢ়ুৱৈৰ সংখ্যা হ্ৰাস পাইছে বুলি দাসে প্ৰকাশ কৰিছে। উল্লেখ্য যে সকলো শ্ৰেণীৰ পাঠকৰ মাজত বিভিন্ন ধৰণৰ গ্ৰন্থ, আলোচনী আৰু বাতৰি কাকত আদি অধ্যয়নৰ প্ৰচাৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে শিক্ষাবিদ ডঃ অমৰজ্যোতি চৌধুৰীৰ নেতৃত্বত ২০১০ চনত তেজপুৰ বিশ্ববিদ্যালয়ত আৰু ২০১৯ বৰ্ষত গুৱাহাটীৰ লগতে সমগ্ৰ ৰাজ্যত ‘কিতাপ পঢ়া আন্দোলন’ আৰম্ভ কৰা হৈছিল। বৰ্তমানেও ডঃ অমৰজ্যোতি চৌধুৰীয়ে এই প্ৰচেষ্টা অব্যাহত ৰাখিছে। সমাগত দুৰ্গোৎসৱৰ পাছতে তেওঁ মালিগাঁৱৰ ললিত চন্দ্ৰ ভৰালী কলেজত শিক্ষাৰ্থীসকলৰ মাজত ‘কিতাপ পঢ়া আন্দোলন’ৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি ‘দৈনিক অসম’ক জানিবলৈ দিছে ।

**সমাজ সেৱাৰ উৎকৃষ্ট নিদৰ্শন**

## ডাঃ দেৱজিৎ চৌধুৰী-ডাঃ অভিজিৎ শৰ্মাৰ অংগদান




দৈনিক অসমৰ প্ৰতিনিধি
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** অংগদানেৰে সমাজসেৱা এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিলে গুৱাহাটী চিকিৎসা মহাবিদ্যাল হাস্পতালৰ (জি এম চি এইচ)ৰ বৰ্তমানৰ অধীক্ষক দেৱজিৎ চৌধুৰী আৰু প্ৰাক্তন অধীক্ষক অভিজিৎ শৰ্মাই। দুয়োগৰাকী চিকিৎসকে চিকিৎসা বিজ্ঞানৰ অধ্যয়নৰ উদ্দেশ্যে শৰীৰৰ কেইবাটাও অংগ দান কৰাৰ কথা ঘোষণা কৰিছে। ডাঃ দেৱজিৎ চৌধুৰীয়ে যকৃত, বৃক্ক, হৃদযন্ত্ৰ, অন্ত্ৰ, অগ্ন্যাশয় দান কৰিছে। সেইদৰে হাস্পতালখনৰ প্ৰাক্তন অধীক্ষক অভিজিৎ শৰ্মাই যকৃত, বৃক্ক, হৃদযন্ত্ৰ, অন্ত্ৰ আৰু অগ্ন্যাশয় দান কৰিছে। দুয়োগৰাকী চিকিৎসকে যোৱা ১৭ ছেপ্টেম্বৰত অংগদান কৰাৰ কথা ঘোষণা কৰে। উল্লেখ্য যে শেহতীয়াকৈ প্ৰাক্তন অধীক্ষক ডাঃ শৰ্মাৰ বৃক্ক কলকাতাৰ এখন হাস্পতালত পুনৰ সংৰোপণ কৰা হৈছিল। জটিল অস্ত্ৰোপচাৰৰ পাছত চিকিৎসকগৰাকী সুস্থ হৈ উঠিছে।

**মহানগৰীৰ দুৰ্গা পূজা সমিতিলৈ জিলা প্ৰশাসনৰ এছঅ’পি**

# পথ বন্ধ কৰি নিৰ্মাণ কৰিব নোৱাৰিব মণ্ডপ

**চিচি টিভি সংস্থাপন-মণ্ডপত থাকিব লাগিব অগ্নিনিৰ্বাপণৰ ব্যৱস্থা ঃ অনুমতি অবিহনে উলিয়াব নোৱাৰিব শোভাযাত্ৰা ঃ মানি চলিব লাগিব শব্দ প্ৰদূষণৰ নিয়ম, যান-বাহন আৰক্ষীৰ নিৰ্দেশ ঃ পূজা মণ্ডপ পৰিষ্কাৰৰ দায়িত্বও সমিতিৰ**

দৈনিক অসমৰ প্ৰতিনিধি
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** সমাগত দুৰ্গাপূজা। ইতিমধ্যে সমগ্ৰ ৰাজ্যৰ লগতে মহানগৰীত দুৰ্গোৎসৱৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। আগন্তুক দুৰ্গোৎসৱৰ সময়ত মহানগৰীত যাতে কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নহয় তাৰ বাবে আজি পূজা সমিতিসমূহৰ সৈতে জিলা প্ৰশাসন, মহানগৰ আৰক্ষী, সংশ্লিষ্ট বিভিন্ন বিভাগৰ সৈতে এখন বৈঠক জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই বৈঠকতে মহানগৰ আৰক্ষীয়ে পূজা সমিতিসমূহলৈ কেতবোৰ নিৰ্দেশনাৰে এছঅ’পি জাৰি কৰে। সেই অনুসৰি ৰাজহুৱা স্থানত পূজা মণ্ডপ নিৰ্মাণৰ পূৰ্বে আৰক্ষী-প্ৰশাসনৰ পৰা পূজা সমিতিসমূহে অনুমতি ল’ব লাগিব। সংশ্লিষ্ট অঞ্চলৰ ডিচিপিয়ে এই অনুমতি প্ৰদান কৰিব। তদুপৰি পূজা মণ্ডপসমূহত অগ্নিনিৰ্বাপণ সঁজুলিকে ধৰি সকলো ধৰণৰ অগ্নিনিৰ্বাপণ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। লাউডস্পীকাৰৰ ব্যৱহাৰ আৰু শব্দ প্ৰদূষণৰ ক্ষেত্ৰতো কেতবোৰ নীতি-নিময় নিৰ্ধাৰণ কৰি দিয়া হৈছে। পুৱা ৬ বজাৰ নিশা ১০ বজালৈ ৫৫ ডেচিবেল (এ)তকৈ অধিক শব্দ প্ৰদূষণ হ’ব



নোৱাৰিব। পূজা মণ্ডপসমূহত চিচি টিভি সংস্থাপনৰ লগতে পূজা সমিতিসমূহে স্বেচ্ছাসেৱক আৰু বিষয়ববীয়াৰ তালিকা সমীপৱৰ্তী আৰক্ষী থানাত দাখিল কৰিব লাগিব। মণ্ডপসমূহত ভিৰ নিয়ন্ত্ৰণৰ বাবে সুকীয়া সুকীয়াকৈ প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা কৰিব লাগিব বুলিও প্ৰশাসনে উল্লেখ কৰিছে। পূজা মণ্ডপসমূহত প্ৰশাসনে পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰিব লাগিব। পূজা সমিতিসমূহে যান-বাহনৰ নিয়মসমূহ মানি চলিব লাগিব। তেওঁলোকে কোনো ধৰণৰ ৰাজহুৱা পথ বন্ধ কৰিব নোৱাৰিব তথা ভিআইপিৰ আগমনৰ বাতৰি আগতীয়াকৈ আৰক্ষীক অৱগত কৰিব লাগিব। পূজা মণ্ডপসমূহত চিকিৎসা গোটৰো ব্যৱস্থা সংশ্লিষ্ট সমিতিসমূহে কৰিব লাগিব বুলি প্ৰশাসনে জানিবলৈ দিছে। মণ্ডপসমূহ নিৰ্মাণৰ ক্ষেত্ৰত পাৰিপাৰ্শ্বিক বন্ধুত্ব সুলভ সামগ্ৰী ব্যৱহাৰৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা হৈছে। পূজা মণ্ডপসমূহত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ব্যৱস্থা পূজা সমিতিসমূহে কৰিব লাগিব। আনহাতে পূজা সমিতিসমূহক চান্দা সংগ্ৰহৰ পৰা বিৰত থাকিবলৈও প্ৰশাসনে আহ্বান জনাইছে। বিসৰ্জনৰ সময়ত ভক্তসকলে আতচবাজী ফুটোৱাৰ পৰা বিৰত থাকিবলৈও নিৰ্দেশ প্ৰদান কৰা হৈছে। বিসৰ্জনৰ বাবে উলিওৱা শোভাযাত্ৰাৰ সময়ত কেৱল ভক্তিমূলক সংগীতহে বজাব পাৰিব। সঠিক অনুমতি নোলোৱাকৈ অকৰ্তৃত্বশীলভাৱে কোনো ধৰণৰ শোভাযাত্ৰা-সমাৱেশৰ আয়োজন কৰিব নোৱাৰিব। আজিৰ বৈঠকত আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তই যাৱতীয় নীতি-নিৰ্দেশনা মানি শান্তিপূৰ্ণ আৰু সুশৃংখলভাৱে পূজা উদ্‌যাপন কৰিবলৈ সকলো পক্ষলৈ আহ্বান জনায়। বৈঠকত পশ্চিম গুৱাহাটী জিলাৰ উপ-আৰক্ষী আয়ুক্ত পদ্মনাভ বৰুৱা, মহকুমা দণ্ডাধীশ কংকণ শৰ্মা, যান-বাহন আৰক্ষীৰ উপ-আয়ুক্ত জয়ন্ত সাৰথি বৰা, মহানগৰ আৰক্ষীৰ নিৰাপত্তা আৰু চোৰাংচোৱা উপ-আয়ুক্ত ধ্ৰুৱ বৰা, গুৱাহাটী পৌৰ নিগমৰ যুটীয়া সচিব ডঃ ধ্ৰুৱজ্যোতি হাজৰিকা, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ অপূৰ্ব কৃষ্ণ শৰ্মা উপস্থিত থাকে।









# সেৱা সপ্তাহ উপলক্ষে কামৰূপ মহানগৰ জিলাত ১১ ৰক্তদান-৯৪ স্বাস্থ্য শিবিৰ

দৈনিক অসমৰ প্ৰতিনিধি
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যত আৰম্ভ হোৱা ‘সেৱা হি সমৰ্পণ ঃ সেৱা সপ্তাহ’ৰ অংশ ৰূপে ১৭ ছেপ্টেম্বৰত কামৰূপ মহানগৰ জিলাত ১১টা ৰক্তদান শিবিৰ আৰু ৯৪টা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত অনুষ্ঠিত ৰক্তদান শিবিৰত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ মিছন সঞ্চালক ডাঃ লক্ষ্মণন এছে পৰিদৰ্শন কৰে। গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়ে সোণাপুৰ জিলা চিকিৎসালয়ত অনুষ্ঠিত হোৱা ৰক্তদান শিবিৰ পৰিদৰ্শন কৰে। মহানগৰৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱানে বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটত ৰক্তদান শিবিৰ পৰিদৰ্শন কৰি ৰক্তদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইফালে কামৰূপ মহানগৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ১১টা ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। ‘সুস্থ নাৰী, সুস্থ পৰিয়াল’ অভিযানৰ অধীনত জিলাখনত ৯৪খন আয়ুষ্মান আৰোগ্য মন্দিৰত বিশেষ স্বাস্থ্য পৰীক্ষণ শিবিৰৰ আয়োজন কৰা হয়।

# কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন ২৪ ছেপ্টেম্বৰত

দৈনিক অসমৰ প্ৰতিনিধি
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** ঐতিহ্যমণ্ডিত কটন বিশ্ববিদ্যালয়ৰ ২০২৫-২৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন ২৪ ছেপ্টেম্বৰত অনুষ্ঠিত হ’ব। এই সম্পৰ্কত ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ নিৰ্বাচনী বিষয়া ডঃ হীৰেন ডেকাই জানিবলৈ দিয়া মতে, ইতিমধ্যেই প্ৰাৰ্থীসকলৰ মনোনয়ন দাখিলৰ পিছত মনোনয়ন পত্ৰ পৰীক্ষণ কৰি চূড়ান্ত প্ৰাৰ্থীৰ তালিকা ১৭ ছেপ্টেম্বৰত প্ৰকাশ কৰা হয়। এইবাৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ ভিতৰত সভাপতি পদত দুগৰাকী, উপ-সভাপতি পদত দুগৰাকী, সাধাৰণ সম্পাদক পদত তিনিগৰাকী, সহকাৰী সাধাৰণ সম্পাদক পদত দুগৰাকী (ছোৱালীৰ বাবে সংৰক্ষিত), আলোচনী সম্পাদক পদত তিনিগৰাকী, ছোৱালী জিৰণি কোঠাৰ সম্পাদক পদত দুগৰাকী, তৰ্ক আৰু আলোচনা চক্ৰত দুগৰাকী, সমাজসেৱা বিভাগত দুগৰাকী, সংগীত বিভাগত তিনিগৰাকী, সাংস্কৃতিক বিভাগত তিনিগৰাকী, এথলেটিকছ বিভাগত দুগৰাকী, ক্ৰিকেট বিভাগত দুগৰাকী, টেনিছ, সাঁতোৰ আৰু জিমনেচিয়ামত দুগৰাকী। আনহাতে, তিনিটা শাখা- ছাত্ৰ জিৰণি কোঠা, ফুটবল আৰু হকী তথা লঘু ক্ৰীড়াত বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। নিৰ্বাচনী বিষয়া ডঃ ডেকাই অৱগত কৰে যে ক্ৰমে ২৩ ছেপ্টেম্বৰত মুকলি বিৰ্তক, ২৪ ছেপ্টেম্বৰত নিৰ্বাচন, ২৫ ছেপ্টেম্বৰত ভোটগণনা আৰু ফলাফল ঘোষণা কৰাৰ লগতে ২৬ ছেপ্টেম্বৰত শপতগ্ৰহণ কৰোৱা হ’ব।

## শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত এইড্‌ছৰ সজাগতা

দৈনিক অসমৰ প্ৰতিনিধি
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** এইচ আই ভি এইড্‌ছ সম্পৰ্কে সচেতনতা সৃষ্টিৰ উদ্দেশ্যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ গুৱাহাটী গোটৰ প্ৰেক্ষাগৃহত বুধবাৰে এক বিশেষ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। কামৰূপ মহানগৰ জিলাত চলিত বৰ্ষৰ ১৩ আগষ্টৰ পৰা অব্যাহত এই উদ্যোগটি জিলা উন্নয়ন আয়ুক্তৰ দ্বাৰা পৰিচালিত হৈ আহিছে। এই অনুষ্ঠানৰেই অংশ হিচাপে কালি বিশ্ববিদ্যালয়খনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু চিকিৎসালয়ৰ আই চি টি চি কাউন্সেলৰ আবিদুৰ ৰহমান, গ্ল’বেল অৰ্গেনাইজেচন ফৰ লাইফ ডেভেল’পমেণ্ট (গোল্ড)ৰ প্ৰকল্প সম্পাদিকা জোনালী দাস, গোল্ডৰ কাউন্সেলৰ নিশা মণ্ডল আৰু লেকিয়ৌচ মুৰ্মু আদি বিশিষ্ট বিশেষজ্ঞসকলে মূল্যৱান তথ্যৰে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰে।

**নুনমাটি-চানমাৰি থানাত পৰিয়ালৰ এজাহাৰ**

# বিশ্বকৰ্মা পূজালৈ গৈ জ্যোতিনগৰৰপৰা সন্ধানহীন ৩ কিশোৰী

দৈনিক অসমৰ প্ৰতিনিধি
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** বিশ্বকৰ্মা পূজা চাবলৈ ঘৰৰ পৰা ওলাই গৈ গুৱাহাটী মহানগৰীৰ জ্যোতিনগৰ পৰা তিনিগৰাকী কিশোৰী সন্ধানহীন হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে তিনিগৰাকী কিশোৰী একেলগে বামুণীমৈদানৰ ঔদ্যোগিক পামলৈ পূজা চোৱাৰ উদ্দেশ্যে ঘৰৰ পৰা ওলাই আহিছিল। তাৰ পাছত বুধবাৰে দুপৰীয়া প্ৰায় ১ বজাৰ পৰা সন্ধানহীন হৈ আছে কিশোৰী তিনিগৰাকী। প্ৰাপ্ত তথ্য মতে সন্ধানহীন তিনি কিশোৰী ক্ৰমে ইছা নাথ (১৪), টিনা ৰাভা (১২) আৰু ছুইটি দাস (১২)। সন্ধানহীন ইছা নাথ জ্যোতিনগৰ হাইস্কুলৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী। আনহাতে টিনা ৰাভা জ্যোতিনগৰ হাইস্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী আৰু তেওঁৰ ঘৰ নুনমাটি আনন্দ নগৰত। তদুপৰি ছুইটি দাস সপ্তম শ্ৰেণীৰ ছাত্ৰী আৰু নুনমাটিৰ গণেশ নগৰৰ বাসিন্দা। কিশোৰী তিনিগৰাকী দুজন যুৱকৰ সৈতে গুৱাহাটী কলেজৰ সন্মুখৰ পৰা স্কুটীত উঠি যোৱা বুলি প্ৰত্যক্ষদৰ্শীয়ে পৰিয়ালৰ লোকক অৱগত কৰিছে। বহু ঠাইত পৰিয়ালৰ লোকে বিচাৰ খোচাৰ কৰি তিনি কিশোৰীৰ সন্ধান উলিয়াব নোৱাৰি বিপাণ্ডত পৰিছে। কিশোৰী তিনিগৰাকী সন্ধানহীন হোৱাত তেওঁলোকৰে বান্ধৱী জড়িত থকা বুলি সন্দেহ কৰিছে পৰিয়ালৰ লোকে। ইতিমধ্যে পৰিয়ালৰ লোকে ঘটনা সন্দৰ্ভত পৃথকে নুনমাটি আৰু চান্দমাৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে এটি গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

**১৯-২২ ছেপ্টেম্বৰলৈকে চাৰিদিনীয়া কাৰ্যসূচী**

# শ্ৰীসত্য সাই বাবাৰ জন্ম শতবৰ্ষ

দৈনিক অসমৰ প্ৰতিনিধি
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** উগ্ৰতাৰা মন্দিৰৰ সমীপৰ তিনিআলিৰ পৰা শ্ৰীসত্য সাই সাধনা লৈ অহা ১৯ ছেপ্টেম্বৰত প্ৰেমজ্যোতি আদৰি নিয়া হ’ব। সত্য সাই সেৱা সংগঠন, উত্তৰ-পূব ভাৰত, মাণ্ডলিক সভাপতি সত্যেন শৰ্মাই প্ৰেম জ্যোতি সম্পৰ্কে ভাষণ প্ৰদান কৰিব। বিয়লি ৫.২০ বজাত প্ৰেমজ্যোতিক ঢাক-ঢোল, খোল আৰু ভোৰতাল বজাই আদৰি নিয়া হ’ব। বিয়লি ৫.৩৫ বজাত প্ৰেমজ্যোতিক বেদীত স্থাপন, ভক্তসকলৰ দ্বাৰা অগ্নি বন্দনা আৰু বেদ পাঠ আৰু সন্ধিয়া ৫.৪৫ বজাত কোৰাছ পৰিৱেশন কৰা হ’ব। সন্ধিয়া ৫.৫৫ বজাত পুষ্পাঞ্জলি অৰ্পণ কৰাৰ পাছত ৬.০৫ বজাত সন্দিকৈ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা নাগাৰা নাম পৰিৱেশন কৰা হ’ব। ইপিনে ২০ ছেপ্টেম্বৰৰ পুৱা ৪.৩০ বজাত নগৰ সংকীৰ্তনৰ শুভাৰম্ভ হ’ব। ৯ বজাত প্ৰণামীতা চক্ৰৱৰ্তী, নিপা দাস, মণিকা মহন্তই বেদপাঠ কৰিব। পুৱা ১০ বজাত কংকনা বুজৰবৰুৱা আৰু মণিকা মহন্তই অষ্টোত্তৰ শতনাম পাঠ আৰু লক্ষ্মীচৰণ কৰিব। ২ বজাত পংকজ কটকীৰ তত্ত্বাৱধানত ভজন পৰিৱেশন কৰা হ’ব। বিয়লি ৪ বজাত প্ৰেমজ্যোতি শ্ৰীসত্য সাই সমিতিৰ পৰা আৰু সাই মধুৰমলৈ নিয়া হ’ব। ২১ ছেপ্টেম্বৰৰ পুৱা প্ৰেমজোতি সৰুসজাই ভোগেশ্বৰ বৰুৱা ষ্টেডিয়ামলৈ ৰাজ্যিক সভাপতি ডাঃ গকুল চন্দ্ৰ দাসৰ নেতৃত্বত নিয়া হ’ব। বিয়লি ৪ বজাত ভজন আৰু আৰতি অনুষ্ঠিত হ’ব। ২২ ছেপ্টেম্বৰৰ পুৱা ৪.৩০ বজাত ওম কাৰম, সুপ্ৰভাতম আৰু নগৰ সংকীৰ্তন অনুষ্ঠিত হ’ব। ইয়াৰ পিছতে ইউনিটি ৰান এণ্ড ৰাইডৰ অন্তত পুনৰ সাধনা নিলয়মলৈ প্ৰেমজ্যোতিক লৈ অনা হ’ব। ইয়াৰ পিছতে পুৱা ৯ বজাত সাধনা নিলয়মৰ পৰা ৰঙিয়া; ৰঙিয়াৰ পৰা বৰমালৈ প্ৰেমজ্যোতিক লৈ যোৱা হ’ব।

# মহানগৰীত ‘লাইফ বিহাইণ্ড দ্য লাইফ’ ছবিৰ পোষ্টাৰ মুকলি

দৈনিক অসমৰ প্ৰতিনিধি
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** আজি মহানগৰীৰ হোটেল গ্ৰেণ্ড মেজেষ্টিত নতুন অসমীয়া চলচ্চিত্ৰ ‘লাইফ বিহাইণ্ড দ্য লাইফ’ (জীৱনৰ আঁৰৰ জীৱন)ৰ পোষ্টাৰ মুকলি কৰা হয়। বহু অসমীয়া চলচ্চিত্ৰ, ধাৰাবাহিকৰ সম্পাদনা-পৰিচালনাৰ লগতে বহুকেইখন চুটি ছবি আৰু মিউজিক ভিডিঅ’ পৰিচালনাৰে পুষ্ট অনুপম কে বৰদলৈয়ে পৰিচালনা কৰা ‘লাইফ বিহাইণ্ড দ্য লাইফ’এ ইতিমধ্যে ‘মোক্ষ’ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ক্ৰমে ‘শ্ৰেষ্ঠ নৱাগত পৰিচালক’ আৰু ‘শ্ৰেষ্ঠ চিত্ৰনাট্যকাৰ’ৰ বঁটা লাভ কৰিছে। তদুপৰি ‘কাঁ বিশ্ব আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ’ত চলচ্চিত্ৰখনে মহোৎসৱখনিৰ চূড়ান্ত প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। দেশৰ লগতে সমগ্ৰ বিশ্বৰ প্ৰায় ৩৮খন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱলৈ ছবিখন প্ৰেৰণ কৰা হৈছে বুলি সংবাদ মেল যোগে জানিবলৈ দিয়ে পৰিচালক অনুপম কে বৰদলৈয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ডঃ জোনমণি দেৱী খাউণ্ড, শিল্পী তৰালী শৰ্মা, অভিনয় শিল্পীদ্বয় অসীম শৰ্মা আৰু সত্যেন শৰ্মাই ছবিখনৰ পোষ্টাৰ মুকলি কৰাৰ লগতে ‘লাইফ বিহাইণ্ড দ্য লাইফ’ৰ সফলতাৰ আঁত ধৰি সাৰুৱা ভাষণ প্ৰদান কৰে।



## জামুগুৰিহাটত শংকৰ সংঘৰ অধিৱেশনৰ প্ৰস্তুতি

**দৈনিক অসমৰ প্ৰতিনিধি**
**জামুগুৰিহাট, ১৮ ছেপ্টেম্বৰ ঃ** শোণিতপুৰৰ জামুগুৰিহাটত অহা বৰ্ষৰ ৬-৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫সংখ্যক বাৰ্ষিক অধিৱেশন। প্ৰায় পাঁচ কোটি টকা ব্যয়সাপেক্ষে হ'বলগীয়া অধিৱেশনৰ সফল ৰূপায়ণৰ বাবে ইতিমধ্যে গঠন কৰা হৈছে ৩৫খনকৈ উপ-সমিতি। প্ৰতিখন উপ-সমিতিয়ে ক্ষিপ্ৰতাৰে নিজৰ দায়িত্ব পালন কৰি থকা পৰিলক্ষিত হৈছে। জামুগুৰিহাটৰ চৈবাৰীস্থিত জ্যোতি বিষ্ণু সমন্বয় ক্ষেত্ৰত আয়োজিত হ'বলগীয়া অধিৱেশন সাফল্যমণ্ডিত কৰাৰ বাবে মুছলমান বসতিপ্ৰধান বাকোলা গাঁৱৰ ৰাইজে সকলো পৰিকল্পনা যুগুত কৰিছে। বাকোলা গাঁও উন্নয়ন সমিতিৰ সভাপতি মহম্মদ ছাহজাহান আহমেদ আৰু বাকোলা মছজিদ কমিটীৰ সভাপতি ফজনুৰ আলীয়ে কয় যে শংকৰ সংঘৰ অধিৱেশনৰ অতিথিক আদৰিবলৈ গাঁওবাসী সাজু। বিভিন্ন স্থানৰ বৈষ্ণৱ-ভকত, আই-মাতৃক আপ্যায়নৰ বাবে গাঁৱৰ মহিলাসকলে সমূহীয়াভাৱে পিঠা-পনা প্ৰস্তুত কৰাৰ সিদ্ধান্ত লৈছে বুলিও জানিবলৈ দিয়ে। এই অধিৱেশন সমন্বয়ৰ মিলনভূমি হ'ব বুলি মন্তব্য কৰে ছাহজাহান আহমেদ আৰু ফজনুৰ আলীয়ে। আনহাতে পূব ভৰলী মুছলিম জনকল্যাণ পৰিষদৰো সভাপতিৰ দায়িত্বত থকা ছাহজাহান আহমেদ আৰু সম্পাদক আব্দুল আজিমে আজি 'দৈনিক অসম'ক কয় যে শংকৰ সংঘৰ অধিৱেশন সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত এই অঞ্চলৰ ইছলামধৰ্মী ৰাইজে একপ্ৰকাৰ কঁকাল টঙালি বান্ধিছে।

### পাঁচটা সমষ্টিৰ ৩.৪৫ লাখ ভোটাৰৰ বিপৰীতে অৱতীৰ্ণ ৪১গৰাকী প্ৰাৰ্থী

# তামুলপুৰত আকৰ্ষণীয় ৰূপত শাসক-বিৰোধীৰ প্ৰচাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**তামুলপুৰ, ১৮ ছেপ্টেম্বৰ ঃ** বিটিচিৰ সাধাৰণ পৰিষদীয় নিৰ্বাচনলৈ মাত্ৰ কেইটামান দিন বাকী থকা সময়ত বেচ আকৰ্ষণীয় হৈ পৰিছে শাসক-বিৰোধীৰ নিৰ্বাচনী প্ৰচাৰ অভিযান। এইক্ষেত্ৰত বিটিচিৰ অন্যতম জিলা তামুলপুৰতো বিটিচি নিৰ্বাচনক লৈ বণ্ডকো বজাইছে শাসক-বিৰোধী সকলো ৰাজনৈতিক দলে। দলসমূহৰ মনোনীত প্ৰাৰ্থীসকলৰ সমৰ্থনত দিন-ৰাতি একাকাৰ কৰি দলীয় পোষ্টাৰ-বেনাৰ আঁৰি গাঁৱে-ভূঞে প্ৰচাৰ কাৰ্য চলাই ভোটাৰৰ মন জয় কৰিবলৈ সকলো প্ৰকাৰৰ প্ৰচেষ্টা হাতত লোৱা পৰিলক্ষিত হৈছে। ইতিমধ্যে বিটিচিৰ শাসকীয় দল বিজেপি আৰু ইউপিপিএলৰ লগতে সোতৰ বছৰীয়া শাসনকালৰ অভিজ্ঞতাপুষ্ট ৰাজনৈতিক দল বিপিএফেও ৰাজনীতিৰ পথাৰত নামি ৰাইজৰ ওচৰ চাপিছে। তদুপৰি বিটিচিত কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেচনেলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীৰ পয়োভৰ ঘটিছে বিটিচি নিৰ্বাচনত। তামুলপুৰ জিলাৰ অন্তৰ্গত পাঁচোটা পৰিষদীয় সমষ্টি হ'ল— ২৬ নম্বৰ দৰঙাজুলি (জনজাতি), ২৭ নম্বৰ নাগ্ৰীজুলি (অ-জনজাতি), ২৮ নম্বৰ গয়বাৰী (জনজাতি), ২৯ নম্বৰ শুক্লাই ছেৰফাং (জনজাতি) আৰু ৩০ নম্বৰ গোৰেশ্বৰ (জনজাতি)। জিলাখনৰ ২৬ নং দৰঙাজুলি সমষ্টিত ভোটকেন্দ্ৰ ৭৬টা, পুৰুষ ভোটাৰ ৩৪,১০৯গৰাকী, মহিলা ভোটাৰ ৩৪,১৫০গৰাকী আৰু মুঠ ভোটাৰ ৬৮,২৫৯ গৰাকীৰ বিপৰীতে প্ৰাৰ্থীৰ সংখ্যা ৫গৰাকী, ২৭ নং নাগ্ৰীজুলি সমষ্টিত ভোটকেন্দ্ৰ ৬২ টা, পুৰুষ ভোটাৰ ২৮,৬৫৫ গৰাকী, মহিলা ভোটাৰ ২৮,৫৮৩গৰাকী আৰু মুঠ ভোটাৰ ৫৭,২৩৮ গৰাকীৰ বিপৰীতে প্ৰাৰ্থীৰ সংখ্যা ১৩ গৰাকী, ২৮ নং গয়বাৰী সমষ্টিত ভোটকেন্দ্ৰ ৯৫টা, পুৰুষ ভোটাৰ ৪০,৫০২ গৰাকী, মহিলা ভোটাৰ ৩৯,৯৯৩ গৰাকী আৰু মুঠ ভোটাৰ ৮০,৪৯৫ গৰাকীৰ বিপৰীতে প্ৰাৰ্থীৰ সংখ্যা ৫গৰাকী,২৯ নম্বৰ শুক্লাই ছেৰফাং সমষ্টিত ভোটকেন্দ্ৰ ৬৮টা, পুৰুষ ভোটাৰ ২৯,৭০৩ গৰাকী, মহিলা ভোটাৰ ২৯,১৯৮ গৰাকী আৰু মুঠ ভোটাৰ ৫৮,৯০১গৰাকীৰ বিপৰীতে প্ৰাৰ্থীৰ সংখ্যা ৭গৰাকী, আৰু ৩০ নং গোৰেশ্বৰ সমষ্টিত ভোটকেন্দ্ৰ ৯০টা, পুৰুষ ভোটাৰ ৩৯,৯২৬ গৰাকী, মহিলা ভোটাৰ ৪০,৯৫০গৰাকী, অন্যান্য এগৰাকী আৰু মুঠ ভোটাৰ ৮০,৮৭৭গৰাকীৰ বিপৰীতে ১০ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী ৰণত নামিছে। জিলাখনৰ পাঁচটা পৰিষদীয় সমষ্টিত ৩৯১টা ভোটগ্ৰহণ কেন্দ্ৰত মুঠ ভোটাৰৰ সংখ্যা ৩,৪৫,৭৭০ৰ বিপৰীতে প্ৰাৰ্থীৰ সংখ্যা হৈছে মুঠ ৪১গৰাকী। বিটিচি নিৰ্বাচন, ২০২৫ৰ বাবে মনোনয়নপত্ৰ দাখিলৰ অন্তিম দিনা তামুলপুৰ জিলাৰ ৫টা পৰিষদীয় সমষ্টিৰ ২১গৰাকী প্ৰাৰ্থীয়ে মনোনয়নপত্ৰ দাখিল কৰিছে। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই জনোৱা মতে ২৬ নং দৰঙাজুলি সমষ্টিৰ ২গৰাকী প্ৰাৰ্থী ক্ৰমে বিজিতগৌৰা নাৰ্জাৰী (বিজেপি) আৰু ছেজন গয়াৰী (ভাৰতীয় জাতীয় কংগ্ৰেছ)-এ মনোনয়নপত্ৰ দাখিল কৰে। জিলা আয়ুক্ত কাৰ্যালয়ত ২৭ নং নাগ্ৰীজুলি সমষ্টিৰ ৭গৰাকী প্ৰাৰ্থী ক্ৰমে কৃষ্ণ পোদ্দাৰ (নিৰ্দলীয়), লখি দাস (বিজেপি), নীলমণি ৰাজবংশী (নিৰ্দলীয়), তৰুণ বিশ্বাস (সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছ), ধানেশ্বৰী দাস (ভিপিআই), উদয় বিশ্বাস (ভাৰতীয় জাতীয় কংগ্ৰেছ) আৰু উত্তম দাস (বিপিএফ)-এ মনোনয়নপত্ৰ দাখিল কৰে। তামুলপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত ২৮ নং গয়বাৰী সমষ্টিৰ এগৰাকী প্ৰাৰ্থী জোনমণি বাসা (ভিপিআই)-ই মনোনয়নপত্ৰ দাখিল কৰে। জিলা আয়ুক্ত কাৰ্যালয়ত ২৯ নং শুক্লাই ছেৰফাং সমষ্টিৰ ৪গৰাকী প্ৰাৰ্থী ক্ৰমে ৰণেন্দ্ৰ নাৰ্জাৰী (বিজেপি), ৰূপন বসুমতাৰী (ভিপিআই), সুন্দৰ বড়ো (এন আৰ এম পি আই) আৰু সুৰজিৎ বসুমতাৰী (ভাৰতীয় জাতীয় কংগ্ৰেছ)-এ মনোনয়নপত্ৰ দাখিল কৰে। একেদৰে গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত ৩০ নং গোৰেশ্বৰ সমষ্টিৰ ৭গৰাকী প্ৰাৰ্থী ক্ৰমে ভবেন্দ্ৰ নাথ স্বৰ্গীয়াৰী (ভাৰতীয় জাতীয় কংগ্ৰেছ), বিজুলী নাৰ্জাৰী (ভিপিআই), বিপুল কুমাৰ বসুমতাৰী (ইউ পি পি এল), দেবহাছৰ নাৰ্জাৰী (বিজেপি), কুশল বড়ো (নিৰ্দলীয়), ৰাজেন্দ্ৰ চন্দ্ৰ ডেকা (নিৰ্দলীয়) আৰু ৰবীন চন্দ্ৰ বড়ো (নিৰ্দলীয়)-ৰে মনোনয়নপত্ৰ দাখিল কৰে। ৪ ছেপ্টেম্বৰত মনোনয়নপত্ৰ পৰীক্ষাৰ অন্তত জিলাখনৰ পাঁচোটা সমষ্টিৰ মুঠ ৪১গৰাকী প্ৰাৰ্থী পৰিষদীয় নিৰ্বাচনৰ বাবে বৈধ ঘোষিত হৈছে। বিটিচি নিৰ্বাচনক লৈ এইসকল শাসক-বিৰোধী প্ৰাৰ্থীয়ে দিনে-নিশাই দলীয় সমৰ্থকক লগত লৈ ভোটাৰৰ মন জয় কৰিবলৈ উঠি পৰি লগা পৰিলক্ষিত হৈছে।



## যমদুৱাৰ সমষ্টিৰ বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী ডঃ শৰ্মা

**দৈনিক অসমৰ প্ৰতিনিধি**
**গোসাঁইগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** বিটিচি পৰিষদীয় নিৰ্বাচনক লৈ তৎপৰ হৈছে বিজেপি। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিটো পৰিষদীয় সমষ্টিতে দলীয় প্ৰাৰ্থীৰ হৈ চলাইছে নিৰ্বাচনী প্ৰচাৰ। ১৭ ছেপ্টেম্বৰত বিটিচিৰ চাৰি নং যমদুৱাৰ সমষ্টিৰ দলীয় প্ৰাৰ্থী ৰাহুল নাৰ্জাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰীগৰাকীয়ে। কোকৰাঝাৰ জিলাৰ চাৰি নং যমদুৱাৰ সমষ্টিৰ ডাৱাগুৰী লাইমীন ক্লাব কাম লাইব্ৰেৰী খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সমষ্টিটোৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰাৰ কথা উল্লেখ কৰাৰ লগতে যুৱক-যুৱতীসকলক এটকাও খৰচ নকৰাকৈ চৰকাৰী চাকৰি আৰু আৰক্ষীত নিযুক্তি প্ৰদান কৰাৰ কথা উল্লেখ কৰে। তেওঁ ভাষণ প্ৰসংগত কয় যে বিটিচিত এইবাৰ ৰাইজে বিজেপি চৰকাৰ বিচাৰিছে। দিল্লী-দিছপুৰৰ পৰা বিটিচিৰ বাবে দিয়া ধনেৰে যাতে ৰাইজৰ সমস্যা দূৰ হয় আৰু চৰকাৰী আঁচনিসমূহ লাভ কৰিব পাৰে। তেওঁ লগতে কয় যে বহুতে নাজানে প্ৰতিবছৰে ৰাজ্য চৰকাৰে এহেজাৰ কোটি টকা আৰু কেন্দ্ৰীয় চৰকাৰে পাঁচ কোটি টকাকৈ বিটিচিক দিয়ে। বিটিচিত প্ৰতিবছৰে ১৫ শ কোটি টকা আহি আছে যদিও বিটিচিৰ সমষ্টিবাসীৰ সমস্যা সমস্যা হৈয়ে আছে। আনহাতে গোষ্ঠীগত সংঘৰ্ষত ক্ষতিগ্ৰস্ত আদিবাসী পৰিয়ালসমূহক পঞ্চাশ হেজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি ভাষণত উল্লেখ কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বিজেপিয়ে একক সংখ্যাগৰিষ্ঠ দল হ'লে কাক লগত লৈ চৰকাৰ গঠন কৰিব সেয়া এই সময়ত কোৱাটো ঠিক নহ'ব বুলি উল্লেখ কৰি আঞ্চলিক ৰাজনৈতিক দলৰ সহযোগিতাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰে। যমদুৱাৰ সমষ্টিৰ নিৰ্বাচনী সভাখনত ডিমা-হাছাও স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই নিজৰ ভাষণত বিটিচিত বিজেপি চৰকাৰ আহিলে উন্নয়ন হ'ব বুলি দাবী কৰে। নিৰ্বাচনী সভাখনত কেবিনেট মন্ত্ৰী অশোক সিংহল, ডিমা-হাছাও স্বায়ত্বশাসিত পৰিষদৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্যৰ লগতে কেইবাগৰাকীও বিজেপি নেতা উপস্থিত থাকে।

## নলবাৰীৰ পৰা নিয়ন্ত্ৰণ হয় বজালী জিলা

**দৈনিক অসমৰ প্ৰতিনিধি**
**পাঠশালা, ১৮ ছেপ্টেম্বৰ ঃ** বিজেপি মিত্ৰজোঁট চৰকাৰৰ সম-উন্নয়নৰ শ্ল'গান যেন নেতা-মন্ত্ৰীৰ মুখতে সীমাবদ্ধ। এখন জিলাত দুটা সংমণ্ডল থকাৰ তথ্যই এই কথাকে প্ৰমাণিত কৰিছে। লক্ষণীয় যে নলবাৰীৰ পৰা নিয়ন্ত্ৰণ হয় বজালী জিলা। এই ঘটনাই ক্ষুব্ধ কৰি তুলিছে বজালীৰ ৰাইজ আৰু হাজাৰ হাজাৰ কৃষকক। খেতিৰ বাবে বজালীৰ আছে এক সুকীয়া স্থান। এটা সময়ত শালি খেতি বা ৰবি শস্যৰে নদন-বদন হৈ আছিল বজালীৰ পথাৰ। কিন্তু এতিয়া বজালীত এই পৰিৱেশ নাই। কাৰণ বজালীৰ পথাৰত জলসিঞ্চনৰ অভাৱ। জলসিঞ্চন বিভাগৰ চূড়ান্ত দায়িত্বহীনতা আৰু সোপাঢিলা স্বৰূপৰ বাবে সমস্যাৰ সন্মুখীন হৈছে বজালীৰ ৰাইজ। এইক্ষেত্ৰত বিভাগীয় মন্ত্ৰী অশোক সিংহলেও কোনো গুৰুত্ব নিদিয়াত ৰাইজৰ মাজত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। বজালী জিলা ছাত্ৰ সন্থাৰ নেতৃত্বত আৰু ৰাইজৰ সহযোগত ৰূপায়ণ হোৱা ধাৰাবাহিক আন্দোলনৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে বজালীক জিলা হিচাপে স্বীকৃতি প্ৰদান কৰিছিল যদিও সম্প্ৰতি ৰাইজৰ মাজত সৃষ্টি হৈছে নিৰুৎসাহ। বজালী জিলা গঠন কৰিলেও জিলাখনত থাকিবলগীয়া প্ৰায়বোৰ কাৰ্যালয় আজিও বজালীত স্থাপন নহ'ল। জলসিঞ্চন বিভাগো নাই বজালী জিলাত। বজালী মহকুমা হৈ থকা অৱস্থাত বজালীত আছিল জলসিঞ্চন বিভাগৰ দুটাকৈ সংমণ্ডল। এটা পাঠশালাত আৰু আনটো আছিল সৰুপেটাত। কিন্তু বজালী জিলাৰূপে স্বীকৃত হোৱাৰ পাছত পাঠশালাৰ সংমণ্ডলটো উঠাই নি টিহুত স্থাপন কৰা হ'ল। একেদৰে সৰভোগলৈ স্থানান্তৰ কৰা হয় সৰুপেটা সংমণ্ডল। ইয়াৰ ফলত বজালীৰ কৃষকে সাধাৰণ এটা কামৰ বাবে নলবাৰী জিলাৰ টিহুত থকা টিহু-বজালী সংমণ্ডলৰ কাৰ্যালয়লৈ তাঁতবাতি কাঢ়িবলগীয়া হৈছে। ৰাইজৰ লগতে ব্যাপক সমস্যাৰ সন্মুখীন হৈছে সংমণ্ডলটোৰ বিষয়া-কৰ্মচাৰীও। তদুপৰি বজালীৰ বাহিৰত সংমণ্ডল হোৱা কাৰণে বজালীৰ উপায়ুক্তই পৰিদৰ্শন নকৰে এই সংমণ্ডলটো। স্বাভাৱিকতে নলবাৰী জিলাত জলসিঞ্চনৰ দুটা সংমণ্ডল থকাত এয়াই চৰকাৰৰ সম-উন্নয়ন, সমবিকাশ নেকি বুলি ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে।

## লুইতপৰীয়া মহাবিদ্যালয়ত নৱাগত আদৰণী সভা

**দৈনিক অসমৰ প্ৰতিনিধি**
**নগৰবেৰা, ১৮ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ বৃহত্তৰ চৰ-চাপৰিৰ একমাত্ৰ শিক্ষানুষ্ঠান লুইতপৰীয়া মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাখন বুধবাৰে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জছিম উদ্দিন আহমেদে পতাকা উত্তোলন কৰাৰ পাছতে মহাবিদ্যালয় চৌহদত ইতিহাস বিভাগৰ অধ্যাপক আব্দুল বাৰিকৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলে গছপুলি ৰোপণ কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। ইয়াৰ পাছতে ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হয় চিনাকি পৰ্ব। মহাবিদ্যালয়খনৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক ডঃ আনোৱাৰ হুছেইন, ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ডঃ নুৰ আলম হক আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা বেনজিৰ চুলতানা আহমেদে পৰিচালনা কৰা চিনাকি পৰ্ব অনুষ্ঠানটোৰ শ্ৰেষ্ঠ নৱাগত ছাত্ৰ আৰু ছাত্ৰী হিচাপে নিৰ্বাচিত হয় ক্ৰমে আজাদ আলী আৰু শৰ্মিলা খাতুন। অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক জিয়াউৰ ৰহমানে আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ দিয়ে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক জুলফিকৰ আহমেদে। বিয়লি অনুষ্ঠিত মুকলি সভাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আব্দুৰ ৰচিদ, মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জছিম উদ্দিন আহমেদৰ লগতে কেইবাগৰাকী অধ্যাপক-অধ্যাপিকাই ভাষণ দিয়ে। আদৰণী সভাত অন্তত গীত পৰিৱেশন কৰে কণ্ঠশিল্পী মিছ প্ৰীতিয়ে।



## সৰিহ চাকলাত যাতায়াতত দুৰ্ভোগ ৰাইজৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**পাটাছাৰকুছি, ১৮ ছেপ্টেম্বৰ ঃ** পাটাছাৰকুছিৰ সৰিহ চাকলাত কালদিয়া নদীৰ ওপৰত এখন সৰু বাঁহৰ সাঁকোৰে কেইবা দশক ধৰি ৰাইজে যাতায়াত কৰি আহিছে। ইয়াত এখন দলঙৰ ব্যৱস্থা কৰিবলৈ কেইবাবাৰো ৰাইজে দাবী জনাই আহিছে যদিও আজিলৈকে হৈ উঠা নাই। এই সাঁকোখন প্ৰতিবছৰে ভাঙি যোৱাত নদীৰ দুয়ো পাৰৰ ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হয়। সাঁকোখন প্ৰতি বছৰে বাৰিষা কালদিয়া নদীৰ বানৰ ধলে ভাঙি নিয়ে। তেতিয়া দুয়োপাৰৰ ৰাইজ ভীষণ অসুবিধাত পৰে। এই সাঁকোখন ভাঙি গ'লে প্ৰায় দুই কিলোমিটাৰ আঁতৰেদি কুঁৱাৰাত থকা দলঙেৰে যাতায়াত কৰিব লগা হয়। ইয়াৰ পূব পাৰৰ ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট অসুবিধা হয়। পশ্চিম পাৰৰ লোকসকলৰো খেতিপথাৰ নদীৰ পূব পাৰে হোৱা বাবে পথাৰলৈ যোৱা আৰু গৰু-ছাগলী চৰাবলৈ নিয়াত অসুবিধা হয়। ফলত ৰাইজে প্ৰায় ত্ৰিশ মিটাৰৰ পৰিৱৰ্তে প্ৰায় আঢ়ৈ কিলোমিটাৰ পথ অতিক্ৰম কৰি পথাৰলৈ যাব লগা হয়। এই সাঁকোখন ভাঙি গ'লে প্ৰতিবছৰে স্থানীয় ৰাইজে গাঁঠিৰ ধন ভাঙি মেৰামতি কৰি লয়। গতিকে উক্ত ঠাইত এখন কাঠৰ বা পকী দলং নিৰ্মাণ কৰি অঞ্চলটোৰ ৰাইজৰ যাতায়াতৰ এই দুৰ্ভোগ নোহোৱা কৰিবলৈ ৰাইজে চৰকাৰক দাবী জনাইছে। বৰ্তমান সময়ত কালদিয়া নদীৰ পানী বঢ়াৰ লগে লগে সাঁকোখনক লৈ ৰাইজ শংকিত হৈ পৰে।

## ভোলাগাঁও-বালাহপুৰ দুখনকৈ জলজীৱন আঁচনিৰপৰা ৰাইজে নাপালে বিশুদ্ধ খোৱাপানী

**দৈনিক অসমৰ প্ৰতিনিধি**
**পলাশবাৰী, ১৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে পশ্চিম গুৱাহাটী সমষ্টিৰ ৰাণী উন্নয়ন খণ্ডৰ অন্তৰ্গত ভোলাগাঁও, পাটগাঁও আৰু বালাহপুৰ গাঁৱত দুখনকৈ জলজীৱন আঁচনিৰ কাম আৰম্ভ কৰা হৈছিল। ভোলাগাঁৱত প্ৰায় দুবছৰ পূৰ্বে এই আঁচনিৰ আধাৰশিলা স্থাপন কৰিছিল পশ্চিম গুৱাহাটী সমষ্টিৰ অগপ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। তেওঁ এই আঁচনিৰ আধাৰশিলা স্থাপন কৰি অঞ্চলটোৰ সংখ্যালঘু ৰাইজে বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ কৰিব নালাগে বুলি কৈছিল। যদিও এই আঁচনিৰ পৰা ৰাইজে পানী নাপালে। এই আঁচনিত জড়িত ঠিকাদাৰ, অভিযন্তাৰ চূড়ান্ত হেমাহি তথা চৰকাৰৰ পৰা ধন মোকলাই নিদিয়াৰ বাবেই এই কাম আধৰুৱাকৈ থাকে বুলি ঠিকাদাৰে মত প্ৰকাশ কৰে। আঁচনিখনৰ বাবে অনা মূল্যৱান সা-সৰঞ্জামবোৰ ভাঙি-ছিঙি যাবলৈ ধৰিছে। লগতে ভোলাগাঁৰৰ পৰা প্ৰায় এক কিলোমিটাৰ দূৰত্বত থকা বালাহপুৰৰ জলজীৱন আঁচনিখনৰো একেই অৱস্থা। বালাহপুৰত থকা এই আঁচনিৰ মূল্যৱান টেংকী, আৱাসগৃহ আদি বিভাগীয় কৰ্তৃপক্ষই ৰং কৰাৰ উপৰি আশে-পাশে পথ খান্দি পানীৰ টেপ আৰু পাইপ বহুওৱাৰ পিছতো ৰাইজে নাপালে পানী। ফলত এই আঁচনিখনৰো সা-সৰঞ্জাম, টেপ, পাইপ আদি ভাঙি-ছিঙি যাবলৈ ধৰিছে। আনকি এই আঁচনিখন হাবি-জংঘলৰ বাহ হৈ পৰিছে। গুৰুত্বপূৰ্ণ যে ভোলাগাঁও আৰু বালাহপুৰত এই আঁচনিখনৰ পৃথকে আধাৰশিলা স্থাপন কৰাৰ দিন ধৰি সেই ঠাইত উপস্থিত নহ'ল বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা। আনহাতে বৰ্তমান পলাশবাৰী সমষ্টিত সংলগ্ন সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়ায়ো গুৰুত্ব প্ৰদান কৰা নাই। দুয়োখন আঁচনি কাৰ্যতঃ জলমৰণহে হৈছে বুলি ৰাইজে কয়। চৰকাৰে বিভিন্ন সময়ত শ্ল'গান দি 'ঘৰে ঘৰে নল-ঘৰে ঘৰে জল' ঘোষণা কৰিছিল যদিও পশ্চিম গুৱাহাটী সমষ্টিৰ ৰাণী উন্নয়ন খণ্ডৰ অন্তৰ্গত এই আঁচনি দুখনৰ দুৰৱস্থাই প্ৰমাণ কৰে যে এই আঁচনিবোৰ ঠিকাদাৰ, মন্ত্ৰী-বিধায়ক, অভিযন্তাৰ ধন ঘটা আঁচনিতহে পৰিণত হৈছে। লগতে গাঁৱে-ভূঞে এই জলজীৱন আঁচনিবোৰৰ নামত বোৰিং আদিৰ বাবে বহু ঠাইত জলপৃষ্ঠ তললৈ নামি যোৱাৰ অভিযোগ আহিছে। ফলত ঠায়ে ঠায়ে দমকল-কুঁৱাৰ পানী শুকাবলৈ ধৰিছে। যাৰবাবে আজিও এই সমষ্টিটোৰ সীমান্তৱৰ্তী বহু লোকে নিজৰা, নৈ আদিৰ পৰা পানী আনি জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। উল্লেখ্য যে চৰকাৰে গ্ৰহণ কৰা এনে জলজীৱন আঁচনিৰ নামত ৰাজ্যৰ অন্য ঠাইৰ দৰে এই সমষ্টি দুটাৰ বিভিন্ন প্ৰান্ততো এক প্ৰকাৰ এই আঁচনিখন প্ৰহসনত পৰিণত হৈছে।

## হাজো বিষ্ণু ৰাম মেধি সামূহিক স্বাস্থ্যকেন্দ্ৰত খাদ্য-সামগ্ৰী বিতৰণ

**দৈনিক অসমৰ প্ৰতিনিধি**
**হাজো, ১৮ ছেপ্টেম্বৰ ঃ** উত্তৰ কামৰূপ জিলা বিজেপিৰ অন্তৰ্গত হাজোত পঞ্চতীৰ্থ মণ্ডলৰ উদ্যোগত পালন কৰা হৈছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫সংখ্যক জন্মদিন। ১৭ ছেপ্টেম্বৰত পুৱাৰ ভাগত পঞ্চতীৰ্থ মণ্ডলৰ অন্তৰ্গত ৯২ নং বুথৰ সহযোগত হাজো বিষ্ণুৰাম মেধি সামূহিক স্বাস্থ্যকেন্দ্ৰত এক স্বচ্ছ অভিযান কাৰ্যসূচীত অংশগ্ৰহণ কৰে দলীয় কৰ্মীসকলে। এই কাৰ্যসূচীত উপস্থিত থাকে বিজেপি অসম প্ৰদেশৰ অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি প্ৰকাশ দাস, উত্তৰ কামৰূপ জিলা বিজেপিৰ সম্পাদক প্ৰভাত কলিতা, পঞ্চতীৰ্থ মণ্ডলৰ সভাপতি কল্যাণ দাস, ৯২ নং বুথৰ সভানেত্ৰী মধুমিতা দাসকে আদি কৰি অৰ্ধশতাধিক দলীয় কৰ্মী।

## শোণিতপুৰৰ বেঙ্গিমাৰীত বেলশিৰি নৈৰ ভয়াৱহ খহনীয়া



**দৈনিক অসমৰ প্ৰতিনিধি**
**ঢেকিয়াজুলি, ১৮ ছেপ্টেম্বৰ ঃ** বানপানীৰ পৰা ৰাইজে কিছু পৰিমাণে সকাহ পাইছে যদিও ঠায়ে ঠায়ে আৰম্ভ হৈছে খহনীয়াৰ সন্ত্ৰাস। শোণিতপুৰ জিলাৰ বেঙ্গিমাৰীত বেলশিৰি নৈৰ খহনীয়াত বিপৰ্যস্ত নৈপৰীয়া ৰাইজ। খহনীয়াৰ বাবে এতিয়া নিদ্ৰা হৰণ হৈছে শোণিতপুৰ জিলাৰ বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত ঠেলামৰাৰ বেঙ্গিমাৰী গাঁৱৰ ৰাইজৰ। বিগত কিছু বছৰ ধৰি বেলশিৰি নৈয়ে বেঙ্গিমাৰীত চলাই অহা ভয়ংকৰ খহনীয়াৰ ফলত নৈৰ বুকুত জাহ গৈছে কেইবা বিঘাও কৃষি ভূমিৰ লগতে কেইবাটাও বাসগৃহ। স্থানীয় বিধায়ক গণেশ কুমাৰ লিম্বুৱে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। নৈখন বুলেট ট্ৰেইনৰ দৰে চিধা হ'লেহে ব্যৱস্থা কৰিব পৰা যাব বুলি বিধায়কগৰাকীয়ে তুলুঙা মন্তব্য দিয়া বুলিও উত্থাপন হৈছে আন এক গুৰুতৰ অভিযোগ। আনকি নতুনকৈ গঠন হোৱা পঞ্চায়তৰ নতুন প্ৰতিনিধিসকলক লৈও অসন্তুষ্টি প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। শীঘ্ৰে বেলশিৰি নৈৰ খহনীয়া ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰলৈ আহ্বান জনাইছে স্থানীয় ৰাইজে।

## স্মৃতি তৰ্পণ

### বীণা হাজৰিকা



আমাৰ পৰিয়ালৰ সকলোৰে মৰমৰ, শ্ৰদ্ধাৰ বীণা খুৰী আছিল এনেকুৱা এগৰাকী নাৰী যাক শৈশৱৰে পৰা আমাৰ বৃহৎ পৰিয়ালটোত ডাঙৰ-সৰু যোগ্য অনুসাৰে সকলোৰে লগত মৰম-চেনেহৰে বান্ধ খাই থকা দেখিছিলোঁ। ১৯৫৯ চনত আমাৰ খুৰা তৰুণ হাজৰিকাৰ (বৰ্তমান প্ৰয়াত) বিবাহসূত্ৰে খুৰী তেজপুৰৰ পৰা বিশ্বনাথ চাৰিআলিৰ লেহু গাঁৱৰ আমাৰ পৰিয়ালটিৰ মাজলৈ আহি মিলি পৰিছিলহি। খুৰীৰ জীৱনটো আছিল পৰিয়ালৰ মাজত সমন্বয় ৰক্ষা আৰু কৰ্মময়তাৰে ভৰা। বিবাহৰ পাছত উচ্চ শিক্ষিতা খুৰীয়ে লেহুগাঁৱৰপৰা কিছু দূৰৈত অৱস্থিত পাভৈ হাইস্কুলত শিক্ষয়িত্ৰীৰ চাকৰিত নিযুক্ত হৈছিল। পিছত পি ডব্লিউ ডিত অভিযন্তা হিচাপে চাকৰি কৰা খুৰাৰ চাকৰি ক্ষেত্ৰ শ্বিলঙলৈ আহে। শ্বিলঙত খুৰীয়ে পুনৰ লাৱান ছোৱালী হাইস্কুলত যোগদান কৰি শিক্ষাদান কাৰ্যত ব্ৰতী হৈ পৰে। পিছলৈ লাৱান হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ পদলৈ উন্নীত হৈ ২০০০ চনত অৱসৰ গ্ৰহণ কৰে। খুৰা-খুৰী দুয়োজনে চাকৰিৰ বাবে শ্বিলঙত থাকিবলগীয়া হ'লেও গাঁৱৰ স'তে তেওঁলোকৰ টান আছিল অতিকৈ নিবিড়। শ্বিলঙৰ লাইটুং মুখৰাত নিজাকৈ ঘৰ এখন কৰি লোৱা খুৰা-খুৰীয়ে চাকৰি আৰু ঘৰ-সংসাৰৰ দায়িত্ব পালন কৰি যোৱাৰ লগতে চাৰিটি সন্তানক উপযুক্তভাৱে গঢ়ি তোলাটোও তেওঁলোকৰ জীৱনৰ আন এক সফলতা। তেওঁলোকৰ বৰপুত্ৰ এৰ'নৈটিক ইঞ্জিনীয়াৰ নিপ হাজৰিকাৰ অলপতে ইংলেণ্ডত দেহাৱসান ঘটিছে। দ্বিতীয়া জীয়ৰী মিতালী হাজৰিকা ইএনটি বিভাগৰ বিশেষজ্ঞ চিকিৎসক। তৃতীয় সন্তান ৰিপ হাজৰিকাই বিচিপিএলৰ এমডি হিচাপে অৱসৰ লৈ বৰ্তমান ষ্টেট ইনফৰমেচন কমিছনাৰ (অসম) পদত নিযুক্ত। সৰু জীয়ৰী স্বপ্নালী হাজৰিকাৰ হিউষ্টনত চিটি প্লেনাৰ হিচাপে কাৰ্যৰত। ৰিপ হাজৰিকাৰ পত্নী সুনয়না হাজৰিকাক বোৱাৰী হিচাপে পায়ো খুৰী অত্যন্ত সুখী আছিল যিয়ে খুৰীক শেষ মুহূৰ্তলৈকে স্নেহ-স্পৰ্শৰে আৱৰি আছিল। শ্বিলঙৰ ধানখেতিত থকা শ্ৰীশ্ৰীমাধৱদেৱৰ নামঘৰৰ স'তে শেষলৈকে জড়িত আছিল। প্ৰত্যেক ভাদ মাহত শৰাই দিছিলগৈ। পিছলৈ তেওঁ যাব নোৱৰা হোৱাত সন্তানে গৈ তেওঁৰ শৰাইভাগ দিছিলগৈ। এইবাৰো জীয়ৰী মিতালীয়ে মাতৃৰ শৰাইভাগ দিবলৈ আগদিনা শ্বিলঙলৈ গৈছিল। কিন্তু পিছদিনা তেওঁ উভতি আহিবলগীয়া হ'ল। ৯ ছেপ্টেম্বৰত খুৰীয়ে এই পৃথিৱীৰ সকলো মায়া-মোহ ত্যাগ কৰি তেওঁৰ সন্তান, গুণমুগ্ধক শোকসাগৰত নিমজ্জিত কৰি এই পৃথিৱীৰ পৰা বিদায় মাগিলে। আমি অতিকৈ ভাল পোৱা বীণা খুৰীৰ আত্মাই চিৰশান্তি লাভ কৰক। আজি খুৰীৰ আদ্যশ্ৰাদ্ধৰ দিনা ভগৱানৰ ওচৰত তাৰ বাবে অন্তৰৰে প্ৰাৰ্থনা জনালোঁ।

■ জীমণি চৌধুৰী

## এশ বছৰীয়া পৰম্পৰাৰে গোছৰাবড়িত জীয়াই আছে কুটিৰ শিল্প

**দৈনিক অসমৰ প্ৰতিনিধি**
**লাহৰীঘাট, ১৮ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ অতি পিছপৰা গোছৰাবড়ি গাঁওবাসীয়ে গাঁওখনত জীয়াই ৰাখিছে কুটিৰ শিল্পৰ এশ বছৰীয়া পৰম্পৰা। সমষ্টিটোত নতুনকৈ অন্তৰ্ভুক্ত হোৱা বৰ্তমানৰ কলমৌবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত গাঁওখনৰ প্ৰায় ১৭০টা পৰিয়ালৰ ভিতৰত এতিয়া ৬০ -৭০টা মান পৰিয়ালে বছৰৰ প্ৰতিটো সময়তে ব্যস্ত থাকে বাঁহ-বেতৰ দ্বাৰা নিৰ্মিত বিভিন্ন সা-সামগ্ৰী নিৰ্মাণ কাৰ্যত। উল্লেখ্য যে যুগ যুগ ধৰি গোছৰাবড়ি গাঁওবাসীয়ে বাঁহ-বেতৰ দ্বাৰা ডলা, চালনী, খৰাহি, পাচি, বিচনী, জাকৈ-খালৈ, পল, চেপা, ঢাৰি, খদা আদি নিৰ্মাণ কৰি আহিছে। এই সন্দৰ্ভত গাঁওখনৰ জ্যেষ্ঠ ব্যক্তি তথা সুদীৰ্ঘ কাল এনে কামতে ব্যস্ত বলেন নাথ, প্ৰমিলা দেৱী, ৰাতুল নাথে কয় যে তেওঁলোকৰ বৰ্তমান বয়স ৫০-৬০ বছৰ। জানিব পৰা মতে তেওঁলোকৰ আজু ককাদেউতাকহঁতৰ দিনৰে পৰা বৰ্তমানলৈকে বৈজ্ঞানিক যুগতো গাঁওখনত বাঁহ-বেতৰ দ্বাৰা বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰি



কুটিৰ শিল্প জীয়াই ৰাখিছে। বৰ্তমান সময়ত দৈনন্দিন জীৱনত প্ৰয়োজন হোৱাকৈ বিভিন্ন বাচন-বৰ্তন,আচবাব ওলাইছে যদিও গ্ৰাম্য জীৱনৰ কৃষিভিত্তিক গৰিষ্ঠসংখ্যক সামগ্ৰীয়েই কিন্তু এতিয়াও বাঁহ-বেতৰ দ্বাৰাই প্ৰস্তুত হৈ আছে। সেই অনুসৰি বৰ্তমানেও মাছ ধৰা বিভিন্ন সঁজুলিসমূহ বাঁহ-বেতৰ দ্বাৰাই নিৰ্মাণ কৰি থকা হৈছে আৰু ইয়াৰ প্ৰয়োজনীয়তা শেষ হৈ যোৱা নাই। অৱশ্যে বৰ্তমান সময়ত ঢাৰি, খদা, ডুলিৰ প্ৰয়োজনীয়তা ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰিছে বুলি তেওঁলোকে আক্ষেপ প্ৰকাশ কৰে। উল্লেখ্য যে গাঁওখনৰ ৬০-৭০টা পৰিয়ালৰ শিশু, মহিলাকে ধৰি বৃদ্ধ-বৃদ্ধাসকলেও প্ৰতিদিনে বাঁহ-বেতৰ দ্বাৰা ডলা, খৰাহি, পাচি, চালনী আদিকে ধৰি বিভিন্ন সামগ্ৰী বনোৱা কামত ব্যস্ত হৈ থাকে। গাঁওখনৰ আটাইতকৈ ভাল লগা মুহূৰ্তবোৰ হৈছে জাৰ-জহ দিনত চুবুৰিয়ে চুবুৰিয়ে একগোট হৈ গছৰ ছাঁত আৰু কাঁচিয়লি ৰ'দত সামগ্ৰীসমূহ বনাই থকা দৃশ্য। গাঁওখনৰ সপ্তম শ্ৰেণীৰ মুন নাথ, অষ্টম শ্ৰেণীৰ দীক্ষিতা দেৱী, ষষ্ঠ শ্ৰেণীৰ লক্ষ্মী দেৱীহঁতে। সিহঁতে খুউব সুন্দৰকৈ নিৰ্মাণ কৰিব জানে ডলা, চালনী, বিচনী, খৰাহি আদি। কণমানি ছাত্ৰ-ছাত্ৰীকেইগৰাকীয়ে পিতৃ-মাতৃ তথা ডাঙৰসকলক দেখি এতিয়া পাৰ্গত হৈ উঠিছে। গাঁওখনৰ মুন, দীক্ষিতা, লক্ষ্মী কিন্তু এটা উদাহৰণহে। তেওঁলোকৰ দৰেই আৰ্থিকভাৱে দুৰ্বল পৰিয়ালসমূহৰ বহু ছাত্ৰ-ছাত্ৰী স্কুল-কলেজত অধ্যয়ন কৰাৰ মাজতে অব্যাহত ৰাখিছে গাঁওখনৰ পূৰ্বৰ পলম্পৰা। গাঁওখনৰ বলেন নাথে সূতা ব্যৱসায় কৰাৰ উপৰি তেওঁ আজৰি সময়ত বাঁহ-বেতৰ কাম কৰি হাত খৰচ উলিয়াই আহিছে। তেওঁ বহু বছৰৰ আগেয়ে মৰিগাঁও মহিলা মেহফিলৰ জৰিয়তে ডিমাপুৰত বাঁহ-বেতৰ প্ৰশিক্ষণো লৈছিল। একেদৰে গাঁওখনৰ একাংশ লোকক এই সন্দৰ্ভত বহু বছৰৰ আগত তেনে কোনো সংস্থাৰ উদ্যোগত প্ৰশিক্ষণ প্ৰদান কৰিছিল যদিও যুগ যুগ ধৰি বাঁহ-বেতৰ কামত নিয়োজিত হৈ থকা শিক্ষা আৰু আৰ্থিক দিশত পিছপৰা গাঁওবাসীক কিন্তু আজিলৈকে কোনো ক্ষুদ্ৰ উদ্যোগমুখী আঁচনিয়ে ঢুকি পোৱা নাই।

### বাক্সাৰ ভলুকামূৰীৰ নিৰ্বাচনী সভাত বি টি আৰপ্ৰধান প্ৰমোদ বড়ো

# একক সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰিম

**দৈনিক অসমৰ প্ৰতিনিধি**

**জালাহ, ১৮ ছেপ্টেম্বৰ ঃ** বাক্সা জিলাৰ ভলুকামূৰীত কালি ২২ নং ককলাবাৰী পৰিষদীয় সমষ্টিৰ ইউ পি পি এলৰ প্ৰাৰ্থী মণ্টু বড়োৰ হৈ দলটোৰ মুৰব্বী প্ৰমোদ বড়োৱে নিৰ্বাচনী প্ৰচাৰ চলায়। ভলুকামূৰীত প্ৰমোদ বড়োৱে মদাহি জনগোষ্ঠীৰ লোক বসবাস কৰা অঞ্চলটোৰ ৰাইজৰ সমস্যাসমূহ সম্পৰ্কে আলোচনা কৰি এই সমস্যাসমূহ সমাধানৰ আশ্বাস দিয়ে। তেওঁ মণ্টু বড়োক ভোট দি বিজয়ী কৰিবলৈ ৰাইজক আহ্বান জনায়। আনহাতে, সভাস্থলীত সমৱেত সাংবাদিকসকলক সম্বোধন কৰি প্ৰমোদ বড়োৱে কয় যে মদাহি জনগোষ্ঠী খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ মাজত অন্যতম জনগোষ্ঠী। বি টি আৰ অঞ্চলৰ বিভিন্ন জিলাত মদাহিসকলৰ জনসংখ্যা আছে। তেওঁ চৰকাৰ গঠনৰ লগে লগে মদাহি জনগোষ্ঠীৰ বৰমানি পূজাক সীমিত বন্ধ হিচাপে 'কেলেণ্ডাৰ'ত অন্তৰ্ভুক্ত কৰাৰ কথা উল্লেখ কৰে। মদাহি জনগোষ্ঠীৰ বিভিন্ন সাংস্কৃতিক দিশ বা আন দিশসমূহ জীয়াই ৰখাৰ বাবে, জনগোষ্ঠীটোৱে যাতে সাংস্কৃতিক পৰিচয় আৰু স্বাভিমান লৈ জীয়াই থাকিব পাৰে তাৰ বাবে কিছুমান কাম ইতিমধ্যে কৰাৰ কথা বি টি আৰ প্ৰধানগৰাকীয়ে উল্লেখ কৰে। লগতে এই সম্পৰ্কত ভিজন ডকুমেণ্টো উলিওৱা হৈছে বুলি কয়। আগন্তুক নিৰ্বাচনত যাতে মদাহি জনগোষ্ঠীৰ আশীৰ্বাদ ইউ পি পি

### মদাহি জনগোষ্ঠীৰ বৰমানি পূজাত সীমিত বন্ধ ঘোষণাৰ আশ্বাস



এলৰ ওপৰত থাকে তাৰ বাবে তেওঁ অনুৰোধ জনায়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে ৪০টা সমষ্টিৰ ভিতৰত আমি ২১ হাজাৰকৈ ভোট পাব লগা সমষ্টিৰ সংখ্যা ভালকৈ হিচাপ কৰিলে ৩০টা সমষ্টি নিশ্চিত হৈ যায়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত নিৰ্বাচনত বাঘা বাঘা নেতাৰ কাম নাই বুলি তেওঁ উল্লেখ কৰে। আজি বড়োলেণ্ডক বুজি পোৱা মানুহ লাগিব। আমি ইয়াতে ডাঙৰ-দীঘল হৈছোঁ। অসমীয়া, গোৰ্খা, আদিবাসী, সংখ্যালঘু মানুহবোৰৰ সমস্যা বুজি পাব লাগিব। পৰিৱেশ বুজি পাব লাগিব। মানুহৰ চিন্তাধাৰা, আৱেগ-অনুভূতি, অভাৱ-অভিযোগৰ লগত মিলিব লাগিব। হাগ্ৰামাক কটাক্ষ কৰি প্ৰমোদ বড়োৱে কয়— হাগ্ৰামাই কোৱা মাটি বিক্ৰী কৰি হেলিকপ্টাৰত তেল ভৰোৱাৰ দৰে কথাবোৰ নিৰ্বাচনী ইছ্যু নহয়। ভাল কথা ক'ব নোৱাৰা বাবে, সমাজত কোনো এটা ইছ্যু, কোনো এজেণ্ডা, কোনো আঁচনিৰ কথা ভালদৰে ক'ব নোৱৰা কাৰণে এনেয়ে সময় খৰচ কৰে। মানুহবোৰে হাঁহে। হাগ্ৰামাই ভাবে মানুহবোৰে ভাল পায়। কিন্তু মানুহ আজি আৰু সেই 'লেভেল'ত নাই। আজিৰ মানুহে বিচাৰে উন্নয়ন কেনেকৈ কৰিব, শান্তি প্ৰতিষ্ঠা কেনেকৈ কৰিব। দেশখন আগুৱাই গৈ আছে। আমাৰ অঞ্চলটো নেতাবোৰে কেনেকৈ আগুৱাই লৈ যাব সেইটোহে মানুহে বিচাৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়— 'হাগ্ৰামা মহিলাৰীয়ে দুটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে— মই দুয়োটাতে ভাল দেখা নাই। আসন হিচাপ কৰি চালে বাক্সাত শূন্য, তামুলপুৰত শূন্য, চিৰাঙত শূন্য, ওদালগুৰিতো প্ৰায় শূন্যই— আধা ধৰিব পাৰে এতিয়ালৈকে। কোকৰাঝাৰত দুই-তিনিখন আসন হাগ্ৰামাই ক'ৰবাত পাব পাৰে। 'কিমানখন আসনত জয়লাভ কৰিম সেই বিষয়ে মই আগতেও উল্লেখ কৰা নাই' বুলি উল্লেখ কৰি 'একক সংখ্যা গৰিষ্ঠতা লৈ চৰকাৰ গঠন কৰিম' বুলি প্ৰমোদ বড়োৱে দাবী কৰে।

### নিষিদ্ধ গো-মাংস সৰবৰাহত জড়িত থকাৰ অভিযোগ

## ধুবুৰীৰ ভাসানিৰচৰ পঞ্চায়তৰ ৱাৰ্ড সদস্যাৰ স্বামীক আটক

**দৈনিক অসমৰ প্ৰতিনিধি**



**ধুবুৰী, ১৮ ছেপ্টেম্বৰ ঃ** নিষিদ্ধ গো-মাংস সৰবৰাহকাৰীৰ বিৰুদ্ধে যোৱানিশা ধুবুৰীৰ কছুমুদ্দিন মোৰত ধুবুৰী আৰক্ষীয়ে অভিযান চলাই এগৰাকী গো-মাংস সৰবৰাহকাৰীক আটক কৰে। আটকাধীন ব্যক্তিজনক মতালেব আলী বুলি চিনাক্ত কৰা হৈছে। জানিবপৰা মতে আটকাধীন ব্যক্তিজন ধুবুৰীৰ ভাসানিৰচৰ গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্যাৰ স্বামী মতালেব আলী। ধুবুৰী আৰক্ষীয়ে অধিক তথ্যৰ বাবে আটকাধীন মতালেব আলীক সোধা-পোছা অব্যাহত ৰাখিছে। উল্লেখ্য যে যোৱা ১৪ ছেপ্টেম্বৰত ধুবুৰী আৰক্ষীয়ে কছুমুদ্দিন মোৰত অভিযান চলাই ৫০ কিলোগ্ৰাম নিষিদ্ধ গো-মাংসসহ আব্দুল আজিজ, আবুল কালাম আৰু এগৰাকী মহিলাক আটক কৰিছিল যদিও মতালেব আলীয়ে উক্ত স্থানৰপৰা পলাই যাবলৈ সক্ষম হৈছিল। আটাইকেইজনৰ বিৰুদ্ধে ধুবুৰী আৰক্ষীয়ে ধুবুৰী থানাত ৩৮১/২৫ নম্বৰত এটি গোচৰ পঞ্জীয়ন কৰিছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## কাকীত নগদ ধনসহ সোণৰ অলংকাৰ লুট

**দৈনিক অসমৰ প্ৰতিনিধি**

**লংকা, ১৮ ছেপ্টেম্বৰ ঃ** কাকী থানাৰ অধীনৰ বড়মপুৰ গাঁৱৰ ভগীৰথ বৰা নামৰ লোকজনৰ ঘৰত চোৰে দিনদুপৰতে চলায় চাফাই অভিযান। প্ৰাপ্ত খবৰ মতে, চোৰে চিলিঙেৰে ভিতৰত প্ৰৱেশ কৰি নগদ প্ৰায় ২০ হাজাৰ টকা আৰু প্ৰায় ২ লাখ টকা মূল্যৰ সোণৰ আ-অলংকাৰ চুৰি কৰি লৈ যায়। চুৰিকাণ্ড সংঘটিত হোৱাৰ সময়ত ঘৰত কোনো লোক নাছিল। ঘটনাৰ খবৰ লাভ কৰি কাকী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও চোৰৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই।

### ডিজিটেল ৰূপত বৃন্দাবনী বস্ত্ৰ

## বৰপেটাৰ তাঁতীকুছি-গোপাল তাঁতীৰ নাম অন্তৰ্ভুক্তিৰ আহ্বান

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটা, ১৮ ছেপ্টেম্বৰ ঃ** ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষই অনলাইন গেলেৰীত বৃন্দাবনী বস্ত্ৰৰ ২৬খন ফটো বিক্ৰীৰ বাবে পদক্ষেপ লৈ ইয়াৰ লগত পঁচিশটাকৈ বীজ শব্দ সংলগ্ন কৰিছে। ডিজিটেল ৰূপত উপলব্ধ যিকোনো সমল ইণ্টাৰনেটৰ মাধ্যমত চৰ্চা কৰাৰ ক্ষেত্ৰত এই বীজ শব্দসমূহৰ এক উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ ভূমিকা আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত নিৰ্মাণ হোৱা এই বৃন্দাবনী বস্ত্ৰৰ জন্ম-বুৰঞ্জীৰ লগত বৰপেটাৰ তাঁতীকুছি আৰু শ্ৰীশ্ৰী গোপাল তাঁতীৰ নাম অতি ভক্তি সহকাৰে সংপৃক্ত হৈ থকাৰ পৰিপ্ৰেক্ষিতত খিলঞ্জীয়া সুৰক্ষা বাহিনী অসমে এই শব্দ দুটা বীজ শব্দ ব্যৱহৃত হৈ থকাৰ বাবে উপযুক্ত পদক্ষেপ লৈ ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ অসম চৰকাৰক আহ্বান জনাইছে। খিলঞ্জীয়া সুৰক্ষা বাহিনী অসমৰ অধ্যক্ষ গোবিন্দ গায়ন, সচিবপ্ৰধান কৃষ্ণকান্ত দাস আৰু প্ৰচাৰ সচিব যুগান্ত বায়নে কয় যে ব্ৰিটিছ সংগ্ৰহালয়ে এনে ব্যৱস্থা গ্ৰহণ কৰিলে সংগ্ৰহালয়ৰ নথিত বৰপেটাৰ তাঁতীকুছি আৰু গোপাল তাঁতীৰ নাম চিৰদিনৰ বাবে জিলিকি থাকিব। অতি সম্প্ৰতি বেছি চৰ্চাত থকা বৃন্দাবনী বস্ত্ৰ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে ৰাজ আদেশ পালন কৰি ষষ্ঠদশ শতিকাতেই তাঁতীকুছিৰ গোপাল তাঁতীৰ নেতৃত্বত কেইবাগৰাকীও মৰল আৰু তাঁতীৰ সহযোগত শ্ৰীকৃষ্ণৰ শিশুকালৰ লীলাৰ বৰ্ণনা কাপোৰত বৈ উলিয়াইছিল আৰু এই বস্ত্ৰখন বৰপেটাত যে বোৱা হৈছিল সেই কথা বিভিন্নজনে তথ্য সহকাৰে কৈছে। শেহতীয়াভাৱে অসম চৰকাৰে ব্ৰিটিছ সংগ্ৰহালয়ৰ পৰা এই বস্ত্ৰখন অসমৰ ৰাইজৰ প্ৰদৰ্শনৰ বাবে গ্ৰহণ কৰা ঐতিহাসিক পদক্ষেপক আদৰণি জনোৱাৰ লগতে জাতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৰপেটাত প্ৰথম পদাৰ্পণ কৰা ঐতিহ্যমণ্ডিত চিনপৰা ভিঠি থানত প্ৰদৰ্শন কৰাৰ ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে।

### ইকৰাবাৰীৰ নিৰ্বাচনী সভাত হাগ্ৰামা মহিলাৰীৰ দাবী

## ৩ অক্টোবৰত বি পি এফৰে হ'ব শপতগ্ৰহণ অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**ঢেকিয়াজুলি, ১৮ ছেপ্টেম্বৰ ঃ** বি টি আৰত যুদ্ধংদেহি ৰূপত নামিছে বি পি এফ দল। ৩৭ নং ধনশ্ৰী পৰিষদীয় সমষ্টিত বি পি এফপ্ৰধান হাগ্ৰামা মহিলাৰী বিশাল নিৰ্বাচনী প্ৰচাৰ অনুষ্ঠানত হেলিকপ্টাৰ লৈ প্ৰচাৰত নামিছে। প্ৰায় ১০ হাজাৰ কৰ্মী-সমৰ্থকৰ উপস্থিতিত হাগ্ৰামা মহিলাৰীয়ে ভাষণ প্ৰসংগত কয় যে অহা ৩ অক্টোবৰৰ পুৱা ১০ বজাত কোকৰাঝাৰত হ'ব বি পি এফ দলৰ শপতগ্ৰহণ অনুষ্ঠান। কালি ৰাজ্যৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীক ফোন কৰি নিমন্ত্ৰণ দিয়া বুলি সদৰি কৰিছে নেতাগৰাকীয়ে। শপতগ্ৰহণত ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব বুলি কথা দিছে। লগতে আৰু কোন কোন অতিথিক আমন্ত্ৰণ জনাব, হিচাপ দিলে হাগ্ৰামা মহিলাৰীয়ে। ইয়াৰ লগতে হাগ্ৰামাৰ শপতগ্ৰহণ অনুষ্ঠানলৈ আহিব ত্ৰিপুৰাৰ ৰজাৰ ল'ৰা, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, অৰুণাচলৰ পেমা খাণ্ডু, নগালেণ্ডৰ মুখ্যমন্ত্ৰী, মণিপুৰৰ মুখ্যমন্ত্ৰী, মিজোৰামৰ মুখ্যমন্ত্ৰী, ছিকিমৰ মুখ্যমন্ত্ৰী ইত্যাদি ইত্যাদি। হাগ্ৰামা মহিলাৰীয়ে পুনৰ কয় যে আমাৰ চৰকাৰ ইতিমধ্যে হৈ গ'ল। মাথোঁ নীতি-নিয়মসমূহ বাকী আছে। শপতগ্ৰহণ অনুষ্ঠানত সমষ্টিৰ পৰা কোকৰাঝাৰলৈ এচি বাছত নিয়া হ'ব সমৰ্থকক। ৰাইজৰ বাবে বাটত পেকেট লাঞ্চ আৰু পানীৰ বটলৰ ব্যৱস্থা কৰা হৈছে। শপতগ্ৰহণৰ পৰা আহি পাছদিনা প্ৰতিটো প্ৰাইমাৰীত বৰাখানা অৰ্থাৎ পঠাৰ মাংস, মুৰ্গীৰ মাংসৰে বৰভোজ হ'ব। ৰসিকতাৰে হাগ্ৰামা মহিলাৰীয়ে ৰাইজক উদ্দেশ্যি কয়— মাছ খালে ডিঙিত কাঁইট লগাৰ সম্ভাৱনাৰ বাবে মৎস্য সামগ্ৰী বাতিল কৰা হৈছে। শপত গ্ৰহণত প্ৰমোদ বড়োক নিমন্ত্ৰণ দিয়া নাই বুলি জনালে বি পি এফপ্ৰধানগৰাকীয়ে। সাংবাদিকৰ সৈতে হোৱা মত-বিনিময়ত বি পি এফপ্ৰধানগৰাকীয়ে কয় যে এইবাৰ ধনশ্ৰী সমষ্টিত পুনৰ জয়ী হ'ব ফ্ৰেছ মুছাহাৰী। যিকোনো মূল্যৰ বিনিময়ত বি টি আৰ দখল কৰিবলৈ সাজু আমি। উল্লেখ্য যে ইউ জি ব্ৰহ্মৰ কথা ক'লেই খং উঠে হাগ্ৰামাৰ। 'আণ্ডাৰগ্ৰাউণ্ডৰ কথা মোক নক'বি' বুলি কটাক্ষ কৰে নেতাজনে। আনহাতে, শপতগ্ৰহণত এবছুক আমন্ত্ৰণ কৰা হোৱা নাই বুলি মন্তব্য কৰে হাগ্ৰামা মহিলাৰীয়ে। কাৰণ এবছু মানে ইউ পি পি এল।

# ৰক্তদান শিবিৰেৰে গোৱালপাৰাত প্ৰশাসনৰ সেৱা সপ্তাহ আৰম্ভ

### জিলাৰ তিনি স্থানৰ শিবিৰত ১২৯ গৰাকীৰ ৰক্তদান

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোৱালপাৰা, ১৮ ছেপ্টেম্বৰ ঃ** কালিৰেপৰা গোৱালপাৰা জিলা প্ৰশাসনে আৰম্ভ কৰিছে সেৱা সপ্তাহ। সেৱা সপ্তাহৰ অংশ হিচাপে কালি গোৱালপাৰা জিলা প্ৰশাসনে জিলাখনৰ তিনিটা স্থানত ৰক্তদান শিবিৰ অনুষ্ঠিত কৰিছে। গোৱালপাৰাত থকা চিআৰপিএফ-১৫২ নম্বৰ বেটেলিয়ন শিবিৰত অনুষ্ঠিত ৰক্তদান শিবিৰটোত গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুং উপস্থিত থাকে আৰু উদ্বোধনী ভাষণ প্ৰদান কৰে। শিবিৰটোত গোৱালপাৰাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৰনীত মহন্ত, জিলা বন সংমণ্ডল বিষয়া তেজশ মৰিস্বামী, গোৱালপাৰা উন্নয়ন প্ৰাধিকৰণৰ সভাপতি




দীপক কুমাৰ নাথ আদিৰ লগতে চিআৰপিএফৰ বিষয়াসকল উপস্থিত থাকে। শিবিৰটোত চিআৰপিএফ জোৱান আৰু গোৱালপাৰাৰ বন সুৰক্ষা কৰ্মীৰ মুঠ ৪১ গৰাকীয়ে ৰক্তদান কৰে। আনহাতে, গোৱালপাৰাৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয় চ'লেছ হাস্পতালতো কালি সেৱা সপ্তাহ উপলক্ষে ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা হয়। গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুঙে চ'লেছ হাস্পতালৰ সহযোগত অনুষ্ঠিত কৰা ৰক্তদান শিবিৰটো উদ্বোধন কৰে। ব্যক্তিগত খণ্ডৰ চিকিৎসালয়খনত আয়োজন কৰা ৰক্তদান শিবিৰটোত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মন, চিকিৎসালয়খনৰ অধীক্ষক ডঃ ৰাধা ৰাণী ব্ৰহ্ম দাস, টীম হিউমিনিটি, গোৱালপাৰাৰ ছৰিফুল ইছলাম আৰু জালাল উদ্দিনকে ধৰি স্থানীয় সমাজকৰ্মীসকল উপস্থিত থাকে। এই শিবিৰটোত গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু টীম হিউমিনিটিৰ ৫২ গৰাকী ব্যক্তিয়ে স্বেচ্ছাই ৰক্তদান কৰে। সেইদৰে দুধনৈ মহাবিদ্যালয়তো কালি গোৱালপাৰা জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। এই ৰক্তদান শিবিৰটোত দুধনৈ সমজিলাৰ সমজিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্ম, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডঃ প্ৰশান্ত বৰা, মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডঃ জনবীৰ দাস আদি উপস্থিত থাকে। দুধনৈ মহাবিদ্যালয়ৰ ৰক্তদান শিবিৰটোত মহাবিদ্যালয়খনৰ ছাত্ৰ আৰু স্থানীয় লোকসকলে ৰক্তদান কৰে। শিবিৰটোত মুঠ ৩৬ গৰাকীয়ে ৰক্তদান কৰে। গোৱালপাৰা জিলাৰ দুধনৈ শিবিৰৰ ৩৬ গৰাকী, চিআৰপিএফ শিবিৰৰ ৪১ গৰাকী আৰু চ'লেছ হাস্পতালৰ ৫২ গৰাকীক লৈ মুঠতে জিলাখনত কালি ১২৯ গৰাকী লোকে ৰক্তদান কৰে।

### মহাপুৰুষীয়া ধৰ্মালোচন সভা শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰৰ উদ্যোগত

## ১ অক্টোবৰৰ পৰা শুৱালকুছিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ

**দৈনিক অসমৰ প্ৰতিনিধি**

**শুৱালকুছি, ১৮ ছেপ্টেম্বৰ ঃ** মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ শুৱালকুছিৰ উদ্যোগত অহা ১ অক্টোবৰৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ ৫৭৭ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱৰ অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ১ অক্টোবৰত গন্ধৰ দিনা পুৱা চাৰি বজাত ঊষা কীৰ্তন, ৮ বজাত ছাত্ৰ-ছাত্ৰী আৰু স্বেচ্ছাসেৱকৰ নগৰত শোভাযাত্ৰা, ১০ বজাত বাৰ্ষিক পুস্তিকা 'শ্ৰীমন্ত শংকৰ প্ৰকাশ' উন্মোচন। উন্মোচন কৰিব মহাপুৰুষীয়া ধৰ্মালোচনী সভাৰ সভাপতি বিমল মেধিয়ে। উন্মোচনী সভাত সভাপতিত্ব কৰিব প্ৰচাৰ শাখাৰ সভাপতি মৃণাল চন্দ্ৰ দাসে। বিয়লি ৩.৩০ বজাত সেৱকবৃন্দৰ সমাৱেশত দান গ্ৰহণ। সন্ধিয়া ৬ বজাত দীপ মালিকা আৰু নগৰত ভাগৱত শোভাযাত্ৰা, পাছত মন্দিৰত গুৰুলীলা সেৱাৰ গীত পৰিৱেশন। নিশা ৮ বজাত হিয়ামণি ভূঞা আৰু লিজা বৰ্মনৰ নাগাৰা নাম। ২ অক্টোবৰৰ গুৰুজয়ন্তীৰ দিনা পুৱা ঊষা কীৰ্তনৰ পাছত আইসকলৰ নাম-প্ৰসংগ, ৮.৩০ বজাত মহাপুৰুষীয়া ধৰ্মালোচনী সভাৰ সভাপতি বিমল মেধিয়ে ধৰ্ম পতাকা উত্তোলন কৰি গুৰুজয়ন্তীৰ শুভাৰম্ভ কৰিব। ৯.৩০ বজাত নগৰত হৰি-নাম কীৰ্তন। ১০.৩০ বজাত মন্দিৰত হৰি-নাম কীৰ্তন, পাঠ পড়া, চৰিত তোলা, সেৱাৰ গীত নিৰ্মাল্য আৰু প্ৰসাদ বিতৰণ। সন্ধিয়া ৬ বজাত সৰভোগ বৈৰাপুৰ-নুনতোলা কৃষ্টি সংঘৰ বীৰ নাম প্ৰদৰ্শন। নিশা ৯ বজাত শ্ৰীমন্ত কৃষ্টি বিকাশ কেন্দ্ৰৰ শিল্পীসকলে পৰিৱেশন কৰিব মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ অমৰ সৃষ্টি ৰুক্মিণী হৰণ অংকীয়া নাট। ৩ অক্টোবৰ একাদশীৰ দিনা পুৱা ঊষা কীৰ্তন আইসকলৰ নাম-প্ৰসংগৰ পাছত ৮.৩০ বজাত আইসকলৰ নগৰত হৰি-নাম সমদল। ৯.৩০ বজাত বিষয় বাছনি সভা। ১০.৩০ বজাত নাম-প্ৰসংগ, পাঠ পঢ়া, চৰিত তোলা, গুৰুলীলা সেৱাৰ গীত নিৰ্মাল্য আৰু প্ৰসাদ বিতৰণৰ পিছত বিয়লি ৪ বজাত বিমল মেধিৰ পৌৰোহিত্যত মহাপুৰুষীয়া ধৰ্মালোচনী সভাৰ ১০২ সংখ্যক বাৰ্ষিক অধিৱেশন। মুখ্য অতিথিৰ আসন অলংকৃত কৰিব মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। নিৰ্দিষ্ট অতিথিৰ আসন গ্ৰহণ কৰিব ডঃ ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰ ডিব্ৰুগড়ৰ অধ্যাপক ডঃ যাদৱ বৰা ওজাই। সন্ধিয়া ৭.৩০ বজাত প্ৰহ্লাদ বৈশ্যৰ সভাপতিত্বত শ্ৰীমন্ত শংকৰ কৃষ্টি বিকাশ কেন্দ্ৰৰ বাৰ্ষিক অধিৱেশন। নিশা ৯.৩০ বজাত জ্যোতি চিত্ৰবনৰ অধ্যক্ষ বিদ্যাসাগৰ বৰাৰ ভক্তিমূলক গীত পৰিৱেশন। ৪ অক্টোবৰ দ্বাদশীৰ দিনা উষা কীৰ্তন আইসকলৰ নাম প্ৰসংগৰ পিছত ৯.৩০ বজাত প্ৰচাৰ শাখাৰ বিষয় বাছনি সভা। বিয়লি ৪ বজাত শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ দৰ্শনত সমাজ সংস্কাৰ শীৰ্ষক বিষয়বস্তুৰ ওপৰত প্ৰচাৰ শাখাৰ আলোচনা-চক্ৰ। আলোচক মণিৰাম দাস, প্ৰচাৰক, শ্ৰীমন্ত শংকৰদেৱ সংঘ। নিশা ৭.৩০ বজাত ধৰ্মীয় পতাকা অৱতৰণেৰে গুৰুজয়ন্তীৰ সামৰণি পৰিব। চাৰিওদিনৰ কাৰ্যসূচীত সৰ্বস্তৰৰ ৰাইজৰ উপস্থিতি বিনম্ৰতাৰে কামনা কৰিছে আয়োজক সমিতিৰ হৈ সভাপতি বিমল মেধি আৰু সম্পাদক মৃদুল বৈশ্যই।

## শোণিতপুৰ-অৰুণাচল সংযোগী জীয়াভৰলী দলঙৰ জৰাজীৰ্ণ ৰূপ

**দৈনিক অসমৰ প্ৰতিনিধি**

**জামুগুৰিহাট, ১৮ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ টৌভঙাৰ সমীপৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ অতিকৈ পুৰণি জীয়াভৰলী নদীৰ দলংখনেৰে যাতায়াত হৈ পৰিছে বিপজ্জনক। হাতৰ মুঠিত জীৱটো লৈ দলংখন অতিক্ৰম কৰে জনসাধাৰণে। তেজপুৰ, লখিমপুৰ তথা অৰুণাচললৈকে যোগাযোগৰ একমাত্ৰ বৃহৎ দলংখনত বৰ্তমান সৃষ্টি হৈছে বৃহৎ বৃহৎ গাঁতৰ। যাৰ ফলত যিকোনো মুহূৰ্ততে ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা বৃদ্ধি পাইছে। দলংখনৰ মাজমজিয়াত খলপা-খলপে পকীৰ অংশ এৰাই তলত থকা লোহাৰ ৰড ওলাই পৰাত দুৰ্ঘটনাৰ শংকা দুগুণে বৃদ্ধি পাইছে। বিগত সময়ছোৱাত দলংখনৰ ওপৰত সঘনে যান-বাহন দুৰ্ঘটনাত পতিত হৈ গুৰুতৰভাৱে আহত হৈ আহিছে বহুজন। শোণিতপুৰ জিলাৰ লগতে বিশ্বনাথ, লখমপুৰ, ধেমাজি আৰু



অৰুণাচল প্ৰদেশৰ এটা অংশলৈ এই দলঙৰ ওপৰেদিয়েই দৈনিক হাজাৰ হাজাৰ সৰু-বৰ গাড়ী চলাচল কৰে যদিও দলংখনত সৃষ্টি হোৱা এই বিপজ্জনক অংশৰ মেৰামতিৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগে এতিয়াও কোনো ধৰণৰ সন্তোষজনক পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। উল্লেখ যে চীনা যুদ্ধৰ পাছত ১৯৬২ চনতেই নিৰ্মাণ হোৱা উত্তৰ অসমৰ এই পুৰণি দলংখনে সম্প্ৰতি বহন ক্ষমতা হেৰুৱাই পেলোৱা বুলিও ৰাইজে অভিযোগ কৰিছে।

### চৰকাৰী চাকৰিৰ পিছে পিছে নদৌৰি নামিছে আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত

# কাঠফুলাৰ খেতিৰে স্বাৱলম্বনৰ নিদৰ্শন কাঁহিবাৰীৰ পিতা-পুত্ৰৰ

**উৎপল ডেকা**

**তামুলপুৰ, ১৮ ছেপ্টেম্বৰ ঃ** প্ৰচুৰ সম্ভাৱনা থকা প্ৰ'টিনযুক্ত খাদ্য কাঠফুলা। এই কাঠফুলাক লৈ এতিয়া ব্যস্ত তামুলপুৰৰ খেতিয়ক। কাঠফুলাৰ খেতিক 'মিছন' আৰু 'ভিজন' হিচাপে লৈ উক্ত খেতিকে সম্পদলৈ ৰূপান্তৰ কৰি একাংশ লোকে জীৱন আৰু জীৱিকাৰ প্ৰধান আহিলা হিচাপে লোৱা পৰিলক্ষিত হৈছে। তদুপৰি একাংশ শিক্ষিত যুৱক-যুৱতীয়ে কাঠফুলাৰ খেতিক আঁকোৱালি লৈ নিজক প্ৰতিষ্ঠা কৰিবলৈও সক্ষম হৈছে। তামুলপুৰ জিলাৰ কাঁহিবাৰী গাঁৱৰ তেনে এটি কৃষক পৰিয়ালৰ পিতা-পুত্ৰৰ যুটীয়ে নিৰৱচ্ছিন্নভাৱে আজি তিনিটা দশক ধৰি উচ্চ প্ৰ'টিনযুক্ত কাঠফুলাৰ খেতি কৰি সকলোৰে আদৰ্শ হোৱাৰ উপৰি আৰ্থিক সকাহ পাবলৈ সক্ষম হৈছে। কাঁহিবাৰী গাঁৱৰ এটি কৃষক পৰিয়ালৰ যুৱক পদ্মধৰ বড়ো। তেওঁ মধ্যপ্ৰদেশত ১৯৯১ চনত কাঠফুলাৰ খেতিৰ উন্নত মানৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। ১৯৯২ চনৰ পৰা তামুলপুৰত নিজৰ ঘৰতে কাঠফুলাৰ খেতি পৰীক্ষামূলকভাৱে আৰম্ভ কৰি পিছলৈ চাব লগা হোৱা নাই। তেতিয়াৰে পৰাই আজিকোপতি কাঠফুলাৰ খেতি নিৰৱচ্ছিন্নভাৱে কৰি আহিছে। অবিভক্ত



### তিনি দশক ধৰি চলাইছে জীৱন-জীৱিকা, দেখুৱাইছে আদৰ্শ

নলবাৰী জিলাৰ তেতিয়াৰ আয়ুক্তগৰাকীৰ সহযোগত চৰকাৰী সাহায্য লাভ কৰি ঘৰতে আৰম্ভ কৰা পদ্মধৰ বড়োৱে কাঠফুলাৰ খেতিকে জীৱনৰ চালিকা শক্তি হিচাপে গ্ৰহণ কৰি আজি তিনিটা দশক ধৰি কাঠফুলাৰ খেতি কৰি আহিছে। সম্প্ৰতি জৈৱিক পদ্ধতিৰে উৎপাদিত কাঠফুলাৰ এখন বজাৰ দখল কৰিবলৈও সক্ষম হোৱাৰ উপৰি চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ বজাৰ দখল কৰিবলৈও সক্ষম হৈছে। উল্লেখযোগ্য যে পিতৃ পদ্মধৰ বড়োৰ আদৰ্শৰে পুত্ৰ ডম্বৰুধৰ বড়োৱেও উচ্চশিক্ষা গ্ৰহণ কৰি চৰকাৰী চাকৰিৰ সন্ধানৰ পৰা বহু যোজন বাট আঁতৰত থাকি তেওঁ পোনতে কাঠফুলা খেতিৰ অ আ ক খ ঘৰতে দেখি-শুনি পিতৃৰ পৰা প্ৰাথমিক ধাৰণাখিনি লাভ কৰি কৌশলেৰে আগবাঢ়িবলৈ ধৰে। ২০০৯ চনৰ পৰাই ডম্বৰুধৰ বড়োৱে পিতৃৰ হাতত ধৰি প্ৰথমে কামৰূপ জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ জৰিয়তে, পৰৱৰ্তী সময়ত বাক্সা জিলাৰ কৃষি বিজ্ঞানীসকলৰ সহায়-সহযোগত কাঠফুলাৰ খেতিৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। ২০১০ চনত নলবাৰীস্থিত মানৱ সেৱা সংঘ নামৰ এটি বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠানত প্ৰশিক্ষণ গ্ৰহণ কৰে। জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰি পিতৃৰ আদৰ্শৰে কাঠফুলাৰ খেতিত মনোযোগ দিয়ে। ৰাজ্য চৰকাৰৰ লগতে ৰাজ্যৰ বাহিৰলৈও গৈ উচ্চমানৰ প্ৰশিক্ষণ গ্ৰহণ কৰি ঘৰতে এটা বিজ্ঞানাগাৰ স্থাপন কৰি কাঠফুলাৰ বীজ উৎপাদন কৰি নিজে ব্যৱহাৰ কৰাৰ উপৰি অঞ্চলটোৰ কাঠফুলাৰ খেতিয়কসকলক উন্নতমানৰ বীজ যোগান ধৰি আহিছে। কাঠফুলা তৈয়াৰ কৰাৰ বাবে প্ৰয়োজনীয় ধানখেৰ ঘৰতে লাভ কৰাত আৰু অধিক সহজ হৈ পৰিছে কেঁচা সামগ্ৰী সংগ্ৰহ কৰাৰ ক্ষেত্ৰত। ২০২২-২৩ চনত আৰ কে ভি আই ৰাফটাৰ আঁচনিৰ অধীনত আৰ্থিক সাহায্য লাভ কৰে কাঠফুলাৰ খেতিৰ বাবে। ২০১৮-১৯ চনত খানাপাৰাস্থিত উদ্যান শস্য বিভাগৰ পৰাও কাঠফুলাৰ বীজ উৎপাদনৰ বাবে কিছু সাহায্য লাভ কৰে। তেওঁ জনোৱা মতে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পৰা এটি কাঠফুলা খেতি কৰাৰ বাবে বিজ্ঞানসন্মত ঘৰ লাভ কৰে। সম্প্ৰতি তেওঁ ঘৰতেকাঠফুলাৰ প্ৰয়োজনীয় বীজ উৎপাদন কৰে। বছৰৰ বাৰ মাহে কাঠফুলা উৎপাদন কৰিব পৰা বীজ উৎপাদন কৰি নিজৰ লগতে আনৰ ওচৰতো বিক্ৰী কৰি আহিছে। তেওঁ জনোৱা মতে ছমাহত ৪০০০ চিলিণ্ডাৰ প্ৰতিপালন কৰি কাঠফুলা উৎপাদন কৰি কেঁচা কাঠফুলা ১৪০/১৫০ টকা দৰত বিক্ৰী কৰাৰ উপৰি শুকান কাঠফুলা প্ৰতিকিলো গ্ৰামতে ১০০০ টকা দৰত বিক্ৰী কৰে। তেওঁ তামুলপুৰ বজাৰৰ লগতে আন আন বজাৰসমূহত কাঠফুলা বিক্ৰী কৰে। চুবুৰীয়া ৰাষ্ট্ৰ ভূটানত কাঠফুলাৰ চাহিদা অধিক। সেয়ে চুবুৰীয়া দেশখনলৈও ডম্বৰুৱে কাঠফুলা ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। তেওঁ ভূটান চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সৈতে জিলা আয়ুক্তই কথা পাতি কাঠফুলাৰ ব্যৱসায়টো আৰু অধিক বৃদ্ধি কৰিবলৈ ব্যৱস্থা কৰাৰ আহ্বান জনাইছে। শেহতীয়াভাৱে অসমৰ ব্যৱসায়ীয়ে প্ৰত্যক্ষভাৱে বিক্ৰী কৰিবলৈ ভূটানলৈ গ'লে অধিক কৰ ভৰিব লাগে। সেয়ে জিলা প্ৰশাসনক এই প্ৰতিবেদনৰ জৰিয়তে সকলো কাঠফুলাৰ খেতিয়কৰ হৈ ডম্বৰুধৰ বড়োৱে আহ্বান জনাইছে, যাতে ভৱিষ্যতে অধিক কৰ দিব লগা নহয়। সম্প্ৰতি কাঁহিবাৰীৰ এই পিতা-পুত্ৰৰ যুটীয়ে কাঠফুলাৰ খেতিৰে প্ৰোজ্জ্বল কৰি তুলিছে তেওঁলোকৰ ভৱিষ্যৎ। বিভিন্ন সময়ত ডম্বৰুধৰ বড়োৱে বিভিন্ন ঠাইত অনুষ্ঠিত কৰা বিভিন্ন প্ৰশিক্ষণ, কৃষিমেলা, কৃষি প্ৰদৰ্শনীত অংশগ্ৰহণ কৰি খেতিয়কসকলক প্ৰশিক্ষণ দিয়াৰ লগতে কৃষি বিভাগ আৰু প্ৰশিক্ষাৰ্থীসকলৰ পৰা ব্যাপক সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে ডম্বৰুৱে। পিতা-পুত্ৰৰ এই ঐকান্তিক প্ৰচেষ্টাত গঢ় লৈ উঠা কাঠফুলা খেতি সাম্প্ৰতিক সময়ত তেওঁলোকৰ বাবেই ভৱিষ্যতৰ সম্পদ হৈ থিয় দিছে। পিতৃ পদ্মধৰ বড়োৰ আদৰ্শৰে প্ৰাণ পাই উঠা কাঠফুলা খেতিক পুত্ৰ ডম্বৰুধৰ বড়োৱেও জীৱন আৰু জীৱিকাৰ সম্বল হিচাপে গ্ৰহণ কৰি নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

## শোণিতপুৰত হাতী-মানুহৰ ভয়ংকৰ সংঘাত ঃ পাঁচ বছৰত ৩০জন ব্যক্তিৰ মৃত্যু

# ৩৪ বছৰত ২০৯টা বন্যহস্তী, ৩০১জন লোকৰ প্ৰাণহানি



দৈনিক অসমৰ প্ৰতিনিধি

**ৰঙাপৰা, ১৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনত ক্ৰমাৎ হাতী-মানুহৰ সংঘাত বৃদ্ধি পাবলৈ ধৰিছে। ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে শোণিতপুৰ জিলাতো হাতী-মানুহৰ সংঘাত অতি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। ২০২৪ বৰ্ষৰ ২৭ এপ্ৰিলত জিলাখনৰ বৰছলা বিধানসভা সমষ্টিৰ ধীৰাই মাজুলীত এটা উন্মত্ত বন্যহস্তীৰ আক্ৰমণত আমাৰিবাৰী বনাঞ্চলিক কাৰ্যালয়ত কৰ্মৰত দুজন বনকৰ্মীৰ লগতে এজন স্থানীয় ব্যক্তিৰ মৃত্যু ঘটিছিল। এই ভয়ংকৰ সংঘাতৰ ফলত বিগত পাঁচ বছৰত জিলাখনত বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যু হোৱা লোকৰ সংখ্যা ৩০জনলৈ বৃদ্ধি পায়। বৰ্তমানৰ সময়ত জিলাখনৰ বিশেষকৈ ৰঙাপৰা অঞ্চলত জাক জাক বনৰীয়া হাতীয়ে মুক্ত বিচৰণ কৰিছে। মিছামাৰীৰ উত্তৰ দিশত থকা সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰৰ পৰা গাভৰু নদী পাৰ হৈ প্ৰায়েই বনৰীয়া হাতী ওলাই আহি ৰঙাপৰাৰ একাংশ চাহ বাগিচাত আশ্ৰয় গ্ৰহণ কৰে। বনৰীয়া হাতীৰ উপদ্ৰৱ দিনক দিনে বৃদ্ধি পোৱাত প্ৰতি মুহূৰ্ততে ৰাইজে সংশয়ৰ মাজেদি দিন অতিবাহিত কৰিবলগীয়া হৈছে। কেতিয়াবা ৰাইজে বিনিদ্ৰ ৰজনী কটাবলগীয়া হয়। বনৰীয়া হাতীয়ে পকা ধাননি পথাৰডৰা খাই তহিলং কৰাৰ পাছতে কপালৰ ঘাম মাটিত পেলাই খেতি কৰা কৃষকজনে পাছত মূৰে-কপালে হাত দিবলগীয়া পৰিস্থিতি হয়। বন্যহস্তীয়ে দৰিদ্ৰ পৰিয়ালৰ বাসগৃহটি ভাঙি পেলোৱাৰ পাছত ভগা পঁজাটো পুনৰ নিৰ্মাণৰ বাবে সংগ্ৰাম কৰিবলগীয়া হয়। তেনে পৰিস্থিতিৰ পৰা ৰক্ষা পাবলৈ মানুহে ঘৰৰ বা খেতি পথাৰৰ চাৰিওফালে সৌৰশক্তি তাঁৰৰ ব্যৱস্থা কৰাত কেতিয়াবা বনৰীয়া হাতীয়ে মৃত্যুক সাৱটি ল'বলগীয়া হৈছে। তদুপৰি কিছুমানে জংঘলৰ মাজত বিহ দি থোৱাৰ ফলতো হাতীৰ মৃত্যু ঘটিছে। সেউজীয়া গছ-গছনিৰে আগুৰি থকা বনাঞ্চলৰ ভূমি বেদখলৰ কৰাৰ ক্ষেত্ৰত দেশৰ ভিতৰত অসমৰ নামটো শীৰ্ষ স্থানত আছে। ৰাজ্যৰ প্ৰায় ৩ লাখ ৬২ হাজাৰ ৮২ বৰ্গ কিঃ মিঃ বনাঞ্চলৰ ভূমি বেদখল হোৱাৰ অভিযোগ উঠিছে। শোণিতপুৰ জিলাৰ ৫ খন সংৰক্ষিত বনাঞ্চলৰ মুঠ ৭৩,৫২৪.৮৬ হেক্টৰ ভূমিৰ ভিতৰত ৫২,২৪১ হেক্টৰ ভূমি বেদখলকাৰী কবলত থকাৰ আন এক অভিযোগ উঠি আহিছে। যাৰ ফলত জিলাখনত হাতী-মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰি আহিছে। জিলাখনত ২০১৯ চনত হাতী-মানুহৰ সংঘাতৰ ফলত ৩ গৰাকী লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ১টা বন্যহস্তীৰ মৃত্যু ঘটিছে। একেদৰে ২০২০ চনত ৫ গৰাকী লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ৫টা বন্যহস্তী, ২০২১ চনত ৯ গৰাকী লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ২টা বন্যহস্তী, ২০২২ চনত ৩গৰাকী লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ২টা বন্যহস্তী, ২০২৩ চনত ৭গৰাকী লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ৬টা বন্যহস্তী আৰু চলিত বৰ্ষত বৰ্তমানলৈকে ৩গৰাকী ব্যক্তিয়ে বনৰীয়া হাতীৰ আক্ৰমণত প্ৰাণ হেৰুৱাইছে। অৰ্থাৎ প্ৰায় ৫ বছৰত বনৰীয়া হাতীৰ আক্ৰমণত ৩০গৰাকী লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ১৯টা বনৰীয়া হাতীৰ কৰুণ মৃত্যু ঘটিছে। ইপিনে, জিলাখনৰ নামেৰী ৰাষ্ট্ৰীয় উদ্যান, সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্য আৰু চাৰিদুৱাৰ সংৰক্ষিত বনাঞ্চলৰ ভিতৰৰ পৰা বনৰীয়া হাতী ওলাই অহাৰ পিছত হাতী-মানুহৰ ভয়াৱহ সংঘাত চলি আছে। জানিব পৰা মতে, বিগত ৩৪টা বছৰত জিলাখনত হাতী আৰু মানুহৰ ভয়ংকৰ সংঘাতৰ ফলত ২০৯টা বনৰীয়া হাতী আৰু ৩০১জন ব্যক্তিৰ মৃত্যু হয়। বন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি ১৯৯০ চনত ১১জন লোকৰ বিপৰীতে ২টা বন্যহস্তী, ১৯৯১ চনত ২১জন লোকৰ বিপৰীতে ৪টা বন্যহস্তী, ১৯৯২ চনত ১৩জন লোকৰ বিপৰীতে ৭টা বন্যহস্তী, ১৯৯৩ চনত ১৬জন লোকৰ বিপৰীতে ৭টা বন্যহস্তী, ১৯৯৪ চনত ২জন লোকৰ বিপৰীতে ৭টা বন্যহস্তী, ১৯৯৫ চনত ১৩জন লোকৰ বিপৰীতে ৫টা বন্যহস্তী, ১৯৯৬ চনত ২জন লোকৰ বিপৰীতে ৪টা বন্যহস্তী, ১৯৯৭ চনত ১৩জন লোকৰ বিপৰীতে ৮টা বন্যহস্তী, ১৯৯৮ চনত ৫জন লোকৰ বিপৰীতে ৮টা বন্যহস্তী, ১৯৯৯ চনত ১১জন লোকৰ বিপৰীতে ৫টা বন্যহস্তী, ২০০০ চনত ৬জন ব্যক্তি, ২০০১ চনত ১১জন লোকৰ বিপৰীতে ২১টা বন্যহস্তী, ২০০২ চনত ৮জন লোকৰ বিপৰীতে ১০টা বন্যহস্তী, ২০০৩ চনত ১১জন লোকৰ বিপৰীতে ১৫টা বন্যহস্তী, ২০০৪ চনত ৬জন লোকৰ বিপৰীতে ১১টা বন্যহস্তী, ২০০৫ চনত ৯জন লোকৰ বিপৰীতে ৬টা বন্যহস্তী, ২০০৬ চনত ১০জন লোকৰ বিপৰীতে ৯টা বন্যহস্তী, ২০০৭ চনত ৫জন লোকৰ বিপৰীতে ১২টা বন্যহস্তী, ২০০৮ চনত ৩জন লোকৰ বিপৰীতে ৩টা বন্যহস্তী, ২০০৯ চনত ৫জন লোকৰ বিপৰীতে ৭টা বন্যহস্তী, ২০১০ চনত ৫জন লোকৰ বিপৰীতে ৬টা বন্যহস্তী, ২০১১ চনত ৫জন লোকৰ বিপৰীতে ৩টা বন্যহস্তী, ২০১২ চনত ৬জন লোকৰ বিপৰীতে ৩টা বন্যহস্তী, ২০১৩ চনত ৯জন লোকৰ বিপৰীতে ৬টা বন্যহস্তী, ২০১৪ চনত ৭জন লোকৰ বিপৰীতে ৮টা বন্যহস্তী, ২০১৫ চনত ১৫জন লোকৰ বিপৰীতে ১০টা বন্যহস্তী, ২০১৬ চনত ৯জন লোকৰ বিপৰীতে ৮টা বন্যহস্তী, ২০১৭ চনত ১১জন লোকৰ বিপৰীতে ১৪টা বন্যহস্তী, ২০১৮ চনত ৩জন লোকৰ বিপৰীতে এটা বন্যহস্তী আৰু ২০১৯ চনত বনৰীয়া হাতীৰ আক্ৰমণত মাত্ৰ এজন লোকৰ মৃত্যু ঘটে। বনৰীয়া হাতীৰ অধিক উপদ্ৰৱ থকা ওদালগুৰি জিলাত বিগত ৫ বছৰত হাতী-মানুহৰ সংঘাতৰ ফলত এটাও হাতীৰ মৃত্যু হোৱা নাই। ২০১৬ চনৰ ২৩ নৱেম্বৰত ৰামদেৱৰ মেগাফুড পাৰ্কত বনৰীয়া হাতীৰ কৰুণ বিননিয়ে হৃদয়ত জোকাৰণি তুলিছিল প্ৰতিগৰাকী প্ৰকৃতিপ্ৰেমী ৰাইজৰ। শোণিতপুৰ জিলাৰ ঘোঁৰামাৰীৰ নিকটৱৰ্তী ঢেকীদ'লৰ উদ্যোগিক বিকাশ কেন্দ্ৰত চলি থকা যোগগুৰু ৰামদেৱৰ বিশ্বস্তৰীয় হাৰ্বেল আৰু মেগাফুড পাৰ্কৰ নিৰ্মাণস্থলীত তিনিটাকৈ বনৰীয়া হাতী এটা প্ৰকাণ্ড গাঁতত সোমাই পৰাৰ ফলত এজনী মাইকী হাতী মুখত পৰা ঘটনাই ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। তদুপৰি ২০১৭ চনত ১০ ডিচেম্বৰৰ নিশা উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কৰ্তৃপক্ষ আৰু তথাকথিত বন বিভাগৰ চূড়ান্ত গাফিলতিৰ বাবেই বালিপৰাৰ সমীপৱৰ্তী বামগাঁৱত দ্ৰুতবেগী ৰেলৰ খুন্দাত একেদিনাই ৬টাকৈ বনৰীয়া হাতীৰ কৰুণ মৃত্যু ঘটিছিল। ২০০৬ চনৰ পৰা ২০১৭ চনলৈকে ৰাজ্যখনত ২২৫টা হাতীৰ ৰেলৰ খুন্দাত মৃত্যু ঘটিছে। জিলাখনৰ ভিতৰত বিশেষকৈ ৰঙাপৰা অঞ্চলত সৰ্বাধিক বনৰীয়া হাতীৰ উপদ্ৰৱ বৃদ্ধি আৰু বনৰীয়া হাতীৰ মৃত্যুৰ সংখ্যা সৰ্বাধিক হিচাপে বিবেচিত হৈছে। আমাৰিবাৰী মধ্যম আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ পৰা পোৱা তথ্য অনুসৰি ৰঙাপৰা অঞ্চলত ২০০৮ চনৰ পৰা ২০২৩ চনলৈকে ২৬টা বন্যহস্তীৰ বিভিন্ন কাৰণত মৃত্যু ঘটিছে।



## হাউলীত ড্ৰাইভাৰ প্ৰশিক্ষণ কেন্দ্ৰ, স্বয়ংক্ৰিয় ড্ৰাইভিং টেষ্ট ট্ৰেকৰ উদ্বোধন

দৈনিক অসমৰ প্ৰতিনিধি

**হাউলী, ১৮ ছেপ্টেম্বৰ ঃ** অসমৰ চুপাৰী নগৰী ৰূপে খ্যাত বৰপেটা জিলাৰ হাউলী চহৰৰ আমতলাত পৰিবহণ বিভাগৰ এফ টি এৰ অধীনস্থ স্বীকৃতিপ্ৰাপ্ত ড্ৰাইভাৰ প্ৰশিক্ষণ কেন্দ্ৰ আৰু স্বয়ংক্ৰিয় ড্ৰাইভিং টেষ্ট ট্ৰেকৰ আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুকলি কৰে পৰিবহণ মন্ত্ৰী যোগেন মোহনে। এই টেষ্ট ট্ৰেক আৰু ড্ৰাইভাৰ প্ৰশিক্ষণ কেন্দ্ৰটো অসমৰ ভিতৰত দ্বিতীয়টো কেন্দ্ৰ বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।এই প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা প্ৰশিক্ষণপ্ৰাপ্ত সুদক্ষ ড্ৰাইভাৰ হোৱাৰ লগতে সহজতে অনুজ্ঞাপত্ৰ লাভ কৰি দেশৰ যিকোনো ঠাইত কৰ্ম সংস্থাপন লাভ কৰিব পাৰিব বুলি মন্ত্ৰী যোগেন মোহনে আশা প্ৰকাশ কৰে। উক্ত অনুষ্ঠানত জিলা আয়ুক্ত ৰোহন কুমাৰ ঝা, হাউলী পৌৰসভাৰ সভানেত্ৰী অঞ্জলি দাস চৌধুৰী, হাউলী পৌৰসভাৰ কাৰ্যবাহী বিষয়া হিমাক্ষী ঠাকুৰীয়া সহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

### কলাইগাঁৱত বিজেপি-বি পি এফ দলৰ তীব্ৰ নিৰ্বাচনী প্ৰচাৰ

## মুদৈবৰী পৰিষদীয় সমষ্টিত ৭৩,৮৪০ ভোটাৰে নিৰ্ণয় কৰিব ১০ প্ৰাৰ্থীৰ ভাগ্য

দৈনিক অসমৰ প্ৰতিনিধি

**কলাইগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** বিটিআৰৰ অধীনস্থ তথা ওদালগুৰি জিলাৰ বৃহত্তৰ কলাইগাঁৱৰ অঞ্চলসমূহ সামৰি গঠিত ৩৫ নং মুদৈবৰী সমষ্টিত বিভিন্ন দলৰ প্ৰাৰ্থীৰ মাজত চলিছে তীব্ৰ নিৰ্বাচনী প্ৰচাৰ। মুদৈবৰী সমষ্টিটো সকলোৰে বাবে মুকলি সমষ্টি। ইয়াত বিজেপি দলৰ প্ৰাৰ্থী তথা বিটিচি পৰিষদৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা এজন স্থানীয় বাসিন্দা হোৱাৰ বাবে কোচ-ৰাজবংশী সম্প্ৰদায়ৰ হোৱা বাবে সুবিধাজনক স্থিতিত আছে যদিও বিটিচি পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্য জগদীশ সৰকাৰে এইবাৰ বহুকেইজন প্ৰাক্তন ছাত্ৰনেতাৰ সমৰ্থন লাভ কৰি তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা পৰিলক্ষিত হৈছে। মুদৈবৰী সমষ্টিত মুঠতে দহজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত কলাইগাঁৱৰ স্থানীয় যুৱক তথা ইউপিপিএলৰ প্ৰাৰ্থী ৰমেশ হাজৰিকা উল্লেখযোগ্য। হাজৰিকা কিছুদিন আগলৈ বিজেপি দলৰ ওদালগুৰি জিলা সমিতিৰ সম্পাদকৰ দায়িত্বত আছিল। আন এগৰাকী স্থানীয় প্ৰাৰ্থী কংগ্ৰেছ দলৰ মৃগাংক শইকীয়াইও তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা পৰিলক্ষিত হৈছে। ইতিমধ্যে বিজেপি দলৰ প্ৰাৰ্থীৰ সমৰ্থনত ডঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযূষ হাজৰিকাই কলাইগাঁৱত নিৰ্বাচনী প্ৰচাৰ চলাই আছে। আনহাতে, ইউপিপিএলৰ প্ৰাৰ্থীৰ হৈ বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু এবছুৰে প্ৰচাৰ অভিযান চলাই আছে। কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ সভাপতি গৌৰৱ গগৈয়ে মুদৈবৰীসহ একাধিক সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাই আছে। অহা ২২ ছেপ্টেম্বৰত ভোটদানহ'ব। উল্লেখযোগ্য যে ৩৫ নং মুদৈবৰী সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ৭৩,৮৪০গৰাকী। পুৰুষ ভোটাৰৰ সংখ্যা হৈছে ৩৬,৩৯২জন আৰু মহিলা ভোটাৰৰ সংখ্যা হৈছে ৩৭,৪৪৮গৰাকী। এই সমষ্টিত ৯৩ টা ভোটকেন্দ্ৰ আছে।

## ছাত্ৰনেতা যুৱক বিদ্যুৎ চৌধুৰীৰ মৃত্যু

### বজালীত গভীৰ শোক

দৈনিক অসমৰ প্ৰতিনিধি

**পাঠশালা, ১৮ ছেপ্টেম্বৰ ঃ** বজালীৰ সম্ভাৱনাময় যুৱক বিভিন্ন দল-সংগঠনৰে প্ৰত্যক্ষভাৱে জড়িত তদানীন্তন বজালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছু নেতা বিদ্যুত চৌধুৰীৰ আকস্মিক বিয়োগত সমগ্ৰ বজালী অঞ্চলত শোকৰ ছাঁ পৰিছে। ২০০৪/০৫ বৰ্ষত বজালী মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হোৱাৰ উপৰি পাঠশালা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিছাপে কাৰ্যনিৰ্বাহ কৰিছিল। অকল সেয়া নহয় বজালীৰ বিভিন্ন সামাজিক সংগঠনৰে সৈতে প্ৰত্যক্ষভাৱে জড়িত হৈ ৰাইজৰ কাম কৰিছিল। বজালীৰ ভালাগুৰি নিবাসী বিদ্যুত এক জটিল ৰোগত আক্ৰান্ত হৈ আছিল। অৱশেষত কালি শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুত বজালী আছুৱে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালৈ সমবেদনা জ্ঞাপন কৰে।

## শুৱালকুছিৰ ঈশ্বৰ গোপাল কৃষ্ণ সত্ৰত ২০ ছেপ্টেম্বৰৰপৰা দুৰ্গা পূজাৰ শতবৰ্ষ মহোৎসৱ

দৈনিক অসমৰ প্ৰতিনিধি

**শুৱালকুছি, ১৮ ছেপ্টেম্বৰ ঃ** শুৱালকুছিৰ কেওটপাৰাস্থিত ঈশ্বৰ শ্ৰীশ্ৰীগোপাল কৃষ্ণ সত্ৰ ৰাইজ গয়ৰহৰ উদ্যোগত অনুষ্ঠিত শাৰদীয় দুৰ্গা পূজাৰ শতবৰ্ষ মহোৎসৱ। শতবৰ্ষ মহোৎসৱৰ লগত সংগতি ৰাখি অহা ২০ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ দুৰ্গা দেৱীৰ পূজাভাগি বিভিন্ন ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে উদযাপন কৰা হ'ব। কাৰ্যসূচী অনুযায়ী ৩ আহিন ২০ ছেপ্টেম্বৰৰ পুৱা জাগৰণ যাত্ৰা, সন্ধিয়া দেৱীৰ আমন্ত্ৰণ আৰু আৰাহন পূজা, ২১ ছেপ্টেম্বৰৰ পুৱা চণ্ডী পাঠ, হোম, পুষ্পাঞ্জলি, শান্তি আৰু প্ৰণাম, সন্ধিয়া পুৰুষৰ নাগাৰা নাম প্ৰদৰ্শন, ২২, ২৩ আৰু ২৪ ছেপ্টেম্বৰৰ সন্ধিয়া নাম পৰিৱেশন, ২৫ ছেপ্টেম্বৰৰ আবেলি ধৰ্মালোচনা সভা, কৰ্ণ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বৰপেটাৰ শ্ৰীশ্ৰীপাটবাউসী সত্ৰৰ অধিকাৰ আদিধাম ভাস্কৰ জ্যোতি গোস্বামী, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব এমট্ৰনৰ পৰামৰ্শদাতা দিনমণি ভাণ্ডাৰ কায়স্থ, বক্তা হিচাপে উপস্থিত থাকিব হৰ্ষবৰ্দ্ধন কাশ্যপ, মুখ্য সাংগঠনিক কাৰ্যধিকৰ্তা, শ্ৰীমৎ দেৱ দামোদৰ সংঘৰ সন্ধিয়া নাম পৰিৱেশন। ২৭ ছেপ্টেম্বৰৰ সন্ধিয়া নাম পৰিবেশন। ২৮ ছেপ্টেম্বৰত শ্ৰীশ্ৰী দুৰ্গাদেৱীৰ বোধন, সন্ধিয়া নাম পৰিৱেশন। ২৯ ছেপ্টেম্বৰ দেওবাৰে পুৱা ধৰ্মীয় শোভাযাত্ৰা, শোভাযাত্ৰা উদ্বোধন কৰিব ৰিণিকি ভূঞা শৰ্মাই। বন্তি প্ৰজ্বলন কৰিব ৰাষ্ট্ৰীয় খেলুৱৈ নীৰজ বৰা আৰু প্ৰাক্তন ছাত্ৰনেতা প্ৰকাশ দাসে, শোভযাত্ৰত অংশ গ্ৰহণ কৰিব বিজেপি নেত্ৰী তথা অভিনেত্ৰী আঙুৰলতা ডেকাই। সন্ধিয়া ১০০ গছি বন্তি প্ৰজ্বলন, নিশা যাত্ৰাভিনয়। ২৯ ছেপ্টেম্বৰৰ পুৱাৰ ভাগত অকুমাৰী কন্যাৰ দ্বাৰা জল আহৰণ, নৱপ্ৰত্ৰিকা প্ৰৱেশ আৰু সপ্তমী বিহিত পূজা আৰম্ভ,বিয়লি ওজাপালি পৰিৱেশন, খেল-ধেমালি প্ৰতিযোগিতা, সন্ধিয়া দেৱীৰ আৰতি অনুষ্ঠান, নিশা অসম ভিত্তিত আধুনিক নৃত্য প্ৰতিযোগিতা আৰু স্থানীয় শিল্পীৰ গীতৰ শৰাই। ৩০ ছেপ্টেম্বৰৰ পুৱা পূজা-অৰ্চনা, দুপৰীয়া সন্ধি পূজা, বিয়লি ওজাপালি, খেল-ধেমালী প্ৰতিযোগিতা, সন্ধিয়া দেৱীৰ আৰতি, নিশা 'মহিষাসুৰ বধ' নামৰ ধৰ্মীয় নাট প্ৰদৰ্শনৰ লগতে আমন্ত্ৰিত শিল্পী অষ্ট্ৰিয়ানা দিহিঙীয়াৰ গীতৰ শৰাই। ১ অক্টোবৰত দুৰ্গা নৱমীৰ দিনাখন পুৱাৰ ভাগত বিষ্ণু পূজা, কুমাৰী পূজা, বিয়লি ওজাপালি, ভেশছন, সন্ধিয়া দেৱীৰ আৰতি অনুষ্ঠান, আৰতিৰ পাছতে শতবৰ্ষ স্মৃতিগ্ৰন্থ উন্মোচন, উন্মোচনী অনুষ্ঠানত উপস্থিত থাকিব দয়ানন্দ পাঠক, বিশিষ্ট শিক্ষাবিদ, ডঃ নীহাৰঞ্জন কলিতা, অধ্যক্ষ শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়, লগতে উপস্থিত থাকিব কামৰূপ দেৱ দামোদৰ সংঘৰ সভাপতি নৃপেন্দ্ৰ কুমাৰ ভাগৱতী, নিশা সম্বৰ্ধনা আৰু বঁটা বিতৰণী অনুষ্ঠান আৰু নিশাৰ বিশেষ আকৰ্ষণ আমন্ত্ৰিত কণ্ঠশিল্পী ৰাকেশ ৰিয়ানৰ গীতৰ শৰাই। ২ অক্টোবৰ অৰ্থাৎ শেষৰ দিনা পুৱা দশমী বিহিত পূজা, দেৱীৰ বিসৰ্জনাৰ্থে অপৰাজিতা পূজা, নাম-প্ৰসংগ, দুপৰীয়া ওজাপালি প্ৰদৰ্শন, বিয়লি দেৱীৰ বিসৰ্জনেৰে সামৰণি পৰিব ঈশ্বৰ শ্ৰীশ্ৰী গোপাল সত্ৰ ৰাইজ গয়ৰহৰ শাৰদীয় দুৰ্গাপূজাৰ শতবৰ্ষ মহোৎসৱৰ।

### ধৰ্মীয়-পৰম্পৰাগত বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন




## ৰেল যাত্ৰীৰ সমস্যা সমাধানৰ দাবীত ৰঙিয়া মাণ্ডলিক প্ৰবন্ধকলৈ স্মাৰকপত্ৰ

দৈনিক অসমৰ প্ৰতিনিধি

**চামতা, ১৮ ছেপ্টেম্বৰ ঃ** দীৰ্ঘদিন ধৰি ৰেলযাত্ৰীসমূহে কৈঠালকুছি ষ্টেচনত ভুগি অহা বিভিন্ন সমস্যা সন্দৰ্ভত অসম ৰেলযাত্ৰী সংস্থাৰ কৈঠালকুছি শাখাৰ উদ্যোগত আজি ৰাতিপুৱা সন্থাৰ সভাপতি বিপিন ভট্টাচাৰ্য আৰু সম্পাদক অৰবিন্দ বৰ্মন স্বাক্ষৰিত এখন স্মাৰকপত্ৰ প্ৰদান প্ৰদান কৰে। কৈঠালকুছি ষ্টেচন অধীকৰ জৰিয়তে ৰঙিয়া ডিভিজনেল মেনেজাৰলৈ প্ৰদান কৰা স্মাৰক পত্ৰখনত কৈঠালকুছি ষ্টেচনৰ ১ নং আৰু ২ নং প্লেটফৰ্মৰ যাত্ৰী জিৰণি লোৱা চালি দীঘলীয়া কৰা, ২ নং প্লেটফৰ্মত লাইটৰ ব্যৱস্থা কৰা,কৈঠালকুছি ষ্টেচনৰ দুয়োটা প্লেটফৰ্মত খোৱা পানীৰ ব্যৱস্থা কৰা, শৌচালয় আৰু প্ৰস্ৰাবগাৰ নিৰ্মাণ কৰা, কৈঠালকুছি বৰমা সংযোগী পুৰণি ষ্টেচনৰ ৰেল লাইনৰ ওপৰত পথ দলং নিৰ্মান কৰা, চাবআৰ্বান চাৰ্ভিছ প্ৰচলন কৰা, EMU/MEMU চলাচল কৰা, মানস ৰাইনো, বহাগীকে আদি কৰি সকলো যাত্ৰীবাহী ৰেল সময় মতে চলাচল কৰাকে ধৰি কেইবাটাও দাবী উল্লেখ থাকে।

## দুধনৈত বিশ্বকৰ্মা পূজা উদযাপন

দৈনিক অসমৰ প্ৰতিনিধি

**দুধনৈ ১৮ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে গোৱালপাৰা জিলাৰ দুধনৈত কালি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ক্ষুদ্ৰ উদ্যোগ, গাড়ীৰ গেৰেজসমূহত এক উখল-মাখল পৰিৱেশৰ মাজত বিশ্ব খনিকৰ বিশ্বকৰ্মা পূজা উদ্যাপন কৰা হয়। দুধনৈ জনমন্দিৰ প্ৰাংগণত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে দুধনৈ ই-ৰিক্সা মালিক আৰু চালক কল্যাণ সন্থাই বিশ্বকৰ্মা পূজা উদ্যাপন কৰে। পূজা আৰম্ভ হোৱাৰ পূৰ্বে ই-ৰিক্সা মালিক আৰু চালক কল্যাণ সন্থা তথা পৰিচালনা সমিতিয়ে ৪৬নং ৰাজ্যিক ঘাইপথত চাফাই অভিযান চলায়। এই কাৰ্যসূচীৰ পাছতে মাংগলিক ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা আৰম্ভ কৰে। পূজাত নিউ দুধনৈৰ ৰাংঢালী নামদলৰ আইসকলৰ নাম পৰিৱেশন, দুধনৈৰ জ্যেষ্ঠ ব্যক্তিসকলৰ কীৰ্তন, গুৱাবাৰী ৰায়পাৰা মা লক্ষ্মী নামতি দল আৰু বিশেষ আকৰ্ষিত ৰঙিয়াৰ আমন্ত্ৰিত হিমাক্ষী ডেকাৰ দ্বাৰা পৰিচালিত 'ভৈৰৱেশ্বৰী নাগাৰা নাম' দলে নাম পৰিৱেশন কৰি ৰাইজক আপ্লুত কৰে। ইফালে দুধনৈত উদয়পুৰত বিভিন্ন কাৰ্যসূচীৰে দুধনৈ অটো সন্থাই দিনজোৰা কাৰ্যসূচীৰে বিশ্বকৰ্মা পূজা উদ্যাপন কৰে। দুধনৈত পুৱাৰে পৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, গাড়ীৰ গ্ৰেৰেজ, ক্ষুদ্ৰ উদ্যোগত উদ্যাপিত বিশ্বকৰ্মা পূজাত এক আধ্যাত্মিকতা, উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

### পৰ্যটন বিভাগৰ অমনোযোগিতা ঃ ক্ষুব্ধ ৰাইজৰ সংৰক্ষণৰ দাবী

## ঐতিহাসিক সমলেৰে পূৰ্ণ বুঢ়া-বুঢ়ী থানক পৰ্যটনস্থলীৰূপে গঢ়াৰ দাবী

দৈনিক অসমৰ প্ৰতিনিধি

**ধুবুৰী, ১৮ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ পৰ্যটন বিভাগৰ দৰে এটা গুৰুত্বপূৰ্ণ বিভাগ থকাৰ পিছতো বিভাগটোৰ অৱহেলা আৰু অমনোযোগিতাৰ বাবেই আজি বহু প্ৰাচীন সমল-কীৰ্তি চিহ্নসমুহ মৃত্যুৰ মুখলৈ ধাৱমান হোৱাৰ বিষয়টোৱে সচেতন মহলক ক্ষুব্ধ কৰি তুলিছে। উল্লেখযোগ্য যে পশ্চিম অসমৰ ধুবুৰী, গোৱালপাৰা, দক্ষিণ শালমাৰা-মানকাচৰ জিলাত বহু পৌৰাণিক কীৰ্তিচিহ্ন, সমল আদি অ'ত-ত'ত সিঁচৰতি হৈ থকাৰ পিছতো সেই পৌৰাণিক কীৰ্তিচিহ্ন, সমলসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত অসম চৰকাৰে কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ধুবুৰী জিলাৰ ধুবুৰী সদৰ চহৰকে ধৰি শালকোচা, বহলপুৰ, চাপৰ, বিলাসীপাৰা, মহামায়া, পাণবাৰী, গৌৰীপুৰ, গোলকগঞ্জ, সত্ৰশাল আদি অঞ্চলত বিভিন্নভাৱে অসংৰক্ষিত অৱস্থাত আছে তাহানিৰ ৰজাদিনীয়া, ব্ৰিটিছ যুগৰ বহুতো কীৰ্তিচিহ্ন তথা সমলসমূহো। মন কৰিবলগীয়া যে অবিভক্ত গোৱালপাৰা জিলাৰ ফকিৰগনঞ্জ অঞ্চলৰ কাষেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নৈত এতিয়াও ইতিহাসৰ সাক্ষী বহন কৰি আহিছে বুঢ়া-বুঢ়ী থানে। ঐতিহ্যপূৰ্ণ বুঢ়া-বুঢ়ী থানৰ কথা উল্লেখ কৰিলেই স্পষ্ট হৈ পৰে যে ব্ৰহ্মপুত্ৰৰ বুকুত ভাসমান এখন শিলৰ পাহাৰ, তাৰ গাতে লাগি থকা এটা সৰু টিলা; য'ত অনাদৃতভাৱে অ'ত-ত'ত পৰি আছে প্ৰকাণ্ড-প্ৰকাণ্ড শিল আৰু শ শ বছৰতকৈও অধিক বয়সৰ কেইডালমান প্ৰকাণ্ড গছ লগতে নৈপৰীয়া জীৱনচিত্ৰ।



তথ্যানুসৰি এই থানৰ নামকৰণ সম্পৰ্কে জনশ্ৰুতি মতে দুটা প্ৰকাণ্ড শিলক কেন্দ্ৰ কৰি নামকৰণ কৰা হৈছে। শিল দুটাৰ এটা পাৰ্বতী, আনটো মহাদেৱ শিৱ। অৰ্থাৎ থিয়কৈ থকা শিলটোক মহাদেৱৰ শিৱ (বুঢ়া) আৰু পথালিকৈ বা শুই থকাৰ দৰে দৃশ্যমান শিলটোক পাৰ্বতী (বুঢ়ী) বুলি কোৱা হয়। এয়াই হৈছে বুঢ়া-বুঢ়ী (মহাদেৱ শিৱ-পাৰ্বতী) নামৰ তাৎপৰ্য। বৰ্তমানে 'বুঢ়া-বুঢ়ী থান' ধুবুৰী জিলাৰ অন্তৰ্গত। ধুবুৰী জিলাৰ পূব প্ৰান্তৰ মহাবাহু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে ই অৱস্থিত। ইয়াৰ পূবে গোৱালপাৰা জিলাৰ সীমাঞ্চল জলেশ্বৰ বজাৰ, পশ্চিম আৰু উত্তৰে ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে মেদেৰটাৰী বজাৰ। সমষ্টিগতভাৱে গোৱালপাৰা জিলাৰ ৩৯ নম্বৰ জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত। ধৰ্মীয় স্থান হিচাপে বুঢ়া-বুঢ়ী থান ধুবুৰী-গোৱালপাৰা জিলাৰ অন্তৰ্গত অন্যান্য ধৰ্মীয় স্থানৰ দৰে নামজ্বলা নহ'লেও একেবাৰে স্বীকৃতি নথকা নহয়। প্ৰতি বছৰৰ চ'ত মাহৰ শেষৰ দিনটোক এটা বিশেষ দিন হিচাপে গণ্য কৰি হিন্দু ধৰ্মাৱলম্বী লোকসকলে ধৰ্মীয় পৰম্পৰাৰে বুঢ়া-বুঢ়ীৰ পূজা উলহ-মালহেৰে পালন কৰে। পূজানুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত হয় মেলা। য'ত বিভিন্ন ধৰ্মৰ মানুহৰ ভিৰ হোৱা দেখা যায়। ঐতিহ্যপূৰ্ণ এখন স্থান হিচাপে চিহ্নিত হোৱাৰ পিছতো আজিও বুঢ়া-বুঢ়ী থানৰ সংৰক্ষণৰ বাবে অসম চৰকাৰে বিশেষ দৃষ্টি দিয়া পৰিলক্ষিত হোৱা নাই। বৰ্তমান এই বুঢ়া-বুঢ়ী থান ভয়াৱহভাৱে গৰাখহনীয়াৰ কবলত পৰা দেখা গৈছে। অবিভক্ত গোৱালপাৰা জিলাৰ ঐতিহাসিক ধৰ্মীয় স্থানসমূহৰ তালিকাত 'পাগলা টেক'ৰ পিছতেই বুঢ়া-বুঢ়ী থানৰ স্থান যদিও বুঢ়া-বুঢ়ী থান যুগে যুগে অনাদৃত হৈ আছে। এফালে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ ভয়াৱহ ৰূপ ধাৰণ, আনপিনে ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগৰ অমনোযোগিতাই ইতিহাসৰ সাক্ষী বহন কৰি অহা এটা ঐতিহাসিক স্থানে মৃত্যুৰ দিশে গতি কৰি আছে বুলি স্থানীয় ৰাইজে ক্ষোভ উজাৰিছে। অসম চৰকাৰক ইতিহাসপ্ৰসিদ্ধ বুঢ়া-বুঢ়ী থানৰ উন্নয়ন আৰু সংৰক্ষণৰ ক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰিছে।

# 'দৈনিক অসম'ৰ নতুন যাত্ৰাৰ প্ৰাক্ মুহূৰ্তত একলম

*৫ পৃষ্ঠাৰপৰা* বিচাৰৰ বাবে কেৱল প্ৰচাৰৰ সংখ্যাই একমাত্ৰ মাপকাঠী নহয়। এখন প্ৰভাৱশালী বাতৰি কাকত জনপ্ৰিয় নহ'বও পাৰে। বাতৰি কাকতো যিহেতু এটা উদ্যোগ, ইয়াৰ জনপ্ৰিয়তাই উদ্যোগটোক লাভজনক প্ৰতিষ্ঠানত পৰিণত কৰিব পাৰে। কিন্তু ই ক্ষণস্থায়ীও হ'ব পাৰে। আমাৰ দৃষ্টিত এখন প্ৰভাৱশালী বাতৰি কাকতৰ আয়ুসহে দীঘলীয়া হয়। এইক্ষেত্ৰত বিশিষ্ট সাংবাদিক প্ৰয়াত হোমেন বৰগোহাঞিয়ে তেওঁৰ আত্মজীৱনী 'আত্মানুসন্ধান'ত উল্লেখ কৰিছে যে পৃথিৱীৰ সৰ্বাধিক প্ৰচাৰিত বাতৰি কাকতবোৰ সৰ্বশ্ৰেষ্ঠ বা আটাইতকৈ শ্ৰদ্ধেয় বাতৰি কাকত নহ'বও পাৰে। এইক্ষেত্ৰত বৰগোহাঞিয়ে আমেৰিকা যুক্তৰাজ্যৰ 'The New York Times' নামৰ বাতৰি কাকতখনৰ কথা উল্লেখ কৰিছে। বহুতৰ মতে এইখনেই পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ বাতৰি কাকত, কাৰণ এই বাতৰি কাকতখনৰ সংস্কৰণ পঢ়িয়েই পৃথিৱীৰ বহু দেশৰ ৰাষ্ট্ৰপ্ৰধানে তেওঁলোকৰ দিনটো আৰম্ভ কৰে। অৱশ্যে ভাষাৰ জটিলতা, অতিৰঞ্জিত বাতৰি প্ৰচাৰৰ পৰা বিৰত থকা, জটিল ৰচনাশৈলী আদি কাৰণতে কাকতখন প্ৰচলিত অৰ্থত এতিয়াও জনপ্ৰিয় হৈ উঠিব পৰা নাই। জনপ্ৰিয় নহৈয়ে এখন বাতৰি কাকত যে অত্যন্ত প্ৰভাৱশালী হ'ব পাৰে ই তাৰেই এক জ্বলন্ত দৃষ্টান্ত।

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত প্ৰগতি, কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে কৌশলৰ আগমনত সাংবাদিকসকল সেই অনুসৰি কৌশলগত শিক্ষাৰে প্ৰশিক্ষিত হোৱাটো নিতান্তই প্ৰয়োজনীয়। এটা সময়ত সাংবাদিকৰ দায়িত্ব কেৱল তথ্য সংগ্ৰহ আৰু উপস্থাপন কৰি বাতৰি পৰিৱেশন কৰাতেই সীমাবদ্ধ আছিল আৰু জনসাধাৰণে তেনে বাতৰি কাকতকে আঁকোৱালি লৈছিল। বৰ্তমানৰ পটভূমিত এগৰাকী সাংবাদিকে তথ্য সংগ্ৰহ, বিৱৰণ, উপস্থাপন কৰাৰ উপৰি পৰিসাংখ্যিক বিশ্লেষণৰ দ্বাৰা বিশ্লেষণ কৰি পাঠকৰ আকৰ্ষণীয় কৰি বাতৰি পৰিৱেশন কৰিলেহে প্ৰতিযোগিতাৰ যুগত এখন বাতৰি কাকতে প্ৰভাৱশালী আৰু জনপ্ৰিয় হিচাপে মূৰ দাঙি উঠিব পাৰিব। সাংবাদিক এগৰাকী গৱেষক হোৱাটোও যুগৰ আহ্বান। ৰাজনীতি আৰু অৰ্থনীতিৰ উপৰি বুৰঞ্জী, ভূগোল, নৃতত্ত্ব, সমাজতত্ত্ব, বিজ্ঞানৰ প্ৰাথমিক জ্ঞান, আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা আদি বিভিন্ন বিষয় অধ্যয়ন কৰি সাংবাদিক এগৰাকীয়ে নিজকে উন্নত মানৰ আধুনিক সাংবাদিকতাৰ উপযোগী কৰি গঢ়ি তুলিব লাগিব। এগৰাকী সাংবাদিক সু-সংস্কৃত মনৰ শিকাৰু হোৱাটোও বাঞ্ছনীয়।

বহু ক্ষেত্ৰত পৰিলক্ষিত হয় যে এগৰাকী সাংবাদিকে আইনে দোষী সাব্যস্ত কৰাৰ পূৰ্বেই কেৱল অভিযোগ আৰু প্ৰতি-অভিযোগৰ ওপৰত ভিত্তি কৰিয়ে নিজাকৈ কেতবোৰ অভিমত দাঙি ধৰে। ইয়াৰ ফলত সংবাদ পত্ৰই জনগণৰ আস্থা-বিশ্বাস হেৰুৱায়। এইক্ষেত্ৰত অনুসন্ধান বা তদন্তমূলক সাংবাদিকতাৰ দ্বাৰা ব্যাখ্যামূলক প্ৰতিবেদন আগবঢ়োৱা ভাল। তদন্তৰ দ্বাৰা তথ্য সংগ্ৰহ কৰি বিস্তৃত অধ্যয়নৰ জৰিয়তে ব্যাখ্যামূলক প্ৰতিবেদন দাখিল কৰোঁতে হয়তো কিছু বেছি সময়ৰ প্ৰয়োজন হয়। কিন্তু এই প্ৰতিবেদন ন্যায়সংগত হ'ব, যাৰ জৰিয়তে প্ৰতিবেদকগৰাকী এগৰাকী প্ৰতিষ্ঠিত, বিশ্বাসযোগ্য আৰু গুণসম্পন্ন সাংবাদিক হোৱাত সহায়কহে হ'ব।

গণতান্ত্ৰিক সমাজ-ব্যৱস্থাত সংবাদ মাধ্যমসমূহে পালন কৰি অহা ভূমিকা সৰ্বজনবিদিত। ভাল বাতৰি কাকতৰ প্ৰচলনে গণতান্ত্ৰিক মূল্যবোধৰ ভেটি গঢ়ি তোলে। ঔপনিৱেশিক যুগৰে পৰা দেশৰ স্বাধীনতা আন্দোলনৰ উপৰি আমাৰ ৰাজ্যখন বা অঞ্চলটোলৈ যেতিয়াই কোনো সংকট নামি আহিছে বা আমাৰ জাতীয় জীৱনলৈ যেতিয়াই কোনো কাৰণত বিপৰ্যয় নামি আহিছে তেতিয়াই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে অভিহিত আমাৰ সংবাদ জগতখনে প্ৰতিবাদী ৰাইজৰ মাজত শক্তিশালী জনমত গঠন কৰি সামাজিক দায়বদ্ধতাৰ পৰিচয় দি আহিছে। সততা, নৈতিকতা, নিৰপেক্ষতা, দায়বদ্ধতা, সাহসিকতা আদিয়েই সাংবাদিকসকলৰ ভূষণ—নিৰ্ভীক-শক্তিশালী কণ্ঠস্বৰেই তেওঁলোকৰ মূল অস্ত্ৰ। যুদ্ধ-বিগ্ৰহ, দুৰ্যোগ, শাসকবৰ্গৰ ক্ষমতাৰ অপপ্ৰয়োগ আদিৰ পৰিণতিত সৃষ্ট অস্থিৰতা-অৰাজকতা, অন্যায়-অবিচাৰ-দুৰ্নীতি আদিৰ বিপক্ষে প্ৰতিৰোধ গঢ়ি তোলাৰ ক্ষেত্ৰত তথা ৰাইজক সচেতন, সংঘবদ্ধ, সাহসী আৰু সত্যনিষ্ঠৰূপে গঢ়ি তুলি সুস্থ গণতন্ত্ৰৰ মূল ভেটিটো প্ৰতিষ্ঠা কৰাত সাংবাদিকসকলে অতীজৰে পৰা অতুলনীয় ভূমিকা পালন কৰি আহিছে।

সাহিত্যৰ মাজেৰে একোখন সমাজৰ চিন্তা-চেতনা, মনোভাব আৰু সংস্কৃতি-সভ্যতাৰো প্ৰতিফলন ঘটি অহাৰ দৰে আমাৰ সংবাদপত্ৰসমূহেও বিশুদ্ধ আৰু যথাযথ তথ্যৰ উপস্থাপনৰ জৰিয়তে সমাজ একোখনৰ হৈয়ে কণ্ঠ নিগৰাই আহিছে। আমাৰ বোধেৰে সংবাদ প্ৰস্তুত কৰোঁতে যথাসম্ভৱ ৰুচিসন্মত, সংক্ষিপ্ত, স্পষ্ট, শুদ্ধ ব্যাকৰণসহ সহজ-সৰল বোধগম্য ভাষা আৰু প্ৰয়োজন সাপেক্ষে আলংকাৰিক শব্দ কিম্বা তুলনা বা উপমা আদিৰ ব্যৱহাৰেৰে সমগ্ৰ শৈলীটোকে নিশ্চয় অধিক আকৰ্ষণীয়, সুৰুচিসন্মত আৰু গ্ৰহণযোগ্য কৰি তুলিব পাৰি। সংবাদ জগতখনে পূৰ্বৰ ঐতিহ্য-গৰিমা হেৰুৱাইছে বুলি মাজে-মধ্যে চৰ্চিত হৈ থকাৰ সময়তে আমাৰ মনলৈ প্ৰায়েই ভাব আহে যে এইক্ষেত্ৰত আত্মসমালোচনা, আত্মবিশ্লেষণ আৰু আত্মজিজ্ঞাসাৰ সুপ্ৰয়োগেৰে সাংবাদিকসকলে সংবাদ ক্ষেত্ৰখনৰ ওপৰত থকা ৰাইজৰ পূৰ্বৰ আস্থা নিশ্চয় ঘূৰাই আনিব পাৰিব। গণতন্ত্ৰত ৰাইজেই ৰজা; ঠিক সেইদৰে ৰাইজেই হৈছে সংবাদ মাধ্যমসমূহেও প্ৰকৃত অভিভাৱক। সংবাদ মাধ্যমৰ প্ৰতি থকা জনগণৰ আস্থা-বিশ্বাস অক্ষুণ্ণ হৈ ৰওক, 'দৈনিক অসম'ৰ হাতত বৃত্তিটোৰ পবিত্ৰতা পূৰ্ণৰূপত ৰক্ষিত হওক। কাকতখনে সমাজখনকো সেই অনুৰূপে আগবঢ়াই নিয়াটোৱেই সময়ৰ আহ্বানৰূপে বিবেচিত হৈছে। তাৰ বাবে সমগ্ৰ অসমবাসীৰ লগতে আমাৰো শুভ-কামনা অৱশ্যেই থাকিব।

# 'দৈনিক অসম' আশাৰ ভাষা, ভাষাটোৰো আশা

*১ পৃষ্ঠাৰপৰা* কীৰ্ত্তিনাথ হাজৰিকাই সম্পাদনাকীয়ত প্ৰদান কৰা কলমৰ আঁচোৰৰ প্ৰতিটো শব্দ-বাক্যই জাতিটোক অসমপ্ৰেমেৰে উদ্বুদ্ধ কৰাৰ লগতে সমস্যাটোৰ সমাধানৰ বাটৰ সন্ধান দিছিল। 'দৈনিক অসম'ৰ শিৰোনাম আছিল দিক নিৰ্ণয়ৰ একো একোটা বাৰ্তা। 'দৈনিক অসম' সদায় সদায় অসম আৰু অসমীয়া খিলঞ্জীয়া মানুহৰ স্বাৰ্থৰ সপক্ষে আছিল। জাতীয় দায়বদ্ধতাক আওৰাই নিয়াত অলৰ-অচৰ-অটল হৈ আছে। বিশেষকৈ অসম আন্দোলনৰ সময়ত বাতৰি কাকতৰ চেন্সৰশ্বিপৰ সময়ছোৱাত আন্দোলন সম্পৰ্কীয় আৰু সম্পাদকীয় উকা কৰি ৰাখি জনসাধাৰণৰ মনৰ ক্ষোভ বলিষ্ঠভাৱে প্ৰকাশ কৰিছিল। এখন বাতৰি কাকতে ৰাইজৰ মত প্ৰকাশ কৰা এনে পদক্ষেপ দেশখনতেই বিৰল।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে অসমৰ জনগণে 'দৈনিক অসম'ৰ পৰা এটা বলিষ্ঠ নেতৃত্ব আশা কৰি আহিছে। বিভিন্ন জাতি-জনজাতি, জনগোষ্ঠীয়ে নিজৰ মাতৃভূমি অসমত আত্মবিকাশৰ পথ প্ৰশস্ত কৰি আগুৱাই যাব পৰা পৰিৱেশ পাব লাগিব। যোৱা ষাঠি বছৰত পৰিস্থিতিৰ পৰিৱৰ্তন ঘটিছে। প্ৰযুক্তিৰ সংযোজন হৈছে, নতুন প্ৰজন্মই হাতত পৃথিৱীৰ খবৰ পোৱা হ'ল। গতিকে এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলে এটা প্ৰতিযোগী মন লৈ আগুৱাই যোৱাৰ বাটৰ সন্ধান পাব লাগিব। যুবক যুৱতীসকলে আত্মমৰ্যাদাৰে জীয়াই থকাৰ পথৰ সন্ধান পাব লাগিব। প্ৰতিটো পৰিয়ালৰ জীৱন ধাৰণৰ মান উন্নত হোৱাৰ পৰিৱেশ সৃষ্টি হ'ব লাগিব। জাতীয় জীৱনৰ প্ৰয়োজনীয় আন আন সংগ্ৰামৰ লগতে এটা পৰিকল্পিত, প্ৰাসংগিক আৰু সামগ্ৰিক অৰ্থনৈতিক সংগ্ৰাম আৰম্ভ হ'ব লাগিব।

'দৈনিক অসম' কেৱল এখন বাতৰি কাকত নহয়। 'দৈনিক অসম' হ'ল অসমৰ জাতীয় জীৱনৰ এটা সত্তা। শ্ৰদ্ধা, আস্থা আৰু বিশ্বাসৰ স্থলী। সংকটৰ সময়ত উদ্যম সাহস আৰু অনুপ্ৰেৰণাৰে আগুৱাই যোৱাৰ এটা মাধ্যম। অসমৰ খিলঞ্জীয়া মানুহৰ ত্ৰাণকৰ্তা। অসমত খিলঞ্জীয়া মানুহৰ প্ৰভুত্ব আৰু সৰ্বকালৰ বাবে নিৰ্ণায়ক অধিকাৰ নিশ্চিত হ'ব পৰাকৈ ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰাটো সময়ৰ আহ্বান। 'দৈনিক অসম'-এ এই বিষয়ত অতদিনে প্ৰদান কৰি অহা নেতৃত্ব ভৱিষ্যতৰ দিনতো অসমৰ খিলঞ্জীয়া মানুহক প্ৰদান কৰিব পাৰিব বুলি গভীৰ আস্থা আৰু বিশ্বাস পোষণ কৰিলোঁ।

# সময়ৰ আহ্বান আৰু 'দৈনিক অসম'

**১ পৃষ্ঠাৰ পৰা** বখাটো এটা চমকপ্ৰদ শুভ সংবাদ। এয়া অসমীয়া ভাষাৰ বাবে, অসমীয়া জাতিৰ বাবে গৌৰৱৰ কথা বুলি মোৰ বিশ্বাস। ৬০ বছৰৰ পৰিক্ৰমা পাৰ হৈ দৈনিক অসমে পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে, সময়ৰ আহ্বানৰ সৈতে খোজ মিলাই নতুন ৰূপ, নতুন ৰহন, নতুন গতিৰে অগ্ৰসৰ হ'বলৈ সাজু হৈছে। আশা কৰিছোঁকাকতখনৰ এই ভৱিষ্যৎমুখী, অভিলাষী এই যাত্ৰাত পূৰ্বৰ গৰিমা অটুট ৰাখি অগ্ৰসৰ হ'ব আৰু অধিক আকৰ্ষণীয় আৰু দায়বদ্ধ ৰূপত ৰাইজৰ কাষ চাপিব। কাকতখনৰ বহল আৰু বিস্তৃত প্ৰচাৰ, প্ৰসাৰ আশা

# অগ্ৰগামী যাত্ৰাৰ সুদৃঢ় পণ

**১ পৃষ্ঠাৰ পৰা** আৰু নতুন শক্তি আৰু গতিৰে নিজকে অগ্ৰগামী কৰি ৰখাৰ পণক সুদৃঢ় কৰিলে। আশা কৰিছোঁ অনাগত অলেখ বছৰলৈ কাকতখন অসমৰ জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে চিহ্নিত হৈ ৰ'ব বুলি আশা কৰিছোঁ। এই শুভ ক্ষণত কাকতখনৰ সৈতে জড়িত সদৌটিলৈ আন্তৰিক অভিনন্দন আৰু শুভাশিস জনাইছোঁ।

# বৈশিষ্ট্যপূৰ্ণ সমাজ চেতনাৰ নিদৰ্শন

**১ পৃষ্ঠাৰ পৰা** প্ৰচাৰ চলাই অহাৰ সময়তো এই কথা দ্ব্যৰ্থহীনভাৱে ক'ব পাৰি যে সমাজত সংবাদপত্ৰৰ গুৰুত্ব আজিও অপৰিসীম। তদুপৰি কোনটো বৃত্তিৰে আজি প্ৰত্যাহ্বানৰ সৃষ্টি নোহোৱাকৈ আছে।এনে কাকতে কি বৈশিষ্ট্যৰে জনসাধাৰণৰ সেৱা আগবঢ়াব তাৰ ওপৰতে গ্ৰহণযোগ্যতাৰ প্ৰসংগ আহিব। আশা কৰিছোঁ 'দৈনিক অসম'ৰ নতুন পৰিচালনা গোষ্ঠীয়ে এখন সৰ্বাংগসুন্দৰ কাকত অসমবাসীৰ সন্মুখত দাঙি ধৰিব।

# 'দৈনিক অসম'ৰ এই যাত্ৰা অবিনাশী...

**১ পৃষ্ঠাৰ পৰা** মাজেৰে আত্মপ্ৰকাশ কৰিছিল। তাৰো পূৰ্বে ১৯৩৯ চনত ডিব্ৰুগড়ত আমাৰ পিতৃ ৰাধা গোবিন্দ বৰুৱাই 'দ্য আছাম ট্ৰিবিউন' আৰম্ভ কৰিছিল। ১৯৩০ চনতে আমাৰ পৰিয়ালৰ বৰুৱা প্ৰেছ পাপা আৰু ককাদেউতাই মিলি ডিব্ৰুগড়ত প্ৰতিষ্ঠা কৰিছিল। ৰাধা গোবিন্দ বৰুৱাৰ কাম কৰাৰ এটা সুকীয়া ধৰণ আছিল। তেওঁৰ অভিধানত অসম্ভৱ শব্দৰ স্থান নাছিল। ১৯৩৯ চনৰ সাপ্তাহিক আছাম ট্ৰিবিউন ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ নি দৈনিক কাকত হিচাপে তেওঁ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। তাৰ পাছত ১৯৫৫ চনত 'অসম বাণী' আৰু ১৯৬৫ চনত যি অদম্য সাহস আৰু সপোনেৰে 'দৈনিক অসম' কাকত তেওঁ প্ৰতিষ্ঠা কৰিছিল সেই কথা কেতিয়াও পাহৰিব নোৱাৰি।

পঢ়া-শুনা শেষ কৰি, সাংবাদিকতাৰো প্ৰশিক্ষণ গ্ৰহণ কৰাৰ পাছত পিতৃৰ আদেশ মানি লৈ মই 'দৈনিক অসম' কাকতৰ জন্মলগ্নৰ প্ৰতিটো কাম-কাজত নিজকে নিয়োজিত কৰিছোঁ। কাকতখনৰ জন্মৰ পূৰ্বৰ সকলো প্ৰস্তুতিত মোৰ অংশগ্ৰহণ আছিল বাবেই কাকতখন মোৰ সন্তানৰ দৰেই হৈ থাকিল। ১৯৬৫ চনৰ ৪ আগষ্টত কীৰ্ত্তিনাথ হাজৰিকাৰ দৰে এগৰাকী গুণী, বিদ্বানৰ নেতৃত্বত 'দৈনিক অসম'ৰ যাত্ৰা আৰম্ভ হ'ল। পাপাৰ দূৰদৰ্শী চিন্তা, তীব্ৰ প্ৰত্যাহ্বানপ্ৰিয় চৰিত্ৰ, প্ৰতিষ্ঠাপন সম্পাদক কীৰ্ত্তিনাথ হাজৰিকাৰ সমাজচেতনা, জাতিপ্ৰেমৰ সংমিশ্ৰনেৰে কাকতখনক খুব কম সময়তে অসমৰ জনজীৱনৰ অংশ হৈ পৰিল। বৰ অসমৰ সকলো সমস্যা, অসমীয়া মানুহৰ আশা-আকাংক্ষা, অভাৱ-অভিযোগ, সমস্যা আৰু সম্ভাৱনা আদি সকলো বিষয়ৰে বাৰ্তাবাহক হৈ পৰিল 'দৈনিক অসম'। অসমীয়া জাতীয়তাবাদ আৰু বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ ইতিবাচক অভিযানৰ অগ্ৰভাগত থাকি কাম কৰিছিল 'দৈনিক অসম'-এ। বহু সংকট, প্ৰত্যাহ্বানৰ সন্মুখত সন্মুখৰ পৰা নেতৃত্বও দিছিল, পথ নিৰ্দেশনাও দিছিল।

'দৈনিক অসম'-এ ছটা দশকৰ পৰিক্ৰমা পাৰ কৰি যাত্ৰা অব্যাহত ৰখা কথাটোৱে এতিয়া মোক আহ্লাদিত কৰি তোলে, গৰ্বিত কৰি তোলে। নিজৰ সমাজ হিতকৰ চৰিত্ৰ অটুট ৰখা বাবেই অসমৰ জনগণে কাকতখনক বুকুত সাবটি ৰাখিছে আৰু ইয়াৰ শ্ৰীবৃদ্ধিতো অৰিহণা আগবঢ়াই আহিছে। মই আশা কৰোঁ ভৱিষ্যতৰ দিনবোৰতো 'দৈনিক অসম' কাকতে পূৰ্বৰ গৰিমা অক্ষুণ্ণ ৰাখি আগুৱাই যাব আৰু জাতিটোৰ প্ৰহৰী হৈ পূৰ্বৰ দৰেই থিয় দি থাকিব। এতিয়া এই অবিনাশী যাত্ৰাক সাহস আৰু শক্তি যোগাবলৈ, আমাক সহযোগিতা কৰিবলৈ কিশোৰ বৰাৰ দৰে ডিব্ৰুগড়ৰে এজন ডেকা, জাতিপ্ৰেমী উদ্যমী আগুৱাই আহিছে। কাকতখনৰ ভৱিষ্যতৰ যাত্ৰা তেওঁৰ জাতিপ্ৰেম, জাতীয়তাবাদী চিন্তা-চেতনা, দায়বদ্ধতাই গৰিমাময় কৰি ৰাখিব বুলি মই গভীৰভাৱে আশা আৰু বিশ্বাস কৰোঁ। কাকতখনে অসম আৰু আৰু অসমীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰি ৰাখি ভৱিষ্যতৰ দিনবোৰতো নতুন গতিৰে আগুৱাই গৈ থাকক সেই শুভাশিস মই সদৌটিলৈ যাচিলোঁ।

# এ চি এছ বিষয়াৰ

*৩ পৃষ্ঠাৰপৰা* ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ বদলি হোৱা এ চি এছ বিষয়া পাৰ্থ প্ৰতিম বৰ্মনৰ বিৰুদ্ধে এগৰাকী যুৱতীৰ যৌন নিৰ্যাতন চলোৱাৰ ভয়ংকৰ অভিযোগ উত্থাপন হৈছে। যুৱতী গৰাকীৰ অভিযোগৰ পাছতে কাৰ্যালয়ৰ পৰা পলায়ন কৰিছে চক্ৰ বিষয়া পাৰ্থ প্ৰতিম বৰ্মনে। ঘটনা সন্দৰ্ভত যুৱতী গৰাকীয়ে মন্ত্ৰী কেশৱ মহন্তৰ ওচৰত দাখিল কৰিছে লিখিত অভিযোগ। যুৱতী গৰাকীক এ চি এছ বিষয়া পাৰ্থ প্ৰতিম বৰ্মনে বিয়াৰ প্ৰলোভনেৰে যৌন আতিশয্য চলোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে ধুবুৰীৰ যুৱতী গৰাকীয়ে যোৱা ১৫ ছেপ্টেম্বৰৰ পুৱাৰ ভাগত মানকাচৰস্থিত চক্ৰ বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ প্ৰথমে বিষয়া গৰাকীৰ লগত তীব্ৰ বাক বিতণ্ডাত লিপ্ত হৈছিল। পিছে কাৰ্যালয়ত যুৱতী গৰাকীক এৰি বিষয়া গৰাকীয়ে চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা পলায়ন কৰে বুলি জানিব পৰা গৈছে। ইফালে, যুৱতী গৰাকীয়ে উক্ত ঘটনাক কেন্দ্ৰ কৰি দক্ষিণ শালমাৰা মানকাচৰ জিলা আয়ুক্ত, সহ আৰক্ষী অধীক্ষক আৰু জিলাখনৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তক এখন লিখিত অভিযোগ দাখিল কৰে। সম্প্ৰতি, যুৱতী গৰাকীয়ে উত্থাপন কৰা অভিযোগক কেন্দ্ৰ কৰি সমগ্ৰ মানকাচৰত তীব্ৰ চাঞ্চল্য সৃষ্টি হৈছে।

# আলোকমুখী যাত্ৰালৈ অফুৰন্ত

**৪ পৃষ্ঠাৰ পৰা** ভূমিকা অতি গুৰুত্বপূৰ্ণ হ'ব বুলি আমি ভাবোঁ। ছপা মাধ্যমৰ উপৰি ডিজিটেল মাধ্যম, সামাজিক মাধ্যম আদিৰ ব্যৱহাৰেৰে নৱপ্ৰজন্মৰ কাষ চাপিব লাগিব। মানুহৰ হিতৰ বাবে সময়োপযোগী বিশুদ্ধ বা-বাতৰি, আলোচনা-বিলোচনাকে আদি কৰি ভিন্ন বিষয় সততাৰে এই মঞ্চত উপস্থাপন হওক। আমাৰ ভৱিষ্যৎ প্ৰজন্মই যাতে 'দৈনিক অসম'ৰ মঞ্চখন আন্তৰিকতাৰে আদৰি লয়— আমি তাৰেই কামনা কৰোঁ। কাকতখনৰ আলোকমুখী যাত্ৰালৈ আমাৰ আন্তৰিক শুভ কামনা জনালোঁ।

# সুস্থ-সবল ভাৰত গঢ়াৰ বাবে মোডীৰ নিৰন্তৰ

*৩ পৃষ্ঠাৰপৰা* অভিযান'ৰ শুভাৰম্ভণি কৰে আৰু অষ্টম ৰাষ্ট্ৰীয় পোষণ মাহৰ শুভ উদ্বোধন কৰে। তদুপলক্ষে কালি ডিব্ৰুগড়ত আয়োজিত অনুষ্ঠান কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সোণোৱালে মুকলি কৰে আৰু স্বাস্থ্য শিবিৰ পৰিদৰ্শন কৰি চিকিৎসক, নাৰ্চ, স্বাস্থ্যকৰ্মী, মাতৃসকল তথা সংশ্লিষ্টসকলৰ সৈতে মত বিনিময় কৰে। দেশজুৰি ৰূপায়ণ হৈ থকা এই অভিনৱ কাৰ্যসূচীয়ে মহিলা আৰু শিশুসকলৰ সবলীকৰণৰ লগতে মেদবহুলতা প্ৰতিৰোধ, উন্নত পুষ্টি আৰু স্বেচ্ছামূলক ৰক্তদান আদিত বিশেষ গুৰুত্ব আৰোপ কৰি এখন সুস্থ-সবল ভাৰত গঢ়াৰ নৰেন্দ্ৰ মোডীৰ নিৰন্তৰ প্ৰচেষ্টাক এক নতুন গতি দিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ডিব্ৰুগড়ৰ বকুলত অনুষ্ঠিত কৰা অনুষ্ঠানৰ শুভাৰম্ভ কৰি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়, 'বিশ্বৰ অন্যতম জনপ্ৰিয় নেতা তথা আধুনিক ভাৰতৰ খনিকৰ প্ৰধানমন্ত্ৰী মোডীৰ ৭৫সংখ্যক জন্মদিন উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছে। সমগ্ৰ দেশবাসীয়ে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছে যাতে প্ৰধানমন্ত্ৰী সুস্থ আৰু দীৰ্ঘজীৱী হৈ থাকে। ময়ো তেওঁক জন্মদিনৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। তেওঁৰ দৰে সৎ, নিষ্ঠাবান আৰু দক্ষ প্ৰধানমন্ত্ৰীৰ নেতৃত্বতেই ভাৰতবৰ্ষই বিশ্বৰ বুকুত সুকীয়া স্থান অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰীয়ে নাৰীসকলৰ সবলীকৰণত বিশেষ গুৰুত্ব দিছে আৰু তাৰ বাবে বিভিন্ন কাৰ্যকৰী আঁচনি প্ৰৱৰ্তন কৰিছে। 'সুস্থ নাৰী-সবল পৰিয়াল অভিযান' এ নাৰী সবলীকৰণৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব। সমগ্ৰ দেশৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলতো মোডীৰ বলিষ্ঠ নেতৃত্বত উন্নয়ন, সমৃদ্ধি আৰু শান্তিৰ নৱজাগৰণৰ সূচনা হৈছে। সোণোৱালে লগতে কয়, বিগত বছৰবোৰত প্ৰধানমন্ত্ৰী মোডীৰ বলিষ্ঠ নেতৃত্বত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নে এক নতুন শিখৰত আৰোহণ কৰিছে। বিজেপি দলেই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমস্যাবোৰ গভীৰভাৱে উপলব্ধি কৰিছিল আৰু সমন্বয়ৰ যোগেদি সুশাসনৰ এক নতুন দিগন্তৰ সূচনা কৰিছে। বিজেপি এতিয়া সৰ্বস্তৰৰ লোকৰ আশা-ভৰসাৰ দল। এই দলেই মোৰ দৰে এজন সাধাৰণ কৰ্মকৰ্তাক সকলোখিনি উজাৰি দিছে আৰু ময়ো মোৰ সৰ্বস্ব উজাৰি দলৰ সেৱা কৰি আহিছোঁ। কৰ্মকৰ্তাসকলৰ উৎসৰ্গিত সেৱা আৰু সাংগঠনিক দক্ষতাই আমাৰ দলৰ ভেটি সুদৃঢ় কৰি আহিছে। প্ৰধানমন্ত্ৰী মোডীৰ বলিষ্ঠ নেতৃত্বত বিগত ১১ বছৰত দেশজুৰি যি উন্নয়নৰ লহৰৰ সূচনা হৈছে, সেয়া ১১ বছৰৰ পূৰ্বে অকল্পনীয় আছিল। মোডীৰ গতিশীল নেতৃত্বত সমগ্ৰ দেশৰ লগতে উত্তৰ-পূৰ্বাঞ্চল সৰ্বাংগীণ উন্নয়নৰ শক্তিকেন্দ্ৰ হৈ পৰিছে। ইতিমধ্যে বিশ্বৰ চতুৰ্থ বৃহৎ অৰ্থনীতিলৈ ৰূপান্তৰিত হোৱা ভাৰতবৰ্ষই ২০৩০ চনৰ ভিতৰত বিশ্বৰ শীৰ্ষ তিনি অৰ্থনীতিৰ ভিতৰত অন্তৰ্ভুক্ত হোৱাৰ দিশত দ্ৰুতগতিত আগবাঢ়িছে। মোডীয়ে সকলো প্ৰত্যাহ্বান দূৰ কৰি উন্নয়ন, শাসন প্ৰক্ৰিয়াত স্বচ্ছতা আৰু সৰ্বস্তৰৰ ৰাইজৰ সবলীকৰণৰ এক নতুন দিগন্তৰ সূচনা কৰিবলৈ সক্ষম হৈছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত অৱহেলিত উত্তৰ-পূৰ্বাঞ্চললৈ মোডী প্ৰধানমন্ত্ৰী হিচাপে সৰ্বাধিকবাৰ আহিছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ দিশতো আমাৰ চৰকাৰে নিৰৱচ্ছিন্নভাৱে কাম কৰিছে। ২০৪৭ চনৰ ভিতৰত এখন আত্মনিৰ্ভৰশীল ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ আমি সকলোৱে ঐক্যবদ্ধভাৱে কাম কৰি এখন বিকশিত ভাৰত গঢ়াৰ পণ লওঁ আহক। নাৰী সবলীকৰণ, যুৱ সবলীকৰণ, কৃষক সবলীকৰণত জোৰ দিলেহে আমি বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে থিয় দিব পাৰিম। সেয়ে বিকাশ, সমৃদ্ধি আৰু প্ৰগতিৰ এই ধাৰাক অধিক শক্তিশালী কৰিবলৈ আমি বিশেষ গুৰুত্ব আৰোপ কৰিছোঁ। উল্লেখ্য যে এই অনুষ্ঠানত খোৱাঙৰ বিধায়ক চক্ৰধৰ গগৈ, মটক উন্নয়ন পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডেভিদ চেতিয়া, ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰী, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, বিশিষ্ট সমাজসেৱক দুলাল বৰা, সুশীল তাছা, মামুন গগৈ মিত্ৰ, জিলা পৰিষদৰ সভানেত্ৰী পুষ্পাঞ্জলি সোণোৱাল আদি উপস্থিত থাকে। আনহাতে, বিজেপিৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত কালি 'সেৱা পখেক' উপলক্ষে আয়োজিত ৰক্তদান শিবিৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে পৰিদৰ্শন কৰি চিকিৎসক, নাৰ্চ তথা ৰক্তদাতাসকলৰ লগতে উদ্যোক্তাসকলৰ প্ৰচেষ্টাৰ শলাগ লয়। তদুপৰি, প্ৰধানমন্ত্ৰী মোডীৰ জন্মদিন উপলক্ষে এটি গছপুলি ৰোপণ কৰে সোণোৱালে। এই সময়ছোৱাত তেওঁৰ লগত উপস্থিত থাকে ডিব্ৰুগড় জিলা বিজেপিৰ সভাপতি দুলাল বৰা, উপ-সভাপতি দুলাল গগৈ, সাধাৰণ সম্পাদক সুশীল তাছা, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, ডিব্ৰুগড় মহিলা মৰ্চাৰ সভানেত্ৰী মামুন গগৈ মিত্ৰ, জিলা পৰিষদৰ সভানেত্ৰী পুষ্পাঞ্জলি সোণোৱাল আদি।

# গোলাঘাটত প্ৰলয়ৰ সৃষ্টি কৰিছে নীপকো সৃষ্ট বানে

*৩ পৃষ্ঠাৰপৰা* প্ৰায় ২৪,৫৮৮ জন লোক ক্ষতিগ্ৰস্ত হৈছে। জিলা প্ৰশাসনে ৪২টা আশ্ৰয় শিবিৰ স্থাপন কৰিছে। শেহতীয়া এই বানত বৰ্তমানলৈ দুজন লোকৰ মৃত্যু ঘটিছে। মৃতকৰ পৰিয়ালক অসম চৰকাৰৰ তৰফৰ পৰা ৪ লাখ টকাৰ এককালীন অনুদান দিয়া হৈছে । উদ্ধাৰ অভিযানত ১,২৩৩ জন লোক আৰু ৫৫০টাকৈ পোহনীয়া জীৱ-জন্তু উদ্ধাৰ কৰা হৈছে। মুঠ ২,৯২৩ হেক্টৰ কৃষি ভূমিও এই বানত ক্ষতিগ্ৰস্ত হৈছে। উদ্ধাৰ আৰু সাহায্য অভিযানত ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগ আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বিভাগ নিয়োজিত হৈ আছে। জিলা প্ৰশাসনৰ বিভিন্ন বিষয়াসকলৰ লগতে জিলাস্তৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ ৰ কৰ্মচাৰীয়েও বানপীড়িত অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতি পৰ্যবেক্ষণ কৰিছে। আশ্ৰয় শিবিৰসমূহত প্ৰয়োজনীয় খাদ্য সামগ্ৰী, গৰম খাদ্য, শিশুখাদ্য তথা পশু খাদ্যও বিতৰণ কৰা হৈছে। যিকোনো জৰুৰীকালীন পৰিস্থিতিত নাগৰিকসকলক জিলা নিয়ন্ত্ৰণ কক্ষৰ ০৩৭৭৪-২৮০২২২ ০৩৬৭৪-২৮১৫২৮ নম্বৰত যোগাযোগ কৰিবৰ বাবে আহ্বান জনোৱা হৈছে। গোলাঘাট জিলা প্ৰশাসনে আশ্বাস দি এক বিবৃতিত কয় যে প্ৰভাৱিত সকলো জনসাধাৰণক প্ৰয়োজনীয় সহায়, আশ্ৰয় আৰু সুবিধা সময়মতে প্ৰদান কৰা হ'ব আৰু প্ৰভাৱিত সকলো ৰাজহ চক্ৰত বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক সক্ৰিয়ভাৱে মোতায়েন কৰা হৈছে।

**বোকাখাতত বানৰ প্ৰলয়ংকৰী ৰূপ ঃ**
**নুমলীগড়ৰ 'দৈনিক অসম'ৰ প্ৰতিনিধি**

ধনশিৰি নদীৰ বানে প্লাৱিত কৰিছে বোকাখাত বিধান সভা সমষ্টিৰ বিস্তীৰ্ণ অঞ্চল। কেইবাদিনে হোৱা নেৰানেপেৰা বৰষুণ আৰু আগতীয়া জাননী অবিহনে এৰি দিয়া নীপকোৰ পানীয়ে সৃষ্টি কৰা ধনশিৰি নদীৰ বানে এতিয়া হাহাকাৰ সৃষ্টি কৰিছে কৃষক ৰাইজৰ মাজত। বছৰৰ প্ৰথমটো বানৰ পাছত নতুনকৈ কৰা ধান খেতিৰ পথাৰত সোমোৱা বাঢ়নী পানীয়ে পুনৰবাৰ ভাঙি পেলাইছে গ্ৰাম্য অৰ্থনীতি। বোকাখাত সমষ্টিৰ নুমলীগড়ৰ ঢোদাং ,কমাৰগাঁও, কমাৰগাঁৰৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ এটা অংশ, কুৰুৱাবাহী মেৰকান, কলাবৰীয়া চাপৰি, মেৰ চাপৰি, ৰঙাগৰা, চিনাকান, চিনাকান আদৰ্শ গাঁৱকে ধৰি বিস্তীৰ্ণ কৃষিপথাৰ বৰ্তমান পানীৰ তলত। গৰু-ম'হৰ চৰণীয়া পথাৰসমূহো পানীয়ে বুৰাই পেলোৱাৰ ফলত পশুখাদ্যৰ তীব্ৰ সংকটে দেখা দিছে। আনহাতে, বন্যাৰ্তৰ খোৱাপানীৰ উৎসসমূহো পানীয়ে বুৰাই পেলোৱাৰ ফলত বিশুদ্ধ খোৱাপানীৰ তীব্ৰ নাটনিৰ সৃষ্টি হৈছে। উল্লেখ্য যে বোকাখাত বিধান সভা সমষ্টিত প্ৰতিবছৰে ধনশিৰি, গেলাবিল আৰু ব্ৰহ্মপুত্ৰ নদীয়ে প্ৰলয়ংকৰী বানৰ সৃষ্টি কৰি আহিছে যদিও এই বানে কৃষি ক্ষেত্ৰখনত কৰা ক্ষয়ক্ষতিৰ প্ৰতি চূড়ান্ত অমনোযোগিতা প্ৰদৰ্শন কৰি আহিছে বোকাখাত সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী অতুল বৰাই। কোনো বছৰেই বানৰ পাছত পৰ্যাপ্ত ক্ষতিপূৰণ লাভ কৰা নাই বোকাখাত সমষ্টিবাসীয়ে। কেৱল বান শিৰিৰসমূহত সাহায্য বিতৰণ কৰিয়েই দায়িত্ব সামৰি আহিছে বিধায়ক তথা মন্ত্ৰী অতুল বৰাই। ইফালে বছৰৰ প্ৰথমটো বানৰ পাছত অৰ্থাৎ বিগত ১৩ জুলাইত বোকাখাত-খুমটাই সমষ্টি ভ্ৰমণ কৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বানত ক্ষতিগ্ৰস্ত হোৱা কৃষকক তাৎক্ষণিকভাৱে ক্ষতিপূৰণ দিয়াৰ আশ্বাস দিছিল যদিও সেয়া আজিকোপতি আশ্বাসেই হৈ থাকিল। ইয়াক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি পিণ্টু গগৈয়ে। সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে বানৰ ক্ষতিপূৰণৰ ক্ষেত্ৰত বন্যাৰ্তই প্ৰতিবছৰেই মিছা মাতি আহিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এইবাৰ বোকাখাত-খুমটাই সমষ্টিৰ ব্যাপক ক্ষয়ক্ষতিৰ ক্ষেত্ৰত যদি পূৰ্বৰ দৰে বন্যাৰ্ত বঞ্চনাৰ বলি হয় তেনে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ তীব্ৰ গণ আন্দোলনৰ মুখামুখি হ'ব লাগিব বুলি মুখ্যমন্ত্ৰীক তেওঁ সকীয়াই দিয়ে।

# আন্দোলন অব্যাহত ৰখাৰ হুংকাৰ মৰাণ ছাত্ৰ সন্থাৰ

*৩ পৃষ্ঠাৰপৰা* সমদল কৰি দিল্লী-দিছপুৰত কঁপনি তোলাৰ পাছত ১৫ ছেপ্টেম্বৰৰপৰা আৰম্ভ কৰা অৰ্থনৈতিক অৱৰোধথলীত এই মন্তব্য কৰে মৰাণ জনগোষ্ঠীৰ এসময়ৰ বলিষ্ঠ নেতা বিৰিঞ্চি নেওগে। নেওগে লগতে কয় যে ১৯৭৪ চনৰ পৰা সদৌ মৰাণ ছাত্ৰ সন্থাই মৰাণ জনগোষ্ঠীক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসন প্ৰদানৰ দাবীৰে গণতান্ত্ৰিক আন্দোলন কৰাৰ লগতে স্মাৰকপত্ৰ প্ৰদান কৰি আহিছে। তাৰ পাছতো কোনো এখন চৰকাৰে এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা নাই। বিজেপি চৰকাৰ গ'ল, কংগ্ৰেছ চৰকাৰ গ'ল, অগপ চৰকাৰো গ'ল, কিন্তু সকলোৱে মৰাণ জনগোষ্ঠীক মাত্ৰ ৰাজনীতিৰ স্বাৰ্থত ব্যৱহাৰ কৰিলে। আমি ২০১০ চনতে চৰকাৰক মৰাণ জনগোষ্ঠীক জনজাতিকৰণৰ বাবে প্ৰয়োজন হোৱা বৈশিষ্ট্যসমূহ দাখিল কৰিছোঁ। হয়তো সেইসমূহ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে ৰাজ্য চৰকাৰে। মৰাণ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে প্ৰয়োজনীয় আটাইকেইটা বৈশিষ্ট্য থকাৰ পাছতো কোনো গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত নহ'ল। মৰাণসকলৰ জনজাতিকৰণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীগৰাকীয়ে ছয় জনগোষ্ঠীৰ কথা কৈ লাভ নাই, তেনেকৈ হ'লে এদিন সাত জনগোষ্ঠী, আঠ জনগোষ্ঠী হ'বগৈ । আমি কৈছোঁ মৰাণসকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰক। মৰাণসকলক সহযোগী সংগঠনৰ লগতে সকলোপক্ষই সমৰ্থন কৰিব।' উল্লেখ্য যে মাকুম বাইপাছপথত ১৫ ছেপ্টেম্বৰৰ পুৱা ৫ বজাৰ পৰা আৰম্ভ কৰা অৰ্থনৈতিক অৱৰোধৰ ফলত চাৰিদিনে সহস্ৰাধিক মালবাহী বাহন আৱদ্ধ হৈ আছে। সেই মালবাহী বাহনসমূহৰ ভিতৰত পেট্ৰ'ল-ডিজেল কঢ়িওৱা বাহনো আৱদ্ধ হৈ আছে। ফলত তিনিচুকীয়া, মাকুম আৰু ডুমডুমাৰ অধিকাংশ তেলৰ ডিপোৰ তলি ইতিমধ্যে উদং হৈ পৰিছে। মাকুমৰ দুটাকৈ তেল ডিপোৰ তেল দুদিনত শেষ হোৱাৰ লগতে কাষৰীয়া ডিপোসমূহত। ক্ৰমে তৃতীয় আৰু চতুৰ্থটো দিনত শেষ হৈছেগৈ। দুই এক ডিপোত আছে যদিও সেয়া এক্সট্ৰা প্ৰিমিয়াম, তাকো শেষ হওঁ হওঁ অৱস্থা। সমান্তৰালভাৱে বৰহাপজানত অৱস্থিত হিন্দুস্তান ইউনিলিভাৰৰ বহু মালবাহী বাহন আৱদ্ধ হৈ থকাৰ ফলত প্ৰতিষ্ঠানটো বৰ্তমান বন্ধ হৈ পৰাৰ দিশে গতি কৰিছে। ইফালে, ডিগবৈ আই অ' চি এল ৰ পৰা পেট্ৰল-ডিজেল আৰু মাৰ্ঘেৰিটাৰ পৰা কয়লা কঢ়িয়াই নিয়া ৰে'ল অৱৰোধ কৰিবলৈ মাকুম জংচনত ১৫ ছেপ্টেম্বৰৰ পৰাই মৰাণ জনগণে অৱস্থান কৰাৰ ফলত ডিগবৈত আৱদ্ধ হৈ আছে এখন পেট্ৰল-ডিজেল ভৰ্ত্তি ৰে'ল। দীঘলীয়া সময়ধৰি ৰেলখনত পেট্ৰ'ল-ডিজেল ভৰ্তি কৰি ৰখাই থোৱাৰ ফলত তেলৰ মান নিম্নগামী হোৱা বুলি ঊৰ্ধ্বতন কৰ্তৃপক্ষলৈ খবৰ পঠিওৱা হৈছে। ইয়াৰ লগতে সদৌ মৰাণ ছাত্ৰ সন্থাৰ নেতৃত্বলৈ বুধবাৰে অৰ্থনৈতিক অৱৰোধত আৱদ্ধ তেল কঢ়িয়াই নিয়া বাহন বা ৰে'ল মুকলি কৰিবলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিল আই অ' চি এল কৰ্তৃপক্ষই। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত আৰম্ভ হোৱা অৰ্থনৈতিক অৱৰোধৰ ফলত জিলা প্ৰশাসন, ৰাজ্য চৰকাৰ কিম্বা কেন্দ্ৰীয় চৰকাৰ ব্যাপক হেঁচা পৰিছে। কিন্তু অৰ্থনৈতিক অৱৰোধে চাৰিদিন অতিক্ৰম কৰাৰ পাছতো শাসকীয় চৰকাৰখনে কোনো গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই।

তাৰ বিপৰীতে মুখ্যমন্ত্ৰীগৰাকীয়ে আন্দোলনৰ ফলাফল সদায় নিগেটিভ বুলি কোৱাত সৰৱ হৈ পৰিছে মৰাণ ছাত্ৰ সন্থাৰ নেতৃত্ব। এই সন্দৰ্ভত সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বৰাই কয় যে দেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০১৪ চনত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অহাৰ সময়ত শাসনলৈ অহাৰ ১০০ দিনৰ ভিতৰত ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিব বুলি কথা দিছিল, কিন্তু আজি ১০ বছৰে জনজাতিকৰণৰ ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। গতিকে এতিয়া নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত নৰেন্দ্ৰৰ মাহত জনজাতিকৰণৰ প্ৰতিবেদন পাচ কৰিব বুলি কৈ আমাক পুনৰ ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰিব বিচাৰিছে। সেয়া কেতিয়াও সম্ভৱ নহয়। আমাক যেতিয়ালৈকে জনজাতিকৰণ প্ৰদান নকৰে তেতিয়ালৈকে ধাৰাবাহিক আন্দোলন চলি থাকিব।' ইফালে, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণে কয়, 'মৰাণসকলে আন্দোলন নকৰাকৈ আজিপৰ্যন্ত একো লাভ কৰা নাই। যদিহে আন্দোলনৰ ফলাফল বেয়াই হয়, তেন্তে কিয় বিগত ১০ বছৰে আমাক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান নকৰিলে। আন্দোলন নকৰাকৈ আমাক জনজাতিকৰণ কৰিব লাগিছিল। এতিয়া নিৰ্বাচন আৰু আহিছে গাদী হেৰুওৱাৰ ভয়তেই আবোল-তাবোল বলকিছে মুখ্যমন্ত্ৰীগৰাকীয়ে।' আনহাতে ২৩ ছেপ্টেম্বৰত দিছপুৰত আলোচনাৰ বাবে মৰাণ জনগোষ্ঠীৰ সংগঠনৰ নেতৃত্বক মুখ্যমন্ত্ৰীয়ে আমন্ত্ৰণ জনাইছে। এই আলোচনাত মৰাণ জনগোষ্ঠীৰ নেতৃত্ব উপস্থিত থাকিব বুলি নেতৃত্বই জানিব দিছে যদিও মাত্ৰ আলোচনা দিনটোতহে আন্দোলন নকৰে বুলি স্পষ্ট কৰি দিছে।

# পৰম্পৰা, পৰিৱৰ্তন, প্ৰত্যাহ্বান আৰু প্ৰত্যাশা

**৪ পৃষ্ঠাৰ পৰা** জাগ্ৰত প্ৰহৰী আৰু অসমীয়া পঢ়ুৱৈৰ মানত বিশ্বাস আৰু আস্থাৰ জীৱন্ত প্ৰতীক। ১৯৬৫ চনৰ ৪ আগষ্টত কীৰ্তিনাথ হাজৰিকাৰ সম্পাদনাত প্ৰথম প্ৰকাশৰ মুখ দেখা কাকতখনে ২০১৫ চনত সোণালী জয়ন্তী বৰ্ষ পালন কৰিছে আৰু সম্প্ৰতি ২০২৫ চনত হীৰক জয়ন্তী বৰ্ষ পালনৰ বাবে অগ্ৰসৰ হৈছে। কাকতখনে কীৰ্তিনাথ হাজৰিকাৰ সম্পাদনাকালতে (১৯৬৫-১৯৮৬) নিৰ্ভীক, নিৰপেক্ষ আৰু সত্যনিষ্ঠ সাংবাদিকতাৰ ভেটি (বিশেষকৈ আঞ্চলিক সাংবাদিকতাৰ ভেটি) সবল কৰিছিল। হাজৰিকাৰ পাছৰ বিচক্ষণ সম্পাদকসকলে কাকতখনৰ মহান পৰম্পৰা সু-উজ্জ্বল কৰি ৰাখিছে।

'দৈনিক অসম' কাকতৰ প্ৰথম সংখ্যাতে (৪ আগষ্ট, ১৯৬৫) সম্পাদক কীৰ্তিনাথ হাজৰিকাই কাকতখনৰ সংক্ৰান্তত তেওঁৰ আশা আৰু 'মহান, জটিল আৰু কঠোৰ' দায়িত্বৰ প্ৰতি সচেতনতা প্ৰকাশ কৰিছিল। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক দুৰৱস্থাৰ বিচাৰ আগবঢ়াই তেওঁ সংকল্প লৈছিল অসমৰ সকলোকে সন্মিলিত কৰি ৰখাৰ আৰু তেনেদৰে প্ৰতিকূলতাৰ বিপৰীতে যুঁজিবলৈ শক্তি গোটোৱাৰ— 'এই সমস্যাবহুল পটভূমিতে আমি মাউখে উটিব লাগিব। ...আমি আগবাঢ়িব লাগিব, অক্ষয় সংগ্ৰাম চলাব লাগিব। তাৰ বাবে লাগিব সংকল্পৰ দৃঢ়তা আৰু আন্তৰিক প্ৰচেষ্টা।'

কাকতখনৰ পৰৱৰ্তী সংখ্যাসমূহে হাজৰিকাৰ এই আশা আৰু দায়বদ্ধতা সততে প্ৰকাশ কৰি আহিছে। ভাৰত-পাক প্ৰসংগ, ভাষা আন্দোলন, পাহাৰ-ভৈয়ামৰ শাসন-ব্যৱস্থাৰ পুনৰ্গঠনৰ প্ৰস্তাৱ, জৰুৰীকালীন চৰকাৰী দমন-নীতি, অনুপ্ৰৱেশৰ সমস্যা, অসম আন্দোলন, অসমৰ প্ৰতি কেন্দ্ৰৰ অৱহেলা, উগ্ৰপন্থী সমস্যা, সামৰিক সন্ত্ৰাস, গুপ্তহত্যা, বিভিন্ন অনীতি আৰু দুৰ্নীতি আদি বিষম পৰিস্থিতিত কাকতখনে সদায় সত্যপন্থী অসমীয়া ৰাইজৰ হকে মাত মাতি আহিছে। ৰাইজৰ অধিকাৰ, ৰাইজৰ সমস্যা, ৰাইজৰ আশা-প্ৰত্যাশা— এইখিনিহে কাকতখনৰ বাবে আগ কথা।

ৰাইজৰ ভাৰসা জন্মাৱধি অটুট ৰখা কাকতখনে সম্প্ৰতি 'এন ডি টিভি'ৰ সৈতে যুক্ত হৈ এটা নতুন পৰ্যায়ৰ দুৱাৰডলিত থিয় দিছে। কাকতখনে এই আগন্তুক পৰ্যায়ত অৰ্থনৈতিক, প্ৰচালন সংক্ৰান্তীয় আদি নানা প্ৰতিবন্ধকতা নেওচিব পাৰিব বুলি আমি আশাবাদী। বিগত ষাঠি বছৰত কাকতখনে অসমৰ ৰাইজৰ প্ৰাণসখা তথা অন্যতম মুখ্য সচেতক হিচাপে পালন কৰি অহা দায়িত্ব আহিবলগীয়া দিনসমূহতো আগ্ৰহ আৰু কষ্টসহিষ্ণুতাৰে পালন কৰি যাব বুলিও আমি আশা কৰিছোঁ।

উত্তৰ-পূব ভাৰতৰ প্ৰথম, সৰ্ববৃহৎ আৰু সৰ্বাগ্ৰগণ্য বিশ্ববিদ্যালয় হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ে অসমৰ সংবাদ মাধ্যমৰ উত্তৰণত উল্লেখনীয় অৱদান আগবঢ়াই আহিছে। এই বিশ্ববিদ্যালয়ে ১৯৬৭ চনতে যোগাযোগ আৰু সাংবাদিকতা বিভাগ প্ৰতিষ্ঠা কৰিছিল। বিভাগটোত শিক্ষা তথা প্ৰশিক্ষণ লাভ কৰা অগণন সংবাদকৰ্মীয়ে পৰৱৰ্তী কালত বিভিন্ন কাকত, আলোচনী, বৈদ্যুতিন মাধ্যম আৰু সামাজিক মাধ্যমত প্ৰতিষ্ঠা লাভ কৰিছে। বিশ্ববিদ্যালয়খনৰ অসমীয়া, ইংৰাজী আদি আন বহু বিভাগত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীয়েও পৰৱৰ্তী কালত সাংবাদিক বা সম্পাদক হিচাপে সুখ্যাতি আৰ্জিছে।

শেষত ক'ব খুজিছোঁ— চৰকাৰ, সংবাদকৰ্মী, জনসাধাৰণ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে শৈক্ষিক প্ৰতিষ্ঠানৰ একাত্ম প্ৰচেষ্টাত অসমৰ সংবাদ মাধ্যমে আগত দিনসমূহত তাৰ গৌৰৱোজ্জ্বল জয়যাত্ৰা অব্যাহত ৰাখিব পাৰিব বুলি আমি দৃঢ় বিশ্বাসী। অসমৰ বাতৰি কাকতসমূহে জাতিৰ পক্ষত থিয় দি জনগণৰ প্ৰতি সেৱা আগবঢ়াই আৰু সমাজত সুস্থিৰ বৌদ্ধিক বাতাৱৰণ সৃষ্টি কৰাৰ হকে অক্লান্তভাৱে কাম কৰি ইতিমধ্যে সোণালী ইতিহাস ৰচিছে। সকলোৰে সন্মিলিত প্ৰচেষ্টাত এই ইতিহাস ভৱিষ্যতে অধিক সমৃদ্ধ হ'ব বুলিও আমি আশাবাদী।

# ছৌদি আৰবে ব্যৱহাৰ কৰিব পাকিস্তানৰ পাৰমাণৱিক অস্ত্ৰ ভাণ্ডাৰ



## গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা চুক্তিত স্বাক্ষৰ ■ ভাৰতলৈ অশনি সংকেত

**ৰিয়াধ, ১৮ ছেপ্টেম্বৰ ঃ** ছৌদি আৰবৰ ৰাজধানী ৰিয়াধত কালি ৰাষ্ট্ৰখনৰ যুৱৰাজ মহম্মদ বিন ছলমান আৰু পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাৰ্ড শ্বৰীফে এখন গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিখনৰ অধীনত দুয়োখন দেশে এখন দেশৰ ওপৰত হোৱা আক্ৰমণক সিখন দেশকো কৰা আক্ৰমণ হিচাপে বিবেচনা কৰিব। ছৌদি আৰবৰ সংবাদ সংস্থা ছৌদি প্ৰেছ এজেন্সীৰ বাতৰি অনুসৰি দুয়োখন দেশে জাৰি কৰা এটা যুটীয়া বিবৃতিত ছৌদি আৰব আৰু পাকিস্তানে নিজৰ প্ৰতিৰক্ষা বৃদ্ধি আৰু বিশ্বত শান্তি স্থাপনৰ বাবে চুক্তিখন স্বাক্ষৰ কৰিছে বুলি উল্লেখ কৰে। চুক্তিখনৰ জৰিয়তে ৰাষ্ট্ৰ দুখনে পাৰস্পৰিক প্ৰতিৰক্ষা সহযোগিতা উন্নত কৰিব। আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থা ৰয়টাৰ্ছৰ বাতৰি অনুসৰি চুক্তিখনৰ জৰিয়তে ছৌদি আৰব আৰু পাকিস্তানে সামৰিক সহযোগিতা স্থাপন কৰিব। প্ৰয়োজনত ছৌদি আৰবে পাকিস্তানৰ পাৰমাণৱিক অস্ত্ৰও ব্যৱহাৰ কৰিব পাৰিব। প্ৰতিৰক্ষা চুক্তিখন স্বাক্ষৰৰ বাবে পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰ সৈতে সেনাৰ মুৰব্বী আছিম মুনীৰ, উপ-প্ৰধানমন্ত্ৰী ইশ্বাক ডাৰ, প্ৰতিৰক্ষামন্ত্ৰী খোৱাজা আছিফৰ লগতে এটা উচ্চস্তৰীয় প্ৰতিনিধি দল ছৌদি আৰবৰ ৰাজধানী ৰিয়াধত উপস্থিত হৈছিল। উল্লেখযোগ্য যে ভাৰতক একপ্ৰকাৰ চিন্তাত পেলাবলগীয়া এই চুক্তিখন সন্দৰ্ভত বহিঃপৰিক্ৰমা মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে ভাৰত চৰকাৰে চুক্তিখনৰ বিষয়ে আগৰে পৰা জানিছিল।

**মুখ্যমন্ত্ৰী নীতীশ কুমাৰৰ ঘোষণা**

## বিহাৰত নিবনুৱাৰৈলে এহেজাৰ টকাৰ মাহিলি ভাট্টা



**পাটনা, ১৮ ছেপ্টেম্বৰ ঃ** বিহাৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত এটাৰ পাছত আন এটাকৈ জনকল্যাণকামী ঘোষণা কৰিছে মুখ্যমন্ত্ৰী নীতীশ কুমাৰে। বিহাৰৰ মুখ্যমন্ত্ৰীজনে শেহতীয়াকৈ ৰাজ্যৰ নিবনুৱাসকলক মাহিলি ১০০০ টকাকৈ ভাট্টা প্ৰদানৰ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী নীতীশ কুমাৰে আজি কৰা এই ঘোষণা অনুসৰি বিহাৰৰ প্ৰতিজন নিবনুৱাই মাহিলি এহেজাৰ টকাকৈ ভাট্টা লাভ কৰিব। এই ঘোষণা কৰাৰ লগতে বিহাৰৰ মুখ্যমন্ত্ৰীজনে ৰাজ্যৰ ১৬.০৪ লাখ নিৰ্মাণ শ্ৰমিকৰ প্ৰত্যেকলৈ ৫,০০০ টকাৰ পোনপটীয়া বিত্তীয় সাহায্য মোকলাই দিয়ে। মুখ্যমন্ত্ৰী নীতীশ কুমাৰে সামাজিক মাধ্যমত উল্লেখ কৰে যে বিহাৰ চৰকাৰে যুৱ সবলীকৰণৰ সংকল্প গ্ৰহণ কৰিছে আৰু ২০০৫ চনৰপৰা কৰ্মসংস্থাপন আৰু নিয়োগ সৃষ্টিত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি আহিছে।

**আকৌ ডাৱৰ বিস্ফোৰণ**

## উত্তৰাখণ্ডত সন্ধানহীন ১৪

**আবদ্ধ ২,৫০০ পৰ্যটক**

**ডেৰাডুন, ১৮ ছেপ্টেম্বৰ ঃ** পুনৰ ডাৱৰ বিস্ফোৰণে ভয়াৱহ দুৰ্যোগ কঢ়িয়াই আনিছে দেৱভূমি উত্তৰাখণ্ডলৈ। দুদিনত দুটাকৈ ডাৱৰ বিস্ফোৰণে চৰম বিপৰ্যয় কঢ়িয়াই আনিছে ৰাজ্যখনলৈ। কালি নিশা চমোলী জিলাত সংঘটিত হৈছে দ্বিতীয়টো ডাৱৰ বিস্ফোৰণৰ ঘটনা। তথ্য অনুসৰি ডাৱৰ বিস্ফোৰণৰ পাছতে চমোলীৰ কুণ্টৰী লংগাকুলী ৱাৰ্ডত ছটা বাসগৃহ বোকা-পানীয়ে পুতি পেলাইছে। ঘটনাত ২০জন লোক আহত হোৱাৰ লগতে সন্ধানহীন হৈ আছে ১৪জন লোক। সন্ধানহীন লোকসকলক বিচাৰি উদ্ধাৰ অভিযানত নামিছে উদ্ধাৰকাৰী দল। এই প্ৰতিবেদন যুগুত কৰাৰ সময়লৈ দুজন লোকক উদ্ধাৰ কৰাৰ কথা প্ৰকাশ কৰিছে জিলা প্ৰশাসনে। ডাৱৰ বিস্ফোৰণৰ ফলত ডেৰাডুনৰ মছুৰীৰ ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা পথ কেইবাটাও স্থানত বিধ্বস্ত হৈ পৰিছে। যাৰ বাবে তিনিদিন ধৰি মছুৰীত আবদ্ধ হৈ আছে প্ৰায় ২,৫০০ পৰ্যটক।

**চুবুৰীয়া ৰাষ্ট্ৰৰ অন্তৰ্বৰ্তীকালীন প্ৰধানমন্ত্ৰীৰে মোডীৰ টেলিফোনিক বাৰ্তালাপ**

## নেপালত শান্তি-স্থিৰতা অনাত সহায় কৰিব ভাৰতে



**কাঠমাণ্ডু, ১৮ ছেপ্টেম্বৰ ঃ** ৰাজনৈতিক অস্থিৰতাই বিৰাজ কৰা নেপালক সৰ্বতোপ্ৰকাৰে সমৰ্থন আৰু সহযোগিতাৰ আশ্বাস দিছে ভাৰতে। গণবিদ্ৰোহত নেপাল চৰকাৰৰ পতনৰ পাছত গঠিত অন্তৰ্বৰ্তীকালীন চৰকাৰৰ প্ৰধানমন্ত্ৰী সুশীলা কাৰ্কীক ফোন কৰি এই আশ্বাস দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। 'এক্স'ত এক পোষ্টযোগে প্ৰধানমন্ত্ৰী মোডীয়ে এই কথা সদৰি কৰিছে। সুশীলা কাৰ্কীৰে টেলিফোনিক বাৰ্তালাপত নেপালত জেন-জেডৰ আন্দোলনত জীৱন আৰু সম্পত্তিৰ হানি হোৱাৰ বাবে গভীৰ সমবেদনা প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোডীয়ে কয় যে দেশখনত শান্তি আৰু স্থিৰতা অনাৰ ক্ষেত্ৰত ভাৰতে দৃঢ়তাৰে সহযোগ আগবঢ়াব। লগতে প্ৰধানমন্ত্ৰীয়ে নেপালৰ জনসাধাৰণক ১৯ ছেপ্টেম্বৰত দেশখনে পালন কৰিবলগীয়া ৰাষ্ট্ৰীয় দিৱসৰো শুভকামনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে নেপালত সামাজিক মাধ্যমত নিষেধাজ্ঞা আৰোপক কেন্দ্ৰ কৰি অকস্মাতে জনতাৰ আন্দোলনে হিংসাত্মক ৰূপ লোৱাত অলপতে দেশখনৰ প্ৰধানমন্ত্ৰী কে পি অ'লীয়ে পদত্যাগ কৰিবলৈ বাধ্য হৈছিল। তাৰ লগে লগে চৰকাৰৰ পতন হোৱাৰ তিনিদিন পাছত যোৱা ১২ ছেপ্টেম্বৰত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ সুশীলা কাৰ্কীৰ নেতৃত্বত গঠন কৰা হৈছিল অন্তৰ্বৰ্তীকালীন চৰকাৰ।

## সুৰক্ষা বাহিনীৰে সংঘৰ্ষত নিহত চাৰি মাওবাদী

**১২জনৰ আত্মসমৰ্পণ**

**ৰায়পুৰ, ১৮ ছেপ্টেম্বৰ ঃ** দেশৰ ভিন্ন স্থানত সুৰক্ষা বাহিনীৰে হোৱা পৃথক সংঘৰ্ষত চাৰিজনকৈ মাওবাদী নিহত হৈছে। কালি দুপৰীয়াৰপৰা ৰাজ্যখনৰ বিজাপুৰত সুৰক্ষা কৰ্মীয়ে মাওবাদীৰ বিৰুদ্ধে বৃহৎ অভিযান অব্যাহত ৰাখিছে। অভিযানৰ মাজতে হোৱা সংঘৰ্ষত নিহত হৈছে দুটা মাওবাদী। ঘটনাস্থলীৰপৰা সুৰক্ষা বাহিনীৰ দলে থ্ৰী নট থ্ৰী ৰাইফল, বি জি এল লঞ্চাৰৰ লগতে বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰিছে। আনহাতে, মহাৰাষ্ট্ৰৰ গড়চিৰোলীত হোৱা এটা পৃথক সংঘৰ্ষতো দুটা মাওবাদী নিহত হৈছে। ইফালে একে সময়তে ছত্তিছগড়ৰ অবুজমাৰ অঞ্চলত কালি ১২ মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে।

## কৰ্ণাটকতো হ'ব ভোটাৰ তালিকাৰ বিশেষ ব্যাপক পুনৰীক্ষণ

**বেংগালুৰু, ১৮ ছেপ্টেম্বৰ ঃ** বিহাৰৰ পাছত কৰ্ণাটকতো হ'ব ভোটাৰ তালিকাৰ বিশেষ ব্যাপক পুনৰীক্ষণ, চমুকৈ এছ আই আৰ। কৰ্ণাটকত ২০০২ চনৰ ভোটাৰ তালিকাৰ আধাৰত বিশেষ ব্যাপক পুনৰীক্ষণ কৰা হ'ব। ইয়াৰ জৰিয়তে ৫.৪ কোটি ভোটাৰৰ তালিকা সংশোধন কৰা হ'ব। এই প্ৰক্ৰিয়াৰ বাবে নিয়োগ কৰা হ'ব ৫৮,০০০ বুথ আৰু স্থানীয় বিষয়ববীয়া। তেওঁলোকে ৰাজ্যৰ প্ৰতিঘৰলৈ গৈ কেতবোৰ নথিৰ ভিত্তিত ভোটাৰ তালিকাৰ সংশোধন কৰিব। কৰ্ণাটকত হ'বলগীয়া বিশেষ ব্যাপক পুনৰীক্ষণৰ বাবে ইতিমধ্যে নিৰ্বাচন আয়োগে অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি অনুসৰি কৰ্ণাটকৰ মুখ্য নিৰ্বাচন বিষয়া ভি অম্বুকুমাৰে ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ ব্যাপক পুনৰীক্ষণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। নিৰ্বাচন আয়োগে এতিয়া বিহাৰৰ বিশেষ ব্যাপক পুনৰীক্ষণৰ বৈধতা সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ৰায়লৈ অপেক্ষা কৰি আছে।



*তিৰুৱনন্তপুৰমত প্ৰতিবাদকাৰী কেৰালা ছাত্ৰ সন্থাৰ সদস্যলৈ পানীহিলৈ বৰ্ষণ আৰক্ষীৰ।*


**■ আহমেদাবাদৰ বিমান দুৰ্ঘটনা ■**

## ব'য়িং হানীৱেল কোম্পানীৰ বিৰুদ্ধে গোচৰ পীড়িতৰ পৰিয়ালৰ



**আহমেদাবাদ, ১৮ ছেপ্টেম্বৰ ঃ** গুজৰাটৰ আহমেদাবাদত যোৱা ১২ জুনত সংঘটিত ভয়াৱহ বিমান দুৰ্ঘটনাৰ পীড়িতৰ পৰিয়ালে আমেৰিকাৰ বিমান নিৰ্মাণকাৰী কোম্পানী ব'য়িং আৰু বিমানৰ যন্ত্ৰ-পাতি নিৰ্মাণ কৰা কোম্পানী হানীৱেলৰ বিৰুদ্ধে গোচৰ তৰিছে। এই সম্পৰ্কত বি বি চিত প্ৰকাশিত এখন প্ৰতিবেদনত প্ৰকাশ পোৱা মতে দুৰ্ঘটনাত নিহত চাৰিগৰাকী যাত্ৰীৰ পৰিয়ালে টেক্সাছৰ এখন ল ফাৰ্মৰ জৰিয়তে কোম্পানী দুটাৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছে। পীড়িতৰ পৰিয়ালকেইটাই অভিযোগ কৰিছে যে দুয়োটা কোম্পানীৰ অৱহেলাৰ বাবেই আহমেদাবাদৰ বিমান দুৰ্ঘটনা সংঘটিত হৈছে। তেওঁলোকে লগতে অভিযোগ কৰিছে যে দুৰ্ঘটনাগ্ৰস্ত ব'য়িং বিমানখনৰ ইন্ধনৰ ছুইচত বিসংগতি আছিল আৰু সেই বিষয়টো পূৰ্বৰে পৰা কোম্পানী দুটাৰ অৱগত আছিল। কিন্তু তাৰ পাছতো ব্যৱস্থা লোৱা হোৱা নাছিল। দুৰ্ঘটনাৰ প্ৰাৰম্ভিক তদন্ততো স্পষ্ট হৈছিল যে বিমানখনৰ ইঞ্জিনলৈ ইন্ধন সৰবৰাহ অকস্মাতে বন্ধ হৈ পৰিছিল। তাৰ পৰিণতিতে সংঘটিত হৈছিল আহমেদাবাদৰ শোকাৱহ বিমান দুৰ্ঘটনাটো।

## আমেৰিকাই ভাৰতক আৰোপ কৰা শুল্ক প্ৰত্যাহাৰৰ সম্ভাৱনা



**মুখ্য অৰ্থনৈতিক উপদেষ্টা ভি অনন্ত নাগেশ্বৰণৰ ইংগিত**

**নতুন দিল্লী, ১৮ ছেপ্টেম্বৰ ঃ** ৰুছিয়াৰপৰা তেল ক্ৰয় কৰাৰ অভিযোগত জৰিমনা হিচাপে ভাৰতক আৰোপ কৰা ২৫ শতাংশ শুল্ক আমেৰিকাই শীঘ্ৰে প্ৰত্যাহাৰ কৰাৰ সম্ভাৱনা আছে। ভাৰতৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ভি অনন্ত নাগেশ্বৰণে এই কথা সদৰি কৰিছে। কলকাতাত আয়োজিত এটা অনুষ্ঠানত নাগেশ্বৰণে কয় যে ৩০ নৱেম্বৰৰ পাছত আমেৰিকাই ভাৰতক আৰোপ কৰা এই শুল্ক প্ৰত্যাহাৰ কৰাৰ সম্ভাৱনা আছে। অৱশ্যে তেওঁৰ এই অনুমান তথ্য আৰু প্ৰমাণ আধাৰিত নহয়। কিন্তু শেহতীয়া ঘটনাপ্ৰৱাহৰ প্ৰতি লক্ষ্য ৰাখি অনাগত দুই-এমাহৰ পাছত আমেৰিকাই আৰোপ কৰা শুল্ক আৰু ইয়াৰ প্ৰত্যুত্তৰত ভাৰতে আৰোপ কৰা শুল্কৰ সমস্যা সমাধান হোৱাৰ সম্ভাৱনা আছে। তেওঁ লগতে কয় যে আমেৰিকাই আৰোপ কৰা ২৫ শতাংশ শুল্ক ১০-১৫ শতাংশলৈ হ্ৰাস হোৱাৰ সম্ভাৱনা আছে। দুয়োখন ৰাষ্ট্ৰৰ শুল্কৰ সমস্যা অনাগত ৮-১০ সপ্তাহৰ ভিতৰত সমাধান হ'ব পাৰে। কিয়নো ভাৰত আৰু আমেৰিকাৰ সম্পৰ্ক পুনৰ স্বাভাৱিক হ'বলৈ গৈ আছে। মুখ্য অৰ্থনৈতিক উপদেষ্টা নাগশ্বৰণে এই মন্তব্য কৰাৰ সময়তে যোৱা মঙলবাৰে ভাৰতৰ মুখ্য বাণিজ্য মধ্যস্থতাকাৰী আৰু বাণিজ্য মন্ত্ৰণালয়ৰ বিশেষ সচিব ৰাজেশ আগৰৱালাই আমেৰিকাৰ বাণিজ্য প্ৰতিনিধি ব্ৰেণ্ডন লিন্সক সাক্ষাৎ কৰিছিল। আমেৰিকাই ভাৰতক ৫০ শতাংশ শুল্ক আৰোপ কৰাৰ পাছত বাণিজ্য চুক্তি সন্দৰ্ভত আলোচনাৰ বাবে যোৱা ১৬ ছেপ্টেম্বৰত প্ৰথমবাৰলৈ ভাৰতলৈ আহিছিল আমেৰিকাৰ প্ৰতিনিধি দল।

## বিদেশীক ৰক্ষণাৱেক্ষণৰ বাবেহে ৰাহুল গান্ধীৰ ভোট অধিকাৰ যাত্ৰা

**বিহাৰত অমিত শ্বাহৰ মন্তব্য**



**পাটনা, ১৮ ছেপ্টেম্বৰ ঃ** বিহাৰত কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীৰ নেতৃত্বত সম্পন্ন হোৱা ভোট অধিকাৰ যাত্ৰাক অনুপ্ৰৱেশকাৰী বচাও যাত্ৰা আখ্যা দিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। বিধানসভা নিৰ্বাচনৰ বতাহ বলা বিহাৰত আজি দলীয় কাৰ্যকৰ্তাক সম্বোধন কৰি বিৰোধীক আক্ৰমণৰ লক্ষ্য কৰি লোৱা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত ভোটাৰ তালিকাৰ বিশেষ গভীৰ পুনৰীক্ষণ প্ৰক্ৰিয়াৰ বিৰুদ্ধে ভোটাৰ অধিকাৰ যাত্ৰা উলিওৱা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰে। ৰোহতাছ জিলাৰ ডেহৰীত ১০খন জিলাৰ কাৰ্যকৰ্তা সন্মিলনত ৰাহুল গান্ধীয়ে অনুপ্ৰৱেশকাৰীৰ ভোটাধিকাৰ সুনিশ্চিত কৰাৰ উদ্দেশ্যে ভোট অধিকাৰ যাত্ৰা উলিওৱা বুলি অভিযোগ কৰে। অনুপ্ৰৱেশকাৰীয়ে ভোটদানৰ অধিকাৰ পাব লাগে নেকি বুলি প্ৰশ্ন কৰি বিজেপি নেতাগৰাকীয়ে দাবী কৰে যে এন ডি এ যিমান শক্তিশালী হ'ব, বিহাৰো সিমানেই সমৃদ্ধ হ'ব। লগতে লালু প্ৰসাদ যাদৱ, ৰাবৰী দেৱী আৰু তেজস্বী যাদৱে বিহাৰৰ বিকাশ কৰিব নোৱাৰে বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে অহা ২২ নৱেম্বৰত বিহাৰৰ বৰ্তমানৰ নীতীশ কুমাৰ নেতৃত্বাধীন এন ডি এ চৰকাৰৰ কাৰ্যকাল সমাপ্ত হ'ব। তাৰ পূৰ্বে ৰাজ্যখনত অনুষ্ঠিত হ'ব বিধানসভা নিৰ্বাচন। অক্টোবৰৰ প্ৰথম সপ্তাহতে নিৰ্বাচনৰ দিন ঘোষণা কৰিব পাৰে নিৰ্বাচন আয়োগে। কাজেই ৰাজ্যখনত শাসক আৰু বিৰোধীয়ে নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি কৰিছে।

**হিণ্ডেনবাৰ্গ ৰিছাৰ্চৰ অভিযোগ নস্যাৎ**

## আদানি গোষ্ঠীক দোষমুক্ত ঘোষণা ছেবিৰ

**মুম্বাই, ১৮ ছেপ্টেম্বৰ ঃ** ভাৰতৰ শ্বেয়াৰ বজাৰ নিয়ন্ত্ৰক সংস্থা ছেবিয়ে আজি আমেৰিকাৰ হিণ্ডেনবাৰ্গ ৰিছাৰ্চৰ অভিযোগ নস্যাৎ কৰি আদানি গোষ্ঠী (গ্ৰুপ)ক দোষমুক্ত ঘোষণা কৰে। উল্লেখ্য যে আমেৰিকাৰ এটা কামিজ বিক্ৰেতা কোম্পানীৰ অভিযোগৰ ভিত্তিত ২০২৩ চনৰ ২৪ জানুৱাৰীত হিণ্ডেনবাৰ্গ ৰিছাৰ্চে এখন প্ৰতিবেদন প্ৰকাশ কৰিছিল। এই প্ৰতিবেদনখনত আদানি গোষ্ঠীৰ বিৰুদ্ধে অবৈধ ধনৰ সৰবৰাহ, ধন আত্মসাতৰ লগতে নিজৰ কোম্পানীৰ শ্বেয়াৰ মূল্য হেৰফেৰ কৰাৰ দৰে বহু গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। প্ৰতিবেদনখন প্ৰকাশৰ পাছতেই আদানি গোষ্ঠীৰ শ্বেয়াৰৰ মূল্য প্ৰায় ১২ বিলিয়ন ডলাৰ অৰ্থাৎ ভাৰতীয় হিচাপত এক লাখ কোটি টকা হ্ৰাস হৈছিল। আদানি গোষ্ঠীক দোষমুক্ত ঘোষণা কৰি ছেবিয়ে আজি উল্লেখ কৰে যে তেওঁলোকে কোনো নিয়ম উলংঘা কৰা নাছিল।




*মুম্বাইৰ আজাদ ময়দানত অ'লা-উবেৰচালকৰ প্ৰতিবাদী কাৰ্যসূচী।*

## মমতা বেনাৰ্জীয়ে ৰচনা কৰিলে দুৰ্গা পূজাৰ শীৰ্ষগীত



**কলকাতা, ১৮ ছেপ্টেম্বৰ ঃ** পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৰচনা কৰিলে কলকাতাৰ এখন দুৰ্গা পূজাৰ শীৰ্ষগীত। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৰচনা কৰিছে উত্তৰ কলকাতাৰ তালা প্ৰাত্তয় দুৰ্গা পূজাৰ শীৰ্ষগীত আৰু এই গীতটো গাইছে ৰাজ্যৰে এগৰাকী মন্ত্ৰীয়ে। এই সন্দৰ্ভত তালা প্ৰাত্তয় দুৰ্গা পূজা কমিটীয়ে কয় যে এইবাৰ তেওঁলোকৰ দুৰ্গা পূজাৰ শতবৰ্ষ হ'ব আৰু এনে এক স্মৰণীয় মুহূৰ্তত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে তেওঁলোকৰ পূজাৰ শীৰ্ষগীতটো ৰচনা কৰাক লৈ তেওঁলোক গৌৰৱান্বিত হৈছে। গীতটোত কণ্ঠ দিছে ৰাজ্যৰ এগৰাকী মন্ত্ৰী ইন্দ্ৰনীল সেনে। পশ্চিমবংগৰ পৰ্যটন, তথ্য আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰীয়ে অলপতে তালা প্ৰাত্তয় দুৰ্গা পূজাৰ শীৰ্ষগীতটোৰ ভিডিঅ' মুকলি কৰে।

## প্ৰধানমন্ত্ৰী মোডীৰ জন্মদিনত উজলি উঠিল ডুবাইৰ বুৰ্জ খলিফা



**ডুবাই, ১৮ ছেপ্টেম্বৰ ঃ** বিশ্ব খনিকৰ বিশ্বকৰ্মাৰ পূজাৰ দিনটোতে দেশজুৰি পালন হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ৭৫সংখ্যক ওপজা দিন। দেশৰ ভিন্ন প্ৰান্তত প্ৰধানমন্ত্ৰী মোডীৰ জন্মদিন উপলক্ষে বিভিন্ন সেৱা কাৰ্যসূচী ৰূপায়ণ কৰে বিজেপিয়ে। আনহাতে, ডুবাইৰ প্ৰসিদ্ধ বুৰ্জ খলিফাত দৃষ্টিনন্দন আলোকসজ্জাৰে ব্যতিক্ৰমী ৰূপত শুভেচ্ছা জনোৱা হয় প্ৰধানমন্ত্ৰীক। প্ৰধানমন্ত্ৰী মোডীলৈ শুভেচ্ছা বাৰ্তাৰে নিশা উজলি উঠে ডুবাইৰ সেই সুউচ্চ অট্টালিকা। একেদৰে বিশ্বৰ ভালেসংখ্যক নেতায়ো ওপজা দিনটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক জনাইছে উষ্ম শুভেচ্ছা।



**পৃথিৱীৰপৰা বছৰি ক্ৰমাৎ আঁতৰি গৈছে জোনবাই**

## লাহে লাহে দীঘল হৈছে দিন, বাঢ়িছে মিনিট-ঘণ্টা



**নতুন দিল্লী, ১৮ ছেপ্টেম্বৰ ঃ** পৃথিৱীৰপৰা ক্ৰমাৎ আঁতৰি গৈছে জোনবাই। আমেৰিকাৰ মিচিগান বিশ্ববিদ্যালয়ৰ এদল গৱেষকৰ অধ্যয়নত এই তথ্য লাভ কৰা হৈছে। মিচিগান বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান আৰু জ্যোতিৰ্বিজ্ঞান বিভাগৰ বিজ্ঞানী ডঃ ষ্টিফেন ডিকাৰ্ভোৱে প্ৰকাশ কৰা তথ্য অনুসৰি প্ৰতি বছৰে জোনবাই ১.৫ ইঞ্চি বা ৩.৮ ছেণ্টিমিটাৰ হাৰত পৃথিৱীৰপৰা আঁতৰি গৈ আছে। ইয়াৰ ফলত পৃথিৱীৰ ঘূৰ্ণন গতি হ্ৰাস হৈছে। পৃথিৱীৰ ঘূৰ্ণন গতি এনেদৰে হ্ৰাস হৈ থাকিলে ভৱিষ্যতে দিন দীঘল হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। পৃথিৱীৰপৰা জোনবাইৰ দূৰত্ব বাঢ়ি যোৱাৰ লগে লগে এটা দিনত ছেকেণ্ড, মিনিট আৰু ঘণ্টাৰ সংখ্যা বাঢ়ি যাব। অৱশ্যে ডিকাৰ্ভোৱে আশ্বস্ত কৰিছে যে পৃথিৱীৰপৰা জোনবাই আঁতৰি যোৱাৰ প্ৰভাৱ তেনেই সামান্য হ'ব। পৃথিৱীৰপৰা জোনবাইৰ দূৰত্ব সম্প্ৰতি ৩,৮৪,০০০ কিলোমিটাৰ। ইয়াৰ তুলনাত প্ৰতি বৰ্ষত ১.৫ ইঞ্চিৰ দূৰত্ব কেৱল পৃথিৱীৰপৰা জোনবাইৰ দূৰত্বৰ ০.০০০০০০১ শতাংশহে।

# ‘দৈনিক অসম’ৰ প্ৰস্তাৱনা

সমাজ জীৱনক ভীতিগ্ৰস্ত কৰি অহা আজিৰ সময়তো সেই বাতৰি আৰু তাৰ শিৰোনাম সমানেই প্ৰাসংগিক।

ৰাজ্যৰ বান আৰু খহনীয়া সমস্যা সমাধানৰ প্ৰসংগত ৰাজনৈতিক দল আৰু চৰকাৰে সময়ে সময়ে বহু প্ৰতিশ্ৰুতিৰ ফুলজাৰি মাৰি আহিছে যদিও কোনো এটা দল বা চৰকাৰে প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই। কেৱল প্ৰতিশ্ৰুতি আৰু বক্তৃতাৰ ফুলজাৰি অব্যাহত থকাৰ বাবেই বান আৰু খহনীয়া সমস্যা পূৰ্বতকৈ অধিক জটিলহে হোৱা পৰিলক্ষিত হৈছে। এই পৰ্যন্ত বানৰ বাবেই ৫,০০০খন গাঁও নিশ্চিহ্ন হোৱাৰ লগতে ৪.২৭ লাখ হেক্টৰ মাটি পানীত জাহ গৈছে। এই সমস্যাৰ পৰা অসমৰ ৰাইজে কেতিয়া পৰিত্ৰাণ পাব? এই প্ৰশ্নৰ উত্তৰ যেন আজি আমাৰ কাৰো হাততে নাই। বান সমস্যাই আজি অধিক জটিল ৰূপহে ধাৰণ কৰিছে। অথচ সুদীৰ্ঘ এই কালছোৱাত সমস্যা সমাধানৰ প্ৰতিশ্ৰুতিৰে কোটি কোটি টকাৰ শৰাধ কৰি অহা হৈছে। শ্ল'গান ঠিকেই দি থকা হৈছে, কিন্তু কোনো এখন চৰকাৰৰ সমস্যা সমাধানৰ সঁচা অৰ্থত সদিচ্ছা আজিও দেখুৱাবলৈ সক্ষম নহ'ল। ফলত আজিও এই সমস্যা সমাধানৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ বাবে বাতৰি লিখি থাকিবলগীয়া হৈছে। ‘দৈনিক অসম’-এ প্ৰস্তাৱনা সংখ্যাৰ সেই শিৰোনামৰে পুনৰাবৃত্তি কৰিবলগীয়া হৈছে। ১৯৬৫ চনৰ ৩ আগষ্টত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যনিৰ্বাহক সভা এখন বিমলা প্ৰসাদ চলিহাৰ সভাপতিত্বত গুৱাহাটীত অনুষ্ঠিত হৈছিল। কংগ্ৰেছৰ কাৰ্যনিৰ্বাহক সভাত অসমৰ বান আৰু খহনীয়া সমস্যাক কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় সমস্যা হিচাপে বিবেচনা কৰি সমাধানৰ ব্যৱস্থা কৰিব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। বান আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে বিবেচনা কৰাৰ দাবী গ্ৰহণ কৰা কংগ্ৰেছৰ সেই প্ৰস্তাৱক ‘দৈনিক অসম’ৰ প্ৰথম সংখ্যাতেই মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছিল আৰু কংগ্ৰেছৰ সেই প্ৰস্তাৱেই এই সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে বিবেচনা কৰি সমাধানৰ দাবী কৰা অসমৰ ইতিহাসত প্ৰথম আছিল। ১৯৬৫ চনৰ ৪ আগষ্টত ‘দৈনিক অসম’ কাকতৰ মুখ্য বাতৰি হোৱা সেই একেই দাবী আজিও অব্যাহত আছে। তাহানিৰ সেই সমস্যা সমস্যাই হৈ থাকিল। চৰকাৰ আহিল আৰু গ'ল। সকলো ৰাজনৈতিক দলে প্ৰতিশ্ৰুতিৰ পাহাৰ গঢ়িলে। কিন্তু অসমৰ ৰাইজৰ ৬০ বছৰ পূৰ্বৰ সেই দাবী দাবীয়েই হৈ থাকিল।

কেনেধৰণৰ ক্ষতি হৈছে?

বিশ্বৰ সংবেদনশীল নদীসমূহৰ ভিতৰত ব্ৰহ্মপুত্ৰ অৱবাহিকা অতি সংবেদনশীল এলেকা। ৰাজ্যৰ ৬৪০ কিলোমিটাৰজুৰি প্ৰৱহমান ব্ৰহ্মপুত্ৰৰ প্ৰায় ২০০ উপনৈ আছে। ব্ৰহ্মপুত্ৰৰ পানী প্ৰতি ছেকেণ্ডত গড়ে ১১,০০০ কিউবিক মিটাৰ পৰ্যন্ত প্ৰৱাহিত হয়। বেছি পানী কঢ়িওৱা বিশ্বৰ চতুৰ্থ বৃহৎ নদী ব্ৰহ্মপুত্ৰৰ প্ৰাকৃতিক গেদ ১৯৫৪ চনৰপৰাই বৃদ্ধি হোৱাত ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ এলেকাত খহনীয়া বাঢ়িছে। একে অৱস্থা বৰাক নদী এলেকাসমূহতো হৈছে। খহনীয়াই ক্ৰমে জটিল ৰূপ ধৰা বাবেই ১৯৬৫ চনত প্ৰথমবাৰৰ বাবে এই সমস্যাক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰাৰ দাবী উত্থাপন হৈছিল। বছৰি গড়ে আঠ হাজাৰ হেক্টৰকৈ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহত মাটি জাহ যোৱাত ৰাজ্যৰ মুঠ মাটিকালিৰ ৭.৪ শতাংশ নোহোৱা হৈছে। খহনীয়াৰ বাবেই অসমৰ প্ৰায় ৫,০০০খন গাঁও নিঃশেষ হৈছে বুলি বিধানসভাত কেইবাবাৰো জলসম্পদ মন্ত্ৰীয়ে সদৰি কৰিছে। খহনীয়াই সৃষ্টি কৰা এনে দুৰ্যোগৰ লগতে চৰকাৰী তথ্য মতেই বছৰি গড়ে ৩১.০৫ লাখ হেক্টৰ ভূমিত বানে ক্ষতি কৰে। এয়া হৈছে অসমৰ মুঠ মাটিৰ ৩৯.৫৮ শতাংশ। তথাপি আজি পৰ্যন্ত ইয়াৰ স্থায়ী সমাধান ন'হ'ল। জলসম্পদ বিভাগৰ তথ্য মতে, অসমত ১৯৫৪, ১৯৬২, ১৯৭২, ১৯৮৪, ১৯৮৮, ১৯৯৮, ২০০২, ২০০৪, ২০১২, ২০১৯, ২০২০, ২০২৩,২০২৪ চনত ভয়াৱহ বান হৈছিল। বছৰি বানত এতিয়া গড়ে ৮০০ কোটি টকাৰ ৰাইজৰ সম্পত্তিৰ ক্ষতি হয়। জলসম্পদ বিভাগৰ তথ্য মতে, ২০০৪ চনৰ ভয়াৱহ বানত প্ৰথমবাৰৰ বাবে ৰাইজৰ ৭০০ কোটি টকাৰ সম্পত্তি ক্ষতি হৈছিল। ক্ৰমে বছৰি ক্ষতি বাঢ়ি গৈছে। কেইটামান মথাউৰি নিৰ্মাণ, মেৰামতিতেই প্ৰতিখন চৰকাৰে দায়িত্ব সামৰে কিয়?

আৰু কিমান দিন ৰাইজে অপেক্ষা কৰিব লাগিব?

প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ২০১২ চনৰ ২৮ ডিচেম্বৰত দিল্লীত অনুষ্ঠিত ‘নেচনেল ৱাটাৰ ৰিছ'ৰ্চেছ কাউন্সিল’-ৰ সভাত ভাষণ দি কৈছিল— ২০০৪ চনৰ টকাৰ হিচাপত ১৯৫৪ চনৰপৰাই অসমত হোৱা বানৰ বাবে ৩৬,০০০ কোটি টকাৰ ক্ষতি হৈছিল। ২০০৫ চনৰ ৫ মে'ত তদানীন্তন প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙৰ উপস্থিতিত আছু, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰৰ মাজত এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হৈছিল। কংগ্ৰেছে ১৯৬৫ চনতেই গ্ৰহণ কৰা প্ৰস্তাৱৰ পদক্ষেপ হিচাপে আছুৰ দাবীত উক্ত সভাত অসমৰ বান আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে গ্ৰহণ কৰা হৈছিল। কিন্তু চৰকাৰে সেই প্ৰতিশ্ৰুতি ৰক্ষা নকৰিলে। নেউৰা, টাস্ক ফ'ৰ্চ গঠন আদিৰ কথাৰেই অসমৰ ৰাইজক আভুৱা ভাঁৰিছে। ২০২১ চনৰ অসম বিধানসভাৰ নিৰ্বাচনৰ প্ৰচাৰৰ সমসয়ত বানমুক্ত অসমৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। ৰাইজক প্ৰতিশ্ৰুতি দি কোৱা কৈছিল, ‘২০২১ চনৰপৰা পাঁচ বছৰৰ ভিতৰত অসমক বানমুক্ত কৰা হ'ব।’ সেয়া বাস্তৱায়িত হোৱা নাই। ১৯৯৯ চনত অসমৰ বিজয়া চক্ৰৱৰ্তী অটল বিহাৰী বাজপেয়ী চৰকাৰৰ ৰাজ্য জলসম্পদ মন্ত্ৰী আছিল। সেই সময়ত চক্ৰৱৰ্তীয়ে বাজপেয়ী চৰকাৰে কংগ্ৰেছে কৰিব নোৱাৰা কাম পাঁচ বছৰৰ ভিতৰত সমাধা কৰাৰ ৰাজহুৱা ঘোষণা কৰিছিল। চক্ৰৱৰ্তীৰ সময়ত পাগলাদিয়া বান্ধৰ কামৰ কেলেংকাৰীহে পোহৰলৈ আহিছিল! ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ আগে আগে ৰাষ্ট্ৰীয় ৰাজনৈতিক দলে নিৰ্বাচনী ইস্তাহাৰত (অসমৰ বাবে বিশেষ সংযোজন) চাৰি পৃষ্ঠাত অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি দিবলৈ নিশ্চিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল। এতিয়া এই স্থিতিৰপৰা ৰাজনৈতিক দল আঁতৰি আহিছে। ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ সময়ত ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰকাশ কৰা ইস্তাহাৰৰ উত্তৰ-পূৰ্বাঞ্চল শিতানত বান সমস্যাৰ কথা উল্লেখ কৰিছিল। এতিয়া সকলো পাহৰণিৰ গৰ্ভত জাহ গৈছে। ২০১৭ চনৰ ১ আগষ্টত গুৱাহাটীত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত উত্তৰ-পূৰ্বাঞ্চল আৰু ব্ৰহ্মপুত্ৰৰ অৱবাহিকা নিয়ন্ত্ৰণৰ অনেক সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। সেই সিদ্ধান্তও পাহৰণিৰ গৰ্ভত জাহ যোৱাৰ দৰে হৈছে। এছ ডি আৰ এফৰ অসমৰ প্ৰাপ্য নিয়মীয়া পুঁজি, মথাউৰি মেৰামতি আদিয়েই বান-খহনীয়া সমস্যা সমাধানৰ পথ বুলি ৰাইজক সকলো দলে আভুৱা ভাঁৰিছে। নেতা, মন্ত্ৰী, দল আৰু চৰকাৰৰ দায়িত্বহীনতা আৰু ভোটৰ ৰাজনীতিৰ অংকত ১৯৬৫ চনৰপৰাই বান-খহনীয়া ৰাষ্ট্ৰীয় সমস্যাৰে সমাধানৰ প্ৰতিশ্ৰুতি, দাবী ৬০ বছৰেই জীয়াই আছে। অসমৰ গুৰুত্বপূৰ্ণ এই সমস্যা সমাধানৰ নামত বছৰি কোটি কোটি টকাৰ কেলেংকাৰী হয়। তাতেই সকলো শেষ! লক্ষণীয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহৰ লগতে বিজেপি নেতৃত্বই অসমৰ ৰাইজৰ এই সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিছে। ৰাজ্যত ৫০টা বৃহৎ পুখুৰী খান্দি হ'লেও দীৰ্ঘদিনীয়া বান আৰু খহনীয়া সমস্যাৰ পৰা ৰাইজক পৰিত্ৰাণ দিয়াৰ প্ৰতিশ্ৰুতি আনুষ্ঠানিকভাৱে দিয়া হৈছে। এতিয়া প্ৰশ্ন হৈছে অসমৰ ৰাইজে এই সমস্যাৰপৰা পৰিত্ৰাণ পাবলৈ আৰু কিমান দিন অপেক্ষা কৰিব লাগিব?

# বি টি চিত উন্নয়নৰ বাবে

বিশ্ব শৰ্মাই উল্লেখ কৰিছে। তেওঁ আৰু কয়, বি টি চি উন্নয়নৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যি পুঁজিৰ আবণ্টন ধৰে, তাৰ সদ্ব্যৱহাৰ কৰা নাই ইয়াত শাসন চলোৱা চৰকাৰে। চৰকাৰী পুঁজিৰ অপব্যৱহাৰ হৈছে। পথ-দলং নিৰ্মাণৰ বাবে দিয়া ধনৰ পৰা বি টি চি শাসকে বৃহৎ অংকৰ কমিছন খায়। কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰে গৃহৰ বাবে আবণ্টন ধৰা ধনৰ পৰা বি টি চি ভি ডি চি চিয়ে পাঁচ হেজাৰ, দহ হেজাৰ টকা ঘোচ খায়। যাৰ ফলত বি টি চিৰ যিমান উন্নয়ন হ'ব লাগিছিল, সেয়া হোৱা নাই। আমি অনুভৱ কৰিছোঁ যে বি টি চিৰ ৰাইজে বহুত দুখ-কষ্ট ভুগিব লগা হৈছে। অসমৰ বাসিন্দা হোৱা সত্ত্বেও ৰাইজৰ মৌলিক অধিকাৰ হৰণ কৰা হৈছে। ভূমিৰ অধিকাৰ লাভ কৰা নাই। এইবোৰ বন্ধ হ'ব লাগিব। এখন উন্নত বি টি চি আৰু বড়োসকলৰ সম অধিকাৰ প্ৰতিষ্ঠা কৰাৰ বাবে বিজেপিয়ে এইবাৰ অধিক শক্তিৰে বি টি চি নিৰ্বাচনত অংশগ্ৰহণ কৰিছে। তেওঁ আৰু কয় যে ২০০৩ চনৰ পৰা বি টি চি চিত আছে, ভোটাৰ তালিকাত যিসকলৰ নাম আছে সেই সকলোৱে মাটিৰ পট্টা লাভ কৰিব। হিন্দু, মুছলমান, খ্ৰীষ্টান সকলোৱে মাটিৰ অধিকাৰ লাভ কৰিব। যমদুবাৰ সমষ্টিৰ বিভিন্ন সমস্যা সমাধান কৰাৰ লগতে প্ৰতিষ্ঠানৰ উন্নতি কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰি যমদুবাৰ সমষ্টিৰ প্ৰাৰ্থী ৰাজ্জল নাৰ্জাৰীক বিপুল ভোটত জয়যুক্ত কৰাৰ বাবে যমদুবাৰবাসী ৰাইজলৈ আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী ভাষণৰ পূৰ্বে প্ৰাৰ্থী ৰাজ্জল নাৰ্জাৰী, আদিবাসী উন্নয়ন আৰু কল্যাণ পৰিষদৰ ই এম চিনেচ হেমব্ৰম, জিলা বিজেপিৰ সভাপতি লামিন বড়ো আৰু ডিমা হাছাও স্বায়ত্ত পৰিষদৰ ই এমসকলে বিজেপিৰ হৈ প্ৰচাৰ চলায়। উল্লেখ্য যে বি টি চিৰ নিৰ্বাচনত বিজেপিৰ হৈ প্ৰচাৰ চলাবলৈ ডিমা হাছাও স্বায়ত্ত পৰিষদৰ ই এম দেবোলাল গাৰ্লোচাই তেওঁৰ ই এমসকল লৈ বিভিন্ন সমষ্টিত প্ৰচাৰ চলাই আছে। আজি যমদুবাৰ সমষ্টিৰ দাওবাগুৰিত অনুষ্ঠিত বিজেপিৰ প্ৰচাৰ সভাত তেওঁ ভাষণ প্ৰদান কৰে। তেওঁ কয়, ‘১৯৫২ চনত ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হয়। ইয়াৰ পাছত কংগ্ৰেছ আৰু আঞ্চলিক দলে ডিমা হাছাও স্বায়ত্ত পৰিষদৰ শাসন চলালে কিন্তু ডিমা হাছাও অঞ্চলত শান্তি আনিব পৰা নাছিল। উন্নয়নৰ দিশতো কোনো কাম কৰা নাছিল, চলাইছিল কেৱল লুণ্ঠন। ২০১৪ চনত কেন্দ্ৰত বিজেপি আৰু ২০১৬ চনত অসমত বিজেপিৰ চৰকাৰ গঠন হোৱাৰ পাছত ডিমা হাছাও অঞ্চলটো শান্তি আৰু উন্নয়নৰ দিশত আগবাঢ়ি যাবলৈ পাৰিছে। কংগ্ৰেছৰ শাসনত আঞ্চলিক দলসমূহে ডিমা হাছাও অঞ্চলত কেৱল হিংসা আৰু লুণ্ঠন চলাই এক অস্থিৰ পৰিৱেশৰ সৃষ্টি কৰিছিল। সেই পৰিৱেশৰ পৰা ডিমা হাছাও অঞ্চলত শান্তিপূৰ্ণ পৰিৱেশ ঘূৰাই আনিছে বিজেপি দলে। ডিমা হাছাওবাসী ৰাইজে যেতিয়া বিজেপিক ভোট দি ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদ চলোৱাৰ দায়িত্ব দিলে, তেতিয়াৰ পৰা ডিমা হাছাও অঞ্চলৰ সাৰ্বিক উন্নয়ন হোৱাৰ লগতে শান্তি ঘূৰি আহিছে। অসমত তিনিখন স্বায়ত্ত শাসিত পৰিষদ আছে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদ আৰু বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদ। যাৰ ভিতৰত বি টি চি বাদে বাকী দুখন স্বায়ত্ত শাসন বিজেপিৰ পৰিচালনাত চলিছে আৰু উন্নতিৰ শিখৰত স্থানলাভ কৰিছে। এইবাৰ বি টি চিত বিজেপিৰ চৰকাৰ হ'লে অঞ্চলটোৰ উন্নতি আৰু সুখ-শান্তি আৰু সমৃদ্ধি প্ৰতিষ্ঠা হ'ব বুলিও দাবী কৰে দেবোলাল গাৰ্লোচাই।

# ৩ হাজাৰ কোটিৰ বজাৰে দেখুৱাইছে ৰেঙণি

কৰিছে। ২০২৫-২৬ বৰ্ষত এই ৰপ্তানিয়ে চাৰে তিনি হাজাৰ কোটি টকাৰো সীমা অতিক্ৰম কৰাৰ সম্ভাৱনা আছে। লক্ষ্যণীয় কথাটো হৈছে এই ৰপ্তানিৰ পৰিমাণ বছৰৰ পাছত বছৰ ক্ৰমাৎ বৃদ্ধি পাই গৈ আছে আৰু ই অসমৰ জাতীয় অৰ্থনীতি টনকিয়াল কৰাত অৰিহণা যোগাইছে। তথ্য মতে দক্ষিণ আফ্ৰিকা, ডুবাই, লণ্ডনলৈ কল, আদা, নেমু আদিৰ ৰপ্তানি ক্ৰমাৎ বৃদ্ধি পাইছে। সেইদৰে অসমৰ পৰা ইতিমধ্যে দক্ষিণ আফ্ৰিকালৈ ১০০ মেট্ৰিক টন জৈৱিক ক'লা চাউলৰ ৰপ্তানি হৈছে। লণ্ডনৰ বজাৰত তেজপুৰৰ লিচু, কাজি নেমুৱে বিশেষ স্থান দখল কৰিছে। অলপতে বিহাৰলৈও ৮৭ মেট্ৰিক টন জৈৱিক কল ৰপ্তানি কৰা হৈছে। তথ্য মতে, ২০২৩-২৪ বৰ্ষত ডুবাইলৈ ৪২ মেট্ৰিক টন মাটি কঁঠাল, ১০ মেট্ৰিক টন আদা ৰপ্তানি কৰা হৈছিল। সেইদৰে ২০২৪-২৫ বৰ্ষত কাৰ্বি আংলঙৰ পৰা ১০ মেট্ৰিক টন আদা কাটাৰ আৰু ওমানলৈ ৰপ্তানি কৰা হৈছে। চৰকাৰী তথ্য অনুসৰি, অসমে বিদেশলৈ সামগ্ৰী ৰপ্তানি কৰি বছৰি তিনি সহস্ৰাধিক কোটি টকাৰ ব্যৱসায় কৰিববলৈ সক্ষম হৈছে। যোৱা বছৰ অসমে চুবুৰীয়া ৰাষ্ট্ৰ ভূটান, বাংলাদেশৰ লগতে আমেৰিকা, কানাডালৈ কেতবোৰ সামগ্ৰী ৰপ্তানি কৰি ৩,০৮৩.৫৬ কোটি টকাৰ ব্যৱসায় কৰিছে। অসমৰ পৰা সৰ্বাধিক সামগ্ৰী আমদানি কৰিছে চুবুৰীয়া ৰাষ্ট্ৰ ভূটানে। বিগত বৰ্ষটোত ভূটানে অসমৰ পৰা প্ৰায় ৫৫০ কোটি টকাৰ সামগ্ৰী ক্ৰয় কৰিছে। উল্লেখযোগ্য যে, যোৱা সময়ছোৱাত অসমত শুকান মাছ আৰু কলৰ এখন বৃহৎ বজাৰ গঢ় লৈ উঠিছে। থাইলেণ্ড-ইণ্ডোনেছিয়া আদিলৈ ৰপ্তানি হয় অসমৰ শুকান মাছ। কলৰ ৰপ্তানি হয় ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্য যেনে— পশ্চিম বংগ, বিহাৰ, ঝাৰখণ্ড আদিৰ লগতে নেপাল, ভূটান আদি দেশলৈ। কলখেতি আৰু ব্যৱসায়ত ভালেমান দিন ধৰি ব্ৰতী থকা গোৱালপাৰাৰ দেবব্ৰত ৰাভাই জনোৱা মতে, তেওঁ ব্যক্তিগতভাৱে ৩০০ বিঘা ভূমিত কলৰ বাগিচা পাতিছে আৰু চিজন অনুসৰি কোটি টকাৰ কল দেশ-বিদেশলৈ ৰপ্তানি কৰে। তেওঁলোকৰ কলে সকলোতে সমাদৰ বুটলিছে। ৰাভাই আৰু জনোৱা মতে, তেওঁৰ এই ব্যৱসায়ৰ সৈতে জড়িত হৈ অঞ্চলটোৰ ৩০/৪০টা পৰিয়ালে ভৰণ-পোষণ লাভ কৰি আহিছে। সেইদৰে ৰাজ্যত কণী উৎপাদনক এক উদ্যোগলৈ ৰূপান্তৰ কৰা তথা ‘বাহুবলী’ কণীৰে বেচ জনপ্ৰিয়তা অৰ্জন কৰা আকাশজ্যোতি গগৈয়ে কয় যে তেওঁৰ দুখন ফাৰ্মত কণীৰ উৎপাদন হয় আৰু প্ৰতি দিনে এক লাখ কণী বজাৰলৈ উলিয়াই দিয়া হয়। সেই অনুসৰি বছৰি ৩৬৫ লাখ কণী অসমৰ লগতে নগালেণ্ড, অৰুণাচল আদি ৰাজ্যলৈও যায়। বছৰি ২৫/৩০ কোটি টকাৰ তেওঁৰ এই ব্যৱসায়টোত পোনপটীয়াকৈ শতাধিক পৰিয়াল আৰু পৰোক্ষভাৱে ৭০০/৮০০ লোক জড়িত হৈ আছে। উল্লেখযোগ্য যে ৰাজ্যত প্ৰতিদিনে প্ৰায় দুই কোটি কণীৰ প্ৰয়োজন যদিও নিজা উৎপাদনেৰে এই প্ৰয়োজন পূৰাব পৰা নাই। তদুপৰি বহিঃৰাজ্যৰ পৰা আমদানিকে ধৰি মুঠ ৬০/৭০ লাখ কণীহে প্ৰতি দিনে অসমলৈ আহে যদিও তাৰে এটা অংশ চুবুৰীয়া ৰাজ্যকেইখনলৈও যায়। এনেক্ষেত্ৰত কণী উৎপাদনৰ উদ্যোগটোত জড়িত হৈ আৰু বহু যুৱক স্বাৱলম্বী হ'ব পৰাৰ সুযোগ আৰু সুবিধা দুয়োটাই থকা বুলিও আকাশজ্যোতিয়ে ব্যক্ত কৰে। আন এগৰাকী উদ্যোগী ব্যক্তি বিশ্বজিৎ বৰাই জনোৱা মতে, তেওঁ অসমৰ চাউল আমেৰিকা, ভিয়েটনাম আদি দেশলৈ ৰপ্তানি কৰি বছৰি কোটি টকাৰো অধিক ব্যৱসায় কৰি আহিছে। বিদেশত অসমৰ ক'লা চাউল, ৰঙা চাউল, জহা চাউল আদিৰ চাহিদা বহুত ভাল। সেয়ে আগন্তুক দিনত এই ব্যৱসায় বহু কোটি টকালৈ বৃদ্ধিৰ পৰিকল্পনা থকা বুলিও তেওঁ কয়। সি যি নহওক, এয়া মাত্ৰ কেইটামান উদাহৰণহে। প্ৰত্যাশাৰ খবৰ এয়াই যে ঘানা, ইৰাক, কিৰগিস্তান, মালদ্বীপ, মালি আদিৰ দৰে ৰাষ্ট্ৰই খাদ্য সামগ্ৰীৰ উপৰি ফাৰ্মাচিউটিকেল সামগ্ৰীৰ ক্ষেত্ৰতো অসমৰ ওপৰতে নিৰ্ভৰ কৰে। অসমৰ চাহক লৈ বিদেশত এতিয়াও গৌৰৱপূৰ্ণ পৰিৱেশ বৰ্তি আছে। অসমৰ চাহ আৰু কফি চুবুৰীয়া নেপাল, ভূটান, বাংলাদেশ, চীনৰ উপৰিও আফগানিস্তান, অষ্ট্ৰেলিয়া, বেলজিয়াম, ব্ৰিটেইন, কানাডা, ডেনমাৰ্ক, ইজিপ্ট, ফ্ৰান্স, ইণ্ডোনেছিয়া, ইৰান, ইৰাক, আয়াৰলেণ্ড, ইজৰাইল, নিউজিলেণ্ড, চৌদি আৰব, ছুইজাৰলেণ্ড, ছিৰিয়া, থাইলেণ্ড, জাপান, ছিংগাপুৰ, দক্ষিণ আফ্ৰিকা, ৰাছিয়া আদি ভালেমান ৰাষ্ট্ৰলৈ ৰপ্তানি হয়। লক্ষ্যণীয় কথাটো হ'ল— দেশৰ মুঠ চাহ উৎপাদনৰ ৫২ শতাংশ চাহেই অসমত উৎপাদন হয়। ডাঙৰ-সৰু মিলি অৰ্থাৎ ক্ষুদ্ৰ চাহ খেতিয়কৰ বাগিচাকে ধৰি অসমত ৮৩,৫৬৬খন বাগিচা আছে। ইয়াৰে ৮০৩খন ডাঙৰ বাগিচাই এক বৃহৎ অংকৰ ভূমিত চাহ উৎপাদন কৰি ব্যৱসায়টোৰ গুৰি ধৰি আছে। ২০০০ চনৰ এক তথ্য মতে, চাহৰ উৎপাদনত স্থায়ী আৰু অস্থায়ী মিলি মুঠ ১২,১০,০৬৯জন শ্ৰমিক এই উদ্যোগটোৰ সৈতে জড়িত হৈ জীৱিকা নিৰ্বাহ কৰি আছে। আজিকালি তৈলবীজ জাতীয় সামগ্ৰী, চেনি, চেনিৰে প্ৰস্তুত কৰা সামগ্ৰীও বিদেশলৈ ৰপ্তানি হয়। সেইদৰে অসমৰ হস্ততাঁত আৰু হস্তশিল্পজাত সামগ্ৰীও দেশ-বিদেশলৈ গৈছে। বিকল্পহীন আৰ্হি আৰু পৃথক বৈশিষ্ট্যৰ বাবে ইবোৰৰ জনপ্ৰিয়তা যথেষ্ট। এনেয়েও কৃষিৰ পাছতে ৰাজ্যৰ গ্ৰামাঞ্চলত সংস্থাপন প্ৰদানকাৰী উদ্যোগটোৱেই হৈছে হস্ততাঁত আৰু হস্তশিল্প। বিশেষকৈ এৰি, মুগা, নুনি পাট বস্ত্ৰসমূহৰ বিশ্বৰ বজাৰত প্ৰচুৰ চাহিদা আছে আৰু ৰপ্তানি বৃদ্ধিৰ প্ৰচুৰ সম্ভাৱনা আছে। সি যি নহওক, কৃষিজাতেই হওক, কিম্বা আন সামগ্ৰীয়েই হওক এসময়ত অতিৰিক্তখিনি পেলাই দিয়া পৰম্পৰা তথা অৱস্থাৰ পৰা আজি দেশে-বিদেশে ৰপ্তানি কৰি অসমীয়া উদ্যোগীয়ে তিনি সহস্ৰাধিক কোটি টকাৰ বজাৰ দখল কৰিব পৰাটোৱে অৰ্থনৈতিক জাতীয়তাবাদৰ সামৰ্থ আৰু সম্ভাৱনাকে তুলি ধৰিছে। এই বজাৰখন আগন্তুক দিনত ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি পাওক— তাৰ বাবে দেশৰ জনকল্যাণকামী চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা আছে। ‘দৈনিক অসম’-এ এইক্ষেত্ৰত সদায়ে চকু দিব আৰু অৰ্থনৈতিক জাতীয়বাদ গঢ়াত সাৰথি হৈ ৰ'ব। জাতীয় অৰ্থনীতিক বাদ দি সাংস্কৃতিক জাতীয়তাবাদ অৰ্থহীন। যেতিয়া বজাৰ-পথাৰ, জাতীয় ৰাজনীতি আদি এটা জাতিৰ পৰা আঁতৰি যায়, তেতিয়া কেৱল সাংস্কৃতিক জাতীয়তাবাদে তেনে জাতিক নিস্বঃতাৰ পৰা উদ্ধাৰ কৰিব নোৱাৰে। সেয়ে জাতীয় অৰ্থনীতি সবল কৰাৰ স্বাৰ্থত প্ৰয়োজনত ইজৰাইলৰ দৰে অত্যাধুনিক পন্থাৰে ‘চইল টেষ্টিং’ কৰি কম ভূমিতে অধিক উপাৰ্জন-ব্যৱস্থাৰো পোষকতা কৰাৰ প্ৰয়োজনীয়তা থাকিব। ‘দৈনিক অসম’-এ এনে পোষকতা কৰিব আৰু সময়সাপেক্ষে দেবব্ৰত ৰাভা, বিশ্বজিৎ বৰা, আকাশজ্যোতি গগৈৰ দৰে উদাহৰণো যুৱ প্ৰজন্মৰ সন্মুখত সদায়ে বলিষ্ঠভাৱে তুলি ধৰিব।

# এখন কাকত ঃ এটা

খবৰবোৰে তেজপুৰত যদি কোনোবা আইতাৰ লগত কথা পাতে, কাজিৰঙাত হয়তো এজন ডেকাৰ লগত, গুৱাহাটীত হয়তো এজন অটোচালকৰ লগত। আন্তঃৰাষ্ট্ৰীয় গণমাধ্যমে আমাৰ খবৰ দিয়ে, তথ্য দিয়ে। কিন্তু নিজৰ বাতৰি কাকতখনে আমাক বুজি পায়। সেই বুজাবুজিয়েই স্থানীয় ভাষাৰ মাধ্যমক কৰি তোলে কালজয়ী কৰি।

অসমৰ ‘দৈনিক অসম’ সদায় হৈ আহিছে সেই বুজাবুজিৰ কণ্ঠ। ছপাশালাৰ খট্ খট্ শব্দ নহয়, ধাননি পথাৰৰ মুক্ত কণ্ঠ। ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা, নীলা পাহাৰৰ টিঙৰ পৰা, মানুহৰ হৃদয়ৰ পৰা নিগৰিত কণ্ঠ।

আধুনিকতা আমাৰ শত্ৰু নহয়, ঐতিহ্যক পাহৰি যোৱাৰ প্ৰৱণতাহে আমাৰ শত্ৰু। আমি সলনি হ'ব লাগিব, আমাৰ বিৱৰ্তন হ'ব লাগিব— ইতিবাচকতাৰে হ'ব লাগিব। আমি কোন— কেতিয়াও পাহৰিব নালাগিব। নতুনক আদৰি লওঁতে পৰম্পৰা মচি পেলাব নালাগিব। ৱেবছাইট আৰু এপ নিৰ্মাণ কৰিবলৈ গৈ শব্দ আৰু জ্ঞানক কবৰ দিব নালাগিব। এখন শক্তিশালী বাতৰি কাকতে ভৱিষ্যতক আঁকোৱালি ল'ব লাগিব ঠিকেই, লগতে কিন্তু অতীতকো গৌৰৱেৰে কান্ধত লৈ যাব লাগিব।

যুৱ-প্ৰজন্মই ছপা আখৰ কম পঢ়ে বুলি এটা আক্ষেপ-অভিযোগ আছে। পিছে তেওঁলোকে প্ৰমাণ বিচাৰে, কথাৰ ফুলজাৰি নহয়। তেওঁলোকে এনেকুৱা মঞ্চ বিচাৰে, যি তেওঁলোকৰ সৈতে কথা পাতে। ‘দৈনিক অসম’ তেওঁলোকৰ কাৰণে হ'ব লাগিব খবৰ দিয়া কাকত আৰু পাৰস্পৰিক আলোচনাৰ মঞ্চ— দুয়োটাই।

চিয়াঁহীত জীয়াই থাকি ‘দৈনিক অসম’-এ এই আন্তৰিক কথা-বতৰাৰে উশাহ ল'ব লাগিব। আমি ক'ৰ পৰা আহিছোঁ পাহৰি নোযোৱাকৈ যুৱচামক বিচাৰি পাব লাগিব।

সমস্যাৰ খবৰ দিয়াৰ লগতে সমস্যা সমাধানৰ পথো বিচাৰিব লাগিব। সমজুৱা স্বাৰ্থত হ'ব লাগিব এই সাংবাদিকতা, আৰু সেই সাংবাদিকতা আমি মাতৃৰ পৰা শিকা শব্দৰে হ'ব লাগিব। আমাৰ উঠি অহা চামক শিকাব লাগিব যে পৰিচয় এক ধাৰাবাহিকতা।

বাতৰি কাকত সেয়েহে ঘটনাৰ সাৰাংশ নহয়, বাতৰি কাকত মূল্যবোধ প্ৰকাশৰ মঞ্চ। অসমত আমাৰ মূল্যবোধ স্পষ্ট; সৎভাৱে জীয়াই থাকক। সৰলভাৱে কথা কওক। জাতিটোক প্ৰাণভৰি ভাল পাওক। ভাষাক লৈ গৌৰৱ কৰক। শিপাডাল ধৰি ৰাখক। প্ৰশ্ন কৰাৰ শক্তি ৰাখক। মৰ্যাদা সহকাৰে মূৰ তুলি জীয়াই থাকক। ‘দৈনিক অসম’ৰ প্ৰতিটো পৃষ্ঠাই এই মূল্যবোধ কঢ়িয়াই লৈ যাওক— অবিৰতভাৱে।

প্ৰতিজন পাঠকে অনুভৱ কৰক— তেওঁলোকে পঢ়িছে জীৱন্ত ইতিহাস। কেৱল বাতৰিৰ নহয়, শক্তিৰ উৎস হৈ থাকক। প্ৰতিজন পাঠকক সোঁৱৰাই দিয়ক— আমি অসমীয়া।

# দৈনিক অসম ঃ ঐতিহ্যৰ

নতুন যাত্ৰা—যি যাত্ৰাই অতীতৰ গৌৰৱৰ আধাৰত ভৱিষ্যতৰ দায়িত্ব বহন কৰিব বুলি আমি বিশ্বাসী।

প্ৰতিষ্ঠাকালৰ আৰম্ভণিৰ পৰাই ‘দৈনিক অসম’ কেৱল এখন সংবাদপত্ৰ নহয়, দৈনিক অসম অসমবাসীৰ আশা-আকাংক্ষা, আনন্দ-দুখ আৰু আন্দোলন-সংগ্ৰামৰ বলিষ্ঠ কণ্ঠস্বৰ। মাধ্যম আন্দোলন, অসম আন্দোলনৰ দিন হওক বা ভাষা-সংস্কৃতিৰ অধিকাৰৰ প্ৰশ্নত, দৈনিক অসমে সদায়েই গণচেতনাক প্ৰতিফলিত কৰি জাতিৰ পক্ষত দৃঢ় অৱস্থান লৈছে।

এই সংবাদপত্ৰই অসমৰ ৰাজনীতিৰ পৰিৱৰ্তন, সামাজিক পৰিপাৰ্শ্বৰ সলনি আৰু সাংস্কৃতিক জয়যাত্ৰাৰ প্ৰত্যক্ষ সাক্ষী হৈ আহিছে। গণতান্ত্ৰিক অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত বা অন্যায়-বৈষম্যৰ বিৰুদ্ধে প্ৰতিবাদত ‘দৈনিক অসম’ এখন সংবাদপত্ৰ হিচাপেই নহয়, জাতীয় জীৱনৰ এক নিৰ্ভীক অভিভাৱকৰ ভূমিকাত সদায়েই আছে।

অসমীয়া মানুহৰ জাতীয়তাবাদী চেতনা গঢ়ি তোলাত এই কাকতখনৰ অৱদান অনস্বীকাৰ্য। আঞ্চলিক স্বাৰ্থই ভাৰতীয় গণতন্ত্ৰত সঠিক স্থান বিচাৰি পাব লাগে— এই বোধে সংবাদপত্ৰখনক সদায় আগবঢ়াই লৈ গৈছে। সম্পাদকীয় কলমেও সদায় ভাষা আৰু অঞ্চলৰ সুৰক্ষাৰ বাবে অবিচলিত অৱদান আগবঢ়াই আহিছে।

ইমানেই নহয়, ‘দৈনিক অসম’ হৈছে নতুন প্ৰজন্মৰ বহু লেখক, সাংবাদিক আৰু চিন্তাশীল লোকৰ উৎকৰ্ষৰ পৃষ্ঠভূমি। আজিৰ দিনত সংবাদ মাধ্যমৰ ক্ষেত্ৰত বহু নতুন প্ৰত্যাহ্বান আহিছে— ডিজিটেল মাধ্যম, ছ'চিয়েল মিডিয়াৰ দ্ৰুত গতি, বিশ্বায়নৰ প্ৰভাৱ। কিন্তু এই সকলো প্ৰত্যাহ্বানৰ মাজতো দৈনিক অসমে নিজৰ বিশ্বাসযোগ্যতা আৰু শিপাৰ লগত সংপৃক্ত হৈ থকা নিজৰ চৰিত্ৰ অটুট ৰাখিছে। নতুন দিগন্তত প্ৰৱেশ কৰি, সংবাদপত্ৰখনে নিজকে আধুনিক কৰাৰ লগতে প্ৰতিষ্ঠানটোৰ মূল আদৰ্শ— অসমীয়া সমাজৰ কণ্ঠস্বৰ হোৱা, অধিকাৰ ৰক্ষা কৰা, সংস্কৃতিৰ ঐতিহ্যক প্ৰৱহমান কৰি ৰখা- এই দায়িত্বক পুনৰ দৃঢ়তাৰে পালন কৰি যাব বুলি আমি আশাবাদী।

সময়ৰ সৈতে আমাৰ ৰাজ্য অসমখনেও আগলৈ আগবাঢ়ি যোৱা সময়ত ‘দৈনিক অসম’ হৈ থাকক জনগণৰ বিশ্বাসী সংগী— ইতিহাসৰ সাক্ষী আৰু ভৱিষ্যতৰ দিশ নিৰ্দেশক।

আধুনিক অসমৰ ৰূপকাৰ, পোহৰমুখী চেতনাৰে অসমৰ জাতীয় জীৱনক সমৃদ্ধ কৰা সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা কাটি যোৱা স্বপ্নময় বাটেৰে বাট বুলি ‘দৈনিক অসম’ কাকতখনে ৬১ বছৰত ভৰি দিছে। এই শুভক্ষণত ৰাধাগোবিন্দ বৰুৱাক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে সংবাদ গোষ্ঠীটোৰ নতুন পৰিচালন মণ্ডলী, সম্পাদক, সংবাদদাতা তথা সকলো কৰ্মচাৰীৰ লগতে পঢ়ুৱৈ সমাজলৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

অসমৰ সমাজ জীৱনৰ সংকট-সন্ধিৰ সময়ত জাতিৰ কণ্ঠ হৈ অহা সংবাদ গোষ্ঠীটোৱে আজিও অক্ষুণ্ণ ৰাখিছে প্ৰতিষ্ঠানটোৰ গৰিমামণ্ডিত ঐতিহ্যৰ যুগমীয়া চানেকি। ঐতিহাসিক অসম আন্দোলনৰ সময়ছোৱাকে ধৰি সময়ে সময়ে অসম তথা উত্তৰ-পূৰৰ সমস্যাসমূহক সবলভাৱে তুলি ধৰা কাকতখনৰ প্ৰতি অসমবাসী চিৰকৃতজ্ঞ হৈ ৰ'ব।

জাতিৰ সেৱাত উৎসৰ্গিত ‘দৈনিক অসম’এ আহিবলগীয়া দিনবোৰতো জাতীয় জীৱনত পথিকৃতৰ ভূমিকা গ্ৰহণ কৰি যাব বুলি আমি আন্তৰিকতাৰে বিশ্বাস বুকুত বান্ধি ৰাখিলো।

# সভাপতি, সাধাৰণ

চানদীপ বুঢ়াগোহাঁই, সমাজসেৱা সম্পাদক হিচাপে লিজা কাশ্যপ, সাধাৰণ ক্ৰীড়া সম্পাদক প্ৰিয়ানুছ কলিতা, আন্তঃক্ৰীড়া বিভাগৰ সম্পাদক পদত কংকণা পেগু, ভলীবল সম্পাদক পদত পৰশমণি সোণোৱাল, ফুটবল সম্পাদক পদত ৰিয়া দাস, ল'ৰা জিৰণি কোঠাত তাৰিক নাৱাজ নিৰ্বাচিত হৈছে। সেইদৰে এই নিৰ্বাচনত শৰীৰ চৰ্চা পদত ব্ৰুকলীন গগৈ, সহকাৰী সাধাৰণ সম্পাদক টিংকৰ দাস, উপ-সভাপতি মাধুৰ্য চেতিয়া, সাহায্য আৰু সুকুমাৰ কলা সম্পাদক সৃষ্টি গগৈ বিজয়ী হয়। উল্লেখযোগ্য যে ১৮টা পদৰ বাবে অনুষ্ঠিত নিৰ্বাচনত ইয়াৰে দুটা পদত বিনাপ্ৰতিদ্বন্দ্বিতাৰে প্ৰাৰ্থী নিৰ্বাচিত হয়। ফুটবল সম্পাদক পদত ৰিয়া দাস আৰু তৰ্ক প্ৰতিযোগিতা পদত বিজয় বৰা নিৰ্বাচিত হয়। ইফালে ১৮টা পদৰ বাবে ৩৬জন প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। ছয় সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে আজিৰ এই নিৰ্বাচনত ভোটাধিকাৰ সাব্যস্ত কৰে। ইফালে এই নিৰ্বাচনত আছু, এবিভিপি, এন এছ ইউ আই, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ লগতে বিভিন্ন জনগোষ্ঠীয় সংগঠনৰ দ্বাৰা সমৰ্থিত প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। **টেঙাখাতৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** ডিব্ৰুগড় জিলাৰ টেঙাখাতৰ একমাত্ৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান টেঙাখাত মহাবিদ্যালয়ৰ ২০২৫-২৬ বৰ্ষৰ বাবে ছাত্ৰ একতা সভাৰ নিৰ্বাচন আজি অনুষ্ঠিত হয়। শান্তিপূৰ্ণভাৱে অনুষ্ঠিত এই নিৰ্বাচনত ১৩টা পদৰ ভিতৰত ১২টা পদতে আছুৰ সমৰ্থিত প্ৰাৰ্থী জয়ী হোৱাৰ বিপৰীতে এটা পদত আটছাৰ সমৰ্থিত প্ৰাৰ্থী জয়ী হয়। সেই অনুসৰি আছু সমৰ্থিত প্ৰাৰ্থী নয়নমণি সন্দিকৈ সভানেত্ৰী, প্ৰভান্বিতা সোণোৱাল উপ-সভানেত্ৰী, চয়নিকা গগৈ সাধাৰণ সম্পাদিকা আৰু অংকুৰ বৰা সাংস্কৃতিক সম্পাদকৰ পদত বিনাপ্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হয়। সুজিত সোণোৱাল সহকাৰী সাধাৰণ সম্পাদক, মৃণ্ময় তামুলী ছাত্ৰ জিৰণিকোঠা, দীপিকা সোণোৱাল ছাত্ৰী জিৰণিকোঠা, চয়নিকা ফুকন আলোচনী সম্পাদিকা, ধিৰাজ চুতীয়া প্ৰথম যাণ্মাসিকৰ শ্ৰেণী প্ৰতিনিধি, শ্বানদীপ ফুলমালী একাদশ শ্ৰেণীৰ প্ৰতিনিধি, বিপ্লৱ শইকীয়া দ্বাদশ শ্ৰেণীৰ প্ৰতিনিধি আৰু ৰাজ শ্বাহ তৃতীয় যাণ্মাসিকৰ প্ৰতিনিধি পদত বিজয়ী হয়। ইয়াৰ বিপৰীতে বিনাপ্ৰতিদ্বন্দ্বিতাৰে আছা সমৰ্থিত প্ৰাৰ্থী কিষণ গোৱালা খেল বিভাগৰ সম্পাদক হিচাপে বিজয়ী হয়। এই বিজয়ৰ বাবে স্বাভাৱিকতে আছুৰ সমৰ্থকসকল উৎফুল্লিত হোৱাৰ লগতে টেঙাখাত আঞ্চলিকৰ ভাৰপ্ৰাপ্ত সভাপতি চন্দন বৰগোহাঁই আৰু সাধাৰণ সম্পাদক প্ৰকাশ শইকীয়াই বিজয়ীসকলক শুভেচ্ছা জনায় আৰু অনাগত দিনত ছাত্ৰ একতা সভাখনে নিষ্ঠা আৰু সততাৰে নিজৰ দায়িত্ব পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

# ধুবুৰীৰ এছ এছ পি লীনা

ইপিনে, গুৱাহাটীৰ কাহিলিপাৰা থকা চতুৰ্থ অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক দেৱাশিস বৰাক এই দায়িত্বৰ উপৰি সাময়িকভাৱে ধুবুৰীৰ এছ এছ পিৰ দায়িত্ব চম্ভালিবলৈ কোৱা হৈছে। উল্লেখ্য যে জনজাতিকৰণৰ দাবীত আক্ৰাছুৱে ধুবুৰীত জোঁৰ লৈ সমদল উলিয়াওতে আৰক্ষীয়ে নিৰ্বিচাৰে কৰা লাঠীচালনাত ভালেসংখ্যক কৰ্মী আহত হৈছিল। এই ঘটনাৰ পাছতে গোলকগঞ্জ থানাৰ অ'চিক নিলম্বন কৰা হৈছিল। আৰক্ষীৰ নিৰ্দয় আচৰণক লৈ তীব্ৰ প্ৰতিক্ৰিয়া হোৱাত গৃহ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰীয়ে ডি আই জি পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছিল। এই তদন্তৰ প্ৰতিবেদন অনুসৰিয়ে এছ এছ পি দলেক গৃহ বিভাগে বদলি কৰা বুলি এটা সূত্ৰই জানিবলৈ দিছে।

# বিজেপিৰ বিৰুদ্ধে প্ৰদেশ

গান্ধী আৰু সাংসদ গৌৰৱ গগৈৰ ফটোৰ সৈতে সংযোগ কৰি সংখ্যালঘু লোকসকলক অসমৰ বোজাস্বৰূপে দেখুৱাই সামাজিক মাধ্যমত বিজেপিৰ একাংশ নেতা-কৰ্মীয়ে তেওঁলোকৰ অফিচিয়েল ফেচবুক পেজত আপলোড কৰিছিল। কংগ্ৰেছৰ মতে, এনে কাৰ্যই ৰাজ্যখনত সাম্প্ৰদায়িক ভেদাভেদৰ সৃষ্টি কৰিব পাৰে। ইপিনে, প্ৰদেশ কংগ্ৰেছৰ এটা প্ৰতিনিধি দলে আজি ৰাজ্যিক নিৰ্বাচন আয়ুক্ত ৰঞ্জন শৰ্মাক সাক্ষাৎ কৰি বিজেপিৰ নেতিবাচক অপপ্ৰচাৰ সম্পৰ্কত অভিযোগ কৰি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। দলৰ সাধাৰণ সম্পাদক (সাংগঠনিক) বিপুল গগৈৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোৱে ৰাজ্যিক নিৰ্বাচন আয়ুক্তক অভিযোগ দাখিল কৰি কয় যে বি টি আৰত প্ৰদেশ কংগ্ৰেছে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পোষকতা কৰে। নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিজেপিয়ে সাম্প্ৰদায়িক ভেদভাব বিয়পোৱাৰ উদ্দেশ্যে অপপ্ৰচাৰ চলাই নিৰ্বাচনী ৰণ জিকাৰ কূট-কৌশল কৰিছে। বিজেপিৰ ছ'চিয়েল মিডিয়াৰ অফিচিয়েল হেণ্ডেল আৰু টুইটাৰত থকা সাম্প্ৰদায়িক পোষ্টসমূহ ডিলিট কৰাৰ নিৰ্দেশ দিবলৈ আয়োগক আহ্বান জনাইছে কংগ্ৰেছে।

# ২২ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী

দৈৰ্ঘ্যৰ ফ্ৰন্টিয়াৰ হাইৱে প্ৰকল্প আৰু দুটা জলবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ৰাজধানী ইটানগৰৰ ইন্দিৰা গান্ধী উদ্যানৰ পৰা দ্বিতীয় পৰ্যায়ৰ ভাইব্ৰেণ্ট ভিলেজ প্ৰগেম (ভিভিপি) আৰম্ভ কৰিব। জানিব পৰা মতে, অভিলাষী ফ্ৰন্টিয়াৰ হাইৱে প্ৰকল্পটো মেকমোহন লাইনৰ সমান্তৰালভাৱে নিৰ্মাণ কৰা হ'ব পশ্চিম কামেং জিলা বমডিলাৰ পৰা চাংলা জিলাৰ বিজয়নগৰলৈকে। এই ঘাইপথটোৱে ৰাষ্ট্ৰীয় নিৰাপত্তা বৃদ্ধি কৰাৰ লগতে সীমান্ত সংযোগো বৃদ্ধি কৰিব বুলি চৰকাৰী সূত্ৰত প্ৰকাশ। প্ৰধানমন্ত্ৰীয়ে ১৮৬ মেগাৱাট শক্তিৰ টাটো-আই জলবিদ্যুৎ প্ৰকল্প আৰু ২৪০ মেগাৱাটৰ হেঅ' জলবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব য়াৰজেপ নদীৰ ওপৰত। টাৱাঙত এটা সংহত অধিৱেশন কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে ভিভিপিৰ দ্বিতীয় পৰ্যায়ৰ অংশ হিচাপে ১২২খন সীমান্তৱৰ্তী গাঁৱৰ সকলো পৰিৱেশৰ উপযোগী পথ, ফ'ৰ জি টেলিকম নেটৱৰ্ক, টিভি সংযোগ আৰু অন-গ্ৰিড বিদ্যুৎ সংযোগ লাভ কৰিব। ইয়াৰে ৬৭খন গাঁও ভাৰত-ম্যানমাৰ সীমান্তত অৱস্থিত আৰু ৫৫খন ভাৰত-ভূটান সীমান্তত অৱস্থিত। ইফালে, গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ে ভিভিপিৰ বাবে ২২০৫ কোটি টকা ইতিমধ্যে অনুমোদন জনাইছে। ইফালে, প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ বাবে ৰাজ্যৰ ৰাজধানী চহৰৰ পথসমূহ সজাই পৰাই আটকধুনীয়া কৰি তোলা হৈছে।

# ঐতিহ্য আৰু নতুনৰ এই

পৰিত্ৰাণৰ পথ দেখুৱাই আহিছে। এসময়ত জাতীয়তাবাদৰ পক্ষত থিয় হোৱাৰ বাবেই সেই সময়ৰ শাসক পক্ষৰ তৰফৰ পৰা কি পৰ্যায়ত হেঁচাৰ সন্মুখীন হৈছিল, সেয়া অসমৰ প্ৰতিজন সচেতন ব্যক্তিয়ে ভালদৰেই জানে। সেই বিষয়ে আজি আমি আৰু বিতংকৈ ক'বলৈ নাযাওঁ। কিন্তু প্ৰয়াত দেৱকান্ত বৰুৱাৰ দৰে ‘হেভীৱেইট পলিটিচিয়ান’ৰ কূট-কৌশলৰ ওচৰত হাৰ নামানি সকলো ষড়যন্ত্ৰ ওফৰাই ৰাইজৰ কাকত হিচাপে সিংহ গৰ্জনেৰে মূৰ দাঙি থাকিবলৈ সক্ষম হৈছিল এই গৰিমামণ্ডিত কাকতখন। অসমীয়া জাতিৰ বাবে এয়া সুখৰ খবৰ যে, এসময়ত বিশিষ্ট অসমপ্ৰাণ ৰাধা গোবিন্দ বৰুৱাৰ সুযোগ্য নেতৃত্বত আৰু সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখক, সুদক্ষ সম্পাদক কীৰ্তিনাথ হাজৰিকাৰ সম্পাদনাত অসমীয়া জাতিৰ কণ্ঠ হৈ প্ৰকাশিত হোৱা ‘দৈনিক অসম’ কাকতখন পুনৰ এজন জাতীয়তাবাদী ব্যক্তিৰ পৰিচালনাত প্ৰকাশ হ'বলৈ লৈছে। মই বিগত ছবছৰে তেওঁৰ দ্বাৰা পৰিচালিত অসমৰ অন্যতম ছেটেলাইট চেনেল ND24ত কাম কৰি অতি ওচৰৰ পৰা বৰাৰ জাতীয়তাবোধ সম্পন্ন চিন্তা-চেতনা বা ভাবধাৰাৰ যি উমাল পৰশ পাই আহিছোঁ, তাৰ অনুভৱ হয়তো ভাষাৰে আজি মই বুজাব নোৱাৰিম। তেওঁ সদায়ে অসমীয়া জাতীয় চেতনাক সন্মুখত ৰাখি আমাৰ ND24 সংবাদ গোষ্ঠীটোৰ প্ৰতিজন কৰ্মকৰ্তাকে উদ্বুদ্ধ কৰি আহিছে।

ND24ৰ অধ্যক্ষ, পৰিচালনসঞ্চালক কিশোৰ বৰাৰ পিতৃ প্ৰয়াত থানেশ্বৰ বৰাৰ পৰিয়ালটোক ডিব্ৰুগড়বাসীৰ লগতে অসমৰ ৰাইজেও ভালদৰে জানে। তেওঁলোকৰ পৰিয়ালটোৱে জাতীয়তাবাদকেই শয়নে-সপোনে সাবটি ধৰি আহিছে। অসম আন্দোলনত থানেশ্বৰ বৰাৰ ত্যাগৰ কথা ডিব্ৰুগড়ৰ কোনে নাজানে? ব্যাপক নিৰ্যাতনৰ সন্মুখীন হৈছিল থানেশ্বৰ বৰা তথা তেওঁৰ পৰিয়ালটোও। কিন্তু কি পালে থানেশ্বৰ বৰাই? দুবাৰকৈ অগপৰ চৰকাৰ আহিল, অথচ থানেশ্বৰ বৰাই কাহানিবা আপোচ কৰিলে নেকি? তেওঁ কিবা সা-সুবিধা আদায় কৰিলে নেকি? সদায় একেই থাকিল থানেশ্বৰ বৰা। একেখনেই পুৰণি চাইকেল আৰু সেই একেখনেই স্কুটাৰ। তাৰ পাছতো ডিব্ৰুগড়ৰ সমাজ-জীৱনত এনে এটা অনুষ্ঠান নাছিল, ডিব্ৰুগড়ৰ এনে এটা সমস্যা নাছিল, য'ত থানেশ্বৰ বৰা সন্মুখৰ শাৰীত থিয় হোৱা নাছিল। তেওঁ যেন নিজেই ডিব্ৰুগড়ৰ এক স্বয়ংসম্পূৰ্ণ অনুষ্ঠান আছিল। গোটেই ঘৰখনেই যেন এক জাতীয়তাবাদৰ থলী। তেওঁৰ জীয়াৰী প্ৰয়াত প্লাৱনা বৰাই জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদক নেতৃত্ব দিছিল। তেওঁ সাংগঠনিক দক্ষতাৰ বলত এদিন সাধাৰণ সম্পাদিকাও হৈছিলগৈ। ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ মহিলাৰ মাজত সংগঠন শক্তিশালী কৰিছিল। সেইগৰাকী থানেশ্বৰ বৰাৰ একমাত্ৰ পুত্ৰ কিশোৰ বৰাই জাতীয়তাবাদৰ চিন্তাক আগবঢ়াই নিছিল সদৌ অসম ছাত্ৰ সন্থাৰ মজিয়াৰ মাজেৰে। তেওঁৰ শৰীৰতো আছে বিশুদ্ধ জাতীয়তাবাদী ৰক্ত। তেওঁ ডেকা কালৰ পৰাই স্বাৱলম্বী হোৱাৰ সপোন দেখিছিল। অসমীয়া ডেকা ল'ৰাই বেপাৰ-বাণিজ্য নিজৰ হাতলৈ আনি উদ্যোগী হৈ অৰ্থনৈতিকভাৱে জাতীয়তাবাদ শক্তিশালী কৰাৰ সপোন দেখিছিল তেওঁ । সোণৰ চামুচ মুখত লৈ জন্ম হোৱা নাছিল যদিও কণ্টকাকীৰ্ণ সেই পথটোকেই তেওঁ বাছি লৈছিল। পথ কঠিন আছিল যদিও লক্ষ্য আছিল স্থিৰ। শূন্যৰ পৰা আৰম্ভ কৰি আজি তেওঁ এজন অসমীয়া বিশিষ্ট উদ্যোগীৰূপে প্ৰতিষ্ঠিত হৈছে। অসমৰ বহু পৰিয়ালক তেওঁ দিছে কৰ্মসংস্থাপন। ৰাজপথত জাতীয়তাবাদৰ নামত শ্ল'গান দিয়াতকৈ অৰ্থনৈতিকভাৱে অসমীয়া জাতীয়তাবাদক শক্তিশালী কৰি তেওঁ নৱ প্ৰজন্মৰ মাজত এক বিশুদ্ধ জাতীয়তাবাদী আদৰ্শ স্থাপন কৰিছে।

প্ৰত্যেকটো স্বাভিমানী জাতিসত্তাৰ বাবে জাতীয়তাবাদ হ'ল খিলঞ্জীয়া জনগণৰ অন্তৰত ওপজা সকলোবোৰ শক্তিশালী আকাংক্ষাৰ ভিতৰত প্ৰধানতম আকাংক্ষা।

'Discovery of India'ত জৱাহৰলাল নেহৰুৱে উল্লেখ কৰিছে যে ‘জাতীয়তাবাদে এটা জাতিক জাগ্ৰত কৰে’।

জাতীয়তাবাদী ভাবাদৰ্শ হ'ল এক অসমীয়া হৈ থকাৰ প্ৰতিশ্ৰুতি আৰু স্বকীয় পৰিচয়ে আমাক দিয়ে উদ্দীপনা। জাতীয় সন্ধিক্ষণত এই আকাংক্ষা, উদ্দীপনাই আমাৰ মাজত মূৰ দাঙি উঠে আৰু এক সামগ্ৰিক প্ৰভাৱেৰে আমাক প্ৰভাৱিত কৰি তোলে। আমি নিশ্চিত যে এজন নিভাঁজ জাতীয়তাবাদী অসমীয়াৰ নেতৃত্বত ৬১ টা বসন্ত আৰু ৬১টা হেমন্ত গৰকা, জাতিৰ নানান উত্থান-পতনৰ সাক্ষী ‘দৈনিক অসম’ কাকতখনে জাতীয় স্বাৰ্থ সুৰক্ষিত কৰিবলৈ, খিলঞ্জীয়া জনগণৰ হকে সদায় বলিষ্ঠ কণ্ঠৰে মাত মাতিবলৈ পূৰ্বৰ ঐতিহ্যক সাৰোগত কৰিয়েই আগবাঢ়ি যাব।

# দৈনিক অসমে শতায়ু

‘দৈনিক অসম’ৰ ব্যৱস্থাপনাৰ দায়িত্ব এতিয়া আন প্ৰতিষ্ঠানে গ্ৰহণ কৰিলেও কাকতখনক ন-ৰূপ দি উজ্জীৱিত কৰিলে মহৎ দায়িত্ব পালন কৰা হ'ব। ইয়াকে আমি অন্তৰেৰে কামনা কৰো। ‘জাতিৰ সেৱাত উৎসৰ্গিত’— মূলমন্ত্ৰ লৈ যোৱা তিনিকুৰি বছৰে অসমৰ আৰু অসমবাসীৰ সেৱাত ব্ৰতী হোৱা ‘দৈনিক অসমে’ যেন শতায়ু অতিক্ৰম কৰে। ইয়াকে আমি কামনা কৰিছো।

# ৰাজ্যত গ্ৰেপ্তাৰ দলে

লোকে প্ৰত্যক্ষ কৰে শিশু-মহিলাসহ ৭জনীয়া সন্দেহযুক্ত লোকৰ এটা দলক। স্থানীয় লোকে সোধা-পোছা কৰাত দলটোৱে ক'ৰ পৰা আহিছে বা ক'লৈ যাব— এই সন্দৰ্ভত কোনো সদুত্তৰ দিব নোৱাৰিলে। ফলত স্থানীয় লোকসকলে আৰক্ষীক খবৰ দিয়ে। কাছাৰৰ গোমৰা আৰক্ষী চকীৰ এটা দল তাত উপস্থিত হৈ সন্দেহযুক্ত লোকৰ দলটোক জিম্মাত লয়। আৰক্ষীৰ প্ৰাৰম্ভিক অনুসন্ধানত দলটোৱে স্বীকাৰ কৰে যে তেওঁলোক বাংলাদেশৰ ৰোহিঙীয়া সম্প্ৰদায়ৰ লোক আৰু বিগত ৫ বছৰ ধৰি হায়দৰাবাদত কৰ্মৰত আছিল। কিন্তু শেহতীয়াকৈ দেশজুৰি কেন্দ্ৰীয় চৰকাৰে চলোৱা অবৈধ নাগৰিকবিৰোধী অভিযানৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে হায়দৰাবাদ এৰি পলায়ন কৰিছিল। দলটোৱে এজন স্থানীয় দালালৰ সহায়ত কাছাৰ সীমান্তৰে বুধবাৰে নিশা উভতি যোৱাৰ পৰিকল্পনা কৰিছিল। কিন্তু ইয়াৰ পূৰ্বে স্থানীয় লোকে সন্দেবশতঃ তেওঁলোকক আবদ্ধ কৰি আৰক্ষীক চমজাই দিয়ে। আৰক্ষীৰ জেৰাত দলটোৱে লগতে স্বীকাৰ কৰে যে ২০২০ চনতে তেওঁলোকে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিছিল। তাৰে পাছত দালালৰ জৰিয়তে ভুৱা ভাৰতীয় নথি-পত্ৰ প্ৰস্তুত কৰি হায়দৰাবাদত কৰ্মসংস্থাপন লাভ কৰিছিল। আনহাতে, মঙলবাৰেও আৰক্ষীয়ে কাছাৰ জিলাত শিশু-মহিলাসহ ১১জনীয়া এটা বাংলাদেশী ৰোহিঙীয়াৰ দল আটক কৰিছিল। লক্ষণীয়ভাৱে এই দলটোও হায়দৰাবাদত শ্ৰমিক হিচাপে কৰ্মৰত আছিল। শিশু-মহিলাসহ দলটো বাংলাদেশলৈ উভতি যাবৰ বাবে ৰেলযোগে কাছাৰত উপস্থিত হৈছিল। কিন্তু সীমান্ত পাৰ হোৱাৰ পূৰ্বেই আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হয় দলটো। গ্ৰেপ্তাৰ হোৱা ৰোহিঙীয়াৰ দলটোত ৫গৰাকী মহিলা, ৪টি শিশু আৰু ৯জন পুৰুষ আছে। আৰক্ষীয়ে সম্প্ৰতি স্থানীয় দালালটোৰ সন্ধানত জোৰদাৰ তদন্ত অব্যাহত ৰাখিছে।

# যোগীঘোপাত ব্ৰহ্মপুত্ৰৰ

সাংস্কৃতিক ঐতিহ্যক বিশ্ব মঞ্চলৈ লৈ গৈছিল। সুধাকণ্ঠৰ সমন্বয়ৰ সাংগীতিক পৰিক্ৰমা দেশবাসীৰ বুকুত প্ৰতিধ্বনিত হৈ ৰ'ব চিৰকাল। ভূপেনদাৰ মোহনীয় ব্যক্তিত্ব, সুৰীয়া কণ্ঠত তিৰবিৰাই উঠিছিল দেশপ্ৰেমৰ অম্লান চেতনা, ভাৰতীয়ই বিশ্ব জয় কৰাৰ সপোন গাথাঁ। ভাৰতৰ সাংস্কৃতিক জগতৰ উজ্জ্বল নক্ষত্ৰ, বিশ্ববিশ্ৰুত শিল্পী সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাদেৱৰ কালজয়ী সৃষ্টিৰাজিৰ যোগেদি প্ৰতিধ্বনিত হৈ আহিছে একতা, মানৱতা আৰু ভাতৃত্ববোধৰ বাতা। অসমৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিক সংগীতৰ লহৰেৰে বিশ্ব মঞ্চত চিনাকি কৰাই দিয়া ভূপেনদা প্ৰতিজন অসমীয়াৰ হিয়াৰ আমঠু। সংগীত সূৰ্যৰ জন্ম শতবৰ্ষ উদযাপনৰ এই গৌৰৱময় ক্ষণত তেওঁক গভীৰ শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ। গংগা-ব্ৰহ্মপুত্ৰৰ বিস্তীৰ্ণ পাৰৰ অগণন জনতাৰ বলিষ্ঠ কণ্ঠ ভূপেনদাৰ অমৰ সৃষ্টিৰাজি, জীৱন দৰ্শন আৰু সুৰৰ মূৰ্চ্ছনা দেশবাসীৰ বাবে অফুৰন্ত প্ৰেৰণাৰ উৎস হৈ থাকিব। মহাবাহু ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি ভূপেনদাই বহু অমৰ সৃষ্টি কৰি থৈ গৈছে। বিস্তীৰ্ণ পাৰৰে শীৰ্ষক শদিয়াৰ পৰা ধুবুৰীলৈ এই জাহাজ যাত্ৰাই সমন্বয়ৰ জয়গানেৰে ভূপেনদাৰ কালজয়ী সৃষ্টিৰজিক উদযাপন কৰিছে আৰু নতুন প্ৰজন্মৰ মাজত ভূপেনদাৰ ছাঁ, প্ৰসাৰ ত্বৰান্বিত কৰিব বুলি আমি আশাবাদী। উক্ত অনুষ্ঠানত উপস্থিত থাকে পশ্চিম গোৱালপাৰাৰ সম-জিলা আয়ুক্ত নৱৰজিৎ পাঠক, অভয়াপুৰীৰ সম-জিলা আয়ুক্ত শান্তা কাৰ্কি, বিজেপি বঙাইগাঁও জিলাৰ সভাপতি উজ্জ্বল কান্তি ৰয়, বঙাইগাঁও জিলা পৰিষদৰ সভানেত্ৰী মৃদুলা সিংহ, ভাৰতীয় জনতা পাটিৰ ৰাজ্যিক সম্পাদিকা মনালিছা কোচ, বিশিষ্ট সাংবাদিক অশোক ৰয়, ন-পুৰণি বহু শিল্পী।

# প্ৰত্যাশাৰ ক্ষণ



প্ৰফুল্ল গোবিন্দ বৰুৱাৰ আশিস বাণীৰে আৰম্ভ নতুনত্বসন্ধানী যাত্ৰা...

## সমাজৰ দাপোণ হওক 'দৈনিক অসম'



হৃষীকেশ গোস্বামী

জাতিৰ সেৱাত উৎসৰ্গিত 'দৈনিক অসম'এ ৬১ বছৰত খোজ পেলালে। শৈশৱৰ পৰাই 'দৈনিক অসম' কাকতখন পঢ়ি আমাৰ চিন্তাৰ জগত সমৃদ্ধ হৈছিল। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ উদ্যোগত প্ৰকাশ পোৱা এই কাকতখনে পৰৱৰ্তী কালত অসম আন্দোলনৰ সময়ত জাতিক ৰাজনৈতিক চেতনাৰে সমৃদ্ধ কৰিছিল। 'দৈনিক অসম'ৰ স্বত্বাধিকাৰী সলনি হৈছে। নতুন স্বত্বাধিকাৰী হিচাপে জাতীয়তাবাদী চিন্তাৰ যুৱক কিশোৰ বৰাই আত্মপ্ৰকাশ কৰিছে। আত্মা অবিনশ্বৰ, অমৰণ, অভগন। আত্মা মৃত্যুহীন; ই মাত্ৰ দেহহে সলনি কৰে। দেহ সলনি হোৱাৰ দৰে 'দৈনিক অসম'ৰ স্বত্বও সলনি হৈছে। আমি আশা কৰিম, নতুন পৰিচালন গোষ্ঠীয়ে নিশ্চিতভাৱে 'দৈনিক অসম'ৰ মূল সত্তা বা আত্মাৰ লগত ন ন চিন্তাৰ মণি-মুকুতা খচিত কৰি সমাজ-গতিক আগবঢ়াই নিব। ব'হাগ মাহত প্ৰকৃতিয়ে চৌদিশ ন-ৰূপেৰে সজাই তোলাৰ দৰে নতুন চিন্তা আৰু সমাজ-সচেতনতাৰ দিশটোলৈ লক্ষ্য ৰাখি পুৰণি চিন্তাৰ মকৰাজাল ফালি 'দৈনিক অসম' অগ্ৰসৰ হ'ব।

সমাজৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত কাকতখনে সমস্যা আৰু সমাজৰ মাজত সাঁকোৰ ভূমিকা ল'ব। কিয়নো সঁচাক সঁচা আৰু মিছাক মিছা বুলি ক'ব নোৱৰাটো মৃত মানুহৰ লক্ষণ।

'মানচেষ্টাৰ গাৰ্ডিয়ান' পত্ৰিকাৰ সম্পাদক চি পি স্কটে (১৮৪৬-১৯৩২) বহুদিন আগেয়ে কৈছিল— 'সাংবাদিক স্বাধীনতাৰ স্তম্ভ। সাংবাদিকতা গণতন্ত্ৰৰ মূল কথা। সমাজ উন্নয়নৰ পৰিপূৰক। সাংবাদিকতা সমাজ-জীৱনৰ প্ৰতিফলক।' সেই কামকেই কৰি দেখুৱাইছিল ৰাজা ৰামমোহন ৰায় মহাত্মা গান্ধী, ৰাজেন্দ্ৰ প্ৰসাদ, বাল গংগাধৰ তিলক আৰু অসমৰ অম্বিকাগিৰী, লক্ষ্মীনাথ ফুকন, হোমেন বৰগোহাঞি আৰু কীৰ্ত্তিনাথ হাজৰিকাৰ দৰে ব্যক্তিয়ে।

একবিংশ শতিকাত যেতিয়া ছেটেলাইটেৰে গোটেই মহাকাশ ভৰি পৰিছে, ঘৰতে বহি টিভি বা ম'বাইল ফোনেৰে বিশ্বৰ ক'ত কি ঘটি আছে চাব পাৰি, কথাও পাতিব পাৰি, সেই সময়তে আমাৰ দেশত ডাইনী হত্যা, যৌতুকজনিত হত্যা, নাৰী অপহৰণ, ধৰ্ষণ, মদ আৰু ড্ৰাগছৰ কবলত পৰি নিজৰ বন্ধুকো হত্যা কৰাৰ দৰে জঘন্য ঘটনা ঘটি আছে। নিচাজাতীয় সামগ্ৰীৰ পয়োভৰ, দুৰ্নীতি, অন্ধবিশ্বাস, কু-সংস্কাৰ, নিবনুৱা সমস্যাৰ সুযোগ লৈ সমাজবিৰোধী শক্তিয়ে মূৰ দাঙি উঠিছে। শক্তিশালী মানুহে ১৫ পৃষ্ঠাত চাওক

## নতুন যাত্ৰা এক মিছনেৰী যাত্ৰা হওক

ড° সত্যকাম বৰঠাকুৰ



অসমীয়াৰ আৱেগ 'দৈনিক অসমে' এক নতুন যাত্ৰা আৰম্ভ কৰিছে। দেশ তথা জাতিৰ কণ্ঠস্বৰ হিচাপে দশক দশকজুৰি অসমীয়া আৱেগক প্ৰতিনিধিত্ব কৰি অহা কাকতখনে আধুনিক অসমীয়া সাংবাদিকতাৰ জগতখনত অভিনৱ খোজ হৈ আগবাঢ়িবৰ বাবেই যেন আৰম্ভ কৰিছে এই মহা আয়োজনৰ। আমি এটা সময়ত বিশ্বাস কৰিছিলোঁ যে অসম মানেই 'দৈনিক অসম।' এই নতুন যাত্ৰাই সেই পুৰণি আৱেগক নতুন মাত্ৰা দিব বুলি আশা কৰিছোঁ। নতুন যুগ, নতুন চিন্তা, নতুন প্ৰযুক্তিৰ সমাহাৰেৰে কাকতখনে কঢ়িয়াই আনক নতুন যুগৰ এক মিছনেৰী উদ্যম।

## অসমৰ সমাজ জীৱনক দৃঢ়তাৰে নেতৃত্ব দি যাব



হিতেশ ডেকা

সময়ে ইতিহাস গঢ়ে, সময়ে প্ৰয়োজনত নিজৰ স'তে মিলাই হীৰক-ইতিহাসক দিয়ে ন-ৰূপো। সময়ৰ এই আহ্বানক নেওচা দিলে গতি আৰু প্ৰগতি সম্ভৱপৰ নহয়। হীৰক জয়ন্তী বৰ্ষ অতিক্ৰম কৰি অনিৰুদ্ধ যাত্ৰা অব্যাহত ৰখা 'দৈনিক অসম'-এ যেন সময়ৰ আহ্বান কাণ পাতি শুনিছে আৰু এটা শক্তিশালী, আলোকমুখী যাত্ৰাৰ বাবে সাজু হৈছে। এই শুভক্ষণত কাকতখনলৈ আমাৰ আন্তৰিক শুভেচ্ছাৰ বাহিৰে আৰুনো কি দিবলৈ আছে?

এই কথা কাৰো অবিদিত নহয় যে, 'দৈনিক অসম' অসমৰ সংবাদ পত্ৰৰ ইতিহাসৰ এটা স্বৰ্ণখচিত অধ্যায়ত পৰিণত হৈছে। এখন সংবাদ পত্ৰ হিচাপেই ইয়াৰ পৰিচয় সীমাবদ্ধ হৈ নাথাকি 'দৈনিক অসম' হৈ পৰিছে অসম আৰু অসমীয়াৰ জাতীয় চেতনা আৰু স্বাভিমানৰ প্ৰতীক। অসমৰ দুখ-দুৰ্দশা, প্ৰত্যাহ্বান, সংগ্ৰামৰ সময়ত এক নিপুণ যোদ্ধাৰ দৰে সকলোকে সন্মুখৰপৰা ১৫ পৃষ্ঠাত চাওক

## বলিষ্ঠ ৰূপত কাষ চাপক ৰাইজৰ

আদিল হুছেইন



মই সৰুৰে পৰা 'দৈনিক অসম' পঢ়ি আহিছোঁ। এই কাকতখনৰ সৈতে মোৰ এটা আৱেগিক সম্পৰ্ক আছে। যোৱা ৬১ বছৰে 'দৈনিক অসম'এ অসমৰ সমাজক, অসমীয়া সমাজক সেৱা প্ৰদান কৰি আহিছে। অসমৰ সৰু-ডাঙৰ যিকোনো সমস্যাত সমাজৰ সৈতে থাকি মাত মাতি আহিছে 'দৈনিক অসম' এ। ৰাইজৰ আপোন এই কাকতখনৰ প্ৰকাশনৰ দায়িত্ব সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাই প্ৰতিষ্ঠা কৰা ঐতিহ্যমণ্ডিত ট্ৰিবিউন গোষ্ঠীৰ পৰা কিশোৰ বৰাই লোৱা বুলি শুনি আহ্লাদিত হৈছো। ভাব এটা হৈছে জাতীয়তাবোধসম্পন্ন নেতৃত্বৰ হাতত নতুন ৰূপত অসমৰ কথাবোৰ উপস্থাপন হ'ব। 'দৈনিক অসম'ৰ নতুন ৰূপটো চাবলৈ উৎসুক হৈ আছোঁ। মোৰ আন্তৰিক শুভেচ্ছা আৰু ভালপোৱা 'দৈনিক অসম'ৰ সৈতে সদায়ে থাকিব। আশা কৰিছো অসমৰ ৰাইজক, অসমৰ সমাজক 'দৈনিক অসম'এ যিদৰে আগৰে পৰা সেৱা প্ৰদান কৰি আহিছে, সেই মৰ্যাদা ৰক্ষা কৰি নতুন ৰূপত সেৱা আগবঢ়াই যাব। ছয় দশকৰ গৰিমামণ্ডিত যাত্ৰাৰ ইতিহাস কঢ়িয়াই অনাগত সময়ত 'দৈনিক অসম' বলিষ্ঠ ৰূপত ৰাইজৰ মাজলৈ যাব বুলি আশা কৰিলোঁ। মোৰ আন্তৰিক শুভেচ্ছা জনাইছোঁ এই নতুন যাত্ৰালৈ।

জাতীয় দুৰ্যোগৰ মুহূৰ্তত ভাষা, কৃষ্টি, জাতীয় জনমত আৰু স্বাভিমানক কাকতখনে যিদৰে আখৰেৰে তুলি ধৰিছে তাতো সাংবাদিকতাৰ সোপান জিলিকি উঠিছে।

## অহৰহ সাধনাৰে সমসাময়িক বুৰঞ্জীৰ ভৰসাযোগ্য খচৰাৰূপে নিজকে প্ৰতিষ্ঠা কৰিব

ডঃ অমৰজ্যোতি চৌধুৰী



হীৰক জয়ন্তী বৰ্ষ অতিক্ৰমী নতুন দিগন্ত অভিমুখে যাত্ৰা আৰম্ভ কৰাৰ পাতনিতেই মই 'দৈনিক অসম' কাকতৰ সন্মানীয় সম্পাদকক ধৰি সেইখন কাকতৰ সম্পূৰ্ণ পৰিয়াললৈ মোৰ আন্তৰিক ওলগ জনাইছোঁ। ষাঠি বছৰৰ নিৰৱচ্ছিন্ন আৰু প্ৰাসংগিক প্ৰকাশনেৰে বিশিষ্ট কাকতখনে ইতিমধ্যেই এক স্মৰণীয় অভিলেখ স্থাপন কৰিছে। অসমৰ জনজীৱনত যোৱা ষাঠি বছৰ ধৰি 'দৈনিক অসম'-এ নিৰপেক্ষ, সত্য সন্ধানী আৰু সাহসী সাংবাদিকতাৰে জাতি, ৰাজ্য আৰু দেশৰ ১৫ পৃষ্ঠাত চাওক

## দৈনিক অসম কাকত পাঠকৰ নিকটে ৰওক

হিমাশ্ৰী বৰা
ডিব্ৰুগড় বিশ্ববিদ্যালয়

সমাজ একোখনৰ বৌদ্ধিক চেতনা বিকাশৰ অন্যতম মাধ্যম হিচাপে কাকত-আলোচনীসমূহে বিশেষ ভূমিকা পালন কৰি আহিছে। তেনে মহৎ উদ্দেশ্য আগত ৰাখিয়েই গৌৰৱোজ্জল ৬০টা বৰ্ষ অতিক্ৰম কৰা অসমৰ আগশাৰীৰ 'আছাম ট্ৰিবিউন' গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত 'দৈনিক অসম' কাকতলৈ পাঠক হিচাপে অভিনন্দন জনোৱাৰ লগতে কাকতখনে ন-কৈ আৰম্ভ কৰা সুনীল যাত্ৰালৈ অফুৰন্ত শুভেচ্ছা যাচিছোঁ। সকলো ক্ষেত্ৰৰ খবৰেৰে পাঠক সমাজক সচেতন কৰি ৰখাত গুৰুত্ব আৰোপ কৰা 'দৈনিক অসম' কাকতখন ৰাজনীতি, অৰ্থনীতি, সমাজৰ জ্বলন্ত সমস্যা, সাহিত্য-সংস্কৃতি, বিজ্ঞান-প্ৰযুক্তি, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰৰ খবৰেৰে সমৃদ্ধ। সম্পাদকীয় পৃষ্ঠা, দেওবৰীয়া চ'ৰা, শুকুৰবৰীয়া জোনাকী বাট, শিশু শিতান, মহিলা শিতান, নৱপ্ৰজন্ম শিতান, পাঠশালা শিতান আদিৰ যোগেদি ১৫ পৃষ্ঠাত চাওক

## খেলৰ খবৰক গুৰুত্ব দিয়া কাকতখনৰ যাত্ৰা শুভ হওক

অভিজিৎ ভট্টাচাৰ্য



সৰুকালত সৈনিক স্কুলত পঢ়ি থকাৰ সময়তে ছাব জুনিয়ৰ আন্তঃজিলা ভলীবল টুৰ্নামেণ্টৰ খবৰ 'দৈনিক অসম'তে পাইছিলোঁ। তেতিয়াৰ পৰাই খুব আগ্ৰহেৰে অপেক্ষা কৰিছিলোঁ কাকতখনৰ বাবে। পৰৱৰ্তী সময়ত ব্ৰহ্মপুত্ৰ ভলীবল লীগৰ দ্বিতীয় ছিজনত আমি থলুৱা ট্ৰাইপড ব্যৱহাৰ কৰি লাইভ ৱেবকাষ্টেৰে যি নতুনত্ব আনিছিলোঁ সেই খবৰো বিস্তৃতভাৱে 'দৈনিক অসম'-এ প্ৰকাশ কৰিছিল। আঞ্চলিক খেলৰ খবৰক সদায়ে বিশেষভাৱে গুৰুত্ব দি অহা ঐতিহ্যমণ্ডিত কাকতখনৰ পৰা অনাগত দিনতো একেই আশা ৰাখিলোঁ। নতুন ৰূপত নতুন যাত্ৰা শুভ হওক।




## কুসুমাস্তীৰ্ণ হওক নতুন যাত্ৰাপথ...

অমলেন্দু চক্ৰৱৰ্তী
প্ৰাক্তন উপাচাৰ্য,
ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়
হোজাই, অসম

একবিংশ শতিকাৰ দুৱাৰডলিত থিয় হৈ আমি লক্ষ্য কৰিছো একফালে বিজ্ঞান আৰু প্ৰযুক্তিৰ নৱ নৱ আৱিষ্কাৰৰ ফলত আমাৰ জীৱনৰ ভোগাকাংক্ষা ক্ৰমাৎ সীমাহীন হৈ পৰিছে; আনফালে আমাৰ সমাজ-সভ্যতা-সংস্কৃতি এক গভীৰ সংকটৰ সন্মুখীন হৈছে। মা-দেউতাৰ প্ৰতি আমাৰ শ্ৰদ্ধা লাহে লাহে নিম্নগামী হৈছে, আধুনিক শিক্ষা আৰু উচ্চাকাংক্ষাই ছাত্ৰ-ছাত্ৰীৰ জীৱনত গতিৰ সঞ্চাৰ কৰিছে ঠিকেই, কিন্তু লক্ষ্য হেৰাই পেলাইছে তথা জীৱনৰ দিগন্ত নাইকিয়া হৈছে। ফলত নতুন প্ৰজন্মৰ মাজত আত্মহত্যাৰ সংখ্যা ক্ৰমাৎ বাঢ়ি গৈ আছে। জীৱন হৈ পৰিছে যন্ত্ৰৰ দৰে নিষ্প্ৰাণ। এজন ইংৰাজ কবিয়ে এই সম্পৰ্কে লিখিছে—

"We've learned how to
make a living,
but not a life.
We've added years to
life not life
to years."

আমাৰ ব্যক্তিগত আৰু সামাজিক সম্পৰ্কৰ মাজতো কৃত্ৰিমতাই লাহে লাহে গা কৰি উঠিছে, আমাৰ পাৰস্পৰিক সম্পৰ্ক কৃত্ৰিম আৰু গতানুগতিক হৈ পৰিছে। এই বিষয়ে প্ৰখ্যাত মনোবিজ্ঞানী Trigant Burrow-ই লিখিছিল, 'To-day human relations are through-out superficial and not funda-mental. They are psycho-social, not biological.' এই জীৱনধাৰাৰ লগত সংগতি ৰাখি আমাৰ বাতৰি-কাকতসমূহ আকৰ্ষণীয় নেতিবাচক সংবাদ পৰিৱেশনত ব্যস্ত হৈ পৰিছে। বৰ্তমান যুগ হৈছে বিজ্ঞাপনৰ যুগ। সকলো ক্ষেত্ৰত, আনকি সংবাদ পৰিৱেশনৰ ক্ষেত্ৰতো বিজ্ঞাপনে শীৰ্ষস্থান দখল কৰিছে। এই বিজ্ঞাপন হ'ল আত্মপ্ৰচাৰৰ বিজ্ঞাপন।

এই ক্ষেত্ৰত 'দৈনিক অসম' হ'ল এক ব্যতিক্ৰমধৰ্মী বাতৰি কাকত। এই বাতৰি কাকতখনে সমাজৰ সকলো শ্ৰেণীৰ জনগণক লগত লৈ ভাষা-সংস্কৃতিক পৰিৱেশন কৰিছে। ফলত 'দৈনিক অসম' আৰু 'The Assam Tribune'-ৰ সংবাদ সুৰক্ষিত কৰি ৰখাৰ লক্ষ্যৰে নিজৰ সুকীয়া চৰিত্ৰক বজাই ৰাখি আজি সগৌৰৱে হীৰক জয়ন্তী বৰ্ষত আহি উপনীত হৈছে। যিসকল নেতিবাচক সংবাদে আমাৰ উঠি অহা প্ৰজন্মক বিপথে পৰিচালিত কৰে তেনে সংবাদ পৰিৱেশনৰ ক্ষেত্ৰত পুংখানুপুংখ বৰ্ণনাৰ বিপৰীতে এই বাতৰি কাকতখনে যিমান পাৰে সংক্ষেপে খুবেই নিৰ্বাচিত আৰু অপ্ৰগলভ ৰূপত পৰিৱেশিত হৈছে।

একবিংশ শতিকাৰ সমাজ-সংস্কৃতিৰ এই সংকটাপন্ন অৱস্থাত 'দৈনিক অসম'-এ আমাৰ উঠি অহা প্ৰজন্মক সঠিক বাট দেখুৱাবলৈ সমৰ্থ হ'ব আৰু ইমান দিন ধৰি চলি অহা ঐতিহ্যক অক্ষুণ্ণ ৰাখি অনাগত ভৱিষ্যতৰ গৰ্ভত আগবাঢ়িব— এই সম্পৰ্কে আমাৰ কোনো সন্দেহ নাই। দ্বিতীয়তে, ইংৰাজী ভাষাৰ কৰাল গ্ৰাসত বিপদাপন্ন আমাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি নতুন প্ৰজন্মক কি দৰে আকৰ্ষিত কৰা যায় সেই বিষয়ে মনস্তাত্ত্বিক দৃষ্টিকোণৰ পৰা পোহৰ পেলাব বুলি আশা কৰিলোঁ। সুদূৰ ভৱিষ্যতৰ ফালে 'দৈনিক অসম'-ৰ যাত্ৰাপথ অতি সুগম আৰু কুসুমাস্তীৰ্ণ হ'ব—এই শুভেচ্ছা মনত পোষণ কৰিলো।

অলমতিবিস্তাৰেণ—।

একবিংশ শতিকাৰ সমাজ-সংস্কৃতিৰ এই সংকটাপন্ন অৱস্থাত 'দৈনিক অসম'-এ আমাৰ উঠি অহা প্ৰজন্মক সঠিক বাট দেখুৱাবলৈ সমৰ্থ হ'ব আৰু ইমান দিন ধৰি চলি অহা ঐতিহ্যক অক্ষুণ্ণ ৰাখি অনাগত ভৱিষ্যতৰ গৰ্ভত আগবাঢ়িব

## 'দৈনিক অসম'ৰ নতুন যাত্ৰাৰ প্ৰত্যাশা



মিলেশ্বৰ পাটৰ

অসমৰ বাতৰি কাকতৰ ইতিহাসত 'দৈনিক অসম'ৰ এক সুকীয়া পৰিচয় আৰু এক সোণালী অধ্যায় আছে। বৃটিছ ঔপনিৱেশিক শাসনৰ কালছোৱাত ৰেভাৰেণ্ড অলিভাৰ টি কাট্টাৰৰ পৃষ্ঠপোষকতা আৰু নাথান ব্ৰাউনৰ সম্পাদনাত শিৱসাগৰৰ পৰা ১৮৪৬ চনৰ জানুৱাৰী মাহত প্ৰকাশ পোৱা অসমীয়া বাতৰি কাকত 'অৰুনোদই'ৰ পৰা বৰ্তমান সময়লৈকে অসমত প্ৰচলিত আৰু প্ৰকাশিত অলেখ বাতৰি কাকতৰ মাজত 'দৈনিক অসম' কাকতখনৰ ব্যতিক্ৰমী বৈশিষ্ট্যই পাঠক সমাজক আকৰ্ষণ নকৰাকৈ থকা নাই। ১৯৩৯ চনৰ ৪ আগষ্টৰ পৰা ডিব্ৰুগড়ত সাপ্তাহিক হিচাপে প্ৰকাশ পোৱা 'দ্য আছাম ট্ৰিবিউন' কাকতখন ১৯৪৬ চনৰ ১৪ আগষ্টত গুৱাহাটীৰ পৰা প্ৰকাশ হয়। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ বিশেষ তৎপৰতাতে ট্ৰিবিউন গোষ্ঠীৰ পৃষ্ঠপোষকতাত ১৯৬৫ চনৰ ৪ আগষ্টত 'দৈনিক অসম' প্ৰকাশ হয়। কাকতখনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল— কীৰ্ত্তিনাথ হাজৰিকা। প্ৰতিষ্ঠাকালৰে পৰা সাংবাদিকতাৰ শুদ্ধতা ৰক্ষা কৰিবলৈ আত্মনিয়োগ কৰা এই কাকতখনে অদ্যাপি এই প্ৰচেষ্টা অব্যাহত ৰাখিছে। এনে এক বৈশিষ্ট্যৰ বাবেই কাকতখনে সংবাদ জগতত এক বিশেষ আসন দখল কৰিবলৈ সক্ষম হৈছে। আনকি ট্ৰিবিউন গোষ্ঠীৰ 'দ্য আছাম ট্ৰিবিউন'ৰ লগতে 'দৈনিক অসম', 'অসম বাণী' আৰু 'গৰিয়সী'ৰ দৰে সম্ভ্ৰান্ত কাকত-আলোচনী নিৰৱিচ্ছিন্নভাৱে প্ৰকাশ কৰি এক বৌদ্ধিক আন্দোলন অব্যাহত ৰাখিছে। শেহতীয়াকৈ আমি অৱগত হৈছোঁ যে, 'দৈনিক অসম' কাকতখনে এক নতুন যাত্ৰা আৰম্ভ কৰিবলৈ সাজু হৈছে। আমি অনুভৱ কৰিছো। এই যাত্ৰা অসমৰ সমাজ জীৱনৰ বৌদ্ধিক উত্তৰণৰ বাবে নতুন দৃষ্টিভংগীৰে আৰু অধিক উদ্দীপনাৰে ভৱিষ্যতৰ দিনলৈ আগবাঢ়ি যোৱাৰ দৃঢ় সংকল্প হওক। কাকতখনৰ জন্মলগ্নৰে পৰা বৰ্তমানলৈকে এই দীঘলীয়া পৰিক্ৰমাত অসম আৰু জাতীয় জীৱনৰ মূল সমস্যাসমূহৰ দিক্‌দৰ্শনকাৰী ভূমিকা, চিন্তা উদ্ৰেককাৰী লেখাবোৰ, জাতীয়তাবোধক উদ্বেলিত কৰা চিন্তাবোৰ, নিৰপেক্ষতাৰ আদৰ্শ, হালধীয়া ৰং নথকা বাতৰিবোৰ, বলিষ্ঠ সম্পাদকীয় লেখাবোৰ, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, শিল্প, কলা, সাহিত্য, ক্ৰীড়া জগতৰ পৃষ্ঠাবোৰ— এই সমস্তই পাঠক সমাজক ১৫ পৃষ্ঠাত চাওক

এই যাত্ৰা অসমৰ সমাজ জীৱনৰ বৌদ্ধিক উত্তৰণৰ বাবে নতুন দৃষ্টিভংগীৰে আৰু অধিক উদ্দীপনাৰে ভৱিষ্যতৰ দিনলৈ আগবাঢ়ি যোৱাৰ দৃঢ় সংকল্প হওক।

## ভূমিকা লওক ৰাইজৰ প্ৰহৰীৰ

মমী দলে
মাজুলী মহাবিদ্যালয়

অসমৰ এখন আগশাৰীৰ পুৰণি কাকত হৈছে 'দৈনিক অসম'। ৰাজনীতিৰ পৰা অৰ্থনীতিলৈ, বিদ্যালয়, মহাবিদ্যালয়ৰ অনুষ্ঠানৰ পৰা প্ৰতিবাদ, আন্দোলন আদি বিষয়লৈকে স্থান দিয়া এই কাকতে পিছপৰি নৰয় বিদেশত চলি থকা খেলখনৰ বা ঘটনাৰাজি ব্যাখ্যা কৰিবলৈ। শদিয়াৰ পৰা ধুবুৰীলৈ, দেশ কি বিদেশৰ কথা, এটা পৃষ্ঠাত যদি সেউজীয়া প্ৰাকৃতিক সৌন্দৰ্যৰ কথা কৈছে, কোনো পৃষ্ঠাত কৈছে বানত ডুব গৈ থকা জনজীৱনৰ কথা। কেতিয়াবা যদি কয় মহান ব্যক্তিৰ জীৱন গাঁথা, কেতিয়াবা কয় চিনেমাৰ কিছু ৰসাল কথা। এই কাকত খনত প্ৰকাশ পোৱা শীৰ্ষ বাৰ্তাবোৰে প্ৰতিযোগিতামূলক পৰীক্ষাবোৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ইয়াত প্ৰকাশ পোৱা বিজ্ঞাপনবোৰ বহুধৰণে সহায়ক হৈছে। বিশেষকৈ এই কাকত খনৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পোৱা বাঁওফালৰ এচুকৰ সেই কৌতুকৰ অংশ ব্যক্তিগতভাৱে মোৰ প্ৰিয়। সচেতন পঢ়ুৱৈ বা নাগৰিক হিচাপে ক'বলৈ হ'লে 'দৈনিক অসম' কাকতখন মোৰ দৈনিক বন্ধু, মোৰ অভিভাৱক। 'দৈনিক অসম' বহুতৰ বাবে জীৱন দাতা, বহুতৰ কৰ্তব্য আৰু বহুতৰ বাবে অভ্যাস। নতুন ৰূপৰ 'দৈনিক অসম'-এ এই সকলো ধৰি ৰাখি আগবাঢ়ি যাওক আৰু ৰাইজৰ প্ৰহৰীৰ ভূমিকা লওক।

## শিক্ষামূলক বাৰ্তাও প্ৰেৰণ কৰিব বুলি আশা কৰিলোঁ

মুনমী পাংগিং
আউনীআটী বিশ্ববিদ্যালয়

'দৈনিক অসম' অসমৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক জীৱনৰ এখন সঁচা ১৫ পৃষ্ঠাত চাওক

## অসমৰ সমাজ জীৱনক

**১৪ পৃষ্ঠাৰ পৰা** নেতৃত্ব দিয়াৰ যি ইতিহাস 'দৈনিক অসমে' বহন কৰি আহিছে সেয়া স্বৰূপাৰ্থতেই অতুলনীয় আৰু অবিকল্প। ৬০টা বসন্ত পাৰ হৈ আহি সন্মুখলৈ আজিও দৃঢ়তাৰে আগবাঢ়ি যোৱাৰ সংকল্পত অটল হৈ ৰৈছে এই কাকতখন।

আমাৰ সৌভাগ্য যে এই আপুৰুগীয়া ঐতিহ্যৰ সৈতে আমিও কম সময়ৰ বাবে হ'লেও যুক্ত হোৱাৰ সুযোগ লাভ কৰিছিলোঁ। প্ৰায় দুবছৰীয়া এটা পৰিক্ৰমাত 'দৈনিক অসম'ৰ সৈতে বাট বুলি মই যিখিনি স্মৃতি আৰু অভিজ্ঞতা জীৱনলৈ সঞ্চয় কৰিলোঁ সেয়া নিসন্দেহে অতি মূল্যৱান। ২০২৩ চনত কাকতখনৰ সম্পাদক হিচাপে দায়িত্ব গ্ৰহণৰ জৰিয়তে মোৰ কাৰণে প্ৰায় অপৰিচিত সাংবাদিকতাৰ দৰে ক্ষেত্ৰ এখনৰ অভ্যন্তৰলৈ ভুমুকিয়াই চোৱাৰ সুযোগ পালোঁ। আৰু তাৰ অভ্যন্তৰৰ জগতখন মোৰ চকুৰ সন্মুখত অতি বিস্ময়কৰ আৰু স্পষ্ট ৰূপত প্ৰতিভাত হৈ উঠিল। এই জগতখনৰ গুৰুত্ব আৰু মহত্ত্ব কি সেয়া নতুনকৈ অনুধাৱন কৰাটো সম্ভৱ হ'ল 'দৈনিক অসম'ৰ সৈতে মোৰ দুবছৰীয়া যাত্ৰাৰ জৰিয়তেই।

'দৈনিক অসম'ৰ দৰে কাকত কিয় বিশেষ সেয়া মই অনুধাৱন কৰিবলৈ সক্ষম হ'লোঁ। খবৰক চাঞ্চল্যকৰ কাহিনীৰ ৰূপ নিদি, পক্ষ আৰু পক্ষপাতৰ কদৰ্য খেলখনৰপৰা আঁতৰি থাকি 'দৈনিক অসম'ৰ দৰে কাকতে কিদৰে সমাজ আৰু মানুহৰ সেৱাত একাগ্ৰচিত্তে নিয়োজিত হৈ আছে সেই অভিজ্ঞতা কাকতখনৰ সৈতে মোৰ যাত্ৰাই মোক সুন্দৰকৈ বুজাই দিলে। 'দৈনিক অসম'ৰ সম্পাদক হিচাপে মোৰ যাত্ৰাই মোক জীৱনৰ নতুন অধ্যায় এটাৰ শিক্ষা দিলে। এই শিক্ষা আৰু অভিজ্ঞতাই মোৰ জীৱনক বৈচিত্ৰ্য প্ৰদান কৰাই নহয় বৰং সমাজখনক, সময়ক নতুন দৃষ্টিৰে চোৱাৰ সুযোগো দিলে। সেয়েহে এই অভিজ্ঞতা মোৰ কাৰণে সদায়ে বিশেষ হৈ ৰ'ব। এতিয়া কাকতখনৰ সৈতে প্ৰত্যক্ষভাৱে সম্পৰ্কিত হৈ নাথাকিলেও আন সহস্ৰ জাতি, মাটি, মানুহপ্ৰেমী অসমীয়াৰ দৰে 'দৈনিক অসম' আমাৰ অন্তৰতে থাকিব আৰু কাকতখনৰ সকলো ধৰণৰ সাফল্যৰ প্ৰাৰ্থনাও আমি কৰি যাম। হীৰক জয়ন্তী পূৰ্ণ কৰি নিজৰ ঐতিহ্য আৰু গৰিমা অটুট ৰাখি নতুন বাটেৰে অগ্ৰসৰ হোৱাৰ এই গৌৰৱময় ক্ষণত কাকতখনৰ নতুন স্বত্বাধিকাৰী, পৰিচালন কৰ্তৃপক্ষ, সাংবাদিক, সংবাদকৰ্মী সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। শত বছৰ অতিক্ৰমী এই কাকতখনে অসমৰ সমাজ জীৱনৰ দৃঢ়তাৰে নেতৃত্ব দি যাব বুলিও গভীৰ বিশ্বাসেৰে আশা কৰিছোঁ।

## শিক্ষামূলক বাৰ্তাও প্ৰেৰণ

**১৪ পৃষ্ঠাৰ পৰা** দাপোণ হৈ উঠক। নিৰপেক্ষ স্থিতিৰে খবৰৰ সঠিক প্ৰচাৰত গুৰুত্ব দি পূৰ্বৰ গৰিমা অক্ষুণ্ণ ৰাখক। 'দৈনিক অসম'-এ ৰাইজৰ বিশ্বাস ৰাখিব পৰাকৈ খবৰৰ লগতে যুক্তিসম্পন্ন বিশ্লেষণ আৰু গঠনমূলক লেখাক অগ্ৰাধিকাৰ দিব। আমাৰ ভাষা- সাহিত্যৰ গৌৰৱময় ঐতিহ্যক 'দৈনিক অসম'-এ ধৰি ৰাখি উত্তৰ প্ৰজন্মৰ বাবে আদৰ্শ কাকত হোৱাটো আমি কামনা কৰোঁ। কাকতখনে সাহিত্যিক, শিক্ষানুৰাগী, গৱেষক আৰু যুৱপ্ৰজন্মক একে মঞ্চত আনি শিক্ষামূলক বাৰ্তাও প্ৰেৰণ কৰিব বুলি মই আশা কৰোঁ। ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ সমস্যাৰ পৰা উদ্যমী যুৱক-যুৱতীৰ সফলতাৰ কাহিনীলৈকে, ভৱিষ্যতৰ সম্ভাৱনাসমূহকো সামৰি গুৰুত্ব প্ৰদান কৰিব বুলি আশা কৰোঁ। কাকতখনৰ যি ডিজিটেল সংস্কৰণ পোৱা যায় তাক শক্তিশালী কৰিবৰ বাবে পঢ়ুৱৈসকলক বিনামূলীয়াকৈ অনলাইনত পঢ়িব পৰাৰ সেৱা আগবঢ়াব লাগে। অসমৰ বিভিন্ন প্ৰান্তৰ স্থানীয় বাতৰিক গুৰুত্ব দি নিয়মীয়াকৈ প্ৰকাশ কৰিলে কাকতখন ৰাইজৰ আৰু কাষলৈ যোৱাত সহায় কৰিব। সমাজক জাগ্ৰত কৰি নতুন প্ৰজন্মক দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাত কাকতখনৰ ভূমিকাই অসমক আগবঢ়াই নিয়াৰ লগতে 'দৈনিক অসম'ৰ আদৰ বঢ়াব বুলি মই দৃঢ়বিশ্বাসী।

## অহৰহ সাধনাৰে সমসাময়িক

**১৪ পৃষ্ঠাৰ পৰা** প্ৰতি যি অসামান্য অৱদান আগবঢ়াইছে সেয়া সাংবাদিকতাৰ ইতিহাসত সোণালী আখৰেৰে লিখা ৰৈছে। জাতীয় দুৰ্যোগৰ মুহূৰ্তত ভাষা, কৃষ্টি, জাতীয় জনমত আৰু স্বাভিমানক কাকতখনে যিদৰে আখৰেৰে তুলি ধৰিছে তাতো সাংবাদিকতাৰ সোপান জিলিকি উঠিছে। লগতে থলুৱা সৃষ্টিশীলতাকো আতোলতোল ৰূপত পৰিৱেশন কৰি ভাষা-সাহিত্যকো সমৃদ্ধ কৰিছে। আমি জানো— সামগ্ৰিকভাৱে বাতৰিৰ জগতখনলৈ এক স্খলন আহিছে। তাত দেখদেখকৈ আহিছে উত্তৰ সত্যতাৰ নৈৰাজ্য। অৰ্দ্ধ সত্য আৰু অসত্যৰো পয়োভৰ। আমাৰ একান্ত আশা— এনে স্খলনৰ পৰিৱেশতো এই কাকতখনে নিৰপেক্ষতা আৰু সত্যনিষ্ঠাৰ প্ৰকৃত সত্যাগ্ৰহীৰূপে বাট বুলি থাকিব। কঢ়িয়াই থাকিব জ্ঞান-বিজ্ঞান, পৰিৱেশ কলা-সাহিত্যৰ বাতৰি আৰু বিষয় নিৰ্ভৰ আলোচনাৰ পৰম্পৰা। আমাৰ আশা-ৰাজ্যখনৰ ভাষা-কৃষ্টি, বৈচিত্ৰ্যৰ অস্তিত্ব, সমন্বয় আৰু পৰিৱেশসন্মত সাৰ্বিক উন্নয়নক তুলি ধৰাৰ বুনিয়াদী স্বাৰ্থত আৰু ব্যক্তি আৰু সমূহৰ কল্যাণক সামৰি ল'ব পৰাৰ ভৰসাত তথ্য আৰু যুক্তিৰ খোপনিৰে কাকতখনে সন্মুখৰ বাট পোহৰাই যাব। হীৰক জয়ন্তীৰ প্ৰেৰণাৰে নতুন সাহ আৰু উদ্যমেৰে আগুৱাই যাবলৈ টঙালি বন্ধা কাকতখনক লৈ আমাৰ একান্ত ইচ্ছা— কাকতখনে অহৰহ সাধনাৰে সমসাময়িক বুৰঞ্জীৰ ভৰসাযোগ্য খচৰাৰূপে নিজকে প্ৰতিষ্ঠা কৰিব।

## 'দৈনিক অসম'ৰ নতুন যাত্ৰাৰ

**১৪ পৃষ্ঠাৰ পৰা** উপকৃত কৰি আহিছে। এই ধাৰাক অধিক শক্তিশালী কৰি তুলিব লাগিব। সন্মুখত অলেখ প্ৰত্যাহ্বান বিশেষকৈ পঢ়ুকৈ সমাজত অধ্যয়নৰ স্পৃহা দ্ৰুতগতিত হ্ৰাস পাবলৈ ধৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিনিৰ্ভৰ আধুনিক সভ্যতাই মানুহৰ বৌদ্ধিক চৰ্চা আৰু অনুশীলনৰ ক্ষেত্ৰখন সংকুচিত কৰিছে। প্ৰযুক্তিনিৰ্ভৰ আচৰণে মানুহৰ সৃজনীশীল শক্তিক দুৰ্বল কৰি তুলিছে। এনে পৰিপ্ৰেক্ষিতত মানুহ অধ্যয়ন বিমুখ হৈছে। এই ক্ষেত্ৰত ছপা মাধ্যম অধিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এনে প্ৰত্যাহ্বানক নেওচি কেনেকৈ সফলতাৰ দিশলৈ আগবাঢ়ি যাব পাৰি তাৰ বাবে চিন্তা আৰু সুনিৰ্দিষ্ট পৰিকল্পনাৰো আৱশ্যক হ'ব। নতুন প্ৰজন্মক এই বাৰ্তাও দিব লাগিব— অধ্যয়ন আৰু বৌদ্ধিক উত্তৰণ অবিহনে কোনো ব্যক্তি বা সমাজৰ বিকাশ সম্ভৱ নহয়। ভোগৰ সকলো উপাদান আহৰণ কৰাটোৱেই জীৱনৰ সফলতা নহয়। এই বাৰ্তাও 'দৈনিক অসম'ৰ নতুন যাত্ৰাই কঢ়িয়াব লাগিব। মই ব্যক্তিগতভাৱে বিশ্বাস কৰোঁ— বাতৰি কাকতৰ পৃষ্ঠাত অপৰাধ বা নৃশংসতাৰ বাতৰিবোৰে শিৰোনাম দখল কৰাৰ পৰিৱৰ্তে অপৰাধৰ শাস্তিৰ বাতৰিবোৰেহে ঠাই পাব লাগে। এই দৃষ্টিভংগী সংবাদ মাধ্যমে বহন কৰিলে সামাজিক অৱক্ষয় প্ৰতিৰোধত সহায়ক হ'ব। 'দৈনিক অসম'ৰ নতুন যাত্ৰা সফল হওক, তাৰেই আশা পোষণ কৰিলোঁ।

### ষ্টেচনসমূহত যাত্ৰীক পৰ্যাপ্ত সুবিধা প্ৰদানৰ দাবী

# ৰাজ্যজুৰি অসম ৰে'ল যাত্ৰী সন্থাৰ প্ৰতিবাদ

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ ৰে'ল ষ্টেচনসমূহত যাত্ৰীৰ বাবে পৰ্যাপ্ত সুবিধা প্ৰদানৰ দাবীত আজি ৰাজ্যৰ বিভিন্ন ৰে'ল ষ্টেচনত 'ৰে'ল কি বাত' শীৰ্ষক এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে অসম ৰে'ল যাত্ৰী সন্থাই। ৰাজ্যৰ গুৱাহাটী, কামাখ্যা, মাৰ্ঘেৰিটা, শিৱসাগৰ, যোৰহাট, ডুমডুমা, ধেমাজি, উত্তৰ কাঠনি, ৰঙাপাৰা, ডেকাৰগাঁও, বিজনী, বঙাইগাঁও, সৰভোগ, সৰুপেটা, টিহু, ৰঙিয়া, চিয়াজুলি, মৰাণহাট, হাইলাকান্দি, গোৱালপাৰা, ধুবুৰী, বৰপেটাৰোড, পাঠশালা, নলবাৰী, কেন্দুকোণা, গহপুৰ, সাপটগ্ৰাম, ফকিৰাগ্ৰাম আদি ৰে'ল ষ্টেচনত অনুষ্ঠিত হয় এই প্ৰতিবাদী কাৰ্যসূচী। প্ৰতিবাদী কাৰ্যসূচী সন্দৰ্ভত অসম ৰে'ল যাত্ৰী সন্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই তেওঁলোকৰ দাবী সন্দৰ্ভত কয় যে ৰে'ল ষ্টেচনৰ বাহিৰৰ মুখ্য দুৱাৰৰ নান্দনিক সৌন্দৰ্যবৰ্ধনত গুৰুত্ব দিয়াৰ উপৰি প্লেটফৰ্মৰ সংখ্যা বৃদ্ধি কৰা, ৰ'দ-বৰষুণৰ পৰা ৰক্ষা পাবলৈ পূৰ্ণ দৈৰ্ঘ্যৰ চালিৰ ব্যৱস্থা কৰা, সকলোবোৰ প্লেটফৰ্মতে শৌচাগাৰ-প্ৰস্ৰাৱগাৰ, খোৱা পানী, দুয়োমূৰ খোলা থকা উৰণসেতু, ৰেম্প এস্কেলেটৰ আদিৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি গুৰুত্বপূৰ্ণ ষ্টেচন, জংচনত অতিৰিক্ত লাইন তথা প্লেটফৰ্ম নিৰ্মাণ কৰি ট্ৰেইন ৰ'ব পৰা ক্ষমতা বৃদ্ধি কৰা, প্ৰয়োজনীয় ষ্টপেজৰ ব্যৱস্থা কৰা, পেছেঞ্জাৰ ট্ৰেইনৰ নিৰ্ধাৰিত ডবা বৃদ্ধি কৰি এনে সমস্যাসমূহ অতি শীঘ্ৰে নিষ্পত্তি কৰি অসমৰ জনসাধাৰণৰ বাবে উন্নত মানৰ ৰে'ল সেৱাৰ ব্যৱস্থা কৰিবলৈ এই প্ৰতিবাদৰ অন্তত মুখ্যমন্ত্ৰী আৰু ডিভিজনেল ৰে'লৰে মেনেজাৰলৈ এখন বিভিন্ন দাবীসম্বলিত স্মাৰক-পত্ৰ প্ৰদান কৰে সংগঠনটোৱে।



ষ্টেচনসমূহত যাত্ৰীক পৰ্যাপ্ত সুবিধা প্ৰদানৰ দাবীৰে সৰুপেটাত ৰে'ল যাত্ৰীৰ প্ৰতিবাদ, বৃহস্পতিবাৰে

## ডিব্ৰুগড়ত যুৱ ব্যৱসায়ী সন্ধানহীন

**দৈনিক অসমৰ প্ৰতিনিধি,**
**ডিব্ৰুগড়, ১৮ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ এজন যুৱক ৰহস্যজনকভাৱে নিৰুদ্দেশ হোৱাৰ খবৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে। ডিব্ৰুগড় মহানগৰৰ উপকণ্ঠ মানকটা টেপৰ গাঁৱৰ চন্দন নগৰৰ বিতুপন বাউলাৰী নামৰ যুৱ ব্যৱসায়ীজন সোমবাৰৰ নিশাৰ পৰা সন্ধানহীন হৈ আছে। ঘটনা সন্দৰ্ভত যুৱ ব্যৱসায়ীজনৰ পৰিয়ালে স্থানীয় মিলন নগৰ আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে যদিও এইপৰ্যন্ত যুৱকজনৰ সন্ধান লাভ কৰিবলৈ সমৰ্থ হোৱা নাই। মানকটা টেপৰ গাঁৱৰ দুৰ্গা বাউলাৰীৰ পুত্ৰ বিতুপন বাউলাৰীয়ে সোমবাৰে নিশা কামত ব্যস্ত থকা বুলি পৰিয়ালক ফোন কৰি জনাইছিল। কিন্তু পৰৱৰ্তী সময়ত পৰিয়ালৰ লোকে যোগাযোগ কৰিবলৈ চেষ্টা কৰাত বিতুপনে ফোন ৰিচিভ কৰা নাছিল। সম্প্ৰতি বিতুপনক বিচাৰি আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে। ইফালে, ইয়াৰ মাজতে আৰক্ষীয়ে বিতুপন বাউলাৰীৰ মটৰচাইকেলখন বগীবিল দলঙৰ পৰা উদ্ধাৰ কৰে।

## পাঠকৰ নিকটে

**১৪ পৃষ্ঠাৰ পৰা** পাঠকসমাজক নান্দনিক সুখৰ যোগান ধৰিবলৈ দৃঢ় পৰিকৰ। 'দৈনিক অসম' কাকতে আগন্তুক বছৰসমূহতো পাঠকৰ সৈতে সংযোগসূত্ৰ ৰক্ষাৰ গোপন মন্ত্ৰ নিৰন্তৰে জপ কৰক। 'আছাম ট্ৰিবিউন' গোষ্ঠীৰ আশাশুধীয়া প্ৰচেষ্টাত 'দৈনিক অসম' কাকত পাঠকৰ নিকটে ৰওক। অলেখ পংকিলতা নাশি প্ৰতিবিম্বিত হওক নৱপ্ৰভাতৰ সেন্দুৰীয়া বেলি; যি বেলিৰ পোহৰে পহিলাতে আশা কৰা ধৰণেৰেই 'দৈনিক অসম'ক প্ৰাণ দিব, প্ৰেৰণা দিব, দিব গতিপথৰ নতুন আৰু চিকুণ সংকেত।

## সমাজৰ দাপোণ

**১৪ পৃষ্ঠাৰ পৰা** দুৰ্বলীক দমন কৰাৰ চেষ্টা কৰিছে। এইক্ষেত্ৰত সংবাদ-পত্ৰৰ দায়বদ্ধতা সৰ্বাধিক। দুৰ্বলীৰ কণ্ঠ হৈ থিয় নহ'লে সংবাদ-পত্ৰক জনসাধাৰণে কাহানিও বিবেক বুলি গণ্য নকৰিব। আনহাতে, নতুন প্ৰজন্মক সু-পৰিকল্পিতভাৱে আগবঢ়াই নিয়াৰ গধুৰ দায়িত্বও সংবাদ-পত্ৰসমূহৰে।

আমি আন্তৰিকতাৰে আশা কৰোঁ, সংবাদ-পত্ৰই যুগ যুগ ধৰি কিছুমান বিবেকৱান মানুহৰ কষ্টোপাৰ্জিত নিৰলস প্ৰচেষ্টাৰ ফলত আজিৰ এই ঈৰ্ষণীয় স্থানত উপনীত হৈছে। ই উপাৰ্জিত হৈছে জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ ভেটিত। বহু সাংবাদিকৰ ত্যাগৰ ফলত সমাজৰ দাপোণৰূপে সংবাদ-পত্ৰই আত্মপ্ৰকাশ কৰিছে। এখন ৰুচিশীল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত অনাগত দিনত নিশ্চিতভাৱে 'দৈনিক অসম'-এ ইতিবাচক ভূমিকা গ্ৰহণ কৰিব আৰু পূৰ্বৰ দৰে উন্নতশিৰে সমাজৰ শক্তিশালী স্তম্ভৰূপে থিয় হৈ থাকিব। সানন্দে আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

### যোৰহাটৰ নিৰোদ চাংকাকতি ন্যাসৰ প্ৰশংসনীয় পদক্ষেপ

# এক লাখ শিক্ষাৰ্থীৰ মাজত বিনামূলীয়াকৈ গ্ৰন্থ বিতৰণ

**দৈনিক অসমৰ প্ৰতিনিধি**
**পুলিবৰ (যোৰহাট), ১৮ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ গ্ৰন্থবৰ্ষ ২০২৫ৰ সৈতে সংগতি ৰাখি শিক্ষানুষ্ঠানসমূহত এক ইতিবাচক পৰিৱেশ সৃষ্টি, সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত অধ্যয়নস্পৃহা বৃদ্ধি তথা শিক্ষাৰ্থীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ সাজু কৰি তোলাৰ লক্ষ্যৰে যোৰহাটৰ নিৰোদ চাংকাকতি ন্যাসে গ্ৰহণ কৰিছে এক প্ৰশংসনীয় আৰু আদৰণীয় পদক্ষেপ। যোৰহাট জিলাৰ এক লাখ শিক্ষাৰ্থীক বিনামূলীয়াকৈ গ্ৰন্থ বিতৰণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে নিৰোদ চাংকাকতি ন্যাসে। উল্লেখ্য যে ন্যাসৰ মুখ্য ন্যাসৰক্ষী, যোৰহাটৰ বিশিষ্ট গ্ৰন্থ ব্যৱসায়ী তথা প্ৰকাশক নিৰোদ চাংকাকতিয়ে 'বেজবৰুৱাৰ বাখৰ আৰু কামত কৃতিত্ব লাভৰ সংকেত' নামৰ গ্ৰন্থখন এক লাখ কপি প্ৰকাশ কৰি বিদ্যালয়সমূহত বিতৰণৰ ব্যৱস্থা কৰিছে। এই ন্যাসে ইতিমধ্যে যোৰহাটৰ তিনিকুৰিৰো অধিক বিদ্যালয়ত বিনামূলীয়াকৈ অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষাত প্ৰকাশিত বিভিন্ন আলোচনী, বাতৰি কাকত বিতৰণ কৰি শিক্ষাৰ্থীসকলৰ মানসিক উৎকৰ্ষ সাধনৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত ন্যাসৰক্ষী নিৰোদ চাংকাকতিয়ে কয়— ইতিবাচক পৰিৱেশ নহ'লে কোনো কাম সিদ্ধি নহয়। নিৰোদ চাংকাকতি ন্যাসে ঘৰখনত, সমাজত, শিক্ষানুষ্ঠানত এক ইতিবাচক পৰিৱেশ সৃষ্টি কৰিবৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে। লগতে তেওঁ কয়— মানৱ সম্পদ তৈয়াৰ কৰাটো আমাৰ সকলোৰে লক্ষ্য হ'ব লাগে। মানৱ সম্পদ অবিহনে এখন সমাজৰ উন্নয়নৰ গতি কোনোদিনেই ত্বৰান্বিত নহয়। নৱপ্ৰজন্মৰ বাবে আমিয়েই এখন উপযুক্ত সমাজ গঢ়ি থৈ যাব লাগিব। সেয়ে আমি যোগাত্মক চিন্তাৰে আগবাঢ়ি যাব লাগিব। উল্লেখ্য যে এই ন্যাসে যোৱা জানুৱাৰী মাহৰ পৰাই যোৰহাট শিশু পৰ্যবেক্ষণ গৃহৰ উপৰি বিভিন্ন বিদ্যালয়ত বিনামূলীয়াকৈ আলোচনী যোগান ধৰি আহিছে। তদুপৰি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ শততম জন্মদিন উপলক্ষেও এই ন্যাসে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। ন্যাসে ১১ ছেপ্টেম্বৰত যোৰহাট চৰকাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত ৮০০ গ্ৰন্থ, যোৰহাট উকীল সন্থাত ২০০ গ্ৰন্থ বিতৰণ কৰে। তদুপৰি ৮ ছেপ্টেম্বৰত বড়িগাঁও প্লাবিক মধ্য ইংৰাজী বিদ্যালয়, ১০ ছেপ্টেম্বৰত ৪ নং বাৰ্ড প্ৰাথমিক বিদ্যালয়তো গ্ৰন্থ বিতৰণ কৰে। আনহাতে যোৰহাট মহাবিদ্যালয়, দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়, চিনামৰা জাতীয় বিদ্যালয়, কৰঙা গাৰ্লছ আদিকে ধৰি বিভিন্ন বিদ্যালয়ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে গ্ৰন্থ বিতৰণ কৰিছে। আনহাতেচ যোৱা ১৭ ছেপ্টেম্বৰত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ শততম জন্ম দিৱসৰ সৈতে সংগতি ৰাখি যোৰহাট নেহৰু পাৰ্কত অনুষ্ঠিত 'প্ৰণামো সংগীতসূৰ্য' অনুষ্ঠানৰ সৈতে সংগতি ৰাখি গ্ৰন্থ বিতৰণ কাৰ্যসূচী গ্ৰহণ কৰিছিল। উল্লেখ্য যে যোৱা ১০ জুনত ৰাজ্যৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি হকাৰসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰা নিৰোদ চাংকাকতিয়ে দৈনিক দুখনকৈ বিদ্যালয়ত গ্ৰন্থ বিতৰণ কৰিব বুলি জনাইছে। নিৰোদ চাংকাকতিৰ সামাজিক কৰ্মৰ স্বীকৃতিস্বৰূপে যোৰহাটৰ স্বেচ্ছাসেৱী সংগঠন 'প্ৰতীতি'য়ে তেওঁলৈ 'বৰেণ্য ব্যক্তিত্ব' বঁটা-২০২৫ আগবঢ়াইছে। অহা ১২ অক্টোবৰত এই বঁটা প্ৰদান কৰিব। 'দৈনিক অসম'ৰ নতুন যাত্ৰালৈও শুভেচ্ছা জনালে নিৰোদ চাংকাকতিয়ে দৈনিক বাতৰি কাকত তথা বিভিন্ন আলোচনীৰ উজনি অসমৰ অন্যতম বিতৰক 'চাংকাকতি বুকছ এণ্ড পাব্লিকেচন'ৰ স্বত্বাধিকাৰী নিৰোদ চাংকাকতিয়ে দৈনিক অসমৰ নতুন যাত্ৰালৈ শুভেচ্ছা জ্ঞাপন কৰি কয়— দৈনিক অসম অসমৰ জাতীয় সম্পদ। ন-ৰূপত প্ৰকাশ পাব লগা কাকতখনে পাঠকৰ অন্তৰ স্পৰ্শ কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰিছোঁ।

## বিশ্বনাথত পুখুৰীত পৰি শিশুৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**
**বিশ্বনাথ চাৰিআলি, ১৮ ছেপ্টেম্বৰ ঃ** বিশ্বকৰ্মা পূজাৰ দিনাই বিশ্বনাথৰ জপৌবাৰীত পুখুৰীত পৰি আঢ়ৈ বছৰীয়া শিশুৰ মৃত্যু ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলায়। জানিবপৰা মতে শিশুটো ঘৰত বায়েকৰ লগত থৈ পিতৃ গৈছিল বিশ্বকৰ্মা পূজা চাবলৈ আৰু মাতৃ গৈছিল ওচৰৰে কীৰ্তন পাঠলৈ। বায়েকৰ লগতে ঘৰৰ চোতালতে খেলি আছিল শিশুটোৱে। হাতত এটা জলকীয়া লৈ খেলা বাবে বায়েকে জলকীয়াটো শিশুটোৰ হাতৰ পৰা আঁতৰাই তাক অকলে এৰি নিজৰ ব্যক্তিগত কাম কৰিবৰ বাবে ভিতৰলৈ যায়। দুই মিনিট পিছত শিশুটোৰ গম-গতি নোপোৱাত বায়েক ভিতৰৰ পৰা বাহিৰলৈ আহি শিশুটোক বিচাৰিবলৈ আৰম্ভ কৰে আৰু লগে লগে হুৱা-দুৱা লাগে। পৰিয়ালৰ লোক ঘৰত উপস্থিত হৈ বিশ্বনাথ আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে অভিযান চলাই ঘৰৰ চৌহদৰ ভিতৰতে থকা পুখুৰীৰ পৰা উদ্ধাৰ কৰে দেৱ শিশুটোৰ মৃতদেহ। মৃত্যু হোৱা শিশুটো হৈছে নবিন নিৰলাৰ পুত্ৰ মিৰ্নাছ নিৰলা।

## বজালীৰ ছাত্ৰ নেতাৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**
**পাঠশালা, ১৮ ছেপ্টেম্বৰ ঃ** বজালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, আছু নেতা বিদ্যুৎ চৌধুৰীৰ আকস্মিক বিয়োগত সমগ্ৰ বজালী অঞ্চলত শোকৰ ছাঁ পৰিছে। ২০০৪-০৫ বৰ্ষত বজালী মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হোৱাৰ উপৰি পাঠশালা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। অকল সেয়াই নহয়, বজালীৰ বিভিন্ন সামাজিক সংগঠনৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত আছিল চৌধুৰী। বজালীৰ ভালাগুৰি নিৱাসী বিদ্যুৎ জটিল ৰোগত আক্ৰান্ত হৈ আছিল; অৱশেষত কালি শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুত বজালী ছাত্ৰ সন্থাই গভীৰ শোক প্ৰকাশ কৰে।

## কলিয়াবৰত দুৰ্ঘটনা, নিহত ২

**দৈনিক অসমৰ প্ৰতিনিধি**
**কলিয়াবৰ, ১৮ ছেপ্টেম্বৰ ঃ** বিশ্বকৰ্মা পূজাৰ আনন্দ-উল্লাসৰ মাজতে কালি নিশা কলিয়াবৰত প্ৰাণ হেৰুৱালে দুগৰাকী বাইক আৰোহীয়ে। উলুবনি আৰক্ষী থানা এলেকাধীন ভোমোৰাগুৰিত সংঘটিত হৈছে এই কৰুণ ঘটনা। জানিব পৰা মতে, দুখন বাইকৰ মুখামুখি সংঘৰ্ষত প্ৰাণ হেৰুৱায় দুই বাইক আৰোহীয়ে। নিহত যুৱক দুজন হ'ল সাধন দাস (আৰিমৰা), ৰামু নমো দাস (হাতীয়েখোৱা)।

# খেলপথাৰ

## আন্তঃক্লাব মহিলা ফুটবল

**দৈনিক অসমৰ প্ৰতিনিধি**
**বান্দৰদেৱা, ১৮ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ৰেইনব' ক্ৰীড়া সন্থা আৰু এম ডি এফ চি, হাৰমতীৰ সহযোগত হাৰমতী চাহ বাগিচা খেলপথাৰত অনুষ্ঠিত তৃতীয় বাৰ্ষিক লখিমপুৰ জিলা আন্তঃক্লাব মহিলা ফুটবল লীগৰ আজিৰ প্ৰথমখন ছেমি ফাইনেল নিৰ্দ্ধাৰিত সময়ত গ'লশূন্যভাৱে সমাপ্ত হোৱাত টাইব্ৰেকাৰত এম ডি এফ চি (বি)য়ে লখিমপুৰ বালিকা মহাবিদ্যালয় ফুটবল দলক ৩-১ গ'লত পৰাস্ত কৰি ফাইনেলত উপনীত হয়।

## ৰাজ্যিক ভিত্তিত দিবা-নৈশ ফুটবল

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**
**ওদালগুৰি, ১৮ ছেপ্টেম্বৰ ঃ** অহা ১০, ১১ আৰু ১২ অক্টোবৰত তিনিদিনীয়াকৈ জোনজ্যোতি প্ৰগতি সংঘৰ উদ্যোগত দৰঙৰ ঘিলাকুৰি খেলপথাৰত ত্ৰয়োদশ বাৰ্ষিক দিবা-নৈশ ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উদ্যোক্তাসকলে জনোৱা অনুসৰি ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰাৰ বাবে ইচ্ছুক দলসমূহে ৭ অক্টোবৰৰ পূৰ্বে ৯৫৩১১৭৩৭৯১, ৯৩৯৪৭৫০৩০৪, ৯৩৬৫০০৪৫৫৯ নম্বৰত ফোন কৰি যোগদান নিশ্চিত কৰিব পাৰিব।

# বেয়াৰ্ন মিউনিখ, পি এছ জি, লিভাৰপুলৰ জয়

**■ চেম্পিয়নছ লীগ ■**

**মিউনিখ, ১৮ ছেপ্টেম্বৰ ঃ** দৰ্শনীয় জয়েৰে চেম্পিয়নছ লীগৰ অভিযান আৰম্ভ কৰিলে বেয়াৰ্ন মিউনিখে। চেলছীৰ বিৰুদ্ধে বুধবাৰে অনুষ্ঠিত খেলত বেয়াৰ্ন মিউনিখ জয়ী হয় ৩-১ গ'লৰ ব্যৱধানত। বেয়াৰ্ন মিউনিখৰ জয়ত দুটাকৈ গ'লেৰে জিলিকিল হেৰী কেন। ইংলেণ্ডৰ তাৰকা খেলুৱৈ হেৰী কেনে ২৭ আৰু ৬৩ মিনিটত গ'ল দুটা দিয়ে। চেলছীৰ এটা আত্মঘাতী গ'লো হয়। চেলছীৰ হৈ একমাত্ৰ গ'লটো দিয়ে ক'ল পালমাৰে। আনহাতে, ডিফেণ্ডিং চেম্পিয়ন পেৰিছ ছেইণ্ট জাৰ্মেইনেও দুৰ্দান্ত জয়েৰে চেম্পিয়নছ লীগৰ অভিযান আৰম্ভ কৰিলে। পাৰ্ক ডে প্ৰিমেছত অনুষ্ঠিত খেলত পি এছ জিয়ে আটলাণ্টাক ৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আটলাণ্টাৰ বিৰুদ্ধে দমনীয় খেল প্ৰদৰ্শনেৰে পি এছ জিৰ হৈ অধিনায়ক মাৰকিনহোছ, কাভিছা ভাৰাছখেলিয়া নুনো মেণ্ডেছ আৰু পৰিৱৰ্ত খেলুৱৈ গণচালো ৰামোছে গ'ল দিয়ে। ইফালে, লিভাৰপুলেও শ্বাসৰুদ্ধকৰ জয়েৰে অভিযান আৰম্ভ কৰিলে। বুধবাৰে এনফিল্ডত অনুষ্ঠিত খেলত লিভাৰপুলে এটলেটিকো মাদ্ৰিডক ৩-২ গ'লত পৰাস্ত কৰে।

### জুৱেল ষ্টাৰক হৰুৱালে নাৰেংগী ৰয়েল এফ চিয়ে

# জি এছ এ 'চি' ডিভিজনৰ ফাইনেলত নাৰেংগী স্প'ৰ্টিং ক্লাব

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** নাৰেংগী স্প'ৰ্টিং ক্লাবে নেহৰু ষ্টেডিয়ামত চলি থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ 'চি' ডিভিজন ফুটবল লীগৰ ফাইনেলত উপনীত হৈছে। আজি বিয়লি ষ্টেডিয়ামৰ ২ নম্বৰ গ্ৰাউণ্ডত অনুষ্ঠিত লীগৰ প্ৰথমখন ছেমি ফাইনেলত নাৰেংগী স্প'ৰ্টিং ক্লাবে গ্ৰীনফিল্ড এফ চিক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। নাৰেংগী স্প'ৰ্টিঙৰ হৈ এপল মুছাহাৰীয়ে দুটা (৪২, ৮৮ মিঃ) আৰু দিগন্ত বড়োৱে (৩ মিঃ) এটা গ'ল দিয়ে। গ্ৰীনফিল্ডৰ মালছামকিমা গাছুৱাউৱে (৫০ মিঃ) এটা গ'ল পৰিশোধ কৰে। বিজয়ী দলৰ এপল মুছাহাৰীয়ে মেচৰ শ্ৰেষ্ঠ খেলুৱৈৰ ট্ৰফী লাভ কৰে। কাইলৈ লীগৰ আনখন ছেমিত নিউষ্টাৰ ক্লাবে প্ৰাগজ্যোতিষপুৰ এফ চিৰ মুখামুখি হ'ব। ইফালে, 'বি' ডিভিজনৰ আজি অনুষ্ঠিত 'ৰেলিগেচন' মেচত নাৰেংগী ৰয়েল এফ চিয়ে জুৱেল ষ্টাৰ ক্লাবক ৩-১ গ'লত পৰাস্ত কৰে। বিজয়ী দলৰ হৈ বীৰদাও বসুমতাৰীয়ে দুটা (২১, ৮৩ মিঃ) আৰু লালেন্দ্ৰ ব্ৰহ্মই (১৯ মিঃ) এটা গ'ল দিয়ে। জুৱেল ষ্টাৰৰ হৈ ৰ'হেনে (১০ মিঃ) এটা গ'ল পৰিশোধ কৰে। বীৰদাও বসুমতাৰীয়ে মেচৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান পায়। কাইলৈ ৯১ য়াৰ্ডছ ক্লাবে স্প'ৰ্টিং ইউনাইটেড এফ চিৰ বিৰুদ্ধে খেলিব।

## উমাকান্ত ঠাকুৰীয়া সোঁৱৰণী ফুটবল

**দৈনিক অসমৰ প্ৰতিনিধি**
**পলাশবাৰী, ১৮ ছেপ্টেম্বৰ ঃ** পলাশবাৰীৰ ৰেঙণি সংঘৰ উদ্যোগত ৰামপুৰ উচ্চতৰ মাধ্যমিক খেলপথাৰত চতুৰ্থ বাৰ্ষিক উমাকান্ত ঠাকুৰীয়া সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত বেংগালুৰু এফ চিয়ে সোণাপুৰ স্প'ৰ্টছ ক্লাব (নলবাৰী) দলক ৬-১ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আনহাতে, কালি বৰতেজপুৰ অগ্ৰগামী পুথিভঁৰাল ফুটবল দল আৰু অন্তৰীপ পুথিভঁৰাল ৰামপুৰৰ মাজত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত টাইব্ৰেকাৰৰ সহায়ত অগ্ৰগামী পুথিভঁৰাল জয়ী হয়। ২৩ ছেপ্টেম্বৰত বেংগালুৰু এফ চি আৰু অগ্ৰগামী পুথিভঁৰাল বৰতেজপুৰৰ মাজত ফাইনেল অনুষ্ঠিত হ'ব।

## ফাইনেলত মুকালমুৱা আঞ্চলিক ক্ৰীড়া সংঘ

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**
**নলবাৰী, ১৮ ছেপ্টেম্বৰ ঃ** নৱজ্যোতি সংঘ, বড়িদতৰাৰ উদ্যোগত চতুৰ্দশ বাৰ্ষিক প্ৰয়াত হৰিমল ডেকা আৰু ডাঃ চিৰাজউদ্দিন আহমেদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন ছেমি ফাইনেল মুকালমুৱা আঞ্চলিক ক্ৰীড়া সংঘ আৰু বঙাইগাঁও এফ চিৰ মাজত অনুষ্ঠিত হয়। তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলখন নিৰ্দ্ধাৰিত সময়ত ২-২ গ'লত অমীমাংসিতভাৱে সমাপ্ত হোৱাত টাইব্ৰেকাৰৰ সহায়ত মুকালমুৱা আঞ্চলিক ক্ৰীড়া সংঘই বঙাইগাঁও এফ চিক ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ সন্ধিয়া ছয়গাঁও এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব মুকালমুৱা আঞ্চলিক ক্ৰীড়া সংঘ।

### প্ৰথম ইণ্ডিয়া ক্লাব-আই টি এফ মাষ্টাৰ্ছ টেনিছ

# ফাইনেলত টুটু থাপা-প্ৰাচুৰ্য বৰা

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** ইণ্ডিয়া ক্লাব ক'ৰ্টত চলি থকা প্ৰথম ইণ্ডিয়া ক্লাব-আই টি এফ মাষ্টাৰ্ছ ট্যুৰ ১০০ টেনিছ টুৰ্নামেণ্টৰ আজি চতুৰ্থ দিনা অনুষ্ঠিত পুৰুষৰ ৩৫ বছৰ ঊৰ্দ্ধৰ ছিংগল্‌ছৰ ছেমি ফাইনেলত টুটু থাপাই ৰাহুল বুঢ়াগোহাঁইক ৬-২, ৬-১ আৰু প্ৰাচুৰ্য বৰাই অসীমজ্যোতি দত্তক ৬-৪, ২-৬ (১০-৬)ত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। পুৰুষৰ ৪০ বছৰ ঊৰ্দ্ধৰ ছেমিত প্ৰিয়ানুজ দত্ত লহকৰে শিৱ কুমাৰ প্ৰজাপতিক ৬-৩, ১-৪ (অৱসৃত); ৰূপজিৎ ভৰালীয়ে নীতেশ আগৰৱালাক ৬-০, ৬-১; পুৰুষৰ ৪৫ বছৰ ঊৰ্দ্ধৰ ছেমিত দিলীপ মহান্তিয়ে অনুপম চৌধুৰীক ৪-০, ৪-০; অৰ্জুন চিতালেই নীতিন অৰৱিন্দ টণ্ডনক ৪-০, ৪-০; পুৰুষৰ ৪৫ বছৰ ঊৰ্দ্ধৰ ডবল্‌ছৰ ছেমিত আশিস আগৰৱাল আৰু দিলীপ মহান্তিয়ে অনুপম চৌধুৰী-অজিত সিং যুটীক ৪-০, ৪-০ আৰু অৰ্জুন চিতালে আৰু নীতিন অৰৱিন্দ টণ্ডনে অশোক বাবু প্ৰতিবান্দলা-অখিলেশ সিং যুটীক ৪-১, ৪-২; পুৰুষৰ ৫০ বছৰ ঊৰ্দ্ধৰ ছিংগল্‌ছৰ ছেমিত শ্বাহনৱাজ জাফৰে শান্তনু চৌধুৰীক ৬-১, ৬-৩ আৰু চাৰুদত্ত অ'জাৰকাৰে ৰাজীৱ কুমাৰ বৰাক ৬-৪, ৬-০; মহিলাৰ ৩৫ বছৰ ঊৰ্দ্ধৰ ছেমিত ৰাণী কৌৰ মাৰৱাই ৰূপৰেখা বৰা আমচিক ৪-১, ৪-১ আৰু নেইনা মিট্টালে কস্তুৰী বৰুৱাক ৪-০, ৪-২ত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। প্ৰতিযোগিতাখনত ৮৮ বছৰ ঊৰ্দ্ধত বি কে সোণোৱাল আৰু নগালেণ্ডৰ টেৰেছল' টাহেই প্ৰতিদ্বন্দ্বিতা কৰে।

## অনন্ত কুমাৰ দাস ফুটবল

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**
**নগাঁও, ১৮ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ অনন্ত কুমাৰ দাস সোঁৱৰণী চতুৰ্থ ডিভিজন ফুটবল প্ৰতিযোগিতাত নতুনকৈ দুটা দলৰ অন্তৰ্ভুক্তিৰ বাবে আজিৰেপৰা পাঁচ দলীয় কোৱালিফায়িং ৰাউণ্ডৰ প্ৰতিযোগিতা আৰম্ভ হৈছে। আজি অনুষ্ঠিত দুখন খেলৰ এখনত কাজিৰঙা গ্ৰীন ফুটবল ক্লাবে ছুপাৰনভা স্প'ৰ্টছ ক্লাবক ৪-১ গ'লত পৰাস্ত কৰে। আনহাতে, ২ নং গ্ৰাউণ্ডত অনুষ্ঠিত আনখন খেলত নৰম অসম আৰক্ষী বাহিনী, বঢ়মপুৰ দলে শংকৰ গোষ্ঠীক ৭-১ গ'লত পৰাস্ত কৰি লীগৰ পইণ্ট অৰ্জন কৰে।

## মুকালমুৱা টাউন ক্লাব ছেমিত

**দৈনিক অসমৰ প্ৰতিনিধি**
**টিহু, ১৮ ছেপ্টেম্বৰ ঃ** মাখিবাহা ক্ৰীড়া সংঘৰ উদ্যোগত মাখিবাহা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত ৫৭সংখ্যক তৰুণ দত্ত আৰু সতীশ হালৈ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত মুকালমুৱা টাউন ক্লাবে বৰবৰী ফুটবল ক্লাবক ৯-৮ গ'লত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। নিৰ্দ্ধাৰিত সময়ত খেলখন ৪-৪ গ'লত অমীমাংসিত হোৱাত ৰেফাৰীয়ে টাইব্ৰেকাৰৰ সহায় লয়।

### 'বি' ডিভিজন ফুটবল

## ৰাজাগড় চেম্পিয়ন

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**
**ওদালগুৰি, ১৮ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত 'বি' ডিভিজন আন্তঃক্লাব ফুটবলত ৰাজাগড় থাংচিনা ক্লাবে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। ডিমাকুছিৰ জেমছ বেংগা খেলপথাৰত আজি অনুষ্ঠিত চূড়ান্ত খেলত ৰাজাগড় থাংচিনা ক্লাবে বাৰাংগাবাৰী বিৰখাংকুছি ক্লাবক ৫-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। নিৰ্দ্ধাৰিত সময়ত খেলখন ১-১ গ'লত অমীমাংসিত হোৱাত টাইব্ৰেকাৰত ফলাফল নিৰ্ণয় কৰা হয়।

## চক্ৰধৰ ডেকা ফুটবল

## ফাইনেলত শ্বিলং লাজং

দৈনিক অসমৰ প্ৰতিনিধি

**মুকালমুৱা, ১৮ ছেপ্টেম্বৰ ঃ** ত্ৰয়োদশ চক্ৰধৰ ডেকা সোঁৱৰণী ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে শ্বিলং লাজঙে। দেশভক্ত ময়দান মুকালমুৱাত অনুষ্ঠিত প্ৰতিযোগিতাৰ আজিৰ উত্তেজনাপূৰ্ণ ছেমি ফাইনেলত টাইব্ৰেকাৰৰ সহায়ত ক্লাছিক ফুটবল একাডেমীক ৫-৩ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে শ্বিলং লাজং ফুটবল দলে। নিৰ্দ্ধাৰিত সময়ত খেলখন অমীমাংসিত হোৱাত টাইব্ৰেকাৰৰ সহায় লোৱা হয়। টাইব্ৰেকাৰত শ্বিলং লাজঙে সামগ্ৰিকভাৱে ৫-৩ গ'লত জয়ী হৈ প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

### বিশ্ব এথলেটিক্‌ছ চেম্পিয়নশ্বিপ ■ চতুৰ্থত ভাৰতৰ শচীন যাদৱ

# নীৰজ চোপ্ৰাৰ স্বপ্নভংগ



**টকিঅ', ১৮ ছেপ্টেম্বৰ ঃ** বিশ্ব এথলেটিক্‌ছ চেম্পিয়নশ্বিপত স্বপ্নভংগ হ'ল ভাৰতীয় জেভেলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাৰ। আজি টকিঅ'ৰ নেচনেল ষ্টেডিয়ামত অনুষ্ঠিত জেভেলিন থ্ৰ'ৰ ফাইনেলত তাৰকা এথলেটগৰাকীয়ে অষ্টম স্থানত ক্ষান্ত থাকিবলগীয়া হয়। ডিফেণ্ডিং চেম্পিয়নগৰাকী হতাশাজনক প্ৰদৰ্শনেৰে ফাইনেলৰ পঞ্চম ৰাউণ্ডত বাহিৰ হ'বলগীয়া হয়। নিজৰ দ্বিতীয়টো থ্ৰ'ত নীৰজ চোপ্ৰাই ৮৪.০৩ মিটাৰেৰে শ্ৰেষ্ঠ প্ৰদৰ্শন কৰে যদিও পদক লাভৰ বাবে সেয়া যথেষ্ট নাছিল। ২০২০ চনৰ টকিঅ' অলিম্পিকৰ পাছত প্ৰথমবাৰৰ বাবে কোনো আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত শীৰ্ষ দুটা স্থান দখলত ব্যৰ্থ হয় তেওঁ। অলিম্পিক চেম্পিয়ন পাকিস্তানৰ আৰ্শ্বাদ নাদীমেও আশানুৰূপ প্ৰদৰ্শনত ব্যৰ্থ হয় আৰু দশম স্থানত ক্ষান্ত থাকে। নীৰজ চোপ্ৰা ব্যৰ্থ হ'লেও ভাৰতৰে আন এগৰাকী এথলেট শচীন যাদৱে আশাৰ সঞ্চাৰ কৰিছিল যদিও ফাইনেলত তেৰোঁ চতুৰ্থ স্থানহে দখল কৰে। যাদৱৰ শ্ৰেষ্ঠ থ্ৰ' আছিল ৮৬.২৭ মিটাৰৰ। প্ৰতিযোগিতাখনত এইবাৰ ট্ৰিনিডাড এণ্ড টবেগোৰ কেশ্ব'ৰ্ন ৱালকট (৮৮.১৬ মিটাৰ) বিজয়ী হোৱাৰ বিপৰীতে গ্ৰেনাডাৰ এণ্ডাৰছন পিটাৰ্ছে (৮৭.৩৮ মিটাৰ) দ্বিতীয় আৰু আমেৰিকা যুক্তৰাজ্যৰ কাৰ্টিছ থম্পছনে (৮৬.৬৭ মিটাৰ) তৃতীয় স্থান লাভ কৰে।

## কোৱাৰ্টাৰ ফাইনেলত উপনীত পি ভি সিন্ধু

**চাইনা মাষ্টাৰ্ছ**

**বেইজিং, ১৮ ছেপ্টেম্বৰ ঃ** ভাৰতৰ তাৰকা শ্বাটলাৰ পি ভি সিন্ধুৱে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন টুৰ্নামেণ্টৰ মহিলাৰ ছিংগল্‌ছৰ কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে। দুবাৰৰ অলিম্পিক পদক বিজয়ী সিন্ধুৱে আজি ষষ্ঠ বাছনিৰ থাইলেণ্ডৰ শ্বাটলাৰ পৰ্নপাৱী চোচুৱঙক ২১-১৫, ২১-১৫ পোনপটীয়া গেমত পৰাস্ত কৰে। চীনৰ শ্বেনজেন এৰেনাত অনুষ্ঠিত টুৰ্নামেণ্টখনৰ কোৱাৰ্টাৰ ফাইনেলত অলিম্পিক চেম্পিয়ন আৰু বিশ্বৰ এক নম্বৰ খেলুৱৈ দক্ষিণ কোৰিয়াৰ এন ছে য়ঙৰ সন্মুখীন হ'ব। ইফালে, পুৰুষৰ ডবল্‌ছত ভাৰতীয় যুটী সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ শেট্টীয়েও টুৰ্নামেণ্টখনৰ কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে। চাইনীজ টাইপেৰ যুটী চিয়াং কে চিউ আৰু ৱাং চি লিনক আজি ভাৰতৰ যুটীটোৱে ২১-১৩, ২১-১২ গেমত পৰাস্ত কৰে।

### সংক্ষেপতে ক্ৰীড়াক্ষেত্ৰ



**ছাবালেংকাই নেখেলে ঃ** চলিত বৰ্ষৰ ইউ এছ অ'পেনৰ খিতাপ দখল কৰা বেলাৰুছৰ টেনিছ তাৰকা এৰিনা ছাবালেংকাই চাইনা অ'পেনৰপৰা নাম প্ৰত্যাহাৰ কৰিছে। ফ্লাছিং মিড'ত খিতাপ দখলৰ যুঁজত আঘাত পোৱাৰ পৰিপ্ৰেক্ষিততে তেওঁ নাম প্ৰত্যাহাৰ কৰে।

**নাডেৰ বিজয়ী ঃ** টকিঅ'ত অনুষ্ঠিত বিশ্ব এথলেটিক্‌ছ চেম্পিয়নশ্বিপত ১৫০০ মিটাৰ দৌৰত জয়ী হৈছে পৰ্তুগালৰ আইজাক নাডেৰ। তিনি মিনিট ৩৪.১০ ছেকেণ্ডত দৌৰ সমাপ্ত কৰি তেওঁ বিজয়ী হয়। বৃটেইনৰ জেক ৱাইটমেনে দ্বিতীয় আৰু কেনিয়াৰ ৰে'নল্ড চেৰুইয়টে লাভ কৰে তৃতীয় স্থান।

**ইংলেণ্ডৰ জয় ঃ** তিনিখনীয়া টী-২০ ছিৰিজৰ প্ৰথমখনত আয়াৰলেণ্ডৰ বিৰুদ্ধে ৪ উইকেটত জয়ী হয় ইংলেণ্ড। আয়াৰলেণ্ডে প্ৰথমে বেটিং কৰি ২০ অভাৰত ৩ উইকেটত ১৯৬ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ১৭.৪ অভাৰত ইংলেণ্ডে ৬টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়।

## জয় কৃষ্ণগুৰু

ঈশ্বৰক চিন্তা কৰি, ভক্তি কৰি, সত্যবাদিতা গুণেৰে বিভূষিত হৈ সাংবাদিকতা কৰিবি। কাৰণ, সমস্ত ভূততে ঈশ্বৰ ব্যাপক হৈ আছে। গতিকে, আনৰ বিৰুদ্ধে যদি সামান্যও অপকাৰজনিত কথা লিখা হয়, তেতিয়া নিজৰেই অপকাৰ হয়। কাৰণ, তেনে কামৰদ্বাৰা সৰ্বব্যাপ্ত ঈশ্বৰৰ দ্ৰোহ আচৰণ কৰা হয়। লিখোঁতে সদায় শব্দৰ ঝংকাৰলৈ মন কৰিবি। এটা শব্দই মানুহক ধ্বংসও কৰিব পাৰে আৰু একোটা শব্দই মানুহৰ সাংঘাতিক ক্ষতিও কৰিব পাৰে। দেশৰ, দহৰ, সমাজৰ আৰু নিজৰ ক্ষতিকাৰক শব্দ কোনোদিন ব্যৱহাৰ নকৰিবি। যেতিয়া ঈশ্বৰভক্তি কৰি কৰ্ম কৰিবি, তেতিয়া আন্তৰাত্মাই সকলো ক'ব। ঈশ্বৰৰ চেষ্টাৰ কথা বুজি লৈ ঈশ্বৰৰ প্ৰতি দৃঢ় বিশ্বাসী হৈ ভাল শব্দ সংযোজন বাক্য আদি ব্যৱহাৰ কৰিব লাগে। তোৰ কথা লিখনিয়ে যাতে দেশৰ উৎকৰ্ষ সাধন কৰে, তাৰ প্ৰতিহে তই চেষ্টা কৰিব লাগিব। সাংবাদিকতাক দেশৰ সেৱাৰূপে গণ্য কৰিব লাগিব। সেয়ে আধ্যাত্মিক চিন্তাধাৰাৰে আগুৱাই যাব লাগে। তেতিয়া ঈশ্বৰে সহায় কৰে।

সাংবাদিকসকল সত্যবাদী, নিৰ্ভীক, নৈতিক, ন্যায়িক, সাত্বিক, অহিংস গুণৰ অধিকাৰী হ'ব লাগিব। সাংবাদিকতাই এখন সত্য সমাজ ৰচনা কৰিব পাৰে। অসত্য সমাজত শুদ্ধতাৰ সাঁচ পেলাব পাৰে। সাংবাদিকসকলে সমাজত অদ্ভুত প্ৰভাৱ পেলাব পাৰে। এটা ঘৰ ভাঙিবলৈ বেছি সময়ৰ প্ৰয়োজন নহয়। কিন্তু ঘৰটো সাজিবলৈ বহু সময়ৰ প্ৰয়োজন হয়। একেদৰে এখন মানৱ সমাজত সত্যৰ প্ৰভাৱ পৰিবলৈ বহু চেষ্টাৰ, বহু সাৱধানতাৰ প্ৰয়োজন হয়। সাত্বিক গুণৰ অধিকাৰী সাংবাদিক একোজনে সমাজক সত্বগুণী কৰিব পাৰে। শুদ্ধ, সত্য, অহিংস, নিৰ্ভীক সাংবাদিকে তেনে এখন সমাজৰ সৌধ ৰচনা কৰিব পাৰে। বিহ খালে মানুহ মৃত্যুমুখত পৰে। আকৌ সেই বিহৰদ্বাৰাই ঔষধো তৈয়াৰ কৰা হয়। যদি সাংবাদিকে শুদ্ধ, সত্য, সত্ব গুণৰদ্বাৰা সমাজক সেৱা কৰে, তেতিয়াহে সমাজ তথা দেশৰক্ষা পৰিব। আনহাতে, যদি এই শক্তিক বিপৰীত দিশত প্ৰয়োগ কৰা হয়, তেতিয়া কিন্তু সাংবাদিকতাই দেশত, সমাজত বিহৰ বন্যা বোৱাই দিব। দেশজুৰি অশান্তিৰ দৃষ্টি হ'ব।

তহঁতক আমি আশীৰ্বাদ কৰিছোঁ— ঈশ্বৰে সবাৰে হৃদয়ত স্থিতি হৈ সুজ্ঞান দিয়ক। পৰমেশ্বৰে তহঁতক কৃপা কৰক, সত্ব গুণ প্ৰদান কৰক।

— **কৃষ্ণগুৰু ঈশ্বৰ**

জয় কৃষ্ণগুৰু

কৃষ্ণগুৰু সেৱাশ্ৰম, নসত্ৰৰ কৃষ্ণগুৰু প্ৰকাশনৰদ্বাৰা প্ৰকাশিত, পৰম গুৰু কৃষ্ণগুৰু ঈশ্বৰৰ শ্ৰীমুখ নিঃসৃত প্ৰেমাকুল ভকতি পুথিৰপৰা সংগ্ৰহ কৰি জনহিতাৰ্থে প্ৰচাৰ কৰা হৈছে।

## ২১ ছেপ্টেম্বৰত পুনৰ ভাৰত-পাকিস্তান

**এছিয়া কাপ**

**ডুবাই, ১৮ ছেপ্টেম্বৰ ঃ** চলিত এছিয়া কাপত সংযুক্ত আৰব আমিৰশ্বাহী (ইউ এ ই)ক কালি গ্ৰুপৰ এখন মেচত ৪১ ৰানত পৰাস্ত কৰি ছুপাৰ ফ'ৰ পৰ্যায়ত উপনীত হৈছে পাকিস্তান। গ্ৰুপ 'এ'ৰপৰা নিজৰ দুয়োখন মেচতে জয়ী হৈ ইতিমধ্যে ভাৰতে ছুপাৰ ফ'ৰত প্ৰৱেশ কৰিছে। এতিয়া ডুবাইত ২১ ছেপ্টেম্বৰত পুনৰ ভাৰত-পাকিস্তান মুখামুখি হ'ব। দুয়োটা দলৰ মাজত অনুষ্ঠিত গ্ৰুপৰ মেচত ভাৰতীয় খেলুৱৈসকলে কৰমৰ্দন নকৰাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। পাকিস্তানে এছিয়া কাপৰপৰা নাম প্ৰত্যাহাৰ কৰিব বুলিও খবৰ ওলাইছিল। ইফালে, সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলে ছুপাৰ ফ'ৰৰ মেচৰ পূৰ্বে গ্ৰুপৰ অন্তিমখন মেচত কাইলৈ আবুধাবিত ওমানৰ বিৰুদ্ধে খেলিব।


### সুব্ৰত কাপ ফুটবল প্ৰতিযোগিতা

## নুমলীগড় হাইস্কুলৰ ক্ৰমাগত দ্বিতীয় জয়

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** গোলাঘাটৰ নুমলীগড় হাইস্কুলে নতুন দিল্লীত চলি থকা ৬৪সংখ্যক সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত উজ্জীৱিত প্ৰদৰ্শন অব্যাহত ৰাখিছে। অসমক প্ৰতিনিধিত্ব কৰা দলটোৱে প্ৰতিযোগিতাৰ ১৭ বছৰ অনূৰ্দ্ধৰ জুনিয়ৰ ল'ৰাৰ শাখাত গ্ৰুপৰ নিজৰ তৃতীয়খন খেলত আজি নৱোদয় বিদ্যালয় দলক ৪-০ গ'লত পৰাস্ত কৰে। পিণ্টো পাৰ্ক ফুটবল গ্ৰাউণ্ডত অনুষ্ঠিত সম্পূৰ্ণ একপক্ষীয় খেলখনত নুমলীগড় হাইস্কুলৰ হৈ আকাশ লোহাৰ (১, ১৫ মিঃ) আৰু পৱিত্ৰ নাথে (৩, ৩০ মিঃ) দুটাকৈ গ'ল কৰে। প্ৰতিযোগিতাখনত অসমৰ এয়া দ্বিতীয় জয়। কালি গ্ৰুপৰ দ্বিতীয়খন খেলত দলটোৱে আন্দামান-নিকোবৰক ২-০ গ'লত পৰাস্ত কৰিছিল। দলৰ হৈ পাৰ্থ ডেকা বৰুৱা (৪৮ মিঃ) আৰু প্ৰীতম বসুমতাৰীয়ে (৬২ মিঃ) একোটাকৈ গ'ল দিয়ে। ইয়াৰ পূৰ্বে গ্ৰুপৰ প্ৰথমখন খেলত দলটোৱে আৰ্মী বয়জ স্কুলৰ বিৰুদ্ধে ২-২ গ'লত ড্ৰ খেলি পইণ্ট ভগাই লৈছিল। অসমে গ্ৰুপৰ অন্তিম মেচত তেলেংগানাৰ বিৰুদ্ধে খেলিব। আজিৰ জয়েৰে অসমৰ দলটোৱে প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ আশা সজীৱ কৰি তুলিছে।




| মডেলছ | পুৰণি শ্ৰুমৰ মূল্য | GST হ্ৰাস^ | নতুন শ্ৰুমৰ মূল্য* |
|---|---|---|---|
| VENUE | ₹7 94 100 | ₹67 719 | ₹7 26 381 |
| EXTER | ₹6 20 990 | ₹52 957 | ₹5 68 033 |
| i20 | ₹7 50 900 | ₹64 035 | ₹6 86 865 |
| AURA | ₹6 54 100 | ₹55 780 | ₹5 98 320 |
| Grand i10 NIOS | ₹5 98 300 | ₹51 022 | ₹5 47 278 |
| CRETA | ₹11 10 900 | ₹38 311 | ₹10 72 589 |

\+ অতিৰিক্ত অফাৰ

VENUE ₹70 000* লৈকে লাভ কৰক | EXTER ₹55 000* লৈকে লাভ কৰক | i20 ₹55 000* লৈকে লাভ কৰক | Grand i10 NIOS ₹60 000* লৈকে লাভ কৰক | AURA ₹40 000* লৈকে লাভ কৰক

সুলভ EMI- মাত্ৰ ₹999 প্ৰতিলাখত#

HYUNDAI

CSD আৰু KPKB গ্ৰাহকৰ বাবে অতিৰিক্ত লাভ##। ডিপ'জিটৰ বৈধ প্ৰমাণপত্ৰৰ বিপৰীতে অতিৰিক্ত স্ক্ৰেপেজ ব'নাছ লাভ কৰক~~।

**For Information Contact:** Toll Free: 1800114645 **Guwahati: Mukesh Hyundai,** Ph: 9864060001, Bijoynagar, Ph: 8822133347 Rangia, Ph: 8486003017, **Oja Hyundai,** Ph: 9864339016, 9864339002 Guwahati Club, Ph: 7637010473, Mangaldoi, Ph: 9854018241, Udalguri, Ph: 8638730313, Noonmati, Ph: 9864339005, Tangla, Ph: 9678133717, **Lohia Hyundai,** Ph: 7002994401, Hajo, Ph: 7002994417, **Saraighat Hyundai,** Ph: 9706099191 Nalbari, Ph: 9707029870, Pathsala: Ph: 9854021436, Boko Ph: 7002589602, Baihata, Ph: 9864924843 Goreswar, Ph: 9387606096, Mushalpur, Ph: 9101655045, **Bongaigaon: Meghna Hyundai,** Ph: 9435121466, Barpeta Road, Ph: 9435179156, Barpeta Town, Ph: 7002581502, **Dhubri:** Ph: 8638577277, **Goalpara:** Ph: 9435120287,9706575459, **Kokrajhar:** Ph: 6002196832, Bhawanipur, Ph: 8473836476, Kalgachia, Ph: 6000948247 **Bongaigaon: Meghna Hyundai,** Ph: 9435121466, Barpeta Road, Ph: 9435179156, Barpeta Town, Ph: 7002581502, **Dhubri:** Ph: 8638577277, **Goalpara:** Ph: 9435120287,9706575459, **Kokrajhar:** Ph: 6002196832, Bhawanipur, Ph: 8473836476, Kalgachia, Ph: 6000948247 **Nagaon: Akash Hyundai,** Ph: 7399000604, Lanka, Ph: 7399000625, Jagiroad, Ph: 7399000604, 7399000607, Diphu, Ph: 7399000604, 7399000607, Morigaon, Ph: 7399000617, **R J Hyundai,** Ph: 7099004900, 7099004904, Hojai Ph: 7099004903, **North Lakhimpur: Mandona Hyundai,** Ph: 7896427570, **Sivsagar: Borah Hyundai,** Ph: 9854010125, Amguri, Ph: 6900565233, Sonari, Ph: 8811994393, **Sivsagar: Borah Hyundai,** Ph: 9854010125, Amguri, Ph: 6900565233, Sonari, Ph: 8811994393 **Tinsukia: Borah Hyundai,** Ph: 7971266467, Margherita, Ph: 7002362490,Chapakhowa, Ph: 8638735703, Digboi, Ph: 9957005530, **Dibrugarh: Borah Hyundai,** Ph: 7002876041, 9435030344, **NKS Hyundai,** Ph: 6026000052, 7941057517, **Jorhat: Krishna Hyundai,** Ph: 6901226340, **Teok: Krishna Hyundai,** Ph: 6901226342, **Bokakhat: Krishna Hyundai,** Ph: 6901279907, **Tezpur: Krishna Hyundai,** Ph: 9435094058, **Golaghat: Krishna Hyundai,** Ph: 6901262801, **Biswanath Chariali: Krishna Hyundai,** Ph: 6901262808, **Rowta: Krishna Hyundai,** Ph: 7099036986, Gohpur, Ph: 7099064987, **Silchar: Singhi Hyundai,** Ph: 7578006197, 7578007681, Karimganj, Ph: 7636908186, 9854008283, Hailakandi, Ph: 8638161310 **Aizawl: C K Hyundai,** Bawngkawn, Ph: 8974831933, **Lunglei:** Ph: 9863146305, **Shillong: Goenka Hyundai,** RPG Complex, Keating Road, Ph: 8132840279, 8575042065, 8575041047, Laitkor Ph: 7641033673, Tura, Ph: 8974949457, **Ka Shillong Hyundai,** G.S. Road, Mawiongrim, Ph: 7308666606, 9774041424, Mihmyntdu, Jowai, Ph: 7308666606, 9774041424, **Nongpoh:** G.S. Road, Ph: 7308666606, 9774041424, **Kohima: Vuto Hyundai,** Ph: 6009591200, 7005637327, 6009000087, **Dimapur: Floyd Hyundai,** Ph: 7005507121, 8413075996, **Imphal: Punya Hyundai,** Ph: 9612950374, Nagaram Laipham Khunou, Opp. Khumanlampak Sports Complex, Imphal –795010, Moirang, Ph: 9863644008 Churachandpur road, Kakching, Ph: 7085307778 Sugnu-Imphal Road, Near AR Camp, **Naharlagun: Neni Hyundai,** Ph: 8257874702, **Pasighat:** Ph: 9436690785, **Itanagar:** Ph: 8974788875, **Roing:** Ph: 8413962225, **Agartala: Panna Hyundai,** Ph: 8794101518, 8798703068, **Dharmanagar:** Ph: 9233265264, **Udaipur:** Ph: 9233040240

Hyundai Click to Buy Scan here | my Hyundai app | Hyundai Promise Certified Pre-Owned Car

*Terms & conditions apply. ^Benefits of GST reduction to be effective from 22nd September 2025. Ex-Showroom price mentioned is for base variant. Delivery timeline may vary and is dependent upon various factors including model, variant, colour, stock availability, etc. *Offer valid till 30th September, 2025. HMIL reserves the right to alter or discontinue the deals, benefits or offers at its sole discretion at any time. For more details, visit your nearest Hyundai showroom. Offers mentioned include cash, corporate, either exchange or scrappage benefits as applicable. Offers may vary from variant to variant. Offers may vary from city to city. #EMI may differ basis the bank interest, tenure, customer profile, etc. Finance at the sole discretion of the financier. ~~Scrappage bonus will be applicable against a valid certificate of deposit (issued by government approved and operational scrappage center) and exchange of old car. In case the customer is giving certificate of deposit but not physically exchanging his old car and buying a new car – then only scrappage bonus of ₹5 000 will be paid. This advertisement and car shown here is for creative representation purposes only and the depictions are for illustrative purposes. Features and specifications shown may or may not be part of standard fitment and are subject to change without prior notice. Hyundai Motor India Limited reserves the right to change specifications, colour, equipment and schemes at any time without prior notice. The black shade on glass are due to lighting effect. Size and colour may appear to vary due to lighting and position effect. Shield of Trust & Super are on payable basis. For more details on warranty, please refer owner's manual. ##CSD: Canteen Stores Department, KPKB: Kendriya Police Kalyan Bhandar.

INNOCEAN–047/25 ASS

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিংছ, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ০৩৬১-২৬৬০১০২, ২৬৬১৩৫৯, ৮৮১১৮-৮১০২৪। ই-মেইল ঃ dainikasam@gmail.com

কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ